# প্ৰান্তিক

১১শ বছৰ ২০শ সংখ্যা ১৬—৩০ ছেপ্তেম্বৰ '৯২





বগা পাখিৰ দেওহাঁহ

## সত্ৰীয়া নৃত্য





## এইডছ্ ৰোগৰ চিকিৎসা ঃ আশা আৰু আশংকা





# প্ৰান্তিক

নবগিৰি পথ, চানমাৰি, ডাকঘৰ—শিলপুখুৰী, গুৱাহাটী—৭৮১০০৩ ফোন—৪৬২১৩

১১শ বছৰ ২০শ সংখ্যা ১৬-৩০ ছেপ্টেম্বৰ'৯২

মূল্য সাত টকা


## এই সংখ্যাত

অসমৰ অৰ্থনীতি উদ্যোগীকৰণৰ দুৱাৰডলিত উপস্থিত হৈছে বুলি ক'ব পাৰি। ৰাজ্যখনক সক-বৰ উদ্যোগৰে জাতিষ্কাৰ কৰিবলৈ আৰু কৃষিভূমিক সুজলা-সুফলা-শস্যশ্যামলা কৰিবলৈ মূলধন উৎপত্তি হৈছে উন্নতিৰ সোপান। উন্নতিৰ কাৰণে মূলধন উৎপত্তিৰ প্ৰয়োজন। কিন্তু ইয়েই যথেষ্ট নহয়। মূলধন উৎপত্তিক সোণৰ কণী পৰা "বুবুলৰ ৰাজহাঁহ"ৰ লগত বিজাব পাৰি; —লাভজনক উদ্যোগ যিমানে গঢ়ি উঠে বৃদ্ধিও সিমানে ঘটে।

**অৰ্থনীতি শিতানত ড. অজিৎ নেওগৰ নিবন্ধ : আৰ্থিক বিকাশত মূলধনৰ ভূমিকা ।৯।**

আজি কিছুদিনৰ পৰা অসমৰ দুটা প্ৰধান আঞ্চলিক ৰাজনৈতিক দল—অসম গণ পৰিষদ আৰু নতুন অসম গণ পৰিষদৰ একত্ৰীকৰণ সম্পৰ্কে নানা জল্পনা-কল্পনা চলি আছে। ... কিন্তু এটা কথা সকলোৱে কৈছে যে কেৱল একত্ৰীকৰণ সমৰ্থন কৰি কাকতে-পত্ৰই বিবৃতি দি থাকিলেই কলটো নপকে।... তাতোকৈ ডাঙৰ কথা,—ই-কংগ্ৰেছৰ বিকল্প দল হিচাপে পৰিগণিত হ'বলৈ হ'লে অকল দলীয় কৰ্মীসকলৰ সমৰ্থনেই যথেষ্ট নহ'ব, ৰাইজৰো সমৰ্থন পাব লাগিব। আজিকালি ৰাজনীতি মানে দলীয় ৰাজনীতি আৰু সংসদী ৰাজনীতি। সংসদী ৰাজনীতিৰ প্ৰধান অংগ হৈছে নিৰ্বাচন আৰু নিৰ্বাচনত জয়লাভ কৰিবলৈ হ'লে জনগণৰ সমৰ্থন অপৰিহাৰ্য।

**ৰবীন্দ্ৰ নাথ বৰুৱাৰ নিৰীক্ষণ : আঞ্চলিক দলৰ একত্ৰীকৰণৰ প্ৰয়োজনীয়তা ।২২।**

বিশ্বৰ পৰিবৰ্তিত পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাকৈ এক সক্ৰিয় কাৰ্যসূচী গ্ৰহণৰ সংকল্পৰে গোষ্ঠীনিৰপেক্ষ আন্দোলনৰ দশম শীৰ্ষ সন্মিলনৰ সামৰণি পৰিছে। সদস্য দেশসমূহৰ দ্বিপাক্ষিক বিষয়সমূহ 'নাম'ৰ মজিয়াৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰাৰ পাছতো প্ৰথম দিনতে পাকিস্তানৰ দ্বাৰা কাশ্মীৰ সমস্যা উত্থাপন আৰু ভাৰতৰ সন্মিলন কক্ষ ত্যাগৰ ঘটনাটোৱে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত চলি থকা তীব্ৰ মত-পাৰ্থক্যৰ কথাকে সূচনা কৰিছে। এনেদৰে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সদিচ্ছাৰ অভাৱ ঘটি থাকিলে গোষ্ঠীনিৰপেক্ষ সন্মিলনে ইতিমধ্যে গ্ৰহণ কৰা নীতি আৰু আদৰ্শ বাস্তৱত ৰূপায়িত কৰাটো কঠিন হৈ পৰিব।

**বিশ্বপৰিক্ৰমাত ড. সুনীল পৱন বৰুৱাৰ নিবন্ধ : জাকাৰ্টা সন্মিলনৰ সামৰণিত গোষ্ঠীনিৰপেক্ষতাৰ প্ৰাসংগিকতা ।২৪।**

আমাৰ অসমৰ ছেমনীয়া খেলুৱৈসকলে ভাল খেলি ভাল ফল পোৱা আমি সকলোৱে দেখি আহিছোঁ। কিন্তু সেই অনুপাতে তেওঁলোকে পুৰুষ আৰু মহিলাৰ বিভাগত ভাল ফল দেখুৱাব নোৱাৰে। কাৰণ ছিনিয়ৰ বিভাগত কৃতিত্ব প্ৰদৰ্শনৰ বাবে অকল অনুশীলনেই যথেষ্ট নহয়; তাৰ সৈতে ৱেইট ট্ৰেইনিঙৰ প্ৰয়োজনীয়তাও কম নহয়। ৱেইট ট্ৰেইনিং কৰিলেহে আমাৰ মাংসপেশীবোৰ সবল আৰু বেছি শক্তিশালী হয় আৰু তেতিয়াহে জুনিয়ৰ বিভাগৰ দৰে ছিনিয়ৰ বিভাগতো আৰু কিছু উন্নতি কৰি ভাল ফল দেখুৱাব পাৰিম।

**ক্ৰীড়াংগন শিতানত তৈয়বুন নিছাৰ নিবন্ধ : খেলুৱৈৰ বাবে ৱেইট ট্ৰেইনিঙৰ আৱশ্যকতা ।৪৮।**

"আপোনালোকে ভাবিছে মই আমেৰিকালৈ আহি পৰম সুখত আছোঁ। মিছা কথা। মন দুখেৰেহে ভৰি পৰিছে। ইয়াত লাইফ বোলা বস্তুৱেই নাই। ছুইচ টিপিছে, যি লাগে চব পাই গৈছে। বজাৰলৈ গৈছে—দৰ-দাম নাই, গেলা-পচা নাই, ফুটপাথত পুলিছৰ টাঙোনডাল নাই; উচ্ছেদ নাই, দগা-পাল্লা জোখ-মাখত 'হেৰফেৰ' বুলি শব্দ এটা নাই,-কথা হ'ল নেকি! আমাৰ বজাৰবোৰৰ কথা মনত পেলাওকচোন—আ-আ! ভাবিলেই ভাল লাগি যায়।"

**ড. বিকাশ বৰুৱাই আমেৰিকা ভ্ৰমণ কালত ৰচনা কৰা ৰঞ্জন : ভাল লগা নাই ।১৭।**


পত্ৰালাপ ।৪। সম্পাদকীয় ।৫। ঘটনা-প্ৰবাহ ।৭। অৰ্থনীতি ।৯। ৰঞ্জন ।১৭। এইডছ ৰোগৰ চিকিৎসা : আশা আৰু আকাংক্ষা (স্বাস্থ্য) ।১৮। নিৰীক্ষণ ।২২। বিশ্বপৰিক্ৰমা ।২৪। বিজ্ঞান ।২৫। অসমৰ লুপ্তপ্ৰায় বন্যপ্ৰাণী—দেওহাঁহ ।২৮। দেওহাঁহৰ সংৰক্ষণ ।২৯। ভ্ৰমণ ।৩১। কলা-সংস্কৃতি ।৩৪। শ্ৰীকৃষ্ণৰ কালীয় দমন ।৩৯। ধাৰাবাহিক উপন্যাস ।৪০। কবিতা ।৪৩। গল্প ।৪৪। ক্ৰীড়াংগন ।৪৮। শেষপৃষ্ঠা ।৫০।


## অহা সংখ্যাত

আপুনি যে আপোনাৰ ল'ৰা-ছোৱালী-হঁতক মৰম কৰে, তাৰ প্ৰমাণ কি? সিহঁতে যি বিচাৰিছে তাকে কিনি দিছে; —সেইটোৱেই প্ৰমাণ? আপোনাৰ মৰম সম্পৰ্কীয় দৃষ্টিভংগীয়ে সিহঁতক কেনেকুৱা চৰিত্ৰৰ মানুহ কৰি তুলিছে? সন্তানৰ ভৱিষ্যত উজ্জ্বল কৰিবলৈ গৈ, সিহঁতৰ সকলো অভাৱ পূৰণ কৰি উছন হোৱা সংসাৰৰ লিখিত আৰু অলিখিত কাহিনীৰে আমাৰ সমাজ-সাহিত্য উপচি আছে কিয়?

**হিৰণ দত্তৰ পৰ্যালোচনা : অকালপক্ক উপভোক্তাৰ পৰা সাৱধান**

সেই সময়ত নগাঁও নগৰত সাতটা প্ৰাইভেট ঘৰ আছিল। তাৰে তিনিটা পকাৰ। ... পইচাৰ অভাৱত কানি খাবলৈ নাপালে মানুহবোৰে চুৰ কৰিছিল। ... ১৮৪৭ চনত নগাঁও জিলাৰ ২৪২৬ পুৰা মাটিত কানিৰ খেতি কৰা হৈছিল। বছৰেকত ৬০৬ মোন ২০ সেৰ কানি উৎপন্ন হৈছিল। প্ৰতিসেৰ কানিৰ দাম আছিল পাঁচ টকা। ...

**বাটলাৰ চাহাবে লিখা নগাঁও জিলাৰ চমু টোকা : অনিল চন্দ্ৰ ভট্টাচাৰ্য**

তামোল গছৰ গাৰ বগা চকলা-চকল দাগবোৰ কিহৰ কাৰণে হয়? লাইকেনৰ কাৰণে। মঙল গ্ৰহত অইন উদ্ভিদ জীয়াই নাথাকিলেও লাইকেন হয়তো থাকিব। লাইকেনেৰে কটি, তৰকাৰী, নানা ধৰণৰ ঔষধ, ৰং, সুগন্ধি প্ৰসাধন সামগ্ৰী, বিয়েৰ আদি বহু প্ৰয়োজনীয় বস্তু তৈয়াৰ কৰা হয়।

**এই লাইকেনৰ বিষয়ে লিখিছে জিতু বুঢ়াগোহাঁয়ে।**

আমাৰ বন্যপ্ৰাণীবোৰ চিনাক্ত কৰি, সিহঁতৰ স্বভাৱ-চৰিত্ৰ অনুসৰি (সিহঁতৰ) নামকৰণ কৰা কামটো আমি হয়তো প্ৰণালীবদ্ধভাৱে কৰিব পৰা নাই; কিন্তু কিছুমান প্ৰাণীৰ নামৰ ক্ষেত্ৰত আমাৰ পুৰণি লোকসকলে দক্ষতা আৰু সৌন্দৰ্যবোধৰ পৰিচয় দিছে। ... বাৰীসুন্দৰী, বাঢ়েটোকা, পাটমাদৈ, হঁয়কলী, ফেঁছজালি আদি নিভুৰ্ল আৰু অতি সুৱলা নাম।

**বিৰাজ চৌধুৰীৰ প্ৰবন্ধ : বন্যপ্ৰাণীৰ নাম**

প্ৰকৃততে সোণৰ অলংকাৰ বিয়া এখনৰ বাবে অপৰিহাৰ্য সামগ্ৰী হয়নে? সোণৰ অলংকাৰৰ লগত পৰিয়াল এটাৰ মৰ্যাদাক জড়িত কৰা উচিত নে? সোণৰ অলংকাৰ বিপদৰ বন্ধু হ'ব পাৰেনে?

**সোণৰ খাৰু নেলাগে মোক : ড. হেমন্ত কুমাৰ গোস্বামী**

ঋষি-মুনিসকলৰ সিদ্ধান্তসমূহ বৈজ্ঞানিক নে? বিজ্ঞানৰ যুগত মন্ত্ৰ-তন্ত্ৰৰ ঠাই আছে নে? ভূতনো কি?

**লোচন চন্দ্ৰ বৰা, জয়ন্ত কুমাৰ শৰ্মা, বাদল ঠাকুৰ, পংকজ নেওগ, মৌচম হাজৰিকা আদিৰ আলোচনা।**


Prantik

The Assamese Fortnightly

Rs. 7.00

Vol XI No. 20 16–30 September '92

Navagiri Road, Chanmari,
P. O. Silpukhuri, Guwahati – 781003
Phone 46213

## 'মাৰাত্মক আদৰ্শ'

সম্পাদকীয় শিতানত 'মাৰাত্মক আদৰ্শ' শিৰোনামাৰে লিখা কথাখিনি (১।৮।৯২) পঢ়িলো। ৰাম মন্দিৰ নিৰ্মাণ কৰিব খোজাসকলে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অমান্য কৰা ঘটনাক দ্বৰ্থ্যহীন ভাষাৰে আপুনি গৰিহণা দিব খোজা বুলিও বুজিব পাৰিলো। কিন্তু এনেদৰে অমান্য কৰা ঘটনা অভূতপূৰ্ব নহয়। অতীতত উচ্চতম ন্যায়ালয়ে শ্বাহ বানু গোচৰত দিয়া ৰায় অমান্য কৰিবলৈ সংখ্যালঘু নেতাসকল উঠিপৰি লগা আৰু তেওঁলোকৰ ওচৰত সেও হৈ চৰকাৰে আইনকে সংশোধন কৰা ঘটনা ঘটি গৈছে। আপোনাৰ বক্তব্য এয়াহে হ'ব লাগিছিল নেকি যে অতীতত আইন অমান্যকাৰীসকলৰ ওচৰত সেও হোৱা দল এটাৰ নতুন অমান্যকাৰীৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰাৰ কি সৎসাহস নাইবা অধিকাৰ আছে?

—প্ৰমোদ কলিতা,
বালিতাৰা, নলবাৰী

## ক্ষুদ্ৰ সাহিত্য উদ্যোগ

কিছুদিনৰ আগতে শোণিতপুৰ জিলাৰ চতিয়াত মই দুখন স্মৃতিগ্ৰন্থ দেখাৰ সুযোগ পাইছিলো। এখন স্বৰ্গীয় তুলসী চন্দ্ৰ হাতীবৰুৱাৰ জন্ম শতবাৰ্ষিকী আৰু আনখন স্বৰ্গীয় লক্ষীনাথ বৰুৱাৰ জন্ম শতবাৰ্ষিকী উপলক্ষ্যে প্ৰকাশিত। স্বৰ্গীয় হাতীবৰুৱা স্বাধীনতা যুদ্ধৰ নিস্বাৰ্থ কৰ্মী আছিল। তেখেতে ইংৰাজ-শাসনৰ তলত কৰা চাকৰি বিসৰ্জন দি দেশ সেৱাৰ কামত ব্ৰতী হৈছিল আৰু বিভিন্ন প্ৰক্ৰিয়াৰে স্বাধীনতা সংগ্ৰামৰ লগত যুক্ত হৈ পৰিছিল। তেখেতৰ জীৱনক বিভিন্ন দৃষ্টিকোণৰ পৰা পৰ্যবেক্ষণ কৰি লিখা লেখনীৰে গ্ৰন্থখন পৰিপূৰ্ণ। শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী, শ্ৰীপোৱাল বৰুৱা, শ্ৰীযজ্ঞেশ্বৰ হাতীবৰুৱা আদি গুণী ব্যক্তি আৰু পৰিয়ালৰ বহুজনে গ্ৰন্থখনত তেখেতসকলৰ নিবন্ধ সন্নিবিষ্ট কৰিছে।

আনখন অনুৰূপ গ্ৰন্থতো মুক্তি যুঁজাৰু স্বৰ্গীয় লক্ষীনাথ বৰুৱাৰ জীৱনৰ কেইবাটাও স্মৰণযোগ্য দিশৰ বিষয়ে লেখনী প্ৰকাশ হৈছে।

উল্লেখযোগ্য যে দুয়োখন গ্ৰন্থই পৰিয়ালৰ ব্যক্তিগত প্ৰচেষ্টাত প্ৰকাশিত। জন্ম শতবাৰ্ষিকী উদযাপনৰ বাবে গতানুগতিক পদ্ধতিৰ পৰা পৃথক স্মৃতিগ্ৰন্থ প্ৰকাশৰ এই নতুন প্ৰক্ৰিয়াটো নিশ্চয় মন কৰিব লগীয়া। স্মৰণীয় ব্যক্তি দুজনৰ জীৱনৰ ওপৰত আলোকপাত কৰাই মুখ্য উদ্দেশ্য হ'লেও এই প্ৰক্ৰিয়াটোক নিশ্চয় এক সাহিত্যকৰ্মও বুলিব পাৰি। অসমীয়া জাতি আৰু ভাষাৰ অৱক্ষয়ৰ এই সংকটকালত এনে প্ৰচেষ্টাক উৎসাহ যোগোৱা উচিত। খ্যাত বা অখ্যাত কোনো ব্যক্তিক স্মৰণ কৰিবলৈ ব্যয়বহুল আয়োজনৰ সলনি এই গ্ৰন্থ প্ৰকাশৰ নতুন ধাৰাই ভাষা সাহিত্যলৈও কিঞ্চিত অৱদান দিব পাৰিব বুলি ভবাৰ নিশ্চয় থল আছে। এই'প্ৰক্ৰিয়া অব্যাহত থাকক।

গ্ৰন্থ দুখনৰ প্ৰকাশক যথাক্ৰমে শ্ৰীখোল্মুকেশ হাতীবৰুৱা আৰু শ্ৰীতীৰ্থ বৰুৱা নিশ্চয় ধন্যবাদৰ পাত্ৰ। স্থানীয় "ইষ্টানিক" সংঘয়ো অঞ্চলটোত সাহিত্যকৰ্মৰ বিভিন্ন প্ৰচেষ্টা অব্যাহত ৰখাত স্থানীয় ৰাইজে আনন্দ প্ৰকাশ কৰিছে।

—উৎপল বৰুৱা,
মাদ্ৰাজ

## সেই ঘৰবোৰ

এই পত্ৰযোগে সকলোৰে চকুত পৰা বিষয় এটা উত্থাপন কৰিব খোজা হৈছে। বিষয়টো হৈছে, অসম চৰকাৰৰ কেতবোৰ আছাম টাইপৰ পৰিত্যক্ত ঘৰ। এনে ধৰণৰ অসংখ্য ঘৰ নিশ্চয় আমাৰ পাঠকসকলে ৰাষ্ট্ৰীয় ঘাই পথেৰে ভ্ৰমণ কৰোঁতে ৰাস্তাৰ দুয়োকাষে দেখিছে। এই ঘৰবোৰ কি কাৰণে পৰিত্যক্ত জনা নাযায়; কিন্তু প্ৰায়বোৰ ঘৰেই যে এসময়ত অসম চৰকাৰৰ কাৰ্যালয় নতুবা কৰ্মচাৰীৰ আবাস-গৃহ আছিল, সেই কথাটো সহজে জানিব পৰা যায়। ইয়াৰ বেছিভাগ ঘৰেই এসময়ত স্বাস্থ্য, পশুচিকিৎসা, সমবায়, বন, কৃষি, ৰেচম ইত্যাদিৰ বিভাগৰ লগত জড়িত আছিল। হয়তো কাৰ্যালয়বোৰ স্থানান্তৰ কৰা বাবে নাইবা চৰকাৰী কৰ্মচাৰীসকল 'আওহতীয়া' ঠাইলৈ আহিব নোখোজা বাবে এই ঘৰবোৰ পৰিত্যক্ত হৈছিল। এইবোৰ এতিয়া শিয়াল, হেপা, নেউল আদিৰ দৰে বনৰীয়া প্ৰাণীৰ বাসস্থল, গৰখীয়া ল'ৰাৰ জিৰণি স্থল, খোলাখুলিকৈ আলোচনা কৰিব নোৱৰা কথা আলোচনা কৰাৰ স্থল আৰু অৱশ্যেই চোৰ-ডকাইতৰ আড্ডাৰ স্থল। অৱশ্যে এতিয়া ৰাইনো, বজৰং, টাইগাৰ আদি অপাৰেশ্যনৰত মিলিটেৰিৰ দ্বাৰাও এইবোৰৰ কিছু ঘৰ ব্যৱহৃত হৈছে। বাৰিষা ইয়াৰে কেতবোৰ ঘৰ খেতিয়ক ৰাইজে কঠিয়া সংৰক্ষণৰ বাবেও ব্যৱহাৰ কৰে। সময়ৰ লগে-লগে এই ঘৰবোৰৰ দুৱাৰ খিৰিকিবিলাক বস্তুৰ আলৈ-আথনি সহিব নোৱৰা মানুহে খুলি নি নিজৰ কামত লগায়। জনদিয়েক 'সাহসী আৰু উদাৰ' ব্যক্তিয়ে আকৌ টিনপাত কেইচলা খুলি নি সামান্য দামত বিকে।

এই বিষয়ৰ দৰকাৰী কথাকেইটামান হ'ল:

অসম চৰকাৰৰ অৰ্থ-সংকটৰ প্ৰতি এই লাখটকীয়া ঘৰবোৰ নষ্ট হোৱা ঘটনাই কিছু পৰিমাণে হ'লেও অৰিহণা জনোৱা নাইনে?

এই ঘৰবোৰে চৰকাৰৰ নগৰকেন্দ্ৰিক উন্নয়নমূলক নীতিকে নুবুজায়নে?

এই ঘৰবোৰ চৰকাৰী বিভাগবোৰ সময়ৰ লগে-লগে সংকুচিত হোৱাৰ পৰিচায়ক নহয় নে?

কোনো বিভাগৰ কাৰ্যালয় এটা কিবা কাৰণত স্থানান্তৰিত হ'লেও ঘৰটো চৰকাৰে আন কামত লগাব নোৱাৰেনে?

—নৰনাৰায়ণ নাথ,
অসম কৃষি বিশ্ববিদ্যালয়,
যোৰহাট

## কলাৰ মাজলৈও ক'লা

যি কোনো কাৰ্যালয়ত দুৰ্নীতি আৰু অকৰ্মণ্যতা বিষয়ক কথাত মাত মাতিলেই এটা প্ৰশ্নৰ সম্মুখীন হোৱা যায়; —"ইয়াত কি দেখিছে? অমুক বিভাগলৈ কেতিয়াবা গৈছেনে? আগতে পাৰে যদি সেইবিলাক চাফ কৰক; পাছত আমাক ক'বহি।" এনেকৈয়ে বিভিন্ন বৃত্তি দুৰ্নীতিৰ শিকলিত বান্ধ খাই পৰিছে। আনকি অট'ৰিক্সাত মিটাৰ লগোৱাৰ প্ৰসংগতো চালকসকলৰ মনোভাব এনেকুৱা: "সকলো বৃত্তিতেই অসৎ উপায়ৰ পথ উন্মুক্ত। সেইবিলাকত মিটাৰ নলগায় কিয়?"

এই পৰিবেশতো অন্ততঃ দুখন জগত দুৰ্নীতিৰ পৰা মুক্ত হৈ আছে বুলি ক'ব পাৰি। সেয়া হ'ল গ্ৰন্থ জগত আৰু কলা জগত। ইয়াৰ ভিতৰত বিভিন্ন পুৰস্কাৰ ঘোষণাৰ সময়ত প্ৰথমখন জগত আৰু টিভিত প্ৰদৰ্শিত কিছুমান অনুষ্ঠানৰ বেলিকা দ্বিতীয়খন জগত কিছু পৰিমাণে বিতৰ্কিত হৈ উঠিলেও এই দুখন জগতৰ মানুহবিলাক এতিয়াও আমাৰ সম্মান আৰু গৌৰৱৰ পাত্ৰ হৈ আছে (যেনেকৈ শিক্ষা বিভাগৰ লোকসকল এটা সময়ত আছিল)। এনে অৱস্থাত সিদিনা হঠাতে চলচ্চিত্ৰ জগতৰ এজন স্বনামধন্য ব্যক্তিয়ে ৰাজহুৱা সভা এখনত তেওঁৰ ব্যক্তিগত অভিজ্ঞতা সদৰি কৰি প্ৰকাশ কৰিলে যে কলা জগততো 'ছিক্সটি-ফৰ্টি'ৰ সম্পৰ্ক আনিবলৈ এচাম আমোলা ব্যস্ত হৈ পৰিছে। এয়া নিশ্চয় দুৰ্ভাগ্যজনক কথা; কাৰণ সেইসকলে হয়তো ভবা নাই,—বাঁহৰ আগ ডুব গ'লে কাউৰী থাকিব ক'ত? কলা-সংস্কৃতি ক্ষেত্ৰৰ দুৰ্নীতিয়ে অকল নিজৰ বা সমসাময়িক সমাজখনকেই কলুষিত নকৰে, ৰাজ্যখনৰ সাংস্কৃতিক ঐতিহ্য আৰু ভৱিষ্যত পুৰুষৰ প্ৰতিও অবিচাৰ কৰে।

—উৎপল কুমাৰ দাস,
গুৱাহাটী শোধনাগাৰ

## 'মিজো গ্ৰাম্য সমাজৰ পুনৰবিন্যাস...'

পত্ৰালাপ শিতানত 'মিজো গ্ৰাম্য সমাজৰ পুনৰবিন্যাস...' শিৰোনামাৰে ভানলাল বোৱানাই লিখা চিঠিখনৰ (১৬।৭।৯২) সন্দৰ্ভত কিছু লিখাৰ প্ৰয়োজন বোধ কৰিলো। তেখেতে লিখিছে, "জো...ই মদ বা লাওপানীকহে বুজায়। কিন্তু এইটো ঠিক যে 'জো' শব্দ মিজোসকলৰ বাহিৰে উত্তৰ-পূৰ্বাঞ্চলৰ কোনো পাহাৰী জনজাতিৰ লোকে ব্যৱহাৰ নকৰে।" কিন্তু আমি মদ বা লাওপানীক বুজাবলৈ 'জো' (zoo) শব্দটো ব্যৱহাৰ কৰোঁ। আমি উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰী জনজাতি 'ডিমাছা' (বিশেষকৈ কাছাৰী নামেৰে পৰিচিত) লোক।

—দাও মহেন্দ্ৰ কেমপ্ৰ্যাৰি,
কাৰবি আংলং






# প্ৰান্তিক

একাদশ বছৰ, বিংশ সংখ্যা। ১৬—৩০ ছেপ্টেম্বৰ, ১৯৯২ চন।


## অসৎ আদৰ্শ

প্ৰত্যেক মানুহৰে একোটা বিষয় সম্পৰ্কে নিজস্ব মতামত থাকিব পাৰে। তেওঁ যদি কোনো এটা ৰাজনৈতিক দলৰ সদস্য হয়, তেনেহ'লে তেওঁৰ নিজস্ব মতামত দলটোৰ সমূহীয়া মতামতৰ লগত মিলিবও পাৰে, নিমিলিবও পাৰে। মিলিলে কোনো সমস্যা নাই; কিন্তু নিমিলিলে তেওঁ সেই বিষয়টোৰ ক্ষেত্ৰত কি কৰিব, তাৰ কেইবাটাও সম্ভাৱনা আছে: তেওঁ সেই বিষয়ে মনে-মনে থাকিব, বা তেওঁ নিজৰ মত বিসৰ্জন দি দলৰ মত গ্ৰহণ কৰিব, বা তেওঁ নিজৰ মতত লাগি থাকি দলৰ ভিতৰতে নিজৰ কৰ্তব্য সম্পাদন কৰিব, বা মতভেদ হোৱাৰ ফলত তেওঁ দলৰ পৰা ওলাই আহিব ইত্যাদি।

কিন্তু ৰাজহুৱা আলোচনা-বিলোচনা-বক্তৃতা আদিৰ মাজত সেই মানুহজনে দলৰ সদস্য হৈ থকা অৱস্থাত উক্ত বিষয়ে কেনে ধৰণৰ মতামত ব্যক্ত কৰিব, সেই সম্পৰ্কে এটা সিদ্ধান্ত গ্ৰহণ কৰি লোৱাটো মংগলজনক। "এইটো মোৰ ব্যক্তিগত মত" বুলি ঘোষণা কৰি ব্যক্তিগত মত সদৰি কৰাৰ অধিকাৰ তেওঁৰ নিশ্চয় আছে। সেই অধিকাৰ সাব্যস্ত কৰাৰ বাবে দলটোৱে তেওঁৰ ওপৰত কিবা ব্যৱস্থা ললে তাৰ বাবে তেওঁ সাজু হৈ থাকিব লাগিব।

এইবিলাকেই হ'ব ব্যক্তি, দল, ব্যক্তিগত মতামত, দলীয় মতামত আদি সম্পৰ্কীয় সাধাৰণ, সহজ-সৰল, সৎ নিয়ম। কিন্তু একোটা বিশেষ ধৰণৰ পৰিবেশত হঠাতে মনৰ কথা ওলাই গ'ল, তাৰ পাছত সমস্যাত পৰি মানুহজনে মিছাৰ আশ্ৰয় ললে,—এইটো অসৎ কাম।

ভাৰতৰ গৃহমন্ত্ৰী শ্ৰীচৱনে যোৱা ৯ তাৰিখে পুনেত এক সাংবাদিক মেলত ক'লে,—ঝাড়খণ্ডক এখন সুকীয়া ৰাজ্য বা কেন্দ্ৰ-শাসিত-অঞ্চল হিচাপে গঠন কৰাটোৱেই হ'ল ঝাড়খণ্ড সমস্যাটো সমাধানৰ একমাত্ৰ উপায়। এই কথাখিনি অতি পৰিষ্কাৰ আৰু অতি গুৰুত্বপূৰ্ণ। স্বাভাৱিকতে প্ৰচাৰ বা সংবাদ-মাধ্যমে যথোচিত গুৰুত্ব দি এই সংবাদ পৰিবেশন কৰিলে। বাতৰিটো শুনাৰ লগে-লগে এই বিষয়ে কথা চিন্তা-ভাৱনা কৰা যি কোনো লোকৰ মনতে নানা ধৰণৰ চিন্তাৰ উদ্ৰেক হৈছে: সংশ্লিষ্ট ৰাজ্য কেইখনে এই সিদ্ধান্ত মানি লবনে? এই সিদ্ধান্তই দেশখনৰ অন্যান্য অঞ্চলত কেনে প্ৰভাৱ বিস্তাৰ কৰিব বা কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব? —ইত্যাদি। কিন্তু এইখন দেশৰ নেতৃত্বৰ সততাৰ ইতিহাসে বহুতৰে মনত যিটো সন্দেহৰ সৃষ্টি কৰিছিল, দুদিনৰ পাছতে সেই সন্দেহ সত্যত পৰিণত হ'ল; —মন্ত্ৰীগৰাকীয়ে ক'লে,—পুনেত তেওঁ তেনেকৈ কোৱা নাছিল।

ঝাড়খণ্ড সমস্যাই কি গতি লয়, সেইটো বেলেগ কথা; কিন্তু সদায়তে এটা গুৰুত্বপূৰ্ণ কথা হৈছে, ইমান ডাঙৰ দেশ এখনৰ গৃহমন্ত্ৰী গৰাকীয়ে কেনেকৈ কি কৈছিল, সেইবোৰ ঠিকমতে প্ৰচাৰ কৰা নহয় কিয়? যদি ঠিকমতে প্ৰচাৰ কৰা হৈছে, তেনেহ'লে মন্ত্ৰীগৰাকীয়ে পাছত কথা লুটিয়ায় কিয়? দেশখনৰ ইমান উচ্চ মহলত গুৰুত্বপূৰ্ণ স্থানত অধিষ্ঠিত একোগৰাকী লোকৰ কথা সংবাদমাধ্যমে ভুলকৈ বুজা বা ভুলকৈ ব্যাখ্যা কৰা, বা মানুহগৰাকীয়ে নিজে পাছত মিথ্যাৰ আশ্ৰয় লোৱা দুয়োটাই অত্যন্ত গৰ্হিত কাম। এখেতসকলৰ এনেকুৱা আচৰণৰ বাবেই উঠি অহা চামটোৰ আগত সৎ-আদৰ্শ প্ৰতিষ্ঠা কৰাটো টান কাম হৈ পৰিছে।


মুখ্য সম্পাদক : ড. ভবেন্দ্ৰ নাথ শইকীয়া
সহকাৰী সম্পাদক : ইমৰান হুছেইন
অংগসজ্জা : ৰবীন বৰুৱা
ব্যৱস্থাপনা : মায়া বৰুৱা (এডভাৰটাইজমেণ্ট), প্ৰসন্ন শৰ্মা (ছাৰকুলেশ্যন), উদয় চন্দ্ৰ মেধি (একাউণ্টছ),
ফ'ট'টাইপছেটিং : মহেন্দ্ৰ ডেকা, খগেন্দ্ৰ চহৰীয়া, মুদ্ৰাংকন : শৰাইঘাট অফছেট প্ৰেছ, শৰাইঘাট ফ'ট'টাইপছ আৰু ভিৰিউন প্ৰেছ। প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত।


পত্ৰালাপ

## Lecturer আৰু Lectures

১৯৮৬ চনৰ ১—১৫ নৱেম্বৰ সংখ্যাৰ 'প্ৰান্তিক'ত মোৰ এখন চিঠি প্ৰকাশ পাইছিল। তাত মই মহীশূৰত অৱস্থিত All India Institute of Speech and Hearing নামৰ প্ৰতিষ্ঠানটোৰ বিষয়ে লিখিছিলো—যাতে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিষ্ঠানটোৰ বিষয়ে গম পায়। সেই চিঠিখন প্ৰকাশ হোৱাৰ পাছৰ পৰা ভালেমান ল'ৰা-ছোৱালীয়ে ইয়াত পঢ়িবলৈ চেষ্টা কৰিছে। এইবাৰ এজন ছাত্ৰই অলপৰ কাৰণে ইয়াত ছিট নাপালে। অসমৰ বহুতে প্ৰতিষ্ঠানটোৰ বিষয়ে গম পোৱাৰ বাবে মই আনন্দিত হৈছোঁ।

সেই চিঠিখনত অত্যন্ত সৰু ভুল এটা ৰৈ গৈছিল। সেই সৰু ভুলটোৱে যোৱা ছবছৰে মোক মাজে-মাজে আমনি দি থাকে বাবে এই কথাখিনি লিখিবলৈ লৈছোঁ।

মোৰ ঠিকনাত দিয়া মোৰ পদবী Lecturer in Linguistics-অৰ lecturer শব্দটো lectures হিচাপে ছপা হ'ল। এইটো এটা নিতান্তই সৰু ভুল। কিন্তু আজি ছবছৰেও এই ভুলটো একোৱে মচিব নোৱাৰিলে। মোলৈ আজিও চিঠি আহে Basanti Devi, Lectures in Linguistics বুলি। চিঠিখন খোলাৰ আগতেই, মোৰ নামৰ পিছত এই শব্দটো দেখাৰ লগে-লগেই বুজি পাওঁ,—চিঠিখন ক'ৰ পৰা কিয় আহিছে। মোৰ সহকৰ্মীসকলেও জানে—সেইখন অসমৰ পৰা আহিছে বুলি। কেইবাগৰাকীও সহকৰ্মীয়ে সুধিছে,—অসমত lecturer-অক lectures বুলি কয় নেকি!

অসমত লেকচাৰাৰ শব্দটো বৰকৈ ব্যৱহাৰ কৰা নহয়, কাৰণ তাত সকলোকে প্ৰফেছৰ বুলি কোৱা হয়। তথাপি অসমীয়া ল'ৰা-ছোৱালীয়ে লেকচাৰাৰ শব্দটো একেবাৰে শুনা নাই বুলি বিশ্বাস কৰিব নোৱাৰি। ইংৰাজী বিশেষ্য পদৰ শব্দ এটাৰ পাছত s আৰু es লগালে কি তফাৎ হয় সেইকথা প্ৰাক-বিশ্ববিদ্যালয় পৰীক্ষা পাছ কৰা ব্যক্তি এজনে নজনাটো বৰ আচৰিত কথা।

উক্ত ঘটনাটোৱে দুটা সম্ভাৱনাৰ কথা সূচায়। প্ৰথমতে, এইটো এটা যান্ত্ৰিক ভুল বুলি নিশ্চিত হৈ শুধৰাই লিখিবলৈ লিখোঁতাৰ আত্মবিশ্বাস নাই। দ্বিতীয়তে, এই কথাই ছপা হোৱা শব্দ এটাই মানুহৰ মনত কেনে প্ৰভাৱ পেলায় তাৰ প্ৰমাণ দাঙি ধৰিছে। ছপা হোৱা শব্দ এটাত কিবা ভুল থাকিব পাৰে বুলি মানুহে সহজে ভাবিব নোখোজে। ইয়াতেই ছপাশালৰ গুৰুত্ব আৰু দায়িত্বৰ কথা প্ৰকাশ পাইছে।

ই এটা নিচেই সৰু কথা; কিন্তু কেতিয়াবা কিছুমান সৰু-সৰু কথায়ো মানুহৰ মনোজগতৰ বহুত খবৰ দিয়ে। সেয়েহে সকলোকে মোৰ এই অভিজ্ঞতাৰ ভাগ দিয়াৰ মানসেৰে চিঠিখন লিখিলো।

—বাসন্তী দেৱী,
মহীশূৰ



OKDISCD

দিয়াৰ কথা বিবেচনা কৰি আছে। এনে খনন কাৰ্য যথেষ্ট ব্যয়বহুল হোৱা বাবে আৰু এনে খননৰ বাবে অয়ল ইণ্ডিয়াৰ অৰ্থৰো নাটনি ঘটা বাবে এই ব্যৱস্থা গ্ৰহণৰ কথা চিন্তা কৰা হৈছে বুলি অয়লৰ এক সূত্ৰই প্ৰকাশ কৰিছে। খনন কৰা কোম্পানিক টকাৰ পৰিবৰ্তে উৎপাদিত তেলৰ এটা অংশ দিয়া হ'ব। এইক্ষেত্ৰত কোম্পানিটোৱে তেলৰ দুটা পুং খান্দি উলিয়াব লাগিব।

* গুজৰাটৰ এগৰাকী মহিলা আৰক্ষী উপ-অধীক্ষক গীতা জোহৰিয়ে এক দুঃসাহসিক অভিযানৰ নেতৃত্ব লৈ ৰাজ্যখনৰ দুৰ্ধৰ্ষ চোৰাং কাৰবাৰী আব্দুল লটিফৰ ঘৰৰ পৰা তেওঁৰ পাঁচজন সহযোগীক গ্ৰেপ্তাৰ কৰে। আহমেদাবাদৰ প্ৰাচীৰ নগৰীখনৰ সাম্প্ৰদায়িকভাৱে যথেষ্ট স্পৰ্শকাতৰ পাপতিৰাড় এলেকাত পুলিছৰ পোছাকত গৈ প্ৰবেশ কৰাটো সহজসাধ্য নহয় কাৰণে শ্ৰীমতী জোহৰিয়ে অসামৰিক পোছাকত যোৱা বাৰজন পুলিছ বিষয়াৰ সৈতে নিজেও ছালৱাৰ কুৰ্তা পিন্ধিহে এই অভিযানত ভাগ লব লগা হৈছিল। অৱশ্যে তেওঁলোকৰ পিছে-পিছে যোৱা পুলিছৰ দলটো অঞ্চলটোৰ লোকসকলৰ শিলগুটি আৰু তৰল বোমাৰ আক্ৰমণৰ সন্মুখীন হ'ব লগা হয়। সামান্য শক্তি প্ৰয়োগ কৰাৰ পাছতহে পুলিছৰ দলটো লটিফৰ ঘৰত প্ৰবেশ কৰিবলৈ সক্ষম হয়। এই অভিযানত পুলিছে গুজৰাট আৰু বোম্বাইৰ ভালেমান হত্যাৰ ঘটনাৰ বাবে বিচাৰি থকা দাউদ ছামছেৰ নামৰ এজন লোক আৰু আব্দুল লটিফৰ ভায়েক ইছমাইলক গ্ৰেপ্তাৰ কৰে। আহমেদাবাদৰ কিছুমান অঞ্চলত কিছুদিনৰ আগতে সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষত এই দুয়োজন লোকৰ বিশেষ হাত আছিল বুলি পুলিছৰ তৰফৰ পৰা প্ৰকাশ কৰা হৈছে।

* ব্ৰহ্মপুত্ৰৰ ব্যাপক খহনীয়াৰ ফলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনৰ মুঠ মাটিকালিৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস হৈ গৈ আছে বুলি এটা বাতৰিত প্ৰকাশ। বাতৰিটোৰ মতে আৰম্ভণিতে উদ্যানখনৰ মুঠ মাটিকালি ৪৫০ বৰ্গকিল'মিটাৰ আছিল যদিও বৰ্তমান এই পৰিমাণ ৩০০ বৰ্গকিল'মিটাৰলৈ হ্ৰাস পাইছে।

* এটা সূত্ৰৰ বাতৰি মতে মণিপুৰকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যবোৰত এইডছ ৰোগীৰ সংখ্যা দিনে-দিনে বাঢ়ি গৈ আছে। স্বাস্থ্য সেৱাৰ এজন উচ্চ বিষয়াৰ মতে তেজ পৰীক্ষা কৰিব পৰা উপযুক্ত পৰীক্ষাগাৰ, সচেতনতা আদিৰ অভাৱ; ড্ৰাগছৰ সহজলভ্যতা অঞ্চলটোত এইডছ ৰোগীৰ সংখ্যা বাঢ়ি গৈ থকাৰ অন্যতম কাৰণ। বিশ্ব স্বাস্থ্য সংস্থাৰ এক জৰীপমতে ভাৰতত এইচ. আই. ভিৰ দ্বাৰা সংক্ৰমিত যি ২,৫০,০০০ লোক আছে বুলি ধাৰণা কৰা হৈছে তাৰে ২৫,০০০জনেই উত্তৰ-পূৰ্বাঞ্চলত আছে। অঞ্চলটোৰ মণিপুৰ আৰু নগালেণ্ডৰ লোকসকলেই এই ৰোগৰ দ্বাৰা বেছিকৈ আক্ৰান্ত হৈছে। সেই দুখন ৰাজ্যৰ ১৮-ৰপৰা ২৫ বছৰ বয়সৰ যুৱক-যুৱতীসকলৰ মাজত এইচ. আই. ভিৰ মাত্ৰা যথেষ্ট বেছি।

অৱশ্যে অসমত এই ৰোগৰ দ্বাৰা সম্পূৰ্ণভাৱে আক্ৰান্ত চাৰিজন ৰোগীহে এতিয়ালৈকে ধৰা পৰিছে। এনে বহু ৰোগী এতিয়াও চিনাক্ত নোহোৱাকৈ থাকিব পাৰে বুলি ৰাজ্যিক স্বাস্থ্যবিভাগে আশংকা কৰিছে। অসমত ধৰা পৰা এই চাৰিজন ৰোগীৰ তিনিজন নিৰাপত্তা বাহিনীৰ লোক আৰু আনজন হ'ল মণিপুৰৰ লোক।

অসমত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু লাহোৱালৰ ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ কেন্দ্ৰতহে এলিছা পৰীক্ষাৰ ব্যৱস্থা আছে। বৰ্তমান অসমৰ স্বাস্থ্য বিভাগে ৰাজ্যখনৰ প্ৰত্যেকখন জিলা সদৰৰ অসামৰিক চিকিৎসালয়বোৰত এই সম্পৰ্কীয় তেজ পৰীক্ষাগাৰ স্থাপনৰ কথা বিবেচনা কৰিছে।

* বিশ্ব খাদ্য আঁচনিৰ (WFP) অধীনত অসমৰ মীন পালন ব্যৱস্থাৰ (fisheries) উন্নয়নৰ বাবে ভাৰতে ৩৭ নিযুত ডলাৰ মূল্যৰ সাহায্য লাভ কৰিব। এই সাহায্যৰ অধীনত ৰাজ্যখনলৈ ৬,৮৭০ টন চাউল, ৪১২ টন মাহ-জাতীয় শস্য আৰু ২০৬ টন বনস্পতি তেলৰ যোগান ধৰা হ'ব। এই সাহায্য আঁচনিৰ উদ্দেশ্য হ'ল—ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ বানপানীয়ে সৃষ্টি কৰা ১০২খন বিল মাছ পোহাৰ উপযোগী কৰি গঢ়ি তোলা। এই কাৰ্যসূচীয়ে নৈৰ কাষৰীয়া অঞ্চলবোৰৰ, পাৰিস্থিতিক ভাৰসাম্য (ecological balance) ৰক্ষা কৰাতো সহায় কৰিব। এই সংক্ৰান্তত অলপতে নতুন দিল্লীত ভাৰত চৰকাৰৰ হৈ কেন্দ্ৰীয় কৃষি বিভাগৰ অৱৰ সচিব আৰ. ছি. এ. জৈন আৰু বিশ্ব খাদ্য আঁচনিৰ প্ৰতিনিধি, মাইকেল এলিছৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয়।

* ত্ৰিপুৰা চৰকাৰে বিদ্যুৎ চুৰি কৰা কাৰ্য বন্ধ কৰাৰ অৰ্থে পুলিছ আৰু বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক লৈ এক যুটীয়া ভ্ৰাম্যমান টাস্ক ফ'ৰ্ছ গঠন কৰিবলৈ সিদ্ধান্ত লৈছে। এই কথা প্ৰকাশ কৰি ৰাজ্যখনৰ শক্তিমন্ত্ৰী ৰবীন্দ্ৰ দেববৰ্মাই কয় যে বিদ্যুতৰ চুৰিকাৰ্যৰ ফলত প্ৰতি বছৰে ৰাজ্যখনে প্ৰায় ডেৰ কোটি টকাৰ ৰাজহ হেৰুৱাব লগীয়া হয়।

* অহা বছৰৰ পৰা কেন্দ্ৰীয় লোকসেৱা আয়োগৰ (U.P.S.C) অসামৰিক সেৱাৰ (I.A.S.) প্ৰাথমিক (preliminary) পৰীক্ষাসমূহ কম্পিউটাৰৰ সহায়ত সম্পন্ন কৰাৰ ব্যৱস্থা কৰাৰ এক আঁচনি যুগুতাই উলিওৱা হৈছে। আঁচনিমতে কাম সম্পন্ন হ'লে ১৯৯৩ চনৰ পৰা অসামৰিক সেৱাৰ পৰীক্ষাত বহা পৰীক্ষাৰ্থীসকলে লগত কলম বা পেন্‌ছিল অনাৰ প্ৰয়োজনীয়তা নোহোৱা হ'ব। পৰীক্ষাৰ্থীসকলে আগৰ দৰে সমূহীয়াভাৱে বহি পৰীক্ষা দিয়াৰ সলনি এতিয়াৰ পৰা এজন-এজনকৈ কম্পিউটাৰৰ কি-ব'ৰ্ডৰ সন্মুখত বহি পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। কম্পিউটাৰৰ পৰ্দাত এটা-এটাকৈ প্ৰশ্নবোৰ ওলাব আৰু পৰীক্ষাৰ্থীজনে প্ৰয়োজনীয় বুতামটো টিপি উত্তৰ দি যাব লাগিব। তাৰ লগে-লগে শুদ্ধ উত্তৰৰ বাবদ পৰীক্ষাৰ্থীজনে পাব লগা নম্বৰখিনি কম্পিউটাৰৰ 'মেম'ৰি'ত লিপিবদ্ধ হৈ গৈ থাকিব।

* অসম ৰাজ্যিক পথ পৰিবহন নিগমক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰাৰ সম্ভাৱনা অসমৰ পৰিবহন মন্ত্ৰী শ্ৰীশিৰ শম্ভু ওজাই নুই কৰিছে। তেওঁৰ মতে এনে কাৰ্যৰ ফলত নিগমৰ সাত হাজাৰ থলুৱা চাকৰিয়ালৰহে ক্ষতি হ'ব। নিগমে বিভিন্ন কাৰণত লোকচান ভৰি থাকিব লগা হোৱা সত্ত্বেও জনসাধাৰণৰ সেৱাৰ স্বাৰ্থত ইয়াক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰাৰ কথা সদ্যহতে চৰকাৰে চিন্তা কৰা নাই বুলি শ্ৰীওজাই প্ৰকাশ কৰে।

* কেন্দ্ৰীয় চৰকাৰে বিহাৰৰ বাৰাউনি শোধনাগাৰলৈ বছৰি ৪.২ নিযুত টন আমদানিকৃত খাৰুৱা তেলৰ যোগান ধৰাৰ অৰ্থে পশ্চিমবংগৰ হালদিয়াৰ পৰা বাৰাউনিলৈ এক নতুন পাইপ লাইন বহুওৱাৰ কথা বিবেচনা কৰি আছে। ৪৪৪ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰিব খোজা এই পাইপ লাইনে শোধনাগাৰটোৰ শোধন-ক্ষমতা বৃদ্ধি কৰিব বুলি চৰকাৰীভাৱে কোৱা হৈছে। চৰকাৰী সূত্ৰৰ মতে শোধনাগাৰটোৰ বৰ্তমানৰ শোধনক্ষমতা ৩.৩ নিযুত টন যদিও ইয়াৰ খাৰুৱা তেল যোগানৰ মূল উৎস অসমৰ অশান্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শোধনাগাৰটোৱে এই ৰাজ্যখনৰ পৰা প্ৰয়োজনীয় পৰিমাণৰ খাৰুৱা তেলৰ যোগান পোৱা নাই। ফলত নিজৰ শোধন-ক্ষমতাৰ তুলনাত শোধনাগাৰটোৱে যথেষ্ট কম পৰিমাণৰ তেল শোধন কৰি থাকিব লগা হৈছে।


যুগান্তৰত শংকৰদেৱ
লেখক—বাপচন্দ্ৰ মহন্ত

১৭ শতিকাৰ মাজভাগৰ পৰা বৰ্তমানলৈকে শংকৰদেৱৰ ধৰ্ম আৰু সামাজিক আদৰ্শৰ উত্থান পতনৰ ইতিহাস সহ বৈজ্ঞানিক, দাৰ্শনিক আৰু মনস্তাত্ত্বিক আধাৰত নতুন যুগৰ উপযোগী ব্যৱস্থাৰ দিগদৰ্শন এই ৰচনাৰ বৈশিষ্ট্য।

মূল্য—৫০.০০ (পঞ্চাশ টকা)

প্ৰাপ্তিস্থান—
বৰকটকী কোম্পানী, যোৰহাট
Pin–785 001
প্ৰকাশিকা— পাণবজাৰ গুৱাহাটী
Pin–781 001






# আৰ্থিক বিকাশত মূলধনৰ ভূমিকা

ড° অজিত নেওগ

আৰ্থবিজ্ঞানীৰ মতে ভূমি, শ্ৰমিক, মূলধন আৰু ব্যৱস্থাপনা হৈছে উৎপাদন কাৰ্যৰ উপাদান। ইয়াৰ ভিতৰত মূলধন অত্যাৱশ্যকীয়; যিহেতু মূলধনেৰে বাকী উপাদান ক্ৰয় কৰি, বা ভাৰাত লৈ, নাইবা (ভূমি বাদে) আমদানিৰ দ্বাৰা সংগ্ৰহ কৰিব পাৰি। মূলধন হৈছে উৎপাদন কাৰ্যত খটোৱা উৎপাদিত আহিলা। ই এনেবোৰ সামগ্ৰীক বুজায় যাক ভোগ নকৰি উৎপাদন কাৰ্যত প্ৰয়োগ কৰা হয়। মূলধনৰ নিচেই সাধাৰণ উদাহৰণ হৈছে কৃষকে ভৱিষ্যত উৎপাদনৰ বাবে ৰখা শস্যৰ সঁচ বা বীজ। সাধাৰণ অৰ্থত মূলধনে টকা-পইচা বুজায়। এটা বিশেষ সূত্ৰ মতে,—Money the other person has is capital, getting it from him is labour. উন্নয়ন কাৰ্যত খটালে মূলধনে সামগ্ৰী বা পৰিসম্পত্তিৰ (asset) ৰূপ পায়। ব্যক্তিৰ হাত দুখন আৰু মগজু মূলধন স্বৰূপ।

মূলধন উৎপত্তি বা বিনিয়োগক জানিবলৈ মূলধনৰ শ্ৰেণীৰ কথা জনা প্ৰয়োজনীয়। সৰ্বসাধাৰণতে মূলধনক ভৌতিক আৰু বিত্তীয়,—এই দুই শ্ৰেণীত ভাগ কৰা হয়। গছ-গছনি, পৰ্বত-ভৈয়াম, প্ৰাকৃতিক সম্পদ, জীৱ-জন্তু, কেঁচামাল, বাট-পদূলি, যান-বাহন, ঘৰ-দুৱাৰ, কল-কাৰখানা, যন্ত্ৰপাতি, অনুষ্ঠান-প্ৰতিষ্ঠান, বিদ্যালয়, গ্ৰন্থাগাৰ, প্ৰযুক্তি, প্ৰভৃতি ভৌতিক মূলধনৰ অন্তৰ্গত। কোম্পানীৰ অংশপত্ৰ (share), জামিন পত্ৰ (security), খৎপত্ৰত (bond) খটুউৱা ধন, বেংক ঋণ আদি বিত্তীয় মূলধনৰ অন্তৰ্ভুক্ত। ব্যৱসায় জগতত মূলধন বুলিলে সাধাৰণতে অংশীদাৰ বা বিনিয়োগীয়ে কোম্পানি বা নিগমলৈ আগবঢ়োৱা ধনৰাশিকে বুজোৱা হয়।

বিকাশবাদী অৰ্থবিজ্ঞানীসকলে মানৱসম্পদক অন্যতম মূলধন হিচাপে গণ্য কৰে। সুস্বাস্থ্য, সুশিক্ষা, পৰিশ্ৰম, জাতিগত স্বভাৱ-চৰিত্ৰ আৰু জ্ঞানবুদ্ধিয়ে ব্যক্তি তথা সমাজৰ উৎপাদকতা, আয় আৰু সঞ্চয় বৃদ্ধিত অৰিহণা যোগায়। গতিকে জনসংখ্যাৰ গুণমানো এক প্ৰকাৰ মূলধন।

মূলধনৰ দুটা মাই বৈশিষ্ট্য হৈছেঃ (১) মূলধন উৎপত্তিত ত্যাগৰ প্ৰয়োজন, যিহেতু উৎপাদনৰ ভোগ নকৰি সাঁচি থোৱা অংশৰ পৰা ই উদ্ভৱ হয়; আৰু (২) মূলধন প্ৰয়োগে আন উপাদানৰ উৎপাদিকা শক্তি বা উৎপাদকতা বৃদ্ধি কৰে; এই বৃদ্ধি উক্ত ত্যাগৰে পুৰস্কাৰ। উদাহৰণস্বৰূপে, এজন কৃষকে নিৰ্দিষ্ট ভূমিত এহাল বলধেৰে খেতি কৰি যিমান উৎপাদন কৰিবলৈ সক্ষম হ'ব এখন ট্ৰেক্টৰেৰে মাটি চহাই কম খৰচতে তাতকৈ অধিক উৎপাদন কৰিব পাৰে। মূলধনৰ সহায়ত শ্ৰমিকে কেনেকৈ উৎপাদকতা বৃদ্ধি কৰিব পাৰে তাক তলত দিয়া প্ৰাগনুভৱ (a priori) যুক্তিৰে ব্যাখ্যা কৰিব পাৰি। ধৰা যাওক নিৰ্দিষ্ট ভূমিত হোৱা উৎপাদনক ইংৰাজী বৰ্ণমালাৰ Y ৰে, শ্ৰমিকক L আৰু মূলধনক K ৰে সূচিত কৰা হৈছে। শ্ৰমিকৰ উৎপাদকতাক Y/L ৰে, উৎপাদন-মূলধন অনুপাতক Y/K আৰু শ্ৰমিক-মূলধন অনুপাতক L/K ৰে লিখি নিম্ন লিখিত সমীকৰণ স্থাপন কৰিব পাৰিঃ

$$Y/L = Y/K.K/L$$

এই সমীকৰণে দেখুৱায় যে শ্ৰমিকৰ উৎপাদকতা নিৰ্ভৰ কৰে উৎপাদন-মূলধন অনুপাত তথা শ্ৰমিকৰ জনমুৰি মূলধনৰ ওপৰত। উৎপাদন কাৰ্যত মূলধন প্ৰয়োগ বৃদ্ধি পালে উৎপাদকতাও বৃদ্ধি পায়।

●●

**দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা দূৰ কৰিবলৈ, আৰু কৃষি তথা শিল্প বিপ্লৱ ঘটাবলৈ বিনিয়োগৰ প্ৰয়োজন। পঞ্জাব আৰু হৰিয়ানাৰ সেউজ বিপ্লৱ, মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ উদ্যোগ বিপ্লৱৰ গুৰিতে আছে উচ্চ মাত্ৰাৰ উৎপাদকতা আৰু মূলধন উৎপত্তি। গতিকে বেংক, বিত্তীয় প্ৰতিষ্ঠানসমূহ গাঁৱে-ভূঁয়ে বিস্তাৰ কৰাৰ লগতে কৃষিজীৱী, শ্ৰমজীৱী আৰু চাকৰিয়ালে উৎপাদকতা বৃদ্ধি কৰা আৱশ্যক।**

ৰাইজৰ, অঞ্চলৰ বা দেশৰ উন্নতিত মূলধন গুৰুত্বপূৰ্ণ। কৃষি, উদ্যোগ আৰু বাণিজ্যক আগবঢ়াই লৈ যায় মূলধন প্ৰয়োগে। তত্ত্ব অনুসৰি বৃদ্ধি হৈছে সঞ্চয় হাৰ আৰু বিনিয়োগ-উৎপাদনৰ অনুপাত। আয়ৰ মাত্ৰা বাঢ়িলে সঞ্চয় বঢ়াৰ আশা থাকে। অৱশ্যে উৎপাদকতা নাবাঢ়িলে উচ্চ মাত্ৰাৰ সঞ্চয়হাৰে সমানুপাতিক আয় বৃদ্ধি নঘটায়। মূলধনৰ প্ৰবাহ বা অতিৰিক্ত মূলধনেই বিনিয়োগ। বিনিয়োগৰ উৎস হৈছে সঞ্চয়, যিহেতু এজন ব্যক্তিৰ সঞ্চয় অন্য ব্যক্তিৰ বিনিয়োগ (One man's saving is another man's investment); বিনিয়োগে উৎপাদন তথা আয় বৃদ্ধি কৰে, যিহেতু উৎপাদন আৰু আয় একেটা মুদ্ৰাৰে দুটা পিঠি। কথাতেই কয়,—ধানেই ধন। আনহাতে মূলধন সামগ্ৰী বৃদ্ধি আৰু চূড়ান্ত সামগ্ৰী উৎপাদন বৃদ্ধিৰ মাজত এক দৃঢ় সম্বন্ধ আছে। অৰ্থবিজ্ঞানত ইয়াক ত্বৰণ সূত্ৰ (acceleration principle) বোলা হয়। এই সূত্ৰ মতে মুঠ বিনিয়োগ নিৰ্ভৰ কৰে উৎপাদনত আশা কৰা পৰিবৰ্তনৰ ওপৰত।

সমাজে যেতিয়া মুঠ সামাজিক উৎপাদনৰ আটাইখিনি তৎকালীন ভোগত প্ৰয়োগ নকৰি তাৰ কিছু অংশ সাঁচি থয় বা সা-সঁজুলি, হাথিয়াৰ, যন্ত্ৰপাতি, জলসিঞ্চন, ঔদ্যোগিক আৰু পৰিবহনজাতীয় সামগ্ৰী উৎপাদনত প্ৰয়োগ কৰে, তেতিয়া তাকেই মূলধন উৎপত্তি প্ৰক্ৰিয়া বোলা হয়। ই সমাজৰ ভূত-ভৱিষ্যতৰ মাজত আৰ্থিক সম্বন্ধ গঢ়ে। এই ক্ষেত্ৰত মূলধন উৎপত্তিক সোণালী নীতিলৈ আঙুলিয়াব পাৰি। পূৰ্ব পুৰুষে সম্পন্ন কৰা সঞ্চয়ৰ হাৰ অবিচ্ছিন্ন ৰাখি সমাজে উত্তৰ পুৰুষৰ বাবেও যদি সেই হাৰতে সঞ্চয় কৰি থাকে তেনেহ'লে তাকে সোণালী নীতি বোলা হয়। অৱশ্যে এই হাৰ বৃদ্ধি পালে ভৱিষ্যতৰ পুৰুষ অধিক উপকৃত হ'ব। আৰ্থিক বৃদ্ধিক মূলধন উৎপত্তি প্ৰক্ৰিয়াও বোলা হয়। লোকসংখ্যাৰ অতিপাত বৃদ্ধিয়ে এই প্ৰক্ৰিয়াত ব্যাঘাত জন্মায়। সমাজত নিবনুৱা, ছদ্মবেশী নিবনুৱা তথা পৰনিৰ্ভৰশীল লোকৰ অনুপাত অধিক হ'লে মূলধন উৎপত্তিত অপক্ৰিয়া ঘটে,—যিহেতু এনেলোকে উৎপাদন নকৰাকৈ ভোগ কৰে। "মই খাওঁ আনৰ, মোৰ খায় আনে; বেজিটোৰ লোত, কুঠাৰখন হানে।" —এই ফকৰাৰ বিশ্বাস ৰখা সমাজে মূলধন সৃষ্টি কৰিব নোৱাৰে।

আয়, সঞ্চয়, বিনিয়োগ আৰু নিয়োগৰ মাজত এক বৃত্তাকাৰ সম্বন্ধ আছে। আয়ৰ মাত্ৰা উচ্চ খাপৰ হ'লে সঞ্চয়ো উচ্চ হয়। যিহেতু সঞ্চয়ৰ আন এটা নাম বিনিয়োগ, গতিকে বিনিয়োগো উচ্চ খাপৰ হয় আৰু ইয়াৰ সুপ্ৰয়োগ হ'লে নিয়োগ তথা আয় বৃদ্ধি পায়। অনুন্নত অঞ্চলত দৰিদ্ৰতাৰ চাকনৈয়াত



OKDISCD

মেৰপাক খাই থকা লোকৰ অনুপাত উচ্চ, সেয়ে সঞ্চয়ৰ হাৰ নিম্ন মানৰ। এই সমস্যা দূৰ কৰিবলৈ আয়-বিনিয়োগ বৃত্তৰ পৰিধি প্ৰসাৰ কৰিব লাগিব। ই সম্ভৱ হয় যদিহে অতিৰিক্ত মূলধনৰ প্ৰয়োগ হয়। অৰ্থনীতি বিকাশ প্ৰক্ৰিয়া আৰু মূলধন উৎপত্তিৰ মাজৰ যোগাত্মক সম্বন্ধটো বৰ্তমান সৰ্বজনগৃহীত। নিম্ন লিখিত তথ্যাই ইয়াক প্ৰমাণ কৰে।

নিৰ্ভৰ নকৰে। চৰকাৰে অৱসংস্থানত বিনিয়োগ খটুৱায় সমাজৰ উপকাৰৰ বাবে আৰু ভৱিষ্যতে উৎপাদনত অৰিহণা যোগোৱাৰ আশাৰে।

মূলধন উৎপত্তিত বেংক্‌, বিত্তীয় প্ৰতিষ্ঠান, মূলধন বজাৰ, ষ্টক বিনিময় কেন্দ্ৰ (stock exchange) প্ৰভৃতি বিত্তীয় অৱসংস্থানৰ গুৰুতৰ ভূমিকা আছে।

১ নং তালিকা ঃ ১৯৯০ চনত প্ৰদত্ত দেশসমূহৰ জনমুৰি আয়, বিনিয়োগ তথা সঞ্চয়ৰ হাৰ আৰু ১৯৮০-৯০ দশকত দেশীয় উৎপাদৰ বাৰ্ষিক বৃদ্ধি।

| দেশৰ নাম | জনমুৰি আয় (ডলাৰ) | বিনিয়োগ (শতাংশ) | সঞ্চয় (শতাংশ) | উৎপাদ বৃদ্ধি (শতকৰা) |
|---|---|---|---|---|
| কোৰিয়া গণতন্ত্ৰ | ৫,৪০০ | ৩৭ | ৩৭ | ৯·৭ |
| চীন দেশ | ৩৭০ | ৩৯ | ৪৩ | ৯·৫ |
| থাইলেণ্ড | ১,৪২০ | ৩৭ | ৩৪ | ৭·৬ |
| হংকং | ১১,৪৯০ | ২৮ | ৩৩ | ৭·১ |
| ছিংগাপুৰ | ১১,১৬০ | ৩৯ | ৪৫ | ৬·৪ |
| ভাৰতবৰ্ষ | ৩৫০ | ২৩ | ২০ | ৫·৩ |
| মালয়েছিয়া | ২,৩২০ | ৩৪ | ৩৩ | ৫·২ |
| জাপান | ২৫,৪৩০ | ৩৩ | ৩৪ | ৪·১ |
| আমেৰিকা যুক্তৰাষ্ট্ৰ | ২১,৭৯০ | ১৬ | ১৫ | ৩·৪ |
| ইংলেণ্ড | ১৬,১০০ | ১৯ | ১৭ | ৩·১ |

বি. দ্ৰ. ঃ তথ্যসমূহ স্থূল (gross) হিচাপত
উৎস ঃ World Development Report, 1992.

১ নং তালিকাত দেখা যায় যে বিনিয়োগৰ হাৰ উচ্চ হ'লে উৎপাদন বৃদ্ধিৰ হাৰো উচ্চ হয়। উদাহৰণস্বৰূপে, ১৯৯০ চনত কোৰিয়াৰ দেশীয় বিনিয়োগ হাৰ আছিল দেশীয় উৎপাদৰ ৩৭ শতাংশ আৰু ১৯৮০-৯০ দশকত সেই দেশৰ উৎপাদ (GDP) বৃদ্ধি পাইছিল শতকৰা বছৰি ৯·৭ চক্ৰবৃদ্ধি হাৰত। কোৰিয়াতকৈ নিম্ন স্তৰত একেকালতে ভাৰতৰ বিনিয়োগ হাৰ আছিল ২৩ শতাংশ আৰু আয় বৃদ্ধি পাইছিল ৫·৩ হাৰত। অৱশ্যে তালিকাত দেখা যায় যে সঞ্চয়-বিনিয়োগৰ হাৰ উচ্চ হ'লে জনমুৰি আয় উচ্চ নহ'বও পাৰে। অৰ্থনীতিৰ পূৰ্ণাংগ স্তৰত ভোগৰ মাত্ৰা বৃদ্ধি পায়, সেয়ে আমেৰিকা আৰু ইংলেণ্ডত সঞ্চয়, বিনিয়োগৰ হাৰ নিম্ন। দহোখন দেশৰ বাবে বিনিয়োগ আৰু উৎপাদন বৃদ্ধিৰ সহসম্বন্ধ সহগৰ (r) মান ০·৭৪, সঞ্চয় আৰু উৎপাদন বৃদ্ধিৰ সহগ ০·৭২ আৰু বিনিয়োগৰ লগত সঞ্চয়ৰ সম্বন্ধ ০·৯৬।

মূলধন উৎপত্তিত যোগান-চাহিদাই ক্ৰিয়া কৰে। মূলধনৰ যোগান নিৰ্ভৰ কৰে ব্যক্তি তথা সমাজৰ আয়, সঞ্চয় ক্ষমতা আৰু থল, সুদৰ হাৰ, দূৰদৰ্শিতা, সঞ্চয়ৰ প্ৰতি থকা ইচ্ছা আৰু অভ্যাস, সঞ্চয়কাৰীৰ বয়স ইত্যাদিৰ ওপৰত। অনুন্নত সমাজত নিম্ন মাত্ৰাৰ আয়-সঞ্চয়ৰ গুৰিতে মূলধনহীনতা আৰু উৎপাদনশীলতাৰ অভাৱ। চাহিদাৰ দিশত মূলধন উৎপত্তি নিৰ্ভৰ কৰে বিনিয়োগৰ থল, উদগনি, উৎপাদিত সামগ্ৰীৰ প্ৰতি চাহিদা আৰু বজাৰৰ ওপৰত। কিন্তু অনুন্নত অঞ্চলত নিম্ন খাপৰ জনমুৰি আয়ে চাহিদা তথা বজাৰ সীমিত কৰে। অৱশ্যে লাভ বা বজাৰৰ ওপৰতে বিনিয়োগ

এইবিলাকৰ অনুপস্থিতিত আমাৰ ভিতৰুৱা গাঁওবোৰত বাঁহৰ চুঙাত বা টেকেলিত ধন ভৰাই মাটিৰ তলত পুতি ৰখা অভ্যাস স্বাধীনতাৰ পাছৰ দশকলৈকে প্ৰচলিত আছিল। সেইদৰে সোণ আৰু অলংকাৰ-পাতিত খটুউৱা সঞ্চয়ে সমাজত মূলধন উৎপত্তি নঘটায়। সোণৰ সামাজিক সদ্ব্যৱহাৰ কৰিবলৈ চৰকাৰীখণ্ডত এটা স্বৰ্ণবেংক (gold bank) স্থাপন কৰাৰ প্ৰস্তাৱ ভাৰতীয় পৰিসংখ্যা প্ৰতিষ্ঠানৰ (ISI) অধ্যাপক ড. অতুল শৰ্মাই ১৯৯১ চনৰ ৭ আগষ্টৰ 'হিন্দুস্তান টাইমছ' কাকতত প্ৰকাশ পোৱা নিবন্ধত আগবঢ়াইছিল। সঞ্চয়ী সোণ কামত লগাবলৈ স্বৰ্ণবেংক স্থাপন কৰা সিদ্ধান্ত ভাৰত চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে। মূলধন উৎপত্তিৰ বাবে মুদ্ৰা আৰু মূলধন বজাৰ অপৰিহাৰ্য। গ্ৰাম্য, পাহাৰী তথা জনজাতীয় অঞ্চলত দ্ৰব্য বিনিময় প্ৰথা প্ৰচলনে মূলধন উৎপত্তিত বাধা জন্মায়। এনে ধৰণৰ অনুন্নত অঞ্চললৈ মূলধনৰ সোঁত বোৱাবলৈ ৰেহাই সুদত বিনিয়োগ আঁচনি চৰকাৰে প্ৰবৰ্তন কৰা পৰিলক্ষিত হয়।

দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা দূৰ কৰিবলৈ, আৰু কৃষি তথা শিল্প বিপ্লৱ ঘটাবলৈ বিনিয়োগৰ প্ৰয়োজন। পঞ্জাব আৰু হৰিয়ানাৰ সেউজ বিপ্লৱ, মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ উদ্যোগ বিপ্লৱৰ গুৰিতে আছে উচ্চ মাত্ৰাৰ উৎপাদকতা আৰু মূলধন উৎপত্তি। গতিকে বেংক, বিত্তীয় প্ৰতিষ্ঠানসমূহ গাঁৱে-ভূঁয়ে বিস্তাৰ কৰাৰ লগতে কৃষিজীৱী, শ্ৰমজীৱী আৰু চাকৰিয়ালে উৎপাদকতা বৃদ্ধি কৰা আৱশ্যক।

ভাৰতীয় অৰ্থনীতিত উদ্ভৱ হোৱা সঞ্চয়ৰ মূলক চাৰিখণ্ডত ভাগ কৰা হয় (১) গাৰ্হস্থ্য বা ব্যক্তিগত, (২) উদ্যোগ বা কৰ্পৰেট (corporate), (৩) চৰকাৰী বা ৰাজহুৱা আৰু (৪) বৈদেশিক খণ্ড। দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ শ্ৰেণী লোকৰ পৰা সঞ্চয় আশা কৰা নাযায় ; ধনী তথা মধ্যবিত্ত শ্ৰেণী সঞ্চয় কৰিবলৈ সক্ষম। ইয়াৰ কাৰণ,—Poor spend what they earn and Rich earn what they spend. গাৰ্হস্থ্যখণ্ডই সঞ্চয় কৰে বিত্তীয় আৰু স্থাৱৰ পৰিসম্পত্তি (physical asset) ৰূপত। ১৯৯০-৯১ চনত এই খণ্ডই কৰা উক্ত প্ৰকাৰৰ সঞ্চয়ৰ অনুপাত আছিল ৪৯:৫১। প্ৰকাশিত তথ্য মতে ১৯৮০-৮১ আৰু ১৯৮৫-৮৬ কালত দেশৰ গাৰ্হস্থ্যখণ্ডৰ মুঠ বিত্তীয় সঞ্চয়ৰ প্ৰান্তিক প্ৰৱণতা (marginal propensity to save) আছিল মাথোঁ ০·১৫, অৰ্থাৎ নিম্ন খাপৰ ; আৰু এনে সঞ্চয়ৰ আয় স্থিতিস্থাপকতা (income elasticity) আছিল ১·৩১৪৯। ইয়াৰ পৰা প্ৰমাণ হয় যে পোনপটীয়া বিনিয়োগে সঞ্চয় বৃদ্ধি কৰিছে।

দেশৰ সঞ্চয়পটত গাৰ্হস্থ্যখণ্ডৰ ভূমিকা লেখত লবলগীয়া। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মতে (RBI bulletin, May 1991) মুঠ বেংক জমাত এই খণ্ডৰ অংশমান ১৯৮৬ চনৰ ৭১·৯ শতাংশৰ পৰা ১৯৮৮ চনত ৭৫·১ শতাংশলৈ বৃদ্ধি পায়। আনহাতে এই কালত চৰকাৰী খণ্ডৰ অংশ ৬·৩ৰ পৰা ৫·২ শতাংশলৈ, আৰু কৰ্পৰেট খণ্ডৰ অংশ ১২·৫-অৰ পৰা ১১·৩ শতাংশলৈ হ্ৰাস পায়। ইয়াৰ পৰা প্ৰমাণ হয় যে চৰকাৰ আৰু কৰ্পৰেট খণ্ডই ৰাষ্ট্ৰীয় সঞ্চয়লৈ কম অৰিহণা যোগায়।

এতিয়া বিচাৰ কৰা যাওক ৰাষ্ট্ৰীয় অৰ্থনীতিত স্থূল (gross) হিচাপত সঞ্চয় তথা বিনিয়োগৰ অৱস্থা। পৰিকল্পনাৰ প্ৰাৰম্ভণিত অৰ্থাৎ ১৯৫০-৫১ চনত দেশীয় সঞ্চয়ৰ হাৰ আছিল দেশীয় উৎপাদৰ ১০·৪ শতাংশ। ১৯৬০-৬১ আৰু ১৯৭০-৭১ চনত ই ক্ৰমাৎ ১২·৭ আৰু ১৫·৭ শতাংশলৈ বৃদ্ধি পায়। ১৯৮০-৮১ আৰু ১৯৯০-৯১ চনত সঞ্চয় হাৰ যথাক্ৰমে ২১·২ আৰু ২১·৬ শতাংশ পায়গৈ। অৱশ্যে ১৯৭৯-৮০ চনত ই ২৩·২ শতাংশত অভিলেখ সৃষ্টি কৰে। আনহাতে দেশীয় মূলধন উৎপত্তিৰ হাৰ আছিল ১৯৫০-৫১ চনত দেশীয় উৎপাদৰ ১০·২ শতাংশ, ১৯৬০-৬১ চনত ১৫·৭, ১৯৭০-৭১ চনত ১৬·৬, ১৯৮০-৮১ চনত ২২·৮ আৰু ১৯৯০-৯১ চনত ২৪·৪ শতাংশ।

চলিত বজাৰ দৰত ১৯৯০-৯১ চনত দেশীয় উৎপাদ আছিল মোটামুটি ৫,১৮,৫০০ কোটি টকা। ইয়াৰে ১,১২,০৩৪ কোটি টকা (২১·৬ শতাংশ) দেশীয় সঞ্চয় আৰু বিনিয়োগৰ মাত্ৰা আছিল ১,২৬,৬৯৬ কোটি টকা (২৪·৪ শতাংশ)। দেখা গৈছে যোৱা দশকত সঞ্চয়-বিনিয়োগৰ ব্যৱধান অতিপাতকৈ বৃদ্ধি পায়,— বাৰ্ষিক ২০·৬ চক্ৰবৃদ্ধি হাৰত। চৰম মাত্ৰাত ই ২,২৫৩ কোটিৰ পৰা ১৪,৬৬২ কোটি টকালৈ জাপ মাৰে। ই অশুভ লক্ষণ। বিনিয়োগ আৰু সঞ্চয়ৰ ব্যৱধান মিলোৱা হৈছিল বিদেশৰ পৰা অহা শুধ (net) ১৪,৬৬২ কোটি টকাৰ (২·৮



## মিঠা ব্যঞ্জন বুলিবলৈ কেৱল কেতবোৰ ফল কাটি-কুটি লোৱাৰ বাহিৰে মোৰ উপায় নাছিল। মি ল্ক মে ই ডে হে মো ক ত ৰা লে।

মই নিতৌ আঠঘণ্টাকৈ কাম-কাজতেই ব্যস্ত থাকোঁ আৰু সামাজিক জীৱনতো মই সক্ৰিয়। এইবোৰৰ পিছতো বাহুল্যকৈ মিঠা ব্যঞ্জন তৈয়াৰ কৰিবলৈ সময়নো কাৰ থাকে ? মোৰ কথা কিন্তু বেলেগ ! মিল্কমেইডৰে খৰকৈ আৰু সহজে মিঠা ব্যঞ্জন তৈয়াৰ কৰিব পৰাৰ উপায়টোযে মই পালোঁ ! আৰু এতিয়া আমাৰ সামাজিক জীৱনটো আগতকৈ বেছি সক্ৰিয়হে হৈ উঠিছে।

### তিলৰ লাড়ু



প্ৰস্তুতি সময় ঃ ১৫-২০ মিনিট

পৰিমাণ ঃ ২০টা লাড়ু

উপকৰণ ঃ

| | |
|---|---|
| মিল্কমেইড | ঃ ½ টেমা |
| তিল (বগা আৰু ক'লা মিহলি) | ঃ ২৫০ গ্ৰাম |
| ঘিঁউ | ঃ ৩ ডাঙৰ চামুচ |
| গুৰ | ঃ ৫০ গ্ৰাম |

প্ৰণালী ঃ

* তিলখিনি ঘিঁউত ভাজক আৰু খহতা হৈ থকাকৈ খুন্দক।
* আকৌ কেৰাহিত ঢালক। মিল্কমেইড ঢালি দি ঘন হ'বলৈ দিয়ক।
* গুৰ মিলাই দি কেৰাহিৰ কাষত লাগি নধৰা হোৱালৈকে লৰাই থাকক।
* লাড়ু বান্ধি খাবলৈ দিয়ক।

### ভাপৰ পিঠা



প্ৰস্তুতি সময় ঃ ২৫ মিনিট

পৰিমাণ ঃ ২০টা পিঠা

উপকৰণ ঃ

| | |
|---|---|
| মিল্কমেইড | ঃ ½ টেমা |
| পিঠাগুড়ি | ঃ ২ কাপ |
| পিহা তাজা নাৰিকল | ঃ ১ কাপ |
| কিচমিচ | ঃ ৫০ গ্ৰাম |
| ইলাচি গুড়ি | ঃ ১ সৰু চামুচ |
| কলপাত ভাপত দিয়াৰ বাবে গুৰ (পিহা/গলোৱা) | ঃ ৫০ গ্ৰাম |

প্ৰণালী ঃ

* পিঠাগুড়ি, পিহা নাৰিকল, কিচমিচ, ইলাচিগুড়ি আৰু মিল্কমেইড খিনি মিহলাই অতি কোমল মিশ্ৰণ বনাওক।
* মিশ্ৰণখিনি সৰু সৰু আকাৰত ভগাই হেচি দি ৪×২ জোখৰ চাৰিকোণীয়া কৰক।
* ইয়াৰে প্ৰতিটো ভাগ কলপাতত টিলাকৈ মেৰিয়াই ২০ মিনিটৰ বাবে ভাপত দিয়ক।
* গুড়ৰ লগত গৰমে গৰমে পৰিবেশন কৰক।

### পাটিচাপ্তা

প্ৰস্তুতি সময় ঃ ২০ মিনিট

পৰিমাণ ঃ ২০ টা পাটিচাপ্তা


| | |
|---|---|
| ময়দা | ঃ ১ কাপ |
| চাউলৰ গুড়ি | ঃ ৪ চামুচ ডাঙৰ |
| ছ'দা বায়'কাৰ্বনেট | ঃ অকণমান |
| পানী পনীয়াকৈ গুলি লবৰ কাৰণে যিকণ লাগে ঘিঁউ/ তেল ভাজিবৰ বাবে | |
| নাৰিকল ৰোকা | ঃ ১½ কাপ |
| মিল্কমেইড | ঃ ½ টেমা |
| কাজু, বাদাম, খিচমিচ আদি | ঃ নহ'লেও নাই |



প্ৰণালী ঃ

* নাৰিকলৰ ৰোকা, মিল্কমেইড, বাদাম আৰু খিচমিচখিনি ভালকৈ মিহলাই লওক।
* ময়দা, পিঠাগুড়ি, ছ'দা বায়কাৰ্বনেট আৰু পানীৰে অলপ পনীয়াকৈ ঘোল বনাই লওক।
* ফ্ৰায়িং পেনত এচামুচ (সৰু) ঘিঁ দি ভালকৈ গৰম হোৱাৰ লগে লগে দুচামুচ (ডাঙৰ) ঘোল তাতে বাকি দিয়ক আৰু পেনখন দাণ্ডি ধৰি ঘূৰাই ঘূৰাই ঘোলখিনি চাৰিওফালে সমানে বিয়পাই দিয়ক।
* পিঠাখন বাদামী ৰঙৰ হৈ উঠাৰ লগে লগে, তাৰ এমূৰে নাৰিকল আৰু মিল্কমেইড মিক্সাৰ অলপ দি লৈ সিমূৰলৈকে পকাই নিয়ক। লাহেকৈ উঠাই আনক আৰু পৰিবেশন কৰক।

আনন্দৰ জোৱাৰ আনে মিল্কমেইডে প্ৰতিক্ষণে



শতাংশ) সমলৰ দ্বাৰা। ১৯৯০-৯১ চনৰ তথ্যানুসৰি ৰাষ্ট্ৰীয় সঞ্চয়ত গাৰ্হস্থ্য খণ্ডৰ অৰিহণা ৮১·৬৫ শতাংশলৈ বৃদ্ধি পায়; ৰাজহুৱা খণ্ড আৰু বেচৰকাৰী কৰ্পৰেট খণ্ডৰ বৰঙণি যথাক্ৰমে ৭·৯৬ আৰু ১০·৩৯ শতাংশ। দেশৰ অৰ্থনীতিত বিভিন্ন খণ্ডই আগবঢ়োৱা সঞ্চয়, বিনিময়, মূলধন উৎপত্তিৰ মাত্ৰা আৰু বাৰ্ষিক চক্ৰবৃদ্ধি হাৰ ২ নং তালিকাত দেখুউৱা হৈছে।

২ নং তালিকা ঃ ভাৰতীয় অৰ্থনীতিত ১৯৮০-৮১ আৰু ১৯৯০-৯১ চনত সঞ্চয়, বিনিয়োগ (কোটি টকাত)

| খণ্ড/চন | ১৯৮০-৮১ | ১৯৯০-৯১ | বাৰ্ষিক বৃদ্ধি (%) |
|---|---|---|---|
| গাৰ্হস্থ্য সঞ্চয় | ২১,৮৪৭ | ৯১,৪৭৩ | ১৫·৪০ |
| ৰাজহুৱা সঞ্চয় | ৪,৬৫৪ | ৮,৯১৮ | ৬·৭২ |
| কৰ্পৰেট সঞ্চয় | ২,২৮৪ | ১১,৬৪৩ | ১৭·৬৯ |
| তিনি খণ্ডৰ মুঠ | ২৮,৭৮৫ | ১,১২,০৩৪ | ১৪·৫৬ |
| শুধ বিদেশী সমল | ২,২৫৩ | ১৪,৬৬২ | ২০·৬০ |
| মুঠ দেশীয় বিনিয়োগ | ৩১,০৩৮ | ১,২৬,৬৯৬ | ১৫·১০ |
| স্থূল দেশীয় উৎপাদ | ১,৩৬,০১৩ | ৫,১৮,৫০০ | ১৪·২ |

টোকা ঃ তথ্যসমূহ স্থূল (gross) হিচাপত (বিদেশী সমলৰ বাদে)

উৎস ঃ RBI, Report on Currency and Finance, 1990-91, Vol. II

দেশৰ পৰিকল্পনা বিনিয়োগধৰ্মী। অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাত মুঠ বিনিয়োগৰ লক্ষ্য হৈছে ৭,৯৮,০০০ কোটি টকা; ইয়াৰে ৪৫·২ শতাংশ (৩৪৮,০০০ কোটি) ঘটিব চৰকাৰী খণ্ডত। বেচৰকাৰী খণ্ডৰ বাবে প্ৰায় ৪,৩৭,০০০ কোটি টকা বিনিয়োগৰ লক্ষ্য ধাৰ্য কৰা হৈছে। মুঠ বিনিয়োগৰ ৭,৪৩,০০০ কোটি টকা দেশীয় সঞ্চয়ৰ পৰা সংগ্ৰহ কৰাৰ কথা; আৰু বাকী ৫৫,০০০ কোটি টকা বৈদেশিক উৎসৰ পৰা গোটোৱা হ'ব; ইয়াৰে ৩০০০ কোটি টকা অনাবাসী ভাৰতীয়ৰ (NRI) পৰা আশা কৰা হৈছে।

মূলধন উৎপত্তিৰ গতি ঘাইকৈ নিৰ্ভৰ কৰে ঔদ্যোগিক মূলধনৰ ওপৰত। এই মূলধন দুই প্ৰকাৰৰ ঃ চালিত আৰু স্থায়ী। চালিত মূলধন হ্ৰস্বম্যাদী কালৰ বাবে পৰিবৰ্তনশীল ব্যয়ৰ শিতানত প্ৰয়োজন আৰু বেংক ঋণেৰে ইয়াক মুদ্ৰা বজাৰৰ পৰা সংগ্ৰহ কৰা হয়। স্থায়ী মূলধন (যেনে—যন্ত্ৰপাতি, কল-কাৰখানাৰ বাবে লগা পুঁজি) সংগ্ৰহ কৰা হয় দীৰ্ঘকালীন ঋণেৰে বা মূলধন বজাৰৰ পৰা। পৰিকল্পনাভিত্তিক অৰ্থনীতিত বিনিয়োগৰ বাবে লগা সঞ্চয় আহৰণৰ ক্ৰিয়া-কাৰ্য অকল বিত্তীয় আৰু মৌদ্ৰিক নীতিৰ ওপৰত ন্যস্ত কৰিব নোৱাৰি। মূলধন বজাৰ পুঁজিবাদৰ অৱদান যদিও পৰিকল্পনা অৰ্থনীতিতো ইয়াৰ ভূমিকা আছে।

মূলধন বজাৰ (capital market) গঠিত হয় বিত্তীয় প্ৰতিষ্ঠান, বেংক, ষ্টক বিনিময় কেন্দ্ৰ, ইউনিট ট্ৰাষ্ট (unit trust), পাৰস্পৰিক পুঁজি (mutual fund), লিজিং কম্পেনি (leasing company) ইত্যাদিক লৈ। উল্লেখযোগ্য যে সৰ্বভাৰতীয় বিত্তীয় প্ৰতিষ্ঠানসমূহ হৈছে IFCI, ICICI, IDBI, IRBI, LIC, GIC, UTI আৰু NSIC. অনুসূচিত জাতি আৰু জনজাতিৰ কাৰণে সৃষ্টি কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিত্তীয় আৰু বিকাশ নিগমো (NSFDC) উল্লেখযোগ্য। এইবিলাকৰ উপৰিও আছে ৰাজ্যিক পৰ্যায়ত ১৮টা বিত্তীয় নিগম আৰু ২৬টা উদ্যোগ বিকাশ নিগম,—যাৰ পৰা উদ্যোগীয়ে মূলধন সংগ্ৰহ কৰিব পাৰে। মূলধন বজাৰৰ কাম হৈছে যিসকলে টকা-পইচা ঋণ হিচাপে দিব খোজে, তেওঁলোকৰ পৰা পুঁজি বিচৰা লোকক মূলধন যোগান ধৰা।

মূলধন বজাৰ প্ৰাথমিক (primary) আৰু গৌণ (secondary) বজাৰ নামেৰে দ্বিখণ্ডিত। নতুনকৈ গঠিত হোৱা পাব্লিক লিমিটেড কোম্পানিয়ে দীৰ্ঘ ম্যাদৰ ঋণ-বিত্ত বিচাৰি আৰু চালু কোম্পানিবোৰে প্ৰসাৰণ তথা আধুনিকীকৰণৰ বাবে পুঁজি সংগ্ৰহ কৰিবলৈ নতুনকৈ সমাংশ, অংশপত্ৰ আৰু ঋণপত্ৰ প্ৰাথমিক মূলধন বজাৰত অৰ্পিত কৰে। নতুনকৈ অৰ্পিত কৰা চৰকাৰী নিৰাপত্তা পত্ৰ (security), খৎপত্ৰ, ঋণপত্ৰ, ষ্টক (stock) আৰু অংশপত্ৰও এই বজাৰত লেনদেন কৰা হয়। প্ৰাথমিক বজাৰক নতুন Issue market বুলিও কোৱা হয়। গৌণ বজাৰখনেই ষ্টক বজাৰ (stock market)—য'ত তালিকাভুক্ত চালু কোম্পানিবোৰৰ অংশপত্ৰ লেনদেন কৰা হয়। ষ্টক বিনিময় কেন্দ্ৰত চৰকাৰী বা অৰ্ধ-চৰকাৰী কতৃপক্ষই ইতিমধ্যে অৰ্পিত কৰা নিৰাপত্তাপত্ৰ, কৰ্পৰেট প্ৰতিষ্ঠানে অৰ্পিত কৰা খৎ আৰু ঋণপত্ৰ আৰু ষ্টক কেন্দ্ৰত পঞ্জীয়নকৃত পাব্লিক লিমিটেড কোম্পানিয়ে অৰ্পিত কৰা ষ্টক আৰু অংশপত্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ যোগেদি দৈনিক লেন-দেন কৰা হয়। এইবিলাকৰ দৰদাম যোগান-চাহিদা তত্ত্বৰ দ্বাৰা নিৰ্ণয় কৰা হয়।

ষ্টক বজাৰত জড়িত হয় বিনিয়োগী, ফটকাবাজী, দালাল আৰু বেপাৰী। দীৰ্ঘকালীন দৃষ্টিৰে পৰিসম্পত্তি (asset preference) বাছনিৰ দ্বাৰা পৰিচালিত হৈ উচিত ফল আশা কৰি ধন বিনিয়োগ কৰা লোকক বিনিয়োগী বোলা হয়। তাৰল্য, নিৰাপত্তা, সংকট আৰু সম্ভাব্য ফল গণ্য কৰি বিভিন্ন ধৰণৰ বিনিয়োগত তেওঁলোকে ধন খটুৱায়; ইয়াকে বোলে—do not put all eggs in one basket। তৎকালীন দৃষ্টিত লাভ কৰিব খোজা লোক হ'ল ফটকাবাজী লোক (speculator)। নিৰ্দিষ্ট কোম্পানিৰ অংশপত্ৰৰ দৰৰ গতিবিধি লক্ষ্য ৰাখি ধনৰ ক্ষমতা আৰু অসৎ উপায়েৰে এওঁলোকে বজাৰ পৰিচালনা কৰে। পাৰিশ্ৰমিক লৈ নিৰাপত্তাপত্ৰ আদি বেচা-কিনা কৰা লোকেই হৈছে দালাল। দৰবৃদ্ধিৰ আশাৰে 'ছিকিউৰিটিজ' কিনা দালালক বুল (bull) বোলা হয়; কাৰণ তেওঁলোকৰ আচৰণ ষাঁড়গৰুৰ দৰে। ক্ৰেতাতকৈ বিক্ৰেতাৰ সংখ্যা অধিক হ'লে দৰ বৃদ্ধি পায় আৰু তেনে বজাৰক বুলিছ (bullish) বোলা হয়। দৰ কমিব বুলি আশা কৰি অংশপত্ৰ আদি বিক্ৰি কৰিবলৈ ধৰা আৰু পাছলৈ কম দামত কিনিবলৈ লোৱা লোকক বিয়েৰ (bear) বোলা হয়, কাৰণ এনে আচৰণ ভালুকৰ আচৰণৰ লগত মিলে। বিনিয়োগীক দিহা-পৰামৰ্শ দিবলৈ ষ্টক বজাৰত ভাগ লোৱা অন্য শ্ৰেণী প্ৰতিষ্ঠান হৈছে সদাগৰী বেংক (merchant banks)।

গোটেই ভাৰতবৰ্ষতে মুঠ ২১টা ষ্টক বিনিময় কেন্দ্ৰ (stock exchange) আছে আৰু এই বিলাকত তালিকাভুক্ত কোম্পানিৰ সংখ্যা বৰ্তমানে ৬,২০০ৰো বেছি। ষ্টককেন্দ্ৰত গড়ে প্ৰতিদিনে ২০০ কোটিৰো অধিক টকাৰ লেনদেন হয়। পঞ্জীয়নভুক্ত দালালৰ সংখ্যা প্ৰায় ৫,১০০; আৰু ইয়াৰে ২০০০ মানে মাথোঁ চাৰিটা কেন্দ্ৰত,—বোম্বাই, দিল্লী, কলিকাতা আৰু মাদ্ৰাজত কাৰবাৰ কৰে। উক্ত কেন্দ্ৰৰ প্ৰতি দালালীয়ে গড়ে এমাহত কমেও ৩ কোটি টকা আৰ্জন হয়। বোম্বাই ষ্টককেন্দ্ৰই দেশৰ ভিতৰত প্ৰধান। আটাইবোৰ কেন্দ্ৰত তালিকাভুক্ত কোম্পানিৰ মূলধনৰ (paid up capital) ৮৫ শতাংশ আৰু গৌণ বজাৰৰ দুই-তৃতীয়াংশ কাৰবাৰ (turn over) বোম্বাই কেন্দ্ৰই লেনদেন কৰে। ১৯৮৯-৯০ চনৰ তথ্যানুসৰি বোম্বাই কেন্দ্ৰই ২৪,২৬৪ কোটি টকাৰ মূলধনৰ ২৪৪৬টা কোম্পানিৰ নিৰাপত্তাপত্ৰ লেনদেন কৰে। এই কেন্দ্ৰত তালিকাভুক্ত সমাংশ মূলধনৰ বজাৰ মূল্য ৫১,৩৭৮ কোটি টকা। ইয়াৰ পৰা বুজা যায় যে ভাৰতীয় মূলধন বজাৰত যথেষ্ট বৈষম্য আছে। মূলধন বজাৰৰ আন বৈশিষ্ট্যসমূহ হৈছে ঃ (১) দেশৰ মুঠ পৰিয়ালৰ মাথোঁ ২·৫ শতাংশহে অংশপত্ৰ অধিকাৰী, চহৰ অঞ্চলত এই অনুপাত ১০ শতাংশ (প্ৰায়েই মধ্যবিত্ত আৰু ধনী শ্ৰেণী) আৰু গ্ৰাম্য অঞ্চলত নগণ্য। (২) বোম্বাই, দিল্লী, আহমেদাবাদ আৰু কলিকাতা চহৰতে ৰাষ্ট্ৰৰ মূলধন বজাৰ ঘাইকৈ আবদ্ধ; সমগ্ৰ দেশৰ ৬২ শতাংশ বিনিয়োগী ইয়াতেই আছে। (৩) এক-চতুৰ্থাংশ বিনিয়োগীয়ে এটা বা দুটা কোম্পানিৰ অংশপত্ৰতে বিনিয়োগ কৰে; বিনিয়োগত ভিন্নকৰণ ঘটা নাই; কাজেই সম্ভাব্য সংকট অধিক। (৪) দেশৰ ষ্টক বজাৰত দালালী আৰু বেপাৰীৰ প্ৰতিপত্তি বিনিয়োগীতকৈ অধিক, ফলত বজাৰ অস্থিৰ। কোম্পানি আৰু দালালে বিনিয়োগীক আগবঢ়োৱা সেৱাৰ অভাৱ।



ওপৰৰ তথ্যসমূহ ভাৰতীয় নিৰাপত্তাপত্ৰ আৰু বিনিময় ব'ৰ্ডে (SEBI) যুগুতোৱা।

দৰ বৃদ্ধি-হ্ৰাস ষ্টক বজাৰৰ লক্ষণ। দেশৰ ষ্টক বজাৰত প্ৰথম জোৱাৰ পৰিলক্ষিত হৈছিল ১৯৮৫ চনত, তাৰ পাছত ১৯৯০ চনৰ শেষ ভাগত আৰম্ভ হৈ ই ১৯৯১ চনলৈ বৰ্তে। ১৯৯২-৯৩ চনৰ বাজেট ঘোষণাই (সমাংশ দৰ নিৰ্ণয়ত মুক্ততা, অংশপত্ৰ আৰু ঋণপত্ৰত সম্পত্তি কৰ ৰেহাই, মূলধন মূল্যবৃদ্ধি কৰৰ (capital gains tax) সুমিতিকৰণ, মূলধন-অৰ্পণ নিয়ন্ত্ৰকৰ কাৰ্যালয় উচ্ছেদ, নিৰ্বাচিত ভাৰতীয় কোম্পানিক বিদেশত ঋণপত্ৰ আৰু সমাংশৰে পুঁজি সংগ্ৰহৰ অনুমতি, ভাৰতীয় মূলধন বজাৰত বিদেশীৰ অৱসৰ পুঁজিৰ বাবে দুৱাৰ মুকলি আদি সন্নিবিষ্ট) মূলধন বজাৰলৈ জোৱাৰ আনে। অংশপত্ৰৰ মূল্য উৰ্ধগামী হয় আৰু যোৱা ২২ এপ্ৰিলত বোম্বাই ষ্টক বজাৰত অভিলেখৰ সৃষ্টি হয়। বিধিসংগত আৰু ক'লা ধনেৰে অসংখ্য লোকে সীমিত সংখ্যাৰ অংশপত্ৰ কিনিবলৈ হেতাওপৰা লগায় (too much money chasing too few shares)। আইনৰ সুৰুঙাৰ সুবিধা লৈ দালালশ্ৰেণীয়ে বজাৰত ছলনা প্ৰয়োগ কৰে। তেজী বজাৰ আৰু মন্হৰ গতিৰ ঔদ্যোগিক উৎপাদন পৰিঘটনা অৰ্থনীতি বিৰোধী। উক্ত কালত দেশৰ অৰ্থনীতি নিশ্চল; গতিকে ষ্টক বজাৰৰ জোৱাৰ নিটিকিল; ষ্টকৰ মূল্যবৃদ্ধিত মধ্যাকৰ্ষণ বিধি (Law of gravitation) প্ৰযুক্ত হ'ল আৰু দৰ খহিল। মূলধন বজাৰত দৰাচলতে মূলধন উৎপত্তি হোৱা নাছিল, হৈছিল ফটকাবাজী।

যোৱা ২৮ এপ্ৰিলত ষ্টক বজাৰৰ অন্তৰালত থকা কেলেংকাৰী ধৰা পৰিল; লগতে ধৰা পৰিল মহা দালাল হৰ্ষদ মেহতা প্ৰমুখ্যে জনদিয়েক দালাল। এই বজাৰৰ জুয়ে উলুৰ উপৰি কেইবাজোপাও বগৰীগছ পোৰে। তদন্ত কৰিবলৈ চৰকাৰে ৩০ এপ্ৰিলত জানকীৰমন কমিটি (Janakiraman Committee), ১১ মে'ত কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ (CBI) কমিটি, ৯ জুলাইত সদনৰ যুটীয়া কমিটি নিয়োগৰ সিদ্ধান্ত ঘোষণা কৰে। জানকীৰমন কমিটিয়ে দুখলপীয়াকৈ অন্তৰ্বৰ্তী প্ৰতিবেদন যথাক্ৰমে ২ জুন আৰু ৬ জুলাইত দাখিল কৰে। প্ৰথম প্ৰতিবেদন মতে 'বেংক ছিকিউৰিটিজ' কেলেংকাৰীত ৩০৭৮·৯৬ কোটি আৰু দ্বিতীয় প্ৰতিবেদন মতে আৰু অতিৰিক্ত ৪৬৩·৮২ কোটি টকা,—মুঠতে ৩৫৪২·৭৮ কোটি টকা জড়িত আছে। এই ধনৰাশিক আমি যদি ১৯৯০-৯১ চনৰ ৰাষ্ট্ৰীয় বিনিয়োগ তথা উৎপাদৰ (GDP) অনুপাত হিচাপে হিচাপ কৰোঁ, তেন্তে ইয়াৰ মাত্ৰা যথাক্ৰমে ২·৮ আৰু ০·৬৮ শতাংশ হয়।

এই কেলেংকাৰীৰ ফলত ষ্টক বজাৰ, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে ইতিমধ্যে কিছু ব্যৱস্থাৰ কথা ঘোষণা তথা বিবেচনা কৰিছে। এইবিলাকৰ ভিতৰত উল্লেখযোগ্য হৈছে ৰিজাৰ্ভ বেংকে নগদ অগ্ৰবৰ্তী লেনদেনৰ (Ready forward transaction) ওপৰত আৰোপ কৰা নিষেধ, ছেবিয়ে (SEBI) ঘোষণা কৰা নতুন নিৰ্দেশাৱলী; ভাৰতীয় ষ্টক হ'ল্ডিং নিগম, ৰাষ্ট্ৰীয় ষ্টক কেন্দ্ৰ, প্ৰৱঞ্চনা নিয়ন্ত্ৰণৰ বিশেষ সংস্থা (special bureau of frauds), প্ৰতিষ্ঠানৰ ভিতৰুৱা লোকক নিয়ন্ত্ৰণ কৰিবলৈ Insider Trading Law গঠন, ইত্যাদি। ভাৰতৰ পৰিকল্পনাভিত্তিক অৰ্থনীতিত বিত্ত সংগ্ৰহৰ কাৰ্য দালালৰ হাতত এৰি দিব নোৱাৰি। সামাজিক উপকাৰৰ স্বাৰ্থত ষ্টক বজাৰৰ সুনিয়ন্ত্ৰণৰ আৱশ্যক।

●●

**১৯৯১ চনৰ জুন মাহলৈকে অসমত ৰাষ্ট্ৰীয় খণ্ডৰ বেংকে ২০৫২ কোটি টকা সংগ্ৰহ কৰি ১০০৬ কোটি টকা ঋণ দিয়ে, অৰ্থাৎ ঋণ-জমা অনুপাত ০·৪৯। ই প্ৰমাণ কৰে যে অসমৰ পৰা বেংকে যিমান টকা সংগ্ৰহ কৰে তাৰ আধাভাগো অসমত বিনিয়োগ নকৰে। বেংকে সমগ্ৰ ভাৰতত সংগ্ৰহ কৰা জমাৰ ১·১৯ শতাংশ পায় অসমৰ পৰা, ইয়াৰ বিপৰীতে বেংকে সমগ্ৰ ভাৰতত আগ বঢ়োৱা ঋণৰ মাথো ০·৮৯ শতাংশহে অসমত আগ বঢ়ায়। ই মূলধন বহিৰ্গমনৰ সাক্ষী।**

যি কি নহওক স্বাধীনতাৰ সময়ৰ ক্ষুদ্ৰ ভাৰতীয় মূলধন বজাৰখন বৰ্তমান বিশ্বৰ ভিতৰতে লেখত লবলগীয়া। ষ্টক বজাৰৰ পৰিধি জানিব পাৰি বজাৰ-পুঁজিকৰণৰ (market capitalisation) যোগেদি। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ (IMF) ১৯৯১ চনৰ তথ্য মতে বিকাশকামী ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতৰ ষ্টকবজাৰৰ স্থান পঞ্চম আৰু ইয়াৰ বজাৰ-পুঁজিকৰণৰ পৰিমাণ হৈছে ৪৭·৭ বিলিয়ন ডলাৰ। ১৯৮০ চনত এই পৰিমাণ আছিল ৭·৫ বিলিয়ন ডলাৰ। টাইৱানৰ বজাৰখনেই বৰ্তমান সৰ্ববৃহৎ (১২৪·৯ বিলিয়ন ডলাৰ)। ভাৰতৰ মূলধন বজাৰখনৰ আশীৰ দশকৰ পৰাহে প্ৰসাৰণ ঘটিছে। বিনিয়োগীৰ সংখ্যা বৃদ্ধি পায় ১৯৭৫ চনৰ ১·৫ নিযুতৰ পৰা ১৯৮০ চনত ২ নিযুত, আৰু ১৯৯০ চনত ১৫ নিযুতলৈ। আন্তঃৰাষ্ট্ৰীয় বিত্তীয় নিগমৰ (IFC) মতে সত্তৰৰ দশকত ভাৰতীয় মূলধন বজাৰে দেশৰ কৰ্পৰেটখণ্ডৰ মূলধন উৎপত্তিত ৮ শতাংশ যোগাইছিল; আশীৰ দশকত ই ১৫ শতাংশলৈ বৃদ্ধি পায়। বেচৰকাৰী কৰ্পৰেট খণ্ডত সত্তৰৰ দশকত গড়ে প্ৰতিবছৰে ১০০ কোটি টকাৰ মূলধন অৰ্পিত হৈছিল, ১৯৮৮-৮৯ বৰ্ষত ই ৩,১৪৪ কোটি টকা পায়গৈ। ইয়াৰ উপৰি ৰাজহুৱা খণ্ডৰ অৰ্পিত খৎপত্ৰৰ (bond issue) পৰিমাণ আছিল ১৯৮৭-৮৮ চনত ২,৭৩৯ কোটি আৰু ১৯৮৮-৮৯ চনত ২,৪৯৮ কোটি টকা।

পৰিকল্পনা ৰূপায়ণত মূলধন বজাৰৰ ভূমিকা চমকপ্ৰদ। সপ্তম পৰিকল্পনাত মূলধন বজাৰে মুঠ ২১,৫০০ কোটি যুগুতাইছিল। মূলধন অৰ্পণৰ অনুমোদন ক্ৰমাৎ আগবাঢ়ে ১৯৮৫ চনৰ ৩,৬৯৫ কোটি টকাৰ পৰা ১৯৯০ চনত ১০,৬৬২ কোটি আৰু ১৯৯১ চনত ১৬,৪৮৫ কোটি টকালৈ। অষ্টম পৰিকল্পনাত নতুন উদ্যোগ নীতি আৰু মূলধন অৰ্পণৰ শিথিলতাৰ পৰিপ্ৰেক্ষিতত মূলধন বজাৰে যথেষ্ট অৰিহণা যোগাব লাগিব। এই পৰিকল্পনাত উদ্যোগ খণ্ডই ৪০,০০০ কোটিৰ পৰা ৫০,০০০ কোটি টকাৰ পুঁজি মূলধন বজাৰৰ পৰা সংগ্ৰহ কৰিব বুলি আশা কৰা হৈছে। ভাৰত চৰকাৰৰ ৰাজহুৱা প্ৰতিষ্ঠানসমূহে (অধিকাংশ শক্তি আৰু তেলৰ গোটে) ১৯৯২-৯৩ চনত মূলধন বজাৰৰ পৰা ৬,০৫৮·১০ কোটি টকা খৎপত্ৰ আৰু ঋণপত্ৰ অৰ্পণ কৰি সংগ্ৰহ কৰাৰ কথা আছে; ১৯৯১-৯২ চনত এনে পৰিমাণ আছিল ৫,৭২১·৬৯ কোটি টকা।

এতিয়া বিচাৰ কৰা যাওক অসমৰ অৰ্থনীতিত মূলধন উৎপত্তিৰ কথাটো। ৰাজ্যলৈ মূলধন তিনিটা সুঁতিৰে বয় ঃ পৰিকল্পনা আয়োগ, বিত্তীয় প্ৰতিষ্ঠান আৰু বেংক। ষষ্ঠ পৰিকল্পনাত অসমত ব্যয় হৈছিল ১২৭৯·৭৯ কোটি টকা, সপ্তম পৰিকল্পনাত ২৪৮৮·৯৩ কোটি আৰু অষ্টম পৰিকল্পনাত ধাৰ্য কৰা হৈছে ৪৬৭২ কোটি টকা। ১৯৮৯-৯০ চনৰ তথ্য মতে অসমৰ কৃষি খণ্ডত খটুউৱা মূলধন আছিল ৪ কোটি টকা হ্ৰস্বম্যাদী ঋণ, ১ কোটি মধ্যকালীন আৰু ৩ কোটি টকা দীৰ্ঘম্যাদী ঋণ। ঔদ্যোগিক বিনিয়োগৰ নামত ১৯৯০ চনৰ মাৰ্চ মাহলৈকে সৰ্বভাৰতীয় আৰু ৰাজ্যিক বিত্তীয় প্ৰতিষ্ঠানসমূহে অসমত মুঠ ৩৮০·৯ কোটি টকা প্ৰদান কৰে। ই সৰ্বভাৰতীয় বিনিয়োগৰ ০·৭ শতাংশ মাথোন। আনহাতে অসমৰ লোকসংখ্যা সৰ্বভাৰতৰ ২·৬৪ শতাংশ। উদ্যোগশীল মহাৰাষ্ট্ৰ আৰু গুজৰাটে বিত্তীয় প্ৰতিষ্ঠানৰ যথাক্ৰমে ১৮·৭৭ আৰু ১২·১৭ শতাংশ বিনিয়োগ আয়ত্ত কৰিছে, যদিও দেশৰ লোকসংখ্যাত উক্ত দুই ৰাজ্যৰ স্থান যথাক্ৰমে ৯·৩৩ আৰু ৪·৮৮ শতাংশ। ই বিনিয়োগ বৈষম্যৰ পৰিচায়ক।

বেংক বিনিয়োগ লক্ষ্য কৰা যায় ঋণ (credit) আৰু জমাৰ (deposit) অনুপাতত। ১৯৯১ চনৰ জুন মাহলৈকে অসমত ৰাষ্ট্ৰীয় খণ্ডৰ বেংকে ২০৫২ কোটি টকা সংগ্ৰহ কৰি ১০০৬ কোটি ঋণ দিয়ে, অৰ্থাৎ ঋণ-জমা অনুপাত ০·৪৯। ই প্ৰমাণ কৰে যে অসমৰ পৰা বেংকে যিমান টকা সংগ্ৰহ কৰে তাৰ আধাভাগো অসমত বিনিয়োগ নকৰে। বেংকে সমগ্ৰ ভাৰতত সংগ্ৰহ কৰা জমাৰ ১·১৯ শতাংশ পায় অসমৰ পৰা, ইয়াৰ বিপৰীতে বেংকে সমগ্ৰ ভাৰতত আগ বঢ়োৱা ঋণৰ মাথো ০·৮৯ শতাংশহে অসমত আগ বঢ়ায়। ই মূলধন বহিৰ্গমনৰ সাক্ষী। উত্তৰ-পূব পৰিষদৰ (NEC) মতে বাহিৰৰ পৰা অহা মাছ, মাংস, গাখীৰ, কণীৰ নামত বছৰি প্ৰায় ১০০০ কোটি টকা এই অঞ্চলৰ পৰা ওলাই গৈ আছে। কয়লা থকা সত্ত্বেও ইয়াৰ চাহ আৰু অন্য উদ্যোগসমূহে বাহিৰৰ পৰা কয়লা ক্ৰয় কৰাত ঔদ্যোগিক মূলধন ওলাই গৈছে। গতিকে স্থায়ী আৰু


PHILIPS
সঙ্গীত হ'ব সুৰহীন যদিহে নহয় ই ফিলিপ্‌ছত
নৃত্যৰ ঝলক যদিহে নহয় ই ফিলিপ্‌ছত
DR482 : ৩২ ৱাট PMPO, হেডফোনৰ সুবিধা, টকা ২২৪৫*
DR879 : ৬৪ ৱাট PMPO, ডাব্‌ল ডেক, টকা ৩৭৯৫*
নাথাকিব মেহফিল যদিহে নহয় ই ফিলিপ্‌ছত
DR603 : ৩২ ৱাট PMPO, ডুৱেল ডেক, টকা ৩২৯৫*
DR401 : ২৪ ৱাট PMPO, ট'ন আৰু মনো ষ্টিৰিও নিয়ন্ত্ৰণ, টকা ১৮৯৫*
হ'ব চুপাৰ ফ্লপ যদিহে নহয় ই ফিলিপ্‌ছত
DR403 : ডুৱেল ভলিউম নিয়ন্ত্ৰণ, একেটা স্পৰ্শতে ৰেকৰ্ডিং, টকা ১৬৯৫*
DR669 : ৩২ ৱাট PMPO, গ্ৰাফিক ইকুয়েলাইজাৰ, টকা ২৮৯৫*
নাথাকিব সঙ্গীত যদিহে নহয় ই ফিলিপ্‌ছত
গীতত
DR579 : ৪০ ৱাট PMPO, গ্ৰাফিক ইকুয়েলাইজাৰ, টকা ২৮৪৫*
DR481 : ৩২ ৱাট PMPO, একেটা স্পৰ্শতে ৰেকৰ্ডিং, টকা ২১৪৫*
বিশ্বশ্ৰেণীৰ ধ্বনিৰ প্ৰণেতা-ফিলিপ্‌ছ পোৰ্টেব্‌ল ষ্টিৰিও চিষ্টেম্‌চ
Contract Ph 638

উৎপাদনশীল মূলধনৰ বুনিয়াদ গঢ়ি নুঠাৰ ফলত অসম তথা উত্তৰ-পুব অঞ্চললৈ যিমান মূলধন আহে, তাৰ সমানুপাতিক মূলধন পুনৰ ওলাই যায়।

মূলধন উৎপত্তি দৈৱঘটনা (Deus ex Machina) নহয়। ইয়াক ঘটাবলৈ এচাম গতিশীল নবীন উদ্যোগীৰ (entrepreneur) আবিৰ্ভাৱ অপৰিহাৰ্য। আজিৰ পৰা ৭৩ বছৰ আগেয়ে অৰ্থনীতিবিদ Joseph A. Schumpeter এ এই কথা সকীয়াই গৈছে। লাভ ঘটাৰ উদ্দেশ্যে উদ্যোগীয়ে নতুন সামগ্ৰী, উৎপাদন প্ৰক্ৰিয়া, ব্যৱস্থাপনা, নতুন বজাৰ আৰু কেঁচামালৰ উৎস উদঘাটন কৰিবলৈ সচেষ্ট হ'ব লাগিব। অৱশ্যে সমাজত আয়-বৈষম্য তীব্ৰ হ'লে আৰু ল'ৰা-ছোৱালীক ৰক্ষণাবেক্ষণৰ মাজত ডাঙৰ-দীঘল কৰিলে নবীন উদ্যোগী সহজে গঢ়ি উঠা জটিল। অসমত চাহ উদ্যোগৰ ক্ষেত্ৰত ১৮৫০ চনৰ পাছৰ দশকতে মণিৰাম দেৱানে আৰু পাছলৈ জনদিয়েক অসমীয়াই উদ্যোগপতি বুলি প্ৰমাণ দিছিল যদিও, অন্য উদ্যোগত বিনিয়োগ নঘটাত ঔদ্যোগীকৰণৰ এক সোণালী সুযোগ অসমে হেৰুৱালে।

ৰাজহুৱা, যুটীয়া, সমবায় আৰু বেচৰকাৰী খণ্ডত সৰু-বৰ উদ্যোগ গঢ়ি তুলিব পাৰি। অৱশ্যে পিছপৰা অঞ্চলত যিহেতু সংকট বেছি, সেয়ে বৃহৎ আৰু মজলীয়া উদ্যোগ ৰাজহুৱা বা যুটীয়া খণ্ডত স্থাপন কৰাটো কাম্য। দেশৰ ১৯৫৬ চনৰ কোম্পানি অধিনিয়ম অনুসৰি যুটীয়া খণ্ডৰ উদ্যোগ গঢ়িব পাৰি চৰকাৰ, ব্যক্তিগত বিনিয়োগী, বিদেশী সহযোগী আৰু বিত্তীয় প্ৰতিষ্ঠানকে ধৰি বিনিয়োগী ৰাইজৰ অংশ গ্ৰহণেৰে। এই পৰিপ্ৰেক্ষিতত সমাংশ মূলধনত বিভিন্নখণ্ডৰ অংশ ভাৰত চৰকাৰৰ নিৰ্দেশনা অনুযায়ী এনে ধৰণৰ ঃ

লৈছে IBP Co. Ltd আৰু অসম চৰকাৰে। অসম চৰকাৰৰ অংশ ইয়াত কিমান থাকিব সেইটো স্পষ্টকৈ প্ৰকাশ পোৱা নাই। উক্ত অংশ ২৬ শতাংশ হ'ব লাগে বুলি ইতিমধ্যে কিছু সংগঠন আৰু অনুষ্ঠানে কৰা দাবী সকলোৰে দৃষ্টিগোচৰ হৈছে। আগত উল্লেখ কৰা হৈছে যে যুটীয়া উদ্যোগত চৰকাৰৰ অংশ ২৬ শতাংশ।

●●

চাহ উদ্যোগৰ ক্ষেত্ৰত ১৮৫০ চনৰ পাছৰ দশকতে মণিৰাম দেৱানে আৰু পাছলৈ জনদিয়েক অসমীয়াই উদ্যোগপতি বুলি প্ৰমাণ দিছিল যদিও, অন্য উদ্যোগত বিনিয়োগ নঘটাত ঔদ্যোগীকৰণৰ এক সোণালী সুযোগ অসমে হেৰুৱালে।

উদ্যোগ স্থাপন কৰিবলৈ লগা মূলধন কি উপায়েৰে যুগুত কৰিব পাৰি তাৰ চমু আভাস তলৰ কথাখিনিৰ পৰা পাব পাৰি। মূলধনৰ প্ৰথম উৎস সৃষ্টি কৰিব পাৰি নিজা টকা বা মিতিৰ-কুটুম আৰু বন্ধুবৰ্গৰ পৰা গোটোৱা টকাৰে। দ্বিতীয় উৎস সৃষ্টি কৰিব পাৰি ৰাইজৰ নামত অৰ্পিত মূলধনেৰে তথা ঋণপত্ৰ প্ৰদান কৰি। তৃতীয়তে, বিত্তীয় প্ৰতিষ্ঠান, ৰাজ্যিক বিত্ত নিগম আৰু উদ্যোগ নিগমৰ ঋণেৰে মূলধন গোটাব পাৰি। চতুৰ্থতে পাৰি ৰাইজ নাইবা অংশীদাৰৰ স্থিৰ-ধন জমাৰে (fixed deposits)। পঞ্চমতে পাৰি নিগমৰ পৰা যন্ত্ৰপাতি ভাৰাত ক্ৰয় কৰি। চালিত মূলধন সংগ্ৰহ কৰিব পাৰি বাণিজ্যিক বেংকৰ পৰা।

নতুন উদ্যোগ নীতিয়ে অনা শিথিলতাৰ ফলত উদ্যোগ স্থাপন কৰিবলৈ যিকোনো

| অংশীদাৰ | নিভাঁজ ভাৰতীয় উদ্যোগত | বিদেশী সাহায্যপ্ৰাপ্ত উদ্যোগত |
|---|---|---|
| চৰকাৰ | ২৬ % | ২৫ % |
| ব্যক্তিগত বিনিয়োগী | ২৫ % | ২০ % |
| বিদেশী সহযোগী | ০ % | ২০ % |
| ৰাইজ আৰু বিত্তীয় প্ৰতিষ্ঠান | ৪৯ % | ৩৫ % |

এইখিনিতে উল্লেখ কৰিব পাৰি যে নতুন উদ্যোগ নীতিত (১৯৯১ চনৰ) ঘোষণা কৰা শিথিলতালৈ উদ্যোগীয়ে লক্ষ্য কৰা উচিত; —বিশেষকৈ অংশপত্ৰ আয়ত্ত আৰু হস্তান্তৰ কৰা ব্যৱস্থা কোম্পানি অধিনিয়মত সংলগ্ন কৰা, বিদেশী গোটক অগ্ৰাধিকাৰ খণ্ডত ৫১ শতাংশ সমাংশৰ অধিকাৰী হ'বলৈ, আৰু অনাবাসী ভাৰতীয় তথা বিদেশী কৰ্পৰেট প্ৰতিষ্ঠানক ১০০ শতাংশ বিদেশী সমাংশ বিনিয়োগৰ অনুমতি প্ৰদান কৰা দিশসমূহলৈ।

অসমত চতুৰ্থ তেল শোধনাগাৰৰ আধাৰশিলা প্ৰধানমন্ত্ৰী নৰসিংহ ৰাৱে যোৱা তিনি জুলাইৰ দিনা নুমলীগড়ত স্থাপন কৰে। মুঠ ১৮৩০ কোটি টকাৰ এই প্ৰকল্পত ভাগ

উদ্যোগীৰ পক্ষে সহজ হৈ পৰিছে। সমাংশ (equity) উপায়েৰে মূলধন যোগাৰ কৰিবলৈ বিচৰা ৩০০ লাখ টকা প্ৰকল্পৰ এজন উদ্যোগীয়ে ২৫ শতাংশ অৰ্থাৎ ৭৫ লাখ টকা বীজধন (seed money) নিজৰ সূত্ৰৰ পৰা সংগ্ৰহ কৰি বাকী ২২৫ লাখ টকা ৰাইজৰ পৰা ষ্টক কেন্দ্ৰৰ যোগেদি সংগ্ৰহ কৰিব পাৰে। অৱশ্যে ৩০০ লাখ টকাৰ তলৰ আৰু ৩০ লাখ টকাৰ ওপৰৰ প্ৰকল্পৰ বাবে ৰাইজৰ পৰা টকা সংগ্ৰহ কৰিব পাৰি নতুনকৈ সৃষ্টি হোৱা 'অ'ভাৰ দি কাউণ্টাৰ একচেঞ্জ অৱ ইণ্ডিয়া'ৰ (OTCEI : Over The Counter Exchange of India) যোগেদি। এই ধৰণৰ কেন্দ্ৰৰ ক্ষেত্ৰত মূলধন বজাৰ সমগ্ৰ দেশতে ব্যপ্ত আৰু কমপিউটাৰ

দ্বাৰা সংলগ্ন। ছেবিয়ে (SEBI) যোৱা ১১ জুনত ঘোষণা কৰা নতুন নিয়ম অনুযায়ী ১০০ কোটি টকাৰ তলৰ প্ৰকল্পৰ ক্ষেত্ৰত প্ৰতিষ্ঠাপকৰ অৰিহণা মুঠ অৰ্পিত সমাংশৰ (equity issue) ২৫ শতাংশ, আৰু ১০০ কোটিৰ ওপৰ হ'লে ২০ শতাংশ হ'ব লাগিব। যিহেতু পৰৰ ধনেৰে কাৰবাৰ কৰাটো সংকটপূৰ্ণ আৰু নিয়ন্ত্ৰণৰ কথাও আছে সেয়ে দূৰদৰ্শী উদ্যোগীয়ে মুঠ মূলধনৰ এক নিৰাপদ অনুপাতহে পৰৰ পৰা ঋণ হিচাপে লোৱাটো বিচাৰে।

এইখিনিতে গুৱাহাটী ষ্টক কেন্দ্ৰৰ কথা উনুকিয়াব পাৰি। এই কেন্দ্ৰই ইতিমধ্যে প্ৰায় আঠ বছৰ অতিবাহিত কৰিছে; ইয়াত তালিকাভুক্ত কোম্পানিৰ সংখ্যা ২১৭টা। প্ৰায়বোৰেই বিনিয়োগ কোম্পানি, আৰু অসমৰ বাহিৰৰ। অসমৰ মুখ্য উদ্যোগ চাহ কোম্পানিবোৰৰ মাথোঁ ২৩টাহে গুৱাহাটী ষ্টক কেন্দ্ৰৰ তালিকাভুক্ত, বাকীবোৰ বাহিৰৰ কেন্দ্ৰত অন্তৰ্ভুক্ত। গুৱাহাটী কেন্দ্ৰৰ দৈনিক লেন দেন ১৯৯২ চনৰ এপ্ৰিল মাহত এক কোটি টকাৰো অধিক আছিল। এই কেন্দ্ৰৰ অধ্যক্ষৰ মতে ষ্টক বজাৰত গুৱাহাটীয়ে দামুৰিও উৎপন্ন কৰিব পৰা নাই; মহাদালাল দূৰৰে কথা। তথাপিতো পাঁচ-ছয় কোটি টকাৰ কেলেংকাৰী গুৱাহাটী কেন্দ্ৰত ঘটিছে বুলি অলপতে প্ৰকাশ পাইছে।

অসমৰ অৰ্থনীতি ঔদ্যোগীকৰণৰ দুৱাৰডলিত উপস্থিত হৈছে বুলি ক'ব পাৰি। গাঁও-ভূঁইক সৰু-বৰ উদ্যোগেৰে জাতিস্কাৰ কৰিবলৈ আৰু কৃষিভূমিক সুজলা-সুফলা-শস্যশ্যামলা কৰিবলৈ মূলধন উৎপত্তি হৈছে উন্নতিৰ সোপান। উন্নতিৰ কাৰণে মূলধন উৎপত্তিৰ প্ৰয়োজন; কিন্তু ইয়েই যথেষ্ট নহয়। কেঁচামালৰ পুঁঁতে উদ্যোগ স্থাপন হ'লেও কৰ্মচাৰী ভৰ্তিকৰণ কেন্দ্ৰ, ঠিকা-ঠুকলি, উৎপাদিত সামগ্ৰীৰ বিপণন-কেন্দ্ৰ প্ৰভৃতি যদি ৰাজ্যৰ ভৌগোলিক সীমাৰ বাহিৰত হয়, তেন্তে স্থানীয় অৰ্থনীতিৰ উপকাৰ আশানুৰূপে হোৱাটো জটিল। এয়ে হ'লে ফলাফল হয় দুই ভাইৰ মাজত খীৰতী গাই ভগোৱাৰ দৰে; —এজনে ঘাঁহ খুৱাই আৰু আনজনে গাখীৰ খীৰায়। মূলধন উৎপত্তিক সোণৰ কণী পৰা "বুবুলৰ ৰাজহাঁহ"ৰ লগত ৰিজাব পাৰি; —লাভজনক উদ্যোগ যিমানে গঢ়ি উঠে বৃদ্ধিও সিমানে ঘটে।

ছপা হৈ ওলাল
পুলক লাহিড়ীৰ
খেল পথাৰৰ ব্যক্তি আৰু ব্যক্তিত্ব
মূল্য ১০ টকা
লয়াৰ্ছ বুক ষ্টল
পানবজাৰ, গুৱাহাটী – ১





# ভাল লগা নাই

ড. বিকাশ বৰুৱা

এয়া বৰ্তমান মই আমেৰিকাত। গাঁৱে-ভূঁয়েও নহয়; —একেবাৰে খোদ নিউয়ৰ্ক চহৰত। মেট্ৰপলিটান হস্পিটেলৰ চৈধ্য মহলীয়া হোষ্টেলটোত। তলত সৌৱা ব্যস্ত চহৰ, লাখ-লাখ গাড়ী মটৰ, কেডিলাক লিমজিন মাৰ্ছিডিজৰ অন্তহীন শোভাযাত্ৰা, চৌদিশে লাইটৰ জিকমিকনি, নদী, দলং, সুৰংগ, শাৰী-শাৰী লম্বা-লম্বা অট্টালিকা, আকাশচুম্বী স্কাইস্ক্ৰেপাৰ, দূৰত সে-ই-য়া ৰিণিকি-ৰিণিকি এশ সাত মহলীয়া টুইন টাৱাৰ...

কিন্তু কি আচৰিত,—এইবিলাক একোৱেই ভাল লগা নাই! অসম এৰা ইমানদিন হ'ল, তথাপি চেৰেং চেৰেং আপোনালোকলৈহে মনত পৰি আছে। আমেৰিকাত মন বহুৱাবই পৰা নাই।

আৰু চাওকচোন, কেৱল নিউয়ৰ্কেইতো নহয়, যোৱা এমাহত ইমূৰৰ পৰা সিমূৰলৈ গোটেই দেশখন মহতিয়ালো—পিটছবাৰ্গ, ছেণ্ট লুইছ, হলিউড, লছ এঞ্জেলছ, কেনছাছ ছিটি, ৱাশ্বিংটন, ছানফ্ৰান্সিকো, লাছ ভেগাছ, ফিলাডেলফিয়া, চিকাগো, আটলান্তা—একোৱেই বাকী নাই। কিন্তু ওঁহো। ক'তোনো বাৰু অকণমানো ভাল লাগিব নাপায়নে? আপোনালোকে ভাবিছে মই আমেৰিকালৈ আহি পৰম সুখত আছোঁ! মিছা কথা। মন দুখেৰেহে ভৰি পৰিছে। কেনিও অকণো সুখ নাই। ছটফটাই আছোঁ। বাৰ্ছিলোনাৰ অলিম্পিকখন শেষ হ'লেই এক্কেকোবে ঘৰ পামগৈ। বিশ্বাস কৰক, ইয়াত মোৰ সমুলি ভাল লগা নাই!

কিয় ভাল লগা নাই লাহে-লাহে ভাবি-ভাবি মই পাইছোঁগৈ! কথা কি জানে? —ইয়াত আচলতে 'লাইফ' বোলা বস্তুটোৱেই নাই। থ্ৰিল নাই, উত্তেজনা এডভেঞ্চাৰ নাই। কষ্ট নাই, সংগ্ৰাম নাই। ছুইচ টিপিছে, যি লাগে চব পাই গৈছে। ন'ষ্ট্ৰাগল। বজাৰলৈ গৈছে,—দোকানী-বেপাৰীৰ টিকনিকে দেখিবলৈ নাই! দৰ-দাম নাই, গেলা-পচা নাই, কাজিয়া-পেছাল, চিঞৰ-বাখৰ, ঠেলা-হেঁচা নাই, ফুটপাথত পুলিছৰ টাঙোনডাল নাই, উচ্ছেদ নাই, দুই নম্বৰী নাই, আচল-নকল বুলিবলৈ নাই, কোনো বস্তুতেই 'পিত্যা'ৰ', 'অৰিজিনেল' নাই, দগা-পাল্লা জোখ-মাখত 'হেৰফেৰ' বুলি শব্দ এটা নাই,—কথা হ'ল নেকি! আমাৰ বজাৰবোৰৰ কথা মনত পেলাওকচোন—আ-হা! ভাবিলেই ভাল লাগি যায়। কি এক টেনশ্যন্! কেনেকুৱা উত্তেজনা! ইয়াত সেইবোৰ একো নাই। পইচা ভৰাই ছুইচ টিপি দিলে, এক ছেকেণ্ডত বিচৰা বস্তু ওলাই আহিল! দাম-দৰ কৰাতো বাদেই, পিটিকি-মুচৰি চাবলৈও চান্স নাই। আমাৰ দেশৰ বেপাৰী-ককাইটিহঁত কিমান মৰমিয়াল, যিহে গুপুততে ক'ব,—"বাইদেউ, আপোনাক বুলিহে দুটকা কমাই দিছোঁ, এনেকুৱা টাটকা মাল আৰু ক'তো নাপাব, লৈ যাওক!" ইয়াত তেনেকুৱা বিতোপন ডায়লগ ক'ত শুনিব? সোধোঁতাও নাই, পোছোঁতাও নাই, ট্ৰলি এখন লৈ নিজে-নিজে বস্তু গোটাই ফুৰক, কম্পিউটাৰত পইচা দিয়ক, আৰু চুপ-চাপ ঘৰলৈ গুচি আহক। লাইফ বুলিবলৈ সিমানেই। কেনেকৈ ভাল লাগিব কওকচোন!

ইয়াৰ আলিবাটবোৰত চৌব্বিছ ঘণ্টাই লাখ-লাখ গাড়ী মটৰ। এক ছেকেণ্ডৰ বাবেও ৰাস্তা খালী নহয়। কিন্তু ইমান দিন হ'ল, আজিলৈকে হৰ্ণ এটা শুনি পোৱা নাই। কেনেকুৱা ব'ৰিং! নিমাওমাও! হৰ্ণ বাজে মাত্ৰ ফায়াৰ ব্ৰিগেড, এম্বুলেন্স আৰু পুলিছৰ গাড়ীত। আমাৰ তাত প্ৰতিখন গাড়ীয়েই গিনিজ বুকত সোমাওঁ-সোমাওঁ। 'বিকট চিঞৰৰ কম্পিটিশ্যন'! কি সুন্দৰ আইডিয়া! কণামাকৰি সৰাবলৈ খৰিকা নালাগে, দৰব নালাগে। আনকি আপুনি কাণখনকেই সৰাই পেলাব পাৰে। আলিবাটৰ দাঁতিত মাত্ৰ পাঁচ মিনিট খাৰা হৈ থাকক,—কাণ ছিগি মাটিত! ডাক্তৰ, অপাৰেশ্যন একোৰে দৰকাৰ নাই।

নিমাওমাও কেৱল গাড়ী মটৰবোৰেইনে? য'লৈকে যাওক একেই অৱস্থা। বেংকলৈ যাওক,—মানুহ-দুনুহ নাই! ছুইচ টিপি দিলে,—খমখমিয়া নোট ওলাই আহিল। তাকো আক' চৌব্বিছ ঘণ্টাই খোলা। দুই বজাত যদি বেংক বন্ধেই নহ'ল, কাউণ্টাৰৰ লাইনটো দেখি যদি আপুনি মূৰে কপালে হাতেই নিদিলে, ট'কেনটো হাতত লৈ যদি দুঘণ্টা বজাৰত ফুৰি-চাকিয়েই নাহিলগৈ, আৰু শেষত ভিতৰলৈ সোমাই গৈ যদি আপোনাৰ ইনফ্লুয়েন্সটোকে নখটালে, তেনেহ'লে মজাটোনো ক'ত?

ইহঁত সংগীত, নাটক আদিতো পিছপৰা, বুইছে! আমাৰ তাত গধূলিৰ লগে-লগে বোন্দামহৰ যি সংগীত, ... তাৰ তালে-তালে আমিমখাৰ যি আটকধুনীয়া নৃত্যনাটিকা, সেইবোৰ ইয়াত ক'ত পাব? অসমত যিকোনো এখন বাছত উঠক, চলিবলৈ লোৱাৰ লগে-লগেই খিৰিকি, আইনা, চকী, দুৱাৰ সকলোৰে মিলি যিটো শ্ৰুতিমধুৰ সমবেত সংগীত পৰিবেশন কৰিব, ইয়াত মূৰ খুন্দিয়াই মৰি গ'লেও তেনে বস্তু আপুনি শুনিবলৈ নাপায়। সহযাত্ৰীৰ কাষলতি তলৰ ঘামৰ সুগন্ধি সুবাসো ইয়াত দুষ্প্ৰাপ্য; কাৰণ বাছবোৰ এয়াৰকণ্ডিশ্যনড, আৰু বাছৰ ভিতৰতে বাথৰুমটোও অপৰিহাৰ্য!

ইয়াৰ মানুহবোৰৰ ৰোমান্স-তোমান্স বুলিবলৈও একোতো নাই। আমাৰ তাততো জানেই—গধূলিৰ লগে-লগে ৰোমান্টিক পৰিৱেশ! মমবাতি, লেম্প, টিমিক-টামাক টিপ চাকি, আধা পোহৰ আধা আন্ধাৰৰ ফাকে-ফাকে অভৌতিক আত্মাৰ শৰীৰ সঞ্চালন, মহানগৰীৰ মাজমজিয়াত শিয়ালৰ হোৱা। ইয়াত সেইবিলাক পৰ্বতৰ কাছকণী। অবাস্তৱ কল্পনাবিলাস! দিন যিমান পোহৰ, ৰাতিও সিমানেই পোহৰ, একঘেঁয়া, ব'ৰিং, অ-ৰোমান্টিক। এইখন দেশত ক'তো কেনিও আড্ডা অকণ মৰাৰো উপায় নাই। অফিছ, ক'ৰ্ট-কেছাৰি বা বন্ধ ৰে'ল-গে'টৰ সমুখত গৈ পুলুং পালাং কৰি বৈ থকাৰ ব্যৱস্থা নাই। কাকো ঘোচ-ঘাচ, তামোল-চালি এডোখৰ খুৱাৰ সুযোগ নাই। সামান্য চুৰুট বা মৰ্টন এটা খাবলৈকো ত্ৰিছ-চল্লিছমাইল গাড়ী দৌৰাই 'মল'লৈ যাব লাগে। আমাৰ দৰে ঘৰৰ সমুখতে গুমতি দোকানখন নাই! বেঞ্চখনতো বাদেই!

আগতেই কৈছোঁ,—ইয়াত থ্ৰিল, উত্তেজনা নাই; —কথাবোৰ মিহি-মিহি। জীৱনটোত যদি সংগ্ৰামেই নাথাকিল, তেনেহ'লে সেইটো কিহৰ জীৱন? ৰাস্তাবোৰলৈ চাওক,—মিহি-মিহি। মজেইক কৰা পকাখনহে যেন! দৰবত দিবলৈকো গাঁত এটা নাই, স্পিডব্ৰে'কাৰ নাই, গৰু নাই, কুকুৰ নাই, ছাইকেল, ৰিক্সা, ঠেলা,—একো নাই। মিহি-মিহি ৰাস্তাইদি ফিৰফিৰকৈ গৈ থকাত কিবা ৰোমান্স, উত্তেজনা আছে জানো, আপুনিয়ে কওকচোন? আমাৰ ৰাস্তা চাওক,—পদে-পদে এডভেঞ্চাৰ। ক'ত ধামকে' লুটিখাই পৰি যায়—কোনো নিশ্চয়তা নাই। হাজাৰ-বিজাৰ বিয়াগোম গাঁত, দাঁত নিকটাই থকা শিলগুটিৰ দ'ম। যোৰহাটত গড় আলি নামৰ ৰাস্তা এটা আছে, আ-হা! কি বিতোপন! হিমালয়ৰ দৰে ওখ-ওখ পৰ্বত, এভাৰেষ্টৰ দৰে জোঙা-জোঙা শৃংগ, তাৰ তলতে হঠাৎ এটা প্ৰকাণ্ড গড়খাৱৈ, অলপ দূৰতে হো-হো শব্দেৰে সুন্দৰ জলপ্ৰপাত, গ্ৰেণ্ড কেনিয়নৰ দৰে থিয়-থিয় গড়া আৰু ফুটপাথ, ৰাস্তাৰ সোঁ মাজতে আলান্টিকৰ দৰে গভীৰ আৰু বিশাল মহাসাগৰ। এঠাইত বৈ বিনাটিকেটে চাই থাকক,—যেন টেলিভিশ্যনৰ পৰ্দাত অলিম্পিক কিম্বা ৱৰ্ল্ড অৱ স্প'ৰ্টছহে চাইছে! চৌব্বিছ ঘণ্টাই ননষ্টপ দুঃসাহসিক ক্ৰীড়া। এডভেঞ্চাৰ স্প'ৰ্টছ। কোনোবাই পৰ্বত বগাইছে, কোনোবাই সাঁতুৰিছে, লং জাম্প মাৰিছে, হাই জাম্প মাৰিছে, জিমনাষ্টিক, ডাইভিং, ছমাৰছল্ট ...। শুদা হাতেৰেও নহয়,—দুহাতত বজাৰৰ মোনা, পাঁচ কেজি চাউল, এক কেজি আলু, ... পিন্ধনত শাড়ী, কাৰোবাৰ মেখেলা-চাদৰ, কাৰোবাৰ ধুতি-পাঞ্জাবি ...

সেইবাবেইহে কৈছোঁ,—ভাল লগা নাই। আমেৰিকা হেন দেশ এখনলৈ আহি এনেকুৱা নিগেটিভ কথা আচলতে মই ক'ব নালাগিছিল। আৰু নকলোওহেঁতেন। কিন্তু মনৰ গোপন কথা আপোনাকে নকৈ ক'ম কাক? সুখ-দুখৰ খবৰ, ভাল লগা, বেয়া লগা কথা আপোনাকে সদায় কৈ আহিছোঁ, আজিও ক'লোঁ।

# এইডছ ৰোগৰ চিকিৎসা ঃ আশা আৰু আশংকা

মানসজ্যোতি শৰ্মা

বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ আৰম্ভণি হ'ব লগা এই সময়ছোৱাত আণৱিক বোমা, তৃতীয় বিশ্বযুদ্ধ আদিৰ লগতে আৰু এক ভয়াবহ দুশ্চিন্তাই বাহ লৈছেহি। সেই দুশ্চিন্তাৰ কাৰণ হৈছে— "এইডছ"।

যি সময়ত মানৱ জাতিয়ে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ চমক খুৱাব পৰা সাফল্যৰ ভেটিত ন-ন আৱিষ্কাৰৰ পাতনি মেলিছে, কেনছাৰ দুৰাৰোগ্য বোলা কথাটো হাস্যকৰ হৈ পৰিছে, কৃত্ৰিম কলিজাৰে মানুহ জীয়াই থকাটো পুৰণি কথা হৈ পৰিছে, সেই সময়তে বিশ্বৰ উন্নত জাতিবোৰে এইডছক এক নিশ্চিত মৃত্যুৰ পাৰোৱানা বুলি স্বীকাৰ কৰিব লগীয়া হোৱাটো সঁচাকৈয়ে হৃদয়-বিদাৰক কথা। তথাপিও চিকিৎসা বিজ্ঞানীসকলে "নাই নহ'ব" বুলি হাৰমানি গৱেষণা সামৰা নাই। গৱেষকসকলে এই মৃত্যুদূতক মষিমূৰ কৰিবলৈ যি নিৰবিচ্ছিন্ন প্ৰচেষ্টা চলাইছে তাক তলৰ তথ্য কেইটাই প্ৰমাণ কৰিব।

১৯৮১ চনত এইডছ ৰোগটো চিনাক্ত কৰা হয়। ১৯৮৩ চনত ৰোগটোৰ বীজাণু (ভাইৰাছ) নিৰ্ণয় কৰা হয়। ১৯৮৫ চনত ইয়াৰ ৰোগ নিৰ্ণয়ৰ (diagnosis) পৰীক্ষা সফল হয়। ১৯৮৭ চনত এইডছ প্ৰতিষেধক ছিটা (vaccine) তৈয়াৰ কৰি পৰীক্ষাগাৰত প্ৰয়োগ কৰা হয় আৰু এইবছৰ ওলাল এক সম্পূৰ্ণ নিৰাপদ আৰু (কিছু পৰিমাণে) নিৰ্ভৰযোগ্য ছিটা। এতিয়ালৈকে এইডছ ভাইৰাছটো একেবাৰে ধ্বংস কৰিব পৰা ঔষধ নোলালেও ইয়াৰ প্ৰকোপ দমন কৰিব পৰা ভালেমান ঔষধ ওলাইছে আৰু দিনৌ ওলায়েই আছে। ইয়াত আমি এই অন্তকৰ (killer) চিকিৎসাৰ বিষয়ে কিছু শেহতীয়া খতিয়ান দাঙি ধৰিম।


## ৰোগ নিৰ্ণয়ৰ নতুন পদ্ধতি

এতিয়ালৈকে ৰোগ নিৰ্ণয়ৰ বাবে ELISA (Enzyme Linked Immunosorbent Assay) নামৰ পৰীক্ষাটোৰ সহায় লোৱা হৈ আছে। এই পৰীক্ষা positive হ'লে Western Blot test-অৰ দ্বাৰা এইডছ ভাইৰাছৰ অৱস্থিতিৰ বিষয়ে সঠিককৈ জানিব পাৰি। এই দুয়োটা পৰীক্ষাই ধন আৰু সময়ৰ ফালৰ পৰা যথেষ্ট ব্যয়বহুল।

অলপতে আমেৰিকাৰ PATH (Programme for Appropriate Technology in Health) নামৰ আন্তৰ্জাতিক সংস্থাটোৱে এইডছ ৰোগ নিৰ্ণয়ৰ HIV-Dipstik নামৰ আটাইতকৈ কমখৰচী আৰু খৰতকীয়া পদ্ধতি এটা আৱিষ্কাৰ কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই (World Health Organisation) অনুমোদন জনোৱা এই পৰীক্ষাটো কৰিবলৈ ২০ মিনিট সময় লাগে আৰু অন্য পৰীক্ষাৰ তুলনাত ইয়াৰ খৰচো শতকৰা ৭৫ ভাগ কম। HIV-1 আৰু HIV-2 দুয়োবিধ প্ৰতিৰক্ষীৰ (antibody) উপস্থিতি নিৰ্ণয় কৰিব পৰা এই পদ্ধতিটো হেনো ৯৯.৫% ভাগ নিভুৰ্ল হ'ব। উল্লেখযোগ্য যে ভাৰতৰ কাৰণে এই প্ৰযুক্তি আহৰণ কৰিছে গুজৰাটৰ এখন ফাৰ্মে।

## কেম'থেৰাপি (Chemotherapy) ঃ একমাত্ৰ ভাৰসা


এতিয়ালৈকে ওলোৱা এইডছ ৰোগৰ ঔষধৰ পৰিমাণ যথেষ্ট নহ'লেও নিচেই কমো নহয়। চিকিৎসাবিজ্ঞানীসকলেও "নিৰাপদ আৰু নিৰ্ভৰযোগ্য"—কথাষাৰৰ স্বীকৃতি দিয়া নাই যদিও বহু ৰোগীৰ গাত এইবোৰ সুন্দৰভাৱে কাৰ্যকৰী হৈছে। বৰ্তমান প্ৰধান দৰবকেইটা হ'ল ঃ (১) Burroughs Wellcome Co.ৰ Azidothymidine বা চমুকৈ AZT (২) Hammersmith Hospital, London-অৰ Contracon, (৩) Genetech-অৰ Suramine, (৪) Dr. W. Carter-অৰ দ্বাৰা আৱিষ্কৃত Ampligen, (৫) U. S. National Cancer Institute-অৰ Dideoxycitidine, (৬) Chiron Corporation-অৰ Ribavirine আৰু HPA-23.



এজন এইডছ ৰোগীক 'Compound Q' নামৰ ঔষধটোৰে চিকিৎসা কৰা হৈছে।

এইবোৰৰ বাহিৰেও Fereamet, Rifamycius, Interferons, Phosphonoformate, Antimouiotungstate আদি বহু ঔষধ আৱিষ্কৃত হৈছে যদিও সকলোবে ভিতৰত Azidothymidine হে কাৰ্যকৰী তথা নিৰ্ভৰযোগ্য বুলি চিকিৎসাবিজ্ঞানীসকলে কয়। সম্প্ৰতি AZT-য়েই আনিছে এইডছ ৰোগীৰ বাবে নতুন আশাৰ ৰেঙণি।

এইডছ সম্পৰ্কে জনসাধাৰণক সজাগ কৰাৰ বাবে পশ্চিমীয়া দেশসমূহত যুদ্ধকালীন ক্ষিপ্ৰতাৰে প্ৰচাৰ কাৰ্য চলোৱা হৈছে।






Zidovudine বুলি খ্যাত AZTৰ ৰাসায়নিক নাম হ'ল 3' azido-3'-doexythymidine. ১৯৪৬ চনত প্ৰথমে মিচিগান কেনছাৰ ফাউণ্ডেশ্যনৰ ড. জেৰম হৰ্টৱিটজে AZT সংশ্লেষিত কৰে। কিন্তু কেনছাৰ প্ৰতিৰোধী কোনো গুণ বিচাৰি নোপোৱাত ই পৰিত্যক্ত হৈ থাকে। ১৯৮১ চনত Burroughs Wellcome Company-এ প্ৰতিজৈৱিক (antibiotics) হিচাপে ইয়াক কামত লগালে। ১৯৮৪ চনত এইডছৰ ঔষধ হিচাপে পৰীক্ষা কৰা প্ৰায় এশটা যৌগৰ (compound) ভিতৰত আশ্চৰ্যজনকভাৱে AZT-এ অতি কাৰ্যকৰী ফল দেখুৱালে। বহু পৰীক্ষাৰ অন্তত ১৯৮৭ চনৰ ১৯ মাৰ্চত U. S. Food and Drug Administration-এ AZT অনুমোদন কৰে। তেতিয়াৰ পৰাই AZTক আধুনিক জীৱনৰ সৰ্বাধুনিক মহামাৰীৰ বিৰুদ্ধে যুঁজিবলৈ সমগ্ৰ পৃথিৱীতে ব্যৱহাৰ কৰি অহা হৈছে। সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ এক তৃতীয়াংশ এইডছ ৰোগীকেই AZTৰ দ্বাৰা চিকিৎসা কৰোৱা হৈছে আৰু অধিকাংশ ৰোগীয়ে সুফল পাইছে।

AZT-এ প্ৰ'ভাইৰাছ Deoxy Ribonucleic Acid, চমুকৈ DNAৰ গঠনত বাধা দিব পাৰে। প্ৰ'ভাইৰাছ DNA হ'ল RNAৰ পৰা সৃষ্টি হোৱা DNA. প্ৰ'ভাইৰাছ DNAৰ সৃষ্টি হ'ব নোৱাৰিলে এইডছ ভাইৰাছে বংশ বৃদ্ধি কৰিব নোৱৰা হৈ যায়; ফলত ৰোগৰ সংক্ৰমণ কমি যায়। সম্প্ৰতি AZT চিকিৎসাৰ দ্বাৰা এইডছ ৰোগীৰ আয়ুস কিছু বঢ়াব পৰা গৈছে।

অৱশ্যে এই দৰবৰ পাৰ্শ্ব ক্ৰিয়াও (side effect) কিছু ভয়াবহ। AZT ব্যৱহাৰৰ ফলত লোহিত ৰক্ত কণিকাৰ সংখ্যা কমি গৈ ৰক্তহীনতাই (Anaemia) এনে ৰূপ লব পাৰে যে ৰোগীক তেজ দিব লগা হ'ব পাৰে। ইয়াৰ বাহিৰেও বমি অহা (Nausea), আভোক, নিদ্ৰাহীনতা (Insomnia), সৰ্বশৰীৰৰ বিষ,—এনে ধৰণৰ সৰুসুৰা ভালেমান পাৰ্শ্ব ক্ৰিয়াই দেখা দিব পাৰে। AZTৰ দামো সাধাৰণ মানুহৰ বাবে বৰ ভয়লগা বিধৰ। এজন ৰোগীৰ অকল এই দৰবটোৰ বাবেই বছৰি খৰচ হ'ব দুই লাখ আশী হাজাৰৰ পৰা তিনি লাখ টকালৈকে (AIDS : Modern Concepts & Therapeutic Challenges by Samuel Broder, 1987)।

আন এবিধ ঔষধ DDC-এও (2'-3' dideoxycytidine) কিছু আশাৰ ৰেঙণি দেখুৱাইছে। যোৱা বছৰ ফ্লৰেন্সত হোৱা এইডছৰ আন্তৰ্জাতিক মহাসভাত DDCৰ আৱিষ্কাৰক হফমেন-লা ৰচে (Hoffman-La Roche) DDCৰ কাৰ্যকাৰিতা সম্পৰ্কে ব্যাখ্যা কৰে। ইতিমধ্যে ৪,০০০ ৰোগীৰ ওপৰত ইয়াৰ পৰীক্ষা চলাই সুফল পোৱা গৈছে। এইডছৰ ঔষধবোৰৰ ভিতৰত ইয়াৰে পাৰ্শ্ব ক্ৰিয়া আটাইতকৈ কম। U. S. Food & Drug Administration-এ ঔষধটো অনুমোদন নজনোৱাত আমেৰিকাত ই অহৰহ চোৰাং বজাৰত বিক্ৰি হৈছে।

অৱশ্যে সম্প্ৰতি FDAই Bristol Myers Squibb নামৰ কোম্পানিটোৱে তৈয়াৰ কৰা প্ৰায় একে ধৰণৰ ঔষধ Dideoxyinosine (চমুকৈ DDI) অনুমোদন কৰিছে। (Time, 29th July, 91)। কেইমাহমানৰ আগতে প্ৰখ্যাত Nature মেগাজিনত প্ৰকাশিত এক বাতৰি মতে Harvard Medical School-অৰ গৱেষকসকলে দাবী কৰিছে যে GM-CSF নামৰ ঔষধটোৱে তেজত শ্বেত ৰক্ত কণিকাৰ সংখ্যা বঢ়াই দি শৰীৰৰ প্ৰতিৰক্ষা ব্যৱস্থাক শক্তিশালী কৰি তুলিব পাৰে। এওঁলোকে CD4 নামৰ এবিধ ঔষধেৰেও সুফল পাইছে।

সম্প্ৰতি ছানফ্ৰান্সিস্কোৰ "Project Inform" নামৰ ডাক্তৰৰ সংগঠনটোৱে 'Compound Q' নামৰ ঔষধটো পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰিছে। টেষ্ট টিউবত Compound Q-এ এইডছ ৰোগত আক্ৰান্ত কোষবোৰ ধ্বংস কৰিবলৈ সক্ষম হৈছে। এই ঔষধটো চীনদেশত হোৱা তিয়ঁহজাতীয় এবিধ গছৰ পৰা সংগ্ৰহ কৰা হৈছে। অৱশ্যে ই এতিয়াও FDAৰ অনুমোদন পোৱা নাই।




## প্ৰতিষেধক ছিটা নিৰ্মাণত জটিলতা

সম্প্ৰতি জলাতুংক, সৰু আই, পলিঅ', জণ্ডিছ আদিৰ দৰে মানুহে ভালদৰে জনা ভাইৰাছবোৰৰ আক্ৰমণৰো বিশেষ কোনো চিকিৎসা নাই। ভাইৰাছজনিত পানী লগাওতো (common cold) ঔষধেৰে ভাল নহয়! চিকিৎসাবিজ্ঞানীসকলে এতিয়াও মানুহৰ প্ৰতিৰক্ষা প্ৰণালীৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ সকলো দিশৰ বিষয়ে সম্পূৰ্ণ জ্ঞান লাভ কৰিব পৰা নাই। তেনেস্থলত এই অতি অসাধাৰণ আৰু প্ৰহেলিকাময় এইডছ ভাইৰাছটোৰ দ্বাৰা বিপন্ন হোৱা এই প্ৰণালীৰ বাবে পোনপটীয়া প্ৰতিষেধক ছিটা আৱিষ্কাৰ কৰিব নোৱৰাটো অতি বেছি অস্বাভাৱিক নহয়।

ছুইডেনৰ ষ্টকহ'মত বহা এইডছৰ চতুৰ্থ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত বিশ্ব স্বাস্থ্য সংস্থাৰ ড. গৰ্ডন এডাই (Gordon Ada) এইডছ প্ৰতিষেধক ছিটা প্ৰস্তুতকৰণত থকা হেঙাৰবোৰৰ কথা ব্যাখ্যা কৰে। তেওঁৰ মতে প্ৰধান অসুবিধাটো হ'ল ভাইৰাছটো অতি পৰিবৰ্তনশীল (highly variable)।

মানৱ দেহৰ ৰক্তত থকা "T-4 lymphocyte" নামৰ কণিকাবোৰে দেহটোক বেমাৰৰ বীজাণুৰ পৰা বচাই ৰাখে। এই T-4 কোষবোৰৰ বাহিৰৰ আৱৰণত CD4 বুলি এটা এণ্টিজেন পৰমাণু থাকে। এই CD4 এইডছ ভাইৰাছৰ বাহিৰৰ আৱৰণত থকা প্ৰ'টিন GP 120ৰ সংস্পৰ্শলৈ আহিলে ভাইৰাছটো অতি সহজে কোষৰ ভিতৰলৈ সোমাব পাৰে। ই কোষৰ ভিতৰত সোমাই তাৰ জিন সম্বন্ধীয়

বাৰ্তা (genetic information) RNAক DNAলৈ পৰিবৰ্তন কৰি নিজকে কোষটোৰ এক অংশ কৰি পেলায়। ফলত এই সময়ত কোনো ধৰণৰ ঔষধেই একো কৰিব নোৱাৰে।

ভাইৰাছটোৱে এনেকৈ কেইবাবছৰো কোষৰ ভিতৰত সুপ্ত অৱস্থাত থাকি হঠাৎ পূৰ্ণ পৰ্যায়ৰ ক্ৰেইবাটাও HIV কণাৰ সৃষ্টি কৰে আৰু কোষটো ধ্বংসপ্ৰাপ্ত হয়। ফলত T-4 কোষবিলাক অভাৱনীয়ভাৱে কমি যায় আৰু শৰীৰৰ প্ৰতিৰক্ষা ব্যৱস্থা বিপন্ন হৈ যায়। এই অৱস্থাত সাধাৰণ বেমাৰৰ বীজাণুৱেও আক্ৰমণ কৰিবলৈ পৰোৱাই নকৰে। গতিকে প্ৰতিষেধকে দেহত যথেষ্ট পৰিমাণে T-4 Cell-ৰ সৃষ্টি কৰিব লাগিব, আক্ৰান্ত কোষবোৰ ধ্বংস কৰিব লাগিব, আৰু এইডছ ভাইৰাছক কোষত প্ৰৱেশ কৰাত বাধা দিব লাগিব।

সম্প্ৰতি জীৱবিজ্ঞানীসকলে কেনছাৰ কোষৰ লগত এটা দীৰ্ঘজীৱী লিম্ফ'ছাইট সংযোজন কৰি এটা কৃন্তক (clone) তৈয়াৰ কৰিছে। এই কৃন্তকটোৱে কেনছাৰ কোষৰ পৰা দীৰ্ঘজীৱন পাব আৰু এন্টিব'ডিও প্ৰস্তুত কৰিব পাৰিব। এই কৃন্তকবিশিষ্ট (monoclonal) প্ৰতিৰক্ষীয়ে ভাইৰাছটোক কোষৰ ভিতৰত প্ৰৱেশ কৰাত বাধা দিব বুলি আশা কৰা হৈছে।

অলপতে "New England Journal of Medicine"-ত প্ৰকাশিত এক বাতৰি মতে মেৰিলেণ্ডৰ Walter Reed Army Institute of Research-অৰ বিজ্ঞানীসকলে প্ৰতিষেধক ছিটা নিৰ্মাণত এক অভূতপূৰ্ব সাফল্য লাভ কৰিছে বুলি দাবী কৰিছে। ড. ৰবাৰ্ট ৰে'ডফিল্ড (Dr. Robert Redfield) নামৰ জ্যেষ্ঠ বিজ্ঞানীজনে কয় যে প্ৰথম অৱস্থাত শৰীৰৰ প্ৰতিৰক্ষা ব্যৱস্থাই ভাইৰাছটো ভালদৰে দমন কৰি পেলাব পাৰে; কিন্তু ইয়াক ধ্বংস কৰিব নোৱাৰে; কাৰণ—ভাইৰাছটো এনেভাৱে গুপ্ত (hidden) অৱস্থাত থাকে যে প্ৰতিৰক্ষীয়ে ইয়াক চিনাক্তই কৰিব নোৱাৰে। এই প্ৰতিষেধকটোত পুনঃসংযোগী DNA টেকনিকৰ সহায়ত এইডছ ভাইৰাছৰ পৰা পৃথক কৰা ইয়াৰ কেইটামান অংশ আনুবংশিকভাৱে পৰিবৰ্তন (genetically changed) কৰি ব্যৱহাৰ কৰা হৈছে। এই প্ৰতিষেধকৰ সহায়ত আমাৰ শৰীৰৰ প্ৰতিৰক্ষীয়ে ভাইৰাছটোৰ গুপ্ত অংশবোৰ চিনাক্ত কৰিব পাৰিব।

গৱেষকসকলে ৩০জন সুস্থ লোকৰ গাত এই অপ্ৰাকৃতিক এইডছ প্ৰ'টিনটো প্ৰয়োগ কৰাত ১৯জনে এমাহৰ ভিতৰতে এনে কিছুমান নতুন প্ৰতিৰক্ষীৰ সৃষ্টি কৰিলে যি এইডছ ভাইৰাছক অকামিলা কৰি দিব পাৰে। তদুপৰি তেওঁলোকৰ দেহত T-4 কোষৰ সংখ্যাও তিনিগুণ অধিক পোৱা গৈছে।

U. S. National Institute of Allergy and Infections Diseases-অৰ সঞ্চালক ড. এন্টনি ফছিয়ে (Anthony Faucy) কোৱা মতে প্ৰতিষেধকটোৱে এজন নিৰোগী মানুহক এইডছ ভাইৰাছৰ পৰা শতকৰা ৭০ ভাগ সুৰক্ষা দিব পাৰে। ইয়াৰ কেইবাটাও পাৰ্শ্বক্ৰিয়া আছে যদিও সেইবোৰ কেইবাবছৰো পাছতহে দেখা দিয়ে। অৱশ্যে বেমাৰৰ ভয়াবহতালৈ লক্ষ্য কৰিলে পাৰ্শ্ব ক্ৰিয়াবোৰ গুৰুত্বপূৰ্ণ যেন নালাগে।

প্ৰতিষেধকৰ ক্ষেত্ৰৰ অন্য এক পদক্ষেপত ৰাসায়নিকভাৱে গৱেষণাগাৰত সৰু পেপ্টাইডৰ (peptides) ৰূপত সবল ভাইৰাছজনিত এন্টিজেনৰ সৃষ্টি কৰা হৈছে। ই প্ৰয়োজনীয় অসংক্ৰাম্যতা আহৰণ কৰাত সহায় কৰিব। ইতিমধ্যে বান্দৰৰ ক্ষেত্ৰত এই ছিটাই HIV প্ৰতিৰোধী অনাক্ৰাম্য ব্যৱস্থাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

সম্প্ৰতি এন্টি-আইডিয়'টাইপিক এন্টিব'ডি ভেকছিনৰ (Anti-idiotypic Vaccine) দ্বাৰাও সুফল পোৱা গৈছে। এই কৃত্ৰিম এন্টিব'ডিবোৰে শৰীৰে উৎপন্ন কৰা এন্টিব'ডিৰ দৰে কাম কৰিব পাৰে। ইয়াৰ কেইবাটাও প্ৰাধান্য আছে। প্ৰথমতে শৰীৰক ই এক অপৰিমিত প্ৰতিৰক্ষীৰ যোগান ধৰিব। দ্বিতীয়তে ই দোষমুক্ত সংৰচনাত্মক গঠন (defective structural pattern) অপসৰণ কৰিব পাৰিব। তৃতীয়তে ইয়াৰ তেনে কোনো উল্লেখযোগ্য পাৰ্শ্ব ক্ৰিয়া নাই।

অলপতে পেৰিছত অনুষ্ঠিত হোৱা এখন এইডছ-সংক্ৰান্ত কনফাৰেন্সত "Immuno RGP-16" নামৰ এবিধ নতুন প্ৰতিষেধক ছিটাৰ কাৰ্যকাৰিতা ব্যাখ্যা কৰা হয়। ছিটাটো তৈয়াৰ কৰা হৈছে আমেৰিকাৰ St. Louis University School of Medicine-অত। চিকিৎসাবিজ্ঞানী ড. ৰবাৰ্ট বেলছেৰ Robert Belshe) মতে ছিটাটো নিৰাপদ বুলি প্ৰমাণ পোৱা গৈছে যদিও ই এতিয়াও পৰীক্ষামূলক অৱস্থাতে আছে।

### ৰক্ত সংচৰণঃ আশাৰ ৰেঙণি

সম্প্ৰতি চিকিৎসাবিজ্ঞানীসকলে পোন প্ৰথম বাৰৰ বাবে সংৰক্ষিত শ্বেতৰক্তকণিকা (WBC) ব্যৱহাৰ কৰি মানৱ দেহৰ আক্ৰান্ত প্ৰতিৰোধী ব্যৱস্থাক পুনৰ শক্তিশালী কৰি তুলি এইডছ ভাইৰাছৰ বিৰুদ্ধে এক তুমুল ৰণত অৱতীৰ্ণ হৈছে। ছিয়াটলৰ (Seattle) ৱাশ্বিংটন ইউনিভাৰ্ছিটিৰ গৱেষকসকলে কেনছাৰৰ ঔষধ ব্যৱহাৰ কৰাৰ ফলত প্ৰতিৰোধী ক্ষমতা ধ্বংস হোৱা তিনিজন ৰোগীক লিম্ফ'ছাইটৰ বেজি দি এক ভয়ানক ভাইৰাছৰ পৰা ৰক্ষা কৰিছে ("Science", 10th July, 92) কিছুদিন আগলৈকে ই কেৱল জীৱ-জন্তুৰ ক্ষেত্ৰতহে সম্ভৱ আছিল; কিন্তু এতিয়া মানৱদেহতো সম্ভৱ হৈ উঠিছে।

গৱেষকসকলে দীঁতৰ অস্থিমজ্জাৰ (bone-marrow) পৰা শ্বেত ৰক্তকণিকা সংগ্ৰহ কৰি পৰীক্ষাগাৰত কৃত্ৰিম সংবৰ্ধন (artificial culture) কৰে। তাৰ পাছত ইয়াৰ পৰা T-4 কোষবোৰ পৃথক কৰা হয় আৰু সংবৰ্ধন কৰি ৰোগীৰ শৰীৰত প্ৰৱেশ কৰোৱা হয়। চাৰি সপ্তাহত এনে চাৰিটা ইনজেকশ্যন দিলেই এমাহমানতে ৰোগীৰ প্ৰতিৰোধী ব্যৱস্থা শক্তিশালী হৈ উঠে। সম্প্ৰতি এই নতুন থেৰাপিয়ে চিকিৎসা জগতত আলোড়নৰ সৃষ্টি কৰিছে।

যোৱা জুলাই মাহৰ শেষৰ সপ্তাহত আমষ্টাৰডামত অনুষ্ঠিত হোৱা অষ্টম এইডছ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত যোগদান কৰা এঘাৰ হাজাৰৰো অধিক চিকিৎসাবিজ্ঞানী আৰু গৱেষকৰ এজনেও বিশেষ আশাৰ ৰেঙণি দেখুৱাব নোৱাৰিলে। বৰং তাত এক নতুন এইডছ ভাইৰাছৰ অৱস্থিতিৰ আশংকাহে সৃষ্টি হ'ল। এই সভাতে কোৱা হয় যে সম্প্ৰতি (জুলাই, ১৯৯২) পৃথিৱীত ১ কোটি বিছ লাখ এইডছ ৰোগী আছে আৰু দুহাজাৰ চনত এই সংখ্যা এঘাৰ কোটিৰ ওচৰা-উচৰি হ'ব।

এইডছ-আক্ৰান্ত ৰোগী আৰু সেই ৰোগত মৃত্যু হোৱা ৰোগীৰ সংখ্যা তীব্ৰ গতিত বৃদ্ধি পাইছে। আৰু ইয়াৰ চিকিৎসাৰ খৰচো অভাৱনীয় পৰ্যায়ৰ হৈছে। সম্প্ৰতি এইডছৰ আৰম্ভণিৰ পৰা শেষলৈকে চিকিৎসাৰ খৰচ প্ৰায় বাৰ লাখ টকাৰ ($ 40,000) ওচৰা-উচৰি। তৃতীয় বিশ্বৰ জনসাধাৰণে ইমান টকা খৰচ কৰিবও নোৱাৰে আৰু পাৰিলেও আৰোগ্য হোৱাৰ কোনো নিশ্চয়তা নাই। সেয়ে আমাৰ বাবে আৰোগ্যতকৈ প্ৰতিবিধান জৰুৰী হৈ পৰিছে। কেইটামান উল্লেখযোগ্য প্ৰতিবিধান হ'লঃ (১) কিবা কাৰণত তেজ লব লগা হ'লে ELISA আদি টেষ্ট কৰাই ভাইৰাছমুক্ত বুলি প্ৰমাণ কৰাৰ পাছতহে তেজ ব্যৱহাৰ কৰিব লাগে। (২) আনৰ টুথ ব্ৰাছ, ৰেজৰ আদি ব্যৱহাৰ কৰা অনুচিত। আজিকালি ছেলুনত ডাঢ়ি খুৰোৱা অথবা Tattooing কৰোৱা বৰ বিপদজনক। (৩) যিকোনো হস্পিটেলত বেজি লব নালাগে। বেজি বা ছিৰিঞ্জবোৰ 'ডিছপজেবল' আৰু 'ষ্টেৰিলাইজড' হ'ব লাগে। ব্যৱহাৰ কৰাৰ পাছত দন্ত চিকিৎসকৰ সৰঞ্জামবোৰ পৰিষ্কাৰ নকৰাকৈ তাৰে এজন নিৰোগী মানুহৰ দাঁত উঘালিলে তেওঁ এই মহামাৰীৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে। আমেৰিকাত যোৱা বছৰ এনে ধৰণে আক্ৰান্ত হোৱা পাঁচটা ঘটনা পোৱা গৈছে।

যোৱা বছৰ আমেৰিকাত ৯০০জন চিকিৎসক (ইয়াৰে ১৭০জন দন্ত চিকিৎসক) আৰু ১,৪৫০জনী নাৰ্ছ এইডছ ৰোগী বুলি চিনাক্ত কৰা গৈছে (Time, July 29, 1991) (৪) পায়ুমৈথুনৰ (Anal Sex) পৰা সম্পূৰ্ণ বিৰত থকা উচিত। বেশ্যা বা বেশ্যাগামী পুৰুষ-মহিলাৰ লগত কোনো ধৰণৰ সম্পৰ্ক (যৌন সম্বন্ধীয় অথবা অন্য) ৰখা অনুচিত। যৌন সংগী সন্দেহমুক্ত নহ'লে কনডম ব্যৱহাৰ কৰাটো অতি বাঞ্ছনীয়। কিন্তু এইটো ঠিক যে কনডমৰ ব্যৱহাৰে নিৰাপত্তাৰ সৰ্বোচ্চ সীমা নিৰ্ধাৰণ কৰিব নোৱাৰে। (৫) এইডছ ৰোগীক চিনাক্ত কৰাৰ পাছতে আছুতীয়া কৰিব লাগে। আমাৰ চৰকাৰেও বিদেশী আৰু ভাৰতত বাস নকৰা ভাৰতীয়ৰ লগত যৌন সংযোগ আইন মতে নিষিদ্ধ কৰিব লাগে।

টোকাঃ শেহতীয়া বাতৰি মতে আমেৰিকাৰ FDA-ই Dideoxycitidine (DDC) নামৰ এইডছ ৰোগৰ ঔষধটো যোৱা জুলাই মাহত অনুমোদন কৰিছে। (Time, August 3, 1992)।




# সুবিবেচিত এটি সিদ্ধান্ত লওক



মাৰ্চ 31, 1992 লৈকে হোৱা আপোনাৰ
কেপিটেল গেইনচ কৰমুক্ত কৰাৰ শেষ সুযোগ
বিনিয়োগ কৰক
আই.ডি.বি.আই.
কেপিটেল বণ্ডচত।

**এই আঁচনিৰ অধিনত বিনিয়োগৰ শেষ তাৰিখ চেপ্তেম্বৰ 30, 1992**

মাটি, ঘৰ, অলঙ্কাৰ, শ্বেয়াৰ আদিৰ বিক্ৰীৰ দ্বাৰা হোৱা দীৰ্ঘম্যাদী পুঞ্জিগত লাভ (কেপিটেল গেইনচ) কৰযোগ্য। কিন্তু ইয়াৰ পৰা ৰেহাই পোৱাৰ উপায় আছে। আই. ডি. বি. আই. কেপিটেল বণ্ডচত বিনিয়োগ কৰক। মূলধন অক্ষম থাকিব আৰু সুদোপাব।

- চেপ্তেম্বৰ 30, 1992 লৈকে বণ্ডচ সমমূল্যত পাব।
- কৰনিৰূপণ বছৰ 1992-93 ত আয়কৰ অধিনিয়ম 1961ৰ ধাৰা 54E ৰ অধীনত কেপিটেল গেইনচ ওপৰত কৰ ৰেহাই।
- বছৰি 9% হাৰত সুদ ছমাহৰ মূৰে মূৰে পাব।
- বিদেশ নিবাসী ভাৰতীয়ৰ বিনিয়োগো গ্ৰহণ কৰা হয়।
- বিনিয়োগকাৰী ইচ্ছানুযায়ী সম্পূৰ্ণ 3 বছৰীয়া ম্যাদৰ বাবে কম হাৰত সুদ আগতীয়াকৈ লব পাৰি।
- উৎসতে কৰ কাটি লোৱা নহয়।
- বহিস্থানীয় চেক গ্ৰহণ কৰা হয় আৰু সংগ্ৰহৰ খৰছ আই. ডি. বি. আই এ বহন কৰে।
- ধাৰা 80L অধীনত আয়কৰত ৰেহাই।

**লগতে, দেশৰ ঔদ্যোগিক বিকাশতো সক্ৰিয় অংশ লওক।**

অধিক জানিবলৈ ওচৰৰ আই.ডি.বি.আই. অফিচৰ সতে যোগাযোগ কৰক অথবা ইয়ালৈ লিখক: মেনেজাৰ,
ইণ্ডাষ্ট্ৰীয়েল ডেভেলপমেণ্ট বেঙ্ক অব ইণ্ডিয়া
আই.ডি.বি.আই. টাৱাৰ, কাফ পেৰেদ, বম্বে - 400 005, ফোন: 2189111/21.

Sobhagya/IDBI/92-AS.Rev.

# আঞ্চলিক দলৰ একত্ৰীকৰণৰ প্ৰয়োজনীয়তা

ৰবীন্দ্ৰ নাথ বৰুৱা

আজি কিছুদিনৰ পৰা অসমৰ দুটা প্ৰধান আঞ্চলিক ৰাজনৈতিক দল— অসম গণ পৰিষদ (অগপ) আৰু নতুন অসম গণ পৰিষদৰ (ন অগপ) একত্ৰীকৰণ সম্পৰ্কে নানা জল্পনা-কল্পনা চলি আছে আৰু কাকতে-পত্ৰই এই বিষয়ে নানা ধৰণৰ বাতৰি ওলাই আছে। এটা বাতৰিত প্ৰকাশ যে একত্ৰীকৰণৰ আলোচনাত যোগ দিবলৈ অগপ দলৰ কেন্দ্ৰীয় সমিতিয়ে সভাপতি শ্ৰীপৰাগ চলিহাৰ নেতৃত্বত তিনিজনীয়া গোট এটাক কৰ্তৃত্ব প্ৰদান কৰিছে। বাতৰিত কোৱা হৈছে যে বাকী দুজন সদস্যক সভাপতি চলিহাই মনোনীত কৰিব। আনহাতে ন অগপৰ নেতা প্ৰাক্তন অধ্যক্ষ শ্ৰীপুলকেশ বৰুৱাই কৈছে তেওঁৰ দল ভালেমান দিনৰ পৰা একত্ৰীকৰণৰ পক্ষপাতী, যিহেতু ই-কংগ্ৰেছৰ অপশাসন প্ৰতিৰোধ কৰিবলৈ আঞ্চলিক দলসমূহৰ একত্ৰীকৰণ নিতান্ত আৱশ্যক।

এইখিনিতে এটা কথা কৈ থোৱা আৱশ্যক। মই এই বিষয়ে কোনো নেতাক ব্যক্তিগতভাৱে সাক্ষাত কৰা নাই। মোৰ এই নিৰীক্ষণ বাতৰি-কাকত আদিত প্ৰকাশিত কথাৰ ওপৰত আৰু ৰাইজৰ দুই চাৰি-জনৰ লগত কথাপাতি পোৱা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি লিখা হৈছে। মই যাৰেই লগত কথা পাতিছোঁ তেওঁলোকৰ খং এতিয়াও মাৰ যোৱা নাই যেন লাগে। যি আশা আৰু উদ্দীপনাৰে তেওঁলোকে ১৯৮৫ চনত অকুণ্ঠিত সমৰ্থনেৰে অগপ দলক নিৰ্বাচিত কৰি অসমত প্ৰথম বাৰৰ বাবে এটা আঞ্চলিক দলক ক্ষমতাত অধিষ্ঠিত কৰিছিল, ১৯৯১ চনৰ নিৰ্বাচনৰ আগে-আগে হোৱা দলৰ বিভাজনে তেওঁলোকক কেনেদৰে হতাশ কৰিছিল সেই কথা সকলোৱে জানে। সেইবাবে এতিয়া দুয়োটা দল লগ লাগিব খোজা দেখিও কাৰো মনত সিমান আশাৰ সঞ্চাৰ হোৱা নাই। কিয়নো,—নিজৰ ভিতৰতে দন্দ-কাজিয়া কৰি ই-কংগ্ৰেছক ৰাজপাটত বহুউৱাৰ পাছত এতিয়া যে সহজে তেওঁলোকক আঁতৰ কৰিব পাৰিব সেইটো সন্দেহৰ কথা বুলি সকলোৱে জানে। তথাপি বহুতেই মত প্ৰকাশ কৰিছে যে পলমকৈ হ'লেও এওঁলোকৰ যে শুভবুদ্ধি হৈছে সেইটো ভাল কথা।

কিন্তু এটা কথা সকলোৱে কৈছে যে কেৱল একত্ৰীকৰণ সমৰ্থন কৰি কাকতে-পত্ৰই বিবৃতি দি থাকিলেই কলটো নপকে। এই প্ৰচেষ্টা আন্তৰিকতাৰে চলাই যাব লাগিব,—নিজৰ ব্যক্তিগত স্বাৰ্থলৈ আওকাণ কৰি। লেঠা সেইখিনিতে। এই দুয়োদলৰ নেতাসকলৰ পৰস্পৰ বুজাবুজিৰ অত্যন্ত অভাৱ। বিশেষকৈ অগপৰ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু নঅগপৰ শ্ৰীভৃগু কুমাৰ ফুকনৰ ব্যক্তিগত কাজিয়াৰ সুত্ৰপাতেই যে অগপৰ বিভাজনৰ মূল কাৰণ সেই কথা এতিয়া সকলোৱে একমুখে স্বীকাৰ কৰিছে। সেই কাৰণেই হেনো শেষৰ দুলানি দ্বিপাক্ষিক আলোচনাত শ্ৰীমহন্ত আৰু শ্ৰীফুকনক আমন্ত্ৰণ জনোৱা হোৱা নাছিল। বিশেষকৈ দুয়ো দলৰ বিধায়িনী দলৰ সভ্যসকলৰ আলোচনাৰ পৰা এই দুজনৰ বাহিৰেও শ্ৰীঅতুল বৰাক হেনো বাদ দিয়া হৈছিল। অগপ নেতাসকলৰ মতে তেওঁলোকে দলৰ সপ্তম জন্ম-বাৰ্ষিকী অৰ্থাৎ ১৪ অক্টোবৰৰ ভিতৰতে একত্ৰীকৰণৰ এটা সিদ্ধান্ত ঘোষণা কৰিব পাৰিব। এই প্ৰধান দুটা আঞ্চলিক দল লগ লাগিব পাৰিলে পুৰণি, নতুন বাকী কেইবাটা দলো,—যেনে অসম জাতীয়তাবাদী দল, পূৰ্বাঞ্চলীয় লোক পৰিষদ, জাতীয় চেতনা মঞ্চ, অসম জাতীয় মঞ্চ ইত্যাদিও চামিল হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। তেতিয়া হ'লে ই-কংগ্ৰেছৰ বিৰুদ্ধে এটা সন্মিলিত আঞ্চলিক দল গঠিত হ'বগৈ। যিহেতু অসমত জনতা দল নাইবা সমাজবাদী কংগ্ৰেছৰ শক্তি কমি আহিছে, গতিকে ভৱিষ্যতে, অৰ্থাৎ অহা নিৰ্বাচনত ই-কংগ্ৰেছৰ বাহিৰে, এটা আঞ্চলিক দল, বাঁওপন্থী মৰ্চা আৰু ভাৰতীয় জনতা পাৰ্টিহে (বি. জে. পি) মঞ্চত থাকিবগৈ বুলি অনুমান কৰিব পাৰি।

এতিয়া কথা হ'ল, অগপ আৰু নঅগপই সঁচাকৈয়ে এক হ'ব খুজিছে নে নাই? শ্ৰীপুলকেশ বৰুৱাই যদিও কৈছে যে দলৰ একমাত্ৰ ৰাজ্যসভাৰ সদস্য শ্ৰীডেভিদ লেজাৰে ই-কংগ্ৰেছত যোগ দিয়াত দলৰ ওপৰত কোনো প্ৰভাৱ পৰা নাই, তথাপি এই কথা কোনেও নুবুজাকৈ থকা নাই যে দলৰ গাঁথনি কিছু সোলোক-ঢোলোক হৈ পৰিছে। যিটো দলৰ এজন সদস্য স্বৰ্গীয় দীনেশ গোস্বামীয়ে এসময়ত দিল্লীত প্ৰভূত প্ৰভাৱ পেলাব পাৰিছিল, সেই দলৰ এজনো সদস্য লোকসভা নাইবা ৰাজ্যসভাত নথকাত দলৰ গুৰুত্ব যে যথেষ্ট কমিছে সেই কথা নক'লেও হ'ব। শ্ৰীলেজাৰে দলত্যাগ কৰা সময়তে আগে-পাছে বিহাৰৰ ঝাৰখণ্ড মুক্তি মৰ্চাৰ পাঁচজন সদস্য ই-কংগ্ৰেছত চামিল হ'ল আৰু এসময়ত আঞ্চলিকতাবাদৰ ধ্বজা উৰুৱাই থকা তেলুগু দেশম দলৰ ছজন সংসদী সদস্যয়ো ই-কংগ্ৰেছত যোগ দিলে। এইবোৰ ঘটনাই আঞ্চলিক দলসমুহৰ স্থিতি যথেষ্ট থৰক-বৰক কৰি পেলালে। নেতাসকলৰ ভয় হ'ল—যদি বিধানসভা নাইবা লোকসভাৰ এক-তৃতীয়াংশ সদস্যই দলত্যাগ কৰে, তেনেহ'লে দলৰ অস্তিত্ব বিপদাপন্ন হৈ পৰিব। সদ্যহতে অগপৰ হয়তো তেনে ভয় নাই; কিয়নো বিধান সভাৰ ১৯জন বিধায়কৰ সাতজনে একেলগে দলত্যাগ কৰাৰ সম্ভাৱনা নাই। কিন্তু নঅগপৰ মাত্ৰ পাঁচজন সদস্যৰ দুজন গলেই লেঠা লাগিব। কিন্তু এই দুয়োদলৰে সদস্যসকল যিহেতু ই-কংগ্ৰেছ বিৰোধী, গতিকে এওঁলোকে সহজে দল বাগৰাৰ ভয় নাই। অগপ ক্ষমতাত থকা হ'লে অৱশ্যে বেলেগ কথা আছিল।

যোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত অগপ দলে ই-কংগ্ৰেছৰ প্ৰাৰ্থী ড. শংকৰ দয়াল শৰ্মাক সমৰ্থন জনোৱা আৰু এই সন্দৰ্ভত মুখ্যমন্ত্ৰী শইকীয়া শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ ঘৰলৈ অহা কথাটোলৈ কোনো-কোনো মহলত বুবু-বাবা হোৱাৰ কথা শুনিবলৈ পাওঁ। শ্ৰীশইকীয়াই হেনো শ্ৰীভৃগু ফুকনকো লগ ধৰিছিল, পিছে নঅগপ দলে ৰাষ্ট্ৰীয় মৰ্চাৰ প্ৰাৰ্থী প্ৰফেছাৰ জি. জি. ছোৱেলকহে সমৰ্থন কৰিলে। কোনো-কোনোৱে সেইবাবে ভাবে যে শ্ৰীমহন্ত হয়তো ই-কংগ্ৰেছৰ ওচৰ চাপিছে। দুই-এখন বাতৰি-কাকতত তেনে ধৰণৰ সন্দেহ প্ৰকাশ কৰা চকুত পৰিছে। কিন্তু শ্ৰীমহন্তই যে তেনে এটা কাম কৰিব সেইটো বিশ্বাস কৰিবলৈ টান লাগে। তথাপি ক'ব নোৱাৰি; —ৰাজনীতিত আচৰিত শয্যা লগৰীয়া (strange bed fellows) বহুতো দেখা যায়।

এটা কথা ঠিক যে শ্ৰীমহন্ত বা শ্ৰীথানেশ্বৰ বড়ো অগপৰ সভাপতি হৈ থকা হ'লে একত্ৰীকৰণৰ প্ৰক্ৰিয়া সিমান আগবাঢ়িব নোৱাৰিলেহেঁতেন। শ্ৰীচলিহা এজন বয়োজ্যেষ্ঠ নেতা; তাতে আকৌ তেওঁ এখন কলেজৰ প্ৰাক্তন অধ্যক্ষ হিচাপে কিছু সন্মান আৰু শ্ৰদ্ধাৰ পাত্ৰ হোৱা বাবে হয়তো নঅগপও কিছু আগবাঢ়ি আহিছে। আগতেও, অৰ্থাৎ শ্ৰীডেভিড লেজাৰৰ দলত্যাগৰ আগতেও এলানি আলোচনা হৈছিল আৰু তেতিয়া অগপই আঞ্চলিক দলসমূহৰ ভিতৰত সুবৃহৎ দল হিচাপে বাকী দলসমূহক অগপৰ লগত চামিল হোৱাটোৰ (merges) ওপৰত বিশেষ জোৰ দিছিল। তেওঁলোকে দলৰ নাম নাইবা প্ৰতীক সলনি কৰাৰ বিৰোধিতা কৰাৰ ফলত আলোচনা ব্যৰ্থ হ'ল। এইবাৰ আকৌ নতুন প্ৰচেষ্টা চলিছে। অগপই আগৰ স্থিতিৰ কিবা সালসলনি কৰিছে বা কৰিব নেকি সেই বিষয়ে একো জনা নাযায়। কিন্তু কাকতে-পত্ৰই প্ৰকাশিত বাতৰি আৰু জল্পনা-কল্পনাৰ পৰা বুজা যায়—দলৰ নাম নাইবা প্ৰতীকতকৈও এইবাৰ প্ৰাধান্য লাভ কৰিছে কোনে একত্ৰিত দলটোক নেতৃত্ব দিব?

এতিয়ালৈকে যি অনুমান কৰিব পাৰি শ্ৰীপ্ৰফুল্ল মহন্ত, শ্ৰীভৃগু ফুকন নাইবা শ্ৰীঅতুল বৰা এই নেতৃত্বৰ প্ৰতিযোগিতাৰ পৰা বাদ পৰিছে; কিয়নো,—দুয়ো দলৰ বিধায়কসকলৰ মতে তেওঁলোকৰ এজনো গ্ৰহণযোগ্য নহয়। শ্ৰীমহন্তক ললে শ্ৰীফুকন আৰু তেওঁৰ সমৰ্থকসকলৰ আপত্তি; আনহাতে শ্ৰীফুকনক ললে শ্ৰীমহন্ত আৰু তেওঁৰ সমৰ্থকসকলে বিৰোধিতা কৰিব। শ্ৰীঅতুল বৰাক এজন বিবদমান নেতা বুলি সকলোৱে ধৰি লৈছে। শ্ৰীথানেশ্বৰ বড়োৱে বলিষ্ঠ নেতৃত্ব দিব পাৰিব বুলি বহুতে নাভাবে। শ্ৰীপৰাগ চলিহা আৰু শ্ৰীপুলকেশ বৰুৱাৰ নাম কোনো-কোনো মহলত ওলাইছে যদিও এওঁলোকেও সকলো স্তৰৰ কৰ্মীসকলৰ সমৰ্থন পাব নে নাপায় জনা নাযায়। তাতোকৈ ডাঙৰ কথা,—ই-কংগ্ৰেছৰ বিকল্প দল হিচাপে পৰিগণিত হ'বলৈ হ'লে অকল দলীয় কৰ্মীসকলৰ সমৰ্থনেই যথেষ্ট নহ'ব, ৰাইজৰো সমৰ্থন পাব লাগিব। আজিকালি ৰাজনীতি মানে দলীয় ৰাজনীতি আৰু সংসদী ৰাজনীতি। সংসদী ৰাজনীতিৰ প্ৰধান অংগ হৈছে নিৰ্বাচন আৰু নিৰ্বাচনত জয়লাভ কৰিবলৈ হ'লে জনগণৰ সমৰ্থন অপৰিহাৰ্য। জনগণৰ সমৰ্থন পাবলৈ হ'লে দলে এনেকুৱা এজন নেতা আগ বঢ়াব লাগিব,—যাৰ ওপৰত ৰাইজৰ আস্থা আছে বা যাৰ নেতৃত্বই কিবা এটা কৰিব বুলি ভোটাৰসকলে আশা ৰাখিব পাৰে। সেইবাবে হেনো এই দুয়োটা দলৰ শুভাকাংক্ষী কোনো-কোনোৱে প্ৰাক্তন মুখ্যমন্ত্ৰী সমাজবাদী কংগ্ৰেছ দলৰ সভাপতি শ্ৰীশৰৎ চন্দ্ৰ সিংহৰ নাম প্ৰস্তাৱ কৰিছে আৰু দুই-এখন বাতৰি-কাকতৰ মতে শ্ৰীসিংহৰ আগত এই প্ৰস্তাৱ দাঙি ধৰা হৈছেও।

ইমানদিনে ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ সৈতে জড়িত, অসম আন্দোলনৰ ঘোৰ বিৰোধী, আৰু সমাজবাদী কংগ্ৰেছ দলৰ বৰ্তমান সভাপতি শ্ৰীসিংহই নিজৰ দল পৰিত্যাগ কৰি এটা আঞ্চলিক দলৰ নেতৃত্ব দিবলৈ আহিবনে? এই প্ৰশ্নই বহুতৰে মনত খোকোজা লগাব। নঅগপৰ নেতা দুই-এজনে হেনো শ্ৰীসিংহক নেতা হিচাপে লবলৈ আগ্ৰহ দেখুৱাইছে। "বুধবাৰ"ৰ হৈ সাক্ষাৎ লওঁতে শ্ৰীসিংহই হেনো মত প্ৰকাশ কৰে যে তেওঁ উগ্ৰ জাতীয়তাবাদৰ বিৰোধিতা কৰে যদিও "দেশৰ বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সুস্থ আঞ্চলিকতাবাদ আমাক লাগে।" তদুপৰি তেওঁ কয় যে শ্ৰীহিতেশ্বৰ শইকীয়াৰ অপসাৰণৰ প্ৰশ্নটো যে 'সামাজিক দায়বদ্ধতা' হিচাপে লোৱা হৈছে, তাৰ পটভুমিতো এনেকুৱা চৰ্চা প্ৰয়োজনীয় হৈ পৰিছে। এইখিনিতে এটা প্ৰশ্ন আহি পৰে: শ্ৰীহিতেশ্বৰ শইকীয়াৰ 'গণবিৰোধী নীতি'ৰ বিকল্প হিচাপে শ্ৰীসিংহই আঞ্চলিকতাবাদৰ আশ্ৰয় নোলোৱাকৈ সৰ্ব-ভাৰতীয় দল এটাৰ যোগেদি বা সামুহিক প্ৰচেষ্টাৰে একো কৰিব নোৱাৰে নেকি? এইটো কথাও ঠিক যে ১৯৮৩ চনৰ 'বৰ্জিত' নিৰ্বাচনৰ সময়ত জনতা পাৰ্টি, ভাৰতীয় জনতা পাৰ্টি আদিয়ে যেতিয়া অসমৰ ৰাইজৰ অনুভূতিৰ প্ৰতি সন্মান জনাই নিৰ্বাচনৰ পৰা বিৰত আছিল, তেতিয়া ই-কংগ্ৰেছৰ লগতে বাঁওপন্থী ছি. পি. এম আৰু সমাজবাদী কংগ্ৰেছে অংশ গ্ৰহণ কৰিছিল। অসমীয়া মানুহখিনিয়ে তেতিয়া আশা কৰিছিল যে শ্ৰীসিংহ বোধকৰোঁ নিৰ্বাচনৰ পৰা আঁতৰি থাকিব। কিন্তু তেওঁ সেইটো নকৰিলে। এইটো কথাও ঠিক যে শ্ৰীসিংহ এজন নীতিপৰায়ণ নেতা। মই জনাত তেওঁক অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটিৰ নেতৃত্ব অন্ততঃ দুবাৰ যচা হৈছিল; কিন্তু তেওঁ সেই আহ্বান প্ৰত্যাখ্যান কৰিছিল। শ্ৰীসিংহ যে ই-কংগ্ৰেছৰ সম্পুৰ্ণ বিৰোধী তাত দ্বিমত নাই। সেইবাবে তেওঁ কৈছে, "এক সুস্থ ৰাজনৈতিক ধাৰাক ইন্দিৰা কংগ্ৰেছৰ বিকল্প হিচাপে থিয় কৰোৱাটোহে মূল কথা। তেনেকুৱা এক প্ৰচেষ্টাত মোৰ ওপৰত যদি কিবা দায়িত্ব ন্যস্ত হয়, তেনেহ'লে তাক ৰাইজৰ আদেশ বুলিয়েই গ্ৰহণ কৰিম।" (বুধবাৰ, ২ ছেপ্টেম্বৰ, ১৯৯২)।

শ্ৰীসিংহই নিজৰ পৰাই কৈছে যে শইকীয়া চৰকাৰৰ নিচিনা "ভ্ৰষ্টাচাৰী আৰু অসম-বিদ্বেষী চৰকাৰ আগতে দেখা মনত নপৰে।" তেওঁৰ বিৰুদ্ধে মাত মাতোতা কোনো নাই বাবে বিজেপিৰ দৰে সাম্প্ৰদায়িক দলে গা কৰি উঠিব পাৰিছে। কথাটো দলিয়াই পেলাবলগীয়া নহয়। কিন্তু শ্ৰীসিংহই জানো মনে-প্ৰাণে আঞ্চলিক দলৰ লগত বা অগপ আৰু নঅগপৰ নেতাসকলৰ লগত লগ লাগিব পাৰিব? তেওঁ অৱশ্যে দুয়োটা দলৰে সাংগঠনিক চৰিত্ৰ সংশোধন কৰিবলৈ আৰু পূৰ্বৰ ভুলৰ পুনৰাবৃত্তি নকৰিবলৈ আহ্বান জনাইছে। কিন্তু মোৰ বোধেৰে শ্ৰীসিংহই আঞ্চলিকতাত সম্পূৰ্ণ বিশ্বাস ৰাখিহে আগ বঢ়া উচিত হ'ব। কিয়নো পাছত ডেকা নেতাসকলৰ লগত ৰাহি-যোৱা নাহিলে কথাবোৰ দলৰ বাবে আৰু ৰাজ্যৰ বাবেও ক্ষতিকাৰক হ'ব।

এইখিনিতে আঞ্চলিকতাবাদ নাইবা আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰাসংগিকতাৰ প্ৰশ্নটো পুনৰ উত্থাপিত হোৱাটো স্বাভাৱিক। ভাৰতবৰ্ষৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেই কথা স্বীকাৰ কৰিবই লাগিব। হিন্দী ভাষাভাষী ৰাজ্য কেইখনৰ বাহিৰে আন প্ৰায়বোৰ ৰাজ্যতে পূৰ্বতে নাইবা এতিয়া আঞ্চলিক দলে জনপ্ৰিয়তা লাভ কৰিছে (যদিও সকলো সময়তে ক্ষমতালৈ আহিব পৰা নাই)। ইয়াৰ কাৰণ হ'ল কেন্দ্ৰৰ ৰাজ্যসমূহৰ, বিশেষকৈ সৰু, নিঃকিন ৰাজ্যসমূহৰ প্ৰতি উদাসীনতা আৰু অৱহেলা আৰু কোনো-কোনো ক্ষেত্ৰত কেন্দ্ৰই শোষণৰ নীতি অৱলম্বন কৰা। এই নীতিৰ বাবেই কেইবাখনো ৰাজ্যত বিচ্ছেদকামী শক্তিসমূহে মূৰ দাঙি উঠিছে। উত্তৰ-পূৰ্ব অঞ্চলৰ প্ৰায়বোৰ ৰাজ্য, ছিকিম, দক্ষিণৰ তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, উত্তৰৰ পঞ্জাব, আদি ভালেমান ৰাজ্যত মাজে-মাজে আঞ্চলিক দলে প্ৰাধান্য লাভ কৰাৰ উপৰিও ক্ষমতাও দখল কৰিছে। সকলোৱে ভাবে আঞ্চলিক দল এটাই এখন ৰাজ্যৰ সমস্যাবোৰ ভালদৰে পৰীক্ষা কৰি তাৰ উপযুক্ত প্ৰতিকাৰৰ ব্যৱস্থা কৰিবলৈ সক্ষম হ'ব পাৰে। কিন্তু বহুক্ষেত্ৰত কেন্দ্ৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা বাবে,—বিশেষকৈ বিত্তীয় কাৰণত,—ৰাজ্যসমূহৰ সম্পূৰ্ণ বিকাশত বাধা পৰে। কেন্দ্ৰত বেলেগ চৰকাৰ অৰ্থাৎ অন্য দলৰ চৰকাৰ থাকিলে ৰাজ্যত থকা অন্য দলৰ চৰকাৰৰ এলাগী পত্নীৰ দৰে অৱস্থা হয়; একে চৰকাৰ থাকিলে কেতিয়াবা ৰাজ্যসমুহে ৰাষ্ট্ৰীয় স্বাৰ্থৰ খাতিৰত ৰাজ্যৰ স্বাৰ্থৰ ওপৰত কম জোৰ দিয়ে। এইটো সাংবিধানিক কেৰোণৰ বাবেই হ'বলৈ পাইছে। সেইবাবে বহুতৰ মতে কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কটোৰ এটা সংশোধন আৱশ্যক,—যাতে ৰাজ্যসমুহে অধিক বিত্তীয়, ৰাজনৈতিক তথা স্বশাসনৰ সুবিধা পায়। সেইবুলি শ্ৰীসিংহই কোৱা দৰে উগ্ৰ-জাতীয়তাবাদ সাধাৰণতে অসমৰ মানুহেও সমৰ্থন নকৰে। কিন্তু ৰাষ্ট্ৰীয় স্বাৰ্থৰ লগতে ৰাজ্যৰ বা আঞ্চলিক স্বাৰ্থ ৰক্ষা কৰিব খোজা জনহে আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হোৱা উচিত।

যিহেতু বৰ্তমানৰ ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ প্ৰাসংগিকতা আছে আৰু আঞ্চলিক দলৰো গুৰুত্বপূৰ্ণ ভূমিকা আছে, গতিকে অসমৰ আঞ্চলিক দলকেইটা, বিশেষকৈ অগপ আৰু নঅগপ একত্ৰিত হোৱাটো সকলোৰে কাম্য। কিন্তু এই একত্ৰীকৰণ তাপলি মৰা বিধৰ হ'লে নচলিব। যদিও দুয়োটা দলৰ মূল ভেটি একেই, আৰু আগতে দুয়োটা দল একেই আছিল, তথাপি এতিয়া দেখা গৈছে যে কোনো-কোনো বিষয়ত দল দুটাৰ স্থিতিত পাৰ্থক্য আছে। উদাহৰণ স্বৰূপে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ষেত্ৰত দল দুটাই সুকীয়া নীতি লৈছিল। বড়ো আৰু কাৰবি সমস্যাৰ ক্ষেত্ৰতো দেখা যায়,—নঅগপই আন ৰাজনৈতিক দলসমূহৰ দৰে জনগোষ্ঠীসকলক অধিক ক্ষমতা দিয়াৰ পক্ষপাতী; কিন্তু অগপই তেওঁলোকৰ নীতি স্পষ্টভাৱে ব্যক্ত কৰা নাই। আনকি মুখ্যমন্ত্ৰীয়ে আহ্বান কৰা সৰ্বদলীয় সভা-আলোচনাতো অগপই অংশ গ্ৰহণ নকৰিলে। এই লৈ জনজাতীয় গোষ্ঠীৰ মাজত অসন্তুষ্টি হৈছে বুলি জানিব পৰা গৈছে।

যি হওক, এতিয়া দুয়োটা দল একত্ৰিত হ'বলৈ ওলোৱাটো বৰ আনন্দৰ কথা হৈছে,—অন্ততঃ অসমীয়াভাষী অসমবাসীসকলৰ বাবে। মই আগতেও কৈছোঁ যে অসমৰ দৰে এখন ৰাজ্যত—য'ত থলুৱা লোকৰ সংখ্যা আনৰ তুলনাত লাহে-লাহে কমি আহিছে, তাত এটা আঞ্চলিক দলেহে কিবা এটা কৰিব পাৰিব। অসমত দুটা বা ততোধিক আঞ্চলিক দলৰ প্ৰয়োজন নাই, স্থানো নাই।

৮।৯।৯২

# জাকাৰ্টা সন্মিলনৰ সামৰণিত গোষ্ঠী নিৰপেক্ষতাৰ প্ৰাসংগিকতা

ড. সুনীল পৱন বৰুৱা

বিশ্বৰ পৰিবৰ্তিত পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাকৈ এক সক্ৰিয় কাৰ্যসূচী গ্ৰহণৰ সংকল্পৰে গোষ্ঠীনিৰপেক্ষ আন্দোলনৰ (NAM : নাম) দশম শীৰ্ষ সন্মিলনৰ সামৰণি পৰিছে। ইণ্ডোনেছিয়াৰ ৰাজধানী জাকাৰ্টাত চলিত মাহৰ প্ৰথম সপ্তাহত ছদিন জোৰা আলাপ-আলোচনাৰ অন্তত অৰ্থনৈতিক উন্নয়নত প্ৰাধান্য দি এক নতুন বিশ্বধাৰা প্ৰবৰ্তন, ৰাষ্ট্ৰসংঘৰ পুনৰ গঠন, উত্তৰ আৰু দক্ষিণৰ ৰাষ্ট্ৰসমূহৰ মাজত বুজা-পৰা, উন্নয়নশীল দেশসমূহৰ মাজত অধিক সহযোগিতা, জি-৭৭ৰ (G-77) লগত একেলগে কাম কৰাৰ প্ৰয়াস, সন্ত্ৰাসবাদৰ বিৰোধিতা, পাৰিপাৰ্শ্বিকতাৰ উন্নয়ন, নিৰস্ত্ৰীকৰণ আৰু আণৱিক শক্তিক শান্তিৰ কাৰ্যত ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি 'নাম ঘোষণাপত্ৰ' গ্ৰহণ কৰা হয়। শীতল যুদ্ধৰ অৱসানত গোষ্ঠী-নিৰপেক্ষ আন্দোলনৰ ভৱিষ্যত সম্পৰ্কে চলি থকা জল্পনা-কল্পনাৰ পটভূমিত অনুষ্ঠিত জাকাৰ্টা সন্মিলনৰ ওপৰত ৰাজনৈতিক পৰ্যবেক্ষকসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। বৰ্তমান নামৰ ঘোষণাপত্ৰত এই ক্ষেত্ৰত দেখা দিয়া অনিশ্চয়তাৰ অৱসান ঘটাই এক স্পষ্ট আভাস দিবলৈ প্ৰয়াস কৰা হৈছে। ভৱিষ্যতে নামৰ কাৰ্যকলাপ এই ঘোষণাপত্ৰৰ আধাৰতে সামগ্ৰিকভাৱে পৰিচালিত হোৱাৰ সম্ভাৱনা আছে।

জাকাৰ্টা সন্মিলনৰ প্ৰাকমুহূৰ্তত ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীপি. ভি. নৰসিংহ ৰাৱে কৈছিল যে উত্তৰ আৰু দক্ষিণৰ মাজত সেতু হিচাপে কাম কৰি অধিক গণতান্ত্ৰিক আন্তঃৰাষ্ট্ৰীয় ধাৰা এটা প্ৰবৰ্তন কৰাৰ ক্ষেত্ৰত গোষ্ঠী-নিৰপেক্ষ আন্দোলনে এক উপযুক্ত মাধ্যম ৰূপে গঢ় লৈ উঠিব পাৰে। দশম গোষ্ঠী-নিৰপেক্ষ শীৰ্ষ সন্মিলনৰ আন-আন উদ্দেশ্যসমূহৰ মাজত এই লক্ষ্যও থাকিব। তেওঁ কৈছিল যে নামে বিশ্বজনীন প্ৰতিশ্ৰুতিৰে একদৰ্শী তথা পক্ষপাতিত্বহীনভাৱে বহুপক্ষীয় ধাৰণাৰ ওপৰত ৰচিত এক বিশ্ব ভাবধাৰাৰ সপক্ষে থিয় দি আহিছে। শীতল যুদ্ধৰ অৱসানে নতুন সুবিধাৰ বাট মুকলি কৰাৰ বাদেও কিছুমান দেশত একপক্ষীয় ভাবধাৰাত আশ্ৰয় লোৱাৰ এক অসুখী প্ৰৱণতা দেখা গৈছে। আৰু বিভিন্ন প্ৰকাৰে সেই ভাবধাৰা ৰাষ্ট্ৰসংঘৰ কাৰ্যকলাপতো প্ৰকাশ পাইছে। গোষ্ঠী-নিৰপেক্ষ আন্দোলনৰ সদস্য ৰাষ্ট্ৰসমূহেই যদি নিজেই ইয়াৰ মূল নীতিসমূহৰ লগত জড়িত নহয়, তেনেহ'লে আপোনা-আপুনি এই আন্দোলনৰ প্ৰভাৱ স্তিমিত হৈ পৰিব। সাম্প্ৰতিক আন্তঃৰাষ্ট্ৰীয় পটভূমিত নামৰ অস্তিত্বৰ প্ৰতি আহিব পৰা সম্ভাব্য ভাবুকিৰ ক্ষেত্ৰত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ এনে উক্তিৰ বিশেষ তাৎপৰ্য আছে। অৱশ্যে প্ৰায় দুবছৰৰ পূৰ্বেই এই দিশত ভাৰতৰ প্ৰতিক্ৰিয়াৰ এক স্পষ্ট আভাস পোৱা গৈছিল। ১৯৮৯ চনত বেলগ্ৰেডত অনুষ্ঠিত নৱম গোষ্ঠী-নিৰপেক্ষ শীৰ্ষ সন্মিলনৰ পাছৰে পৰা পূব ইউৰোপত দেখা দিয়া ব্যাপক ৰাজনৈতিক পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত নামৰ কাৰ্যক্ৰমণিকা তথা ভৱিষ্যত সম্পৰ্কে এক অনিশ্চয়তাৰ ভাব এটা ফুটি উঠিছিল। তেনে এক দোমোজাত নিউয়ৰ্কত অনুষ্ঠিত নামৰ বৈদেশিক মন্ত্ৰী পৰ্যায়ৰ সন্মিলনত (এপ্ৰিল ১৯৯০) ভাৰতে এই আন্দোলনৰ ভৱিষ্যত সম্পৰ্কে নিজৰ মনোভাব দাঙি ধৰিছিল। সেই পৰ্যালোচনা মতে সম্প্ৰতি দেখা দিয়া পৰিবৰ্তনে নামে গ্ৰহণ কৰা নীতিৰ কথাকে দোহাৰিছে। শীতল যুদ্ধৰ অধ্যায়ৰ আনুমানিক সামৰণি, পৃথিৱীখন বৈৰী ভাবাপন্ন ক্ষমতাৰ শিবিৰত বিভক্ত হোৱাৰ সম্ভাৱনা নাইকিয়া হোৱা, বিশ্বৰ ৰাজনৈতিক তথা নিৰাপত্তাৰ পৰিস্থিতি উন্নত হোৱা, নিৰস্ত্ৰীকৰণ তথা আঞ্চলিক বিবাদসমূহৰ সুমীমাংসা হোৱাৰ সম্ভাৱনা—এই সকলোবোৰে সমৰ নীতি, আদৰ্শ তথা লক্ষ্যৰ কথাকে সূচনা কৰিছে। পূব ইউৰোপত গণতন্ত্ৰ, বহুদলীয় শাসন পদ্ধতি, মানৱ অধিকাৰ সঞ্চালন, অৰ্থনীতি মুকলি আৰু বিশ্ব অৰ্থনীতিৰ লগত সংহতি স্থাপন কৰা নীতি গোষ্ঠী-নিৰপেক্ষ আদৰ্শৰ লগত খাপ খোৱা আৰু এনে নীতিক ওলগ জনাব লাগে। এই পৰিবৰ্তনসমূহৰ মাজত এটা পদ্ধতি বা আদৰ্শৰ জয় বা আনটোৰ পৰাজয় বুলি ভাবিব নালাগে। সেই দেশসমূহে সন্মুখীন হোৱা আৰ্থ-সামাজিক সমস্যাৰ এইটো শেষ সমাধান বুলিও গণ্য কৰা উচিত নহয়। এই পৰিবৰ্তনসমূহৰ ফলাফল সম্পৰ্কে দেখা দিয়া চলিত উদ্দীপনাও পৰিপক্ক নহয়। গোষ্ঠী-নিৰপেক্ষ আন্দোলনৰ এই সকলো দেশৰ লগত ভাল সম্পৰ্ক আছে। সাম্প্ৰতিক পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত উক্ত সম্পৰ্ক উন্নত কৰাৰ কথা বিবেচনাৰ প্ৰয়োজন। পৰিবৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ইউৰোপৰ নিৰাপত্তা, সমৃদ্ধি আৰু বিশ্বৰ শক্তি-সমতাৰ পুনৰ নিৰ্ধাৰণৰ ৰূপ দিয়াত মুখ্য ভূমিকা লব লগীয়া ইউৰোপৰ নিৰপেক্ষ দেশসমূহৰ লগত নামে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰাৰ আৱশ্যক হৈছে। এই দেশসমূহে আন উন্নত দেশসমূহৰ লগত সংযোগ ৰক্ষা কৰে। সেয়েহে ইউৰোপৰ দেশসমূহৰ লগত নামৰ দৃঢ় সম্পৰ্ক স্থাপন কৰাৰ উপযুক্ত সময় উপস্থিত হৈছে। আগন্তুক বছৰবোৰত নামৰ মূল লক্ষ্যসমূহৰ এটা হৈছে এখন সমভাবাপন্ন, সমতাযুক্ত নায্য পৃথিৱীৰ বাবে কাম কৰা। নিৰস্ত্ৰীকৰণ আৰু উন্নয়ন হৈছে দুটা প্ৰধান ধাৰা,—যাৰ মাধ্যমত এই বৈষম্যবোৰ দূৰ কৰিব পৰা যায়। কি ধৰণে বিশ্বৰ শক্তি সমতা পুনৰ নিৰ্ধাৰিত হ'বলৈ ওলাইছে, গোষ্ঠী-নিৰপেক্ষ আন্দোলনে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিব লাগে। বিশ্বৰ অৰ্থনৈতিক তথা সামৰিক শক্তিৰ পুনৰ নিৰ্ধাৰণ যে প্ৰাধান্য অথবা আধিপত্য বিস্তাৰৰ বাবে নহয়, সেই সম্পৰ্কে নিশ্চিত হ'ব লাগে।

এই কথা প্ৰণিধানযোগ্য যে প্ৰায় দুবছৰ চাৰিমাহৰ পূৰ্বে ভাৰতে নামৰ কাৰ্যসূচী আৰু ভৱিষ্যত সম্পৰ্কে দাঙি ধৰা মনোভাব দশম শীৰ্ষ সন্মিলনৰ সামৰণিতো সমানে প্ৰযোজ্য হৈ আছে। ইয়াৰ প্ৰাসংগিকতা কোনো ক্ষেত্ৰতে হ্ৰাস পোৱা নাই। কিয়নো জাকাৰ্টা শীৰ্ষ সন্মিলনৰ কাৰ্য ক্ৰমণিকাত বাস্তৱিকতে উত্তৰ আৰু দক্ষিণৰ ৰাষ্ট্ৰসমূহৰ মাজত চলি থকা ব্যৱধানে প্ৰাধান্য বিস্তাৰ কৰিছিল। কোৱা বাহুল্য যে শীতল যুদ্ধৰ অৱসানে প্ৰকৃতপক্ষে দক্ষিণ মণ্ডলত অৱস্থিত ৰাষ্ট্ৰগোষ্ঠীৰ মূল সমস্যাত কোনো ধৰণৰ পৰিবৰ্তন সাধন কৰা নাই। দক্ষিণৰ প্ৰধান সমস্যা হৈছে অন্ন-বস্ত্ৰ আৰু জীয়াই থকাৰ সমস্যা। উত্তৰৰ সম্পদশালী দেশসমূহে সন্মুখীন হোৱা সমস্যাৰ লগত তাৰ মিল নাই। এনে অৱস্থাত শীতল যুদ্ধোত্তৰ পৃথিৱীতনামৰভূমিকা অধিক প্ৰযোজ্য হৈ পৰিছে। ৰাজনৈতিক পৰ্যবেক্ষকসকলে ধাৰণা কৰে যে শীতল যুদ্ধৰ অৱসানে বৰং নামৰ মূল নীতিসমূহক মানসিকভাৱে ৰূপদান কৰিবলৈ অধিক সহায় কৰিব। কিন্তু সেইটো ঘাইকৈ নিৰ্ভৰ কৰিছে নামৰ সদস্য ৰাষ্ট্ৰসমূহৰ সদিচ্ছাৰ ওপৰত। ১৯৬১ চনত ২৫খন ৰাষ্ট্ৰৰে পাতনি মেলা নামৰ সদস্য-সংখ্যা এতিয়া ১০৯লৈ বৃদ্ধি পাইছে। তদুপৰি জাকাৰ্টা সন্মিলনৰ আগমুহূৰ্তত ফিলিপাইন, ব্ৰুনেই আৰু উজবেকিস্তানে সদস্য পদ লাভ কৰিছে ; আৰ্মেনিয়া, ক্ৰয়েছিয়া, থাইলেণ্ড আদি দেশে নিৰীক্ষকৰ আসন লাভ কৰিছে আৰু বছনিয়া আৰু শ্ল'ভেনিয়াই অতিথি দেশৰ মৰ্যাদা লাভ কৰিছে। বিশ্ব-জনমতৰ প্ৰায় দুই-তৃতীয়াংশ

৩০ পৃষ্ঠাত চাওক





ডেলফি পদ্ধতিৰ সহায়ত অদূৰ ভৱিষ্যতৰ সমাজ আৰু বিজ্ঞানৰ সম্ভাব্য ৰূপৰ নমুনা হ'ল ঃ
২০০৫ চন ঃ এই বছৰৰ ভিতৰতে ঔষধৰ সহায়ত মানুহৰ অংগ-প্ৰত্যংগ জন্মোৱাত বিজ্ঞানীসকলে সফলতা লাভ কৰিব।
২০১০ চন ঃ এই চনৰ ভিতৰতে মানৱ জাতিয়ে মঙ্গল গ্ৰহত উপনিৱেশ স্থাপন কৰিবলৈ সমৰ্থ হ'ব।



# বিজ্ঞান আৰু সমাজ

## ভৱিষ্যত আৰু ভৱিষ্য-বিজ্ঞান

ড. দিলীপ কুমাৰ চৌধুৰী

ভৱিষ্যত শব্দটো শুনিলেই আমাৰ প্ৰায়বোৰৰে নিশ্চয় গাইগুটীয়া ভৱিষ্যতৰ কথা মনলৈ আহে। এনে গাইগুটীয়া ভৱিষ্যতৰ বিষয়ে হাবাথুৰি খোৱা বাবেই হয়তো তাহানিতে জ্যোতিষ বিদ্যাৰ (astrology) সৃষ্টি হৈছিল। সূৰ্য, চন্দ্ৰ আৰু আন তাৰকাসমূহে আমাৰ জীৱন নিয়ন্ত্ৰণ কৰে,—এই ধাৰণাৰ ভিত্তিতেই এনে বিদ্যাৰ আবিষ্কাৰ।

আমি প্ৰতিজনে ভৱিষ্যতৰ বাবে সাৱধান হওঁ, জীৱন বীমা কৰোঁ, সফল ভৱিষ্যতৰ বাবে হাবিয়াস কৰোঁ, "prefered future" কামনা কৰোঁ।

পদাৰ্থ বিজ্ঞানত সময়ৰ দুটা ভাগ আছে,—পৰম ভৱিষ্যত (absolute future) আৰু পৰম অতীত (absolute past)। কিন্তু পৰম অতীতে বিচৰা ধৰণেৰে পৰম ভৱিষ্যতক নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

কিন্তু মানৱ জাতিয়ে বিচৰা মতেহে ভৱিষ্যতৰ কথা ভাবিব লগীয়া হৈছে। আমি জানো সমাজ, দেশ বা বিশ্বৰ ভৱিষ্যতৰ বিষয়ে পৰিকল্পনা কৰিব নোৱাৰোঁ ? এতিয়া কি কি কৰিলে ভৱিষ্যতে কি কি হ'ব, সেইটো জানো আমি থিৰাং কৰিব নোৱাৰোঁ ?

এনেবোৰ ধ্যান-ধাৰণাৰ ভিত্তিতেই বৰ্তমান কালত futurology বা ভৱিষ্যবিজ্ঞান নামৰ এটা নতুন বিষয়ৰ জন্ম হৈছে।

অক্সফৰ্ড ইংৰাজী অভিধান মতে "Futurology is the systematic forecasting of the future, specially from the present trend in society."

যোৱা তিনি দশকত ভৱিষ্যবিজ্ঞানে বিশ্বৰ বিভিন্ন দেশত অভূতপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰিছে। বৰ্তমান কালত বিষয়টোৰ জনক হ'ল জাৰ্মেনিৰ হাৰমেন কান (Herman Kahn)। এই ব্যক্তিজনাৰ চিন্তা-ধাৰণৰ আলমত ১৯৬৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিজ্ঞান আৰু কলা একাডেমিয়ে (American Academy of Arts and Science) "Commission on the Year 2000" নামৰ এক প্ৰকল্প হাতত লয়। একে ধৰণৰ প্ৰকল্প ইংলেণ্ড আৰু ফ্ৰান্স আদি দেশেও আৰম্ভ কৰে।

ভৱিষ্যবিজ্ঞানত ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে ফৰাছীদেশৰ গণিতজ্ঞ আৰু দাৰ্শনিক মাৰ্কুইছ ডা ক'নডছেট (Marquis de Condorcet). এই ক্ষেত্ৰৰ এজন লেখত লবলগীয়া ব্যক্তি। তেওঁৰ জীৱনকাল আছিল ১৭৪৩-১৭৯৪ চন। তেওঁ লিখা এখন অমূল্য গ্ৰন্থ হ'ল "Sketch for a historical picture of the progress of the human mind." তেৱেঁই প্ৰথমে এই পুথিত মত প্ৰকাশ কৰিছিল যে ভৱিষ্যত সমাজত বিনামূলীয়া প্ৰাথমিক শিক্ষা আৰু মহিলাৰ সম অধিকাৰ প্ৰতিষ্ঠিত হ'ব।

কনডছেটৰ পথ অনুসৰণ কৰিয়েই বৰ্তমানৰ ভৱিষ্যবিজ্ঞানীসকল প্ৰশিক্ষণপ্ৰাপ্ত বিজ্ঞানী হৈছে। তেওঁলোকে অতীত আৰু বৰ্তমানৰ তথ্য সংগ্ৰহ কৰি যুক্তিৰ সহায়ত (deductive reasoning) ভৱিষ্যতৰ সম্ভাব্য ঘটনা ৰাশিৰ বিষয়ে ভৱিষ্যত-বাণী কৰে।

প্ৰশ্ন হয়, ভৱিষ্যবিজ্ঞানীৰ ভৱিষ্যত-বাণী-সমূহ কিমান নিভুল বাৰু ? ইয়াৰ নিভুলতা বৰ্তমান সমাজৰ ঘটনাৰাশিৰ ওপৰত নিৰ্ভৰ কৰে। যদি সমাজত হঠাতে বিপ্লৱ, যুদ্ধ,

আন্দোলন আদি হয়, তেনেহ'লে এনে ভৱিষ্যত-বাণীসমূহৰ আমূল পৰিবৰ্তন হ'ব। অৰ্থাৎ বৰ্তমান ঘটনাৰাশিয়ে ভৱিষ্যতৰ ঘটনাসমূহৰ ধৰণ (trend) নিৰ্ণয় কৰিব। বৰ্তমানৰ ঘটনাৰাশি হ'ল "input" আৰু ভৱিষ্যতৰ ঘটনাসমূহ হ'ল "output".

ভৱিষ্যত নিৰূপণৰ বৈজ্ঞানিক পদ্ধতি কেইবাটাও। তাৰে এটা হ'ল,—মানসিক ধুমুহা পদ্ধতি (Brain Storming method)। কোনো বিষয়ৰ সম্ভাৱ্য ভৱিষ্যত কেনে হ'ব,—এই বিষয়ে ২০-৩০ জনমান মেধাসম্পন্ন ব্যক্তিৰ পৰা ধাৰণাসমূহ কথোপকথন আৰু যুক্তি-তৰ্কৰ সহায়ত বাছি উলিওৱা হয়। পাছত ইয়াৰ পৰাই ভৱিষ্যতৰ সম্ভাব্য ধৰণ বিচাৰি উলিওৱা হয়।

আন এবিধ পদ্ধতি ডেলফি পদ্ধতি (Delphi method) নামে জনাজাত। গ্ৰীছদেশৰ ডেলফি চহৰখন আছিল দৈৱবাণীৰ স্থান ; —এপ'ল' দেৱতাৰ কৰ্মভূমি। এই ঠাইৰ নামেৰে নামকৰণ কৰা এই পদ্ধতিটো উল্লিখিত পদ্ধতিতকৈ অলপ বেলেগ। ইয়াত কোনো এটা বিষয়ৰ প্ৰশ্নবোৰ উত্থাপন কৰি তাৰ উত্তৰবোৰ বিচাৰি কেইবাগৰাকীও অভিজ্ঞ লোকলৈ অনুৰোধ-পত্ৰ পঠিওৱা হয়। তাৰে যিবোৰ উত্তৰ প্ৰায় একে ধৰণৰ, সেইবোৰৰ সহায়তে ভৱিষ্যতৰ সম্ভাব্য ধৰণ নিৰ্ণয় কৰা হয়।

ডেলফি পদ্ধতিৰ সহায়ত অদূৰ ভৱিষ্যতৰ সমাজ আৰু বিজ্ঞানৰ সম্ভাব্য ৰূপৰ নমুনা হ'ল ঃ

২০১০ চন ঃ এই বছৰৰ ভিতৰতে ঔষধৰ সহায়ত মানুহৰ নতুন অংগ-প্ৰত্যংগ জন্মোৱাত বিজ্ঞানীসকলে সফলতা লাভ কৰিব।

২০০৫ চন ঃ এই চনৰ ভিতৰতে মানৱ জাতিয়ে মঙল গ্ৰহত উপনিবেশ স্থাপন কৰিবলৈ সমৰ্থ হ'ব।

সম্ভাব্য ভৱিষ্যতে বৰ্তমানৰ সমস্যাসমূহৰ প্ৰকৃত মূল্যাংকনো কৰিব পাৰে। যদি ভৱিষ্যতে শক্তিৰ বিকল্প উৎসসমূহ নতুনকৈ আবিষ্কৃত হ'ব বুলি ধৰা হয়, তেতিয়াহ'লে বৰ্তমানৰ শক্তিৰ নাটনি এক অস্থায়ী সমস্যা বুলিহে পৰিগণিত হ'ব। আনহাতে, যদিহে ভৱিষ্যতে শক্তিৰ কোনো বিকল্প উৎস পোৱা নহ'ব বুলি ধৰা হয়, তেতিয়াহ'লে বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাকেই মানৱ সভ্যতাৰ ধ্বংসৰ কাৰক বুলি দোষ দিয়া হ'ব।

হাৰমান কানে দুয়োবিধ ভৱিষ্যতৰ প্ৰতিচ্ছবিকেই দাঙি ধৰিছে। আশাবাদী ভৱিষ্যতক ধনাত্মক (positive future) আৰু নিৰাশাবাদী ভৱিষ্যতক ঋণাত্মক (negative future) বুলি নামকৰণ কৰা হৈছে। ধনাত্মক ভৱিষ্যতত তেওঁ স্থিৰ জনসংখ্যা, মানুহৰ জীৱন ধাৰণৰ মানৰ উন্নতি আৰু একৈছ-বাইছ নম্বৰ শতিকাৰ ভিতৰতে শক্তিৰ বিকল্প উৎসৰ আবিষ্কাৰ আদি ঘটনা ঘটা কাল্পনিক দৃশ্য (scenerio) এটালৈ আঙুলিয়াই দিছে। আনহাতে ঋণাত্মক ভৱিষ্যতৰ দৃশ্যপটত (scenerio) তেওঁ জনসংখ্যা বিস্ফোৰণ, শক্তিৰ বিকল্প উৎসৰ আবিষ্কাৰত সফলতা আদিৰ দৰে ভয়াবহ সম্ভাৱনাসমূহ দাঙি ধৰিছে।

এতিয়ালৈকে ভৱিষ্যবিজ্ঞানীসকলৰ কেইবাটাও ভৱিষ্যত-বাণী শুদ্ধ বুলি পৰিগণিত হৈছে। উদাহৰণ স্বৰূপে, তেওঁলোকে ঘোষণা কৰিছিল যে মানুহে চন্দ্ৰত পদাৰ্পণ কৰিব আৰু কৃত্ৰিম উপগ্ৰহৰ সহায়ত সংযোগ ব্যৱস্থাৰ উন্নতি সাধন কৰিব। দুয়োটা ভৱিষ্যত-বাণীৰ সত্যতা বৰ্তমান যুগতে প্ৰমাণিত হ'ল।

বৰ্তমান বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ হাৰৰ প্ৰতি লক্ষ্য ৰাখি ভৱিষ্যবিজ্ঞানীসকলে এক আশাপূৰ্ণ ভৱিষ্যতৰ সম্ভাৱনালৈ আঙুলিয়াই দিছে ঃ আমি এতিয়া যেনেকৈ মাটিত খেতি কৰোঁ, ভৱিষ্যতে তেনেকৈ মহাসাগৰৰ তলিত খেতি কৰাটোও সম্ভৱ হ'ব। জেনেটিক প্ৰযুক্তিবিদ্যাৰ (Genetic Engineering) সহায়ত মানুহৰ জন্মৰ আঁসোৱাহসমূহ (birth defect) আঁতৰ কৰা হ'ব, মগজুৰ পৰিবৰ্তন সাধন কৰা হ'ব, স্মৃতিশক্তি প্ৰখৰ কৰিবলৈ বড়ি (tablet) পোৱা যাব আৰু কৃত্ৰিম মেধাযুক্ত (artificial intelligence) কম্পিউটাৰ আবিষ্কৃত হ'ব।

শক্তিৰ বিকল্প উৎস বুলিলে আমি সৌৰশক্তি বা পৱনশক্তিৰ কথাকেহে মনত পেলাওঁ। পিছে এতিয়ালৈকে বশ কৰিব নোৱৰা আন এবিধ মহাশক্তি হ'ল মহাকৰ্ষণীয় শক্তি (gravitational energy)।

আজিৰ যুগৰ স্কুলীয়া ল'ৰা-ছোৱালীয়েও নিউটনৰ সূত্ৰসমূহৰ কথা জানে। ইয়াৰ এটা সূত্ৰমতে আমাক নিজৰ ভৰ (m) অনুপাতে মাধ্যাকৰ্ষণীয় বলে (F) পৃথিৱীৰ কেন্দ্ৰৰ ফালে এক নিৰ্দিষ্ট ত্বৰণত (g) টানি আছে। গাণিতিক ভাষাত ঃ $F=mg$.।

এনে বল নথকা হ'লে আমি বা আন সকলো বস্তু পৃথিৱীৰ পৰা উফৰি পৰিলোহেঁতেন। কিন্তু এই মাধ্যাকৰ্ষণীয় বলক নিয়ন্ত্ৰিত কৰিব পাৰিলে আমাৰ যাতায়াতৰ আহুকাল একেবাৰে নাইকিয়া হ'ব।

মাধ্যাকৰ্ষণীয় বলক নিয়ন্ত্ৰণ কৰা যন্ত্ৰত বুতাম টিপি আমি এখন ঠাইৰ পৰা আন এখন ঠাইলৈ উৰি যাবলৈ ভৱিষ্যতে সক্ষম হ'বও পাৰোঁ। যাতায়াতৰ এনে উপায় আবিষ্কৃত হ'লে প্ৰচলিত শক্তিবোৰক আন কামত খটুৱাব পৰা যাব। বিজ্ঞানী আৰু বিজ্ঞানভিত্তিক কাহিনী লেখক আৰ্থাৰ ক্লাৰ্কে (Arthur Clarke) লিখিছে ঃ "We may someday learn to control gravity and the family home may float from one continent to another and it may be possible to exactly reproduce human beings in laboratories". অৱশ্যে বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মাধ্যাকৰ্ষণ নিয়ন্ত্ৰণৰ বিষয়ে একো ধাৰণা দিব পৰা নাই। তথাপি ভৱিষ্যতে ই যে সম্ভৱ নহ'ব, তাক কোনেও ন দি ক'ব নোৱাৰে। আজিৰ পৰা কেইদশকমানৰ আগেয়ে পৰমাণু বোমা বা মহাকাশ ভ্ৰমণ কল্পনামূলক গল্পৰহে অংগ আছিল। আজি এই সকলো বাস্তৱত পৰিণত হৈছে।

পৰিবেশক লৈ আজি মানৱ জাতি সচেতন হৈ উঠিছে। অলপতে ব্ৰাজিলৰ ৰিঅ'-ডি-জেনেইৰ'ত পৃথিৱী শীৰ্ষ সন্মিলনো (earth summit) অনুষ্ঠিত হৈছিল। এই সকলো ভৱিষ্যবিজ্ঞানৰে সুফল। কাৰণ সাধাৰণ নাগৰিকো আজি ঋণাত্মক ভৱিষ্যতৰ বিষয়ে শংকিত হৈ উঠিছে।

যোৱা ৬ এপ্ৰিলত দেহাৱসান ঘটা বিশ্ববিখ্যাত বিজ্ঞান-কাহিনীকাৰ আইজাক এছিম'ভকো আমি ভৱিষ্যবিজ্ঞানী বুলিবলৈ প্ৰয়াস কৰোঁ। তেখেতৰ ভৱিষ্যত-সচেতনতাই ভৱিষ্যবিজ্ঞানৰ আৱশ্যকতাৰ বিষয়ে অগণন পঢ়ুৱৈক সচেতন কৰি তুলিলে। তেওঁৰ সম্পাদিত Living in the future নামৰ গ্ৰন্থত ভৱিষ্যতৰ বিষয়ে এনেদৰে মন্তব্য কৰা হৈছে ঃ "... For if people don't like what the future may hold if things continue as they are, they can take measure now that will change their future and then create one they would find more attractive".

অসমত ভৱিষ্যত-সচেতনতা আৰু ভৱিষ্যবিজ্ঞানৰ আৰম্ভণি চালুকীয়া অৱস্থাত আছে। অৱশ্যে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ভৱিষ্যবিজ্ঞানৰ বিষয়ে কৰ্মশালা অনুষ্ঠিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৮৮ আৰু ১৯৯০ চনত, আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ১৯৮৯ চনত এনে অনুষ্ঠান পতা হৈছিল। ইয়াত আলোচিত বিষয়সমূহ "Towand Twenty First Century" আৰু "Assam in 2001 AD" নামৰ গ্ৰন্থ দুখনত প্ৰকাশিত হৈছে। প্ৰথমখন ড. কিশোৰী মোহন পাঠক আৰু ভবানী কান্ত শৰ্মাই সম্পাদনা কৰিছে। আনখনৰ সম্পাদক হ'ল ড. পৰমা মহন্ত। অসমৰ সমাজত ভৱিষ্যত-সচেতনতাৰ বিষয়ে এই দুখন গ্ৰন্থত কিছু পৰিমাণে হ'লেও আলোচিত হৈছে।

উঠি অহা চামৰ মাজত ভৱিষ্যত-সচেতনতাৰ মূল্য আৰু বেছি। একবিংশ শতিকা আমাৰ দুৱাৰডলিত। ইয়াৰ বাবে সাজু হোৱাৰ সময় আজিয়েই। ভৱিষ্যবিজ্ঞানীৰ তেওঁলোকৰ প্ৰতি উপদেশ হ'ল ঃ "Let's not turn our tomorrows into yesterdays."


গ্ৰন্থপঞ্জী

১. Futurology : a Fast Developing Science : I. M. Soni (P.T.I. News Feature).

২. Future Scan and Anticipatory Management—S. C. Seth.

৩. Towards Twenty First Century—K. M. Pathak and B. K. Sarma (Gauhati University).

৪. Assam in 2001 AD—P. Mahanta (Dibrugarh University).

৫. আইজাক এছিম'ভৰ সোঁৱৰণত ঃ ভবেন্দ্ৰ কুমাৰ বৰা, আজিৰ বাতৰি, ৩ জুন, ১৯৯২।







OKDISCD

# অসমৰ লুপ্তপ্ৰায় বন্যপ্ৰাণী-দেওহাঁহ

জীৱন দাস



অসমে দেওহাঁহৰ কাৰণে গৌৰৱ কৰিব পাৰে। কাৰণ পৃথিৱীত অলপ সংখ্যক হাঁহ বাংলাদেশত পোৱাত বাহিৰে আন ঠাইত এই হাঁহ পাবলৈ নাই। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে, কেৱল অসমৰ হাবিতহে পোৱা দুবিধ জন্তুৰ বংশ কোনোমতেহে ৰক্ষা পৰিছে; তাৰে এবিধৰ নাম নল গাহৰি আৰু আন বিধৰ নাম 'অসমীয়া শহা।' আছাম ফৰেষ্ট বুলেটিনৰ পৰা উদ্ধৃতি দিছোঁ ঃ The eminent Naturalist Late E. P. GEE had announced the virtual extinction of the rare Hispid Hare known also as Assam Rabbit (Caprolagus hispidus) and Pigmy-hog (Sussalvanius) known to be occuring in Assam only. However, intensive management, strict-vigilance and keen interest brought these two endangered species from the brink of extinction raising hopes for future survival and increased population as proved by the increased frequency of sightings of these two species of rare animal in Bamadi and Manas area.

এইখিনি কথা উল্লেখ কৰা হ'ল এই কাৰণেই যে, অৱলুপ্তিৰ পথত খোজ দিয়া কেইবাবিধো বন্য জন্তু আৰু বন্যপখী সংৰক্ষণ কৰিব পৰা হ'ল। কিন্তু অতি পৰিতাপৰ বিষয়,—অসমৰ তথা পৃথিৱীৰ এবিধ আপুৰুগীয়া পখীৰ বংশ সংৰক্ষণ কৰিব পৰা নগ'ল,—যাৰ নাম গোলাপীমুৰী হাঁহ। (Pink-Headed Duck) এই বিধ হাঁহ যোৱা ৫০ বছৰৰ ভিতৰতে বিলুপ্ত হৈ গ'ল। পক্ষীবিদ মৰহুম চেলিম আলিৰ মতে ১৯২৯ চনত তাহানিৰ গোৱালপাৰা জিলাত ১১টা এই হাঁহ ধৰি লণ্ডনলৈ পঠোৱা হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ এই হাঁহ কেইটাই প্ৰজননৰ ক্ষেত্ৰত সুফল দিব নোৱাৰিলে। ১৯৩৫ চনত বিহাৰত এই হাঁহৰ অৱশিষ্ট হাঁহটো বধ কৰা হৈছিল আৰু তেতিয়াৰে পৰা ইয়াৰ কোনো শুংসূত্ৰ পোৱা হোৱা নাই। ফলত এইবিধ হাঁহ বিলুপ্ত হোৱা বুলি ধৰি লোৱা হৈছে।

মোৰ এটা ব্যক্তিগত অভিজ্ঞতা আছে। ১৯৫৬ চনত মই ডেৰাডুন ফৰেষ্ট কলেজৰ পৰা আহি মানস অভয়াৰণ্যৰ দায়িত্বত আছিলো। তেতিয়া এদিন নাৰায়ণগুৰিত, মানসৰ বাহিৰত, বেকী নদীৰ পাৰত বনভোজ খাইছিলো। মই তেতিয়া বন্দুক লৈছোঁ, গতিকে চিকাৰলৈ মন যোৱাটো স্বাভাৱিক। বেকী নদীত তেতিয়া (জাৰকালি) হাঁহ পৰিছিল। মই আমাৰ হাতীৰ মাউতক হাঁহ মাৰিবলৈ বন্দুকটো দিলো। এতিয়া নিজকে ধিক্কাৰ দিছোঁ,—বন্যপ্ৰাণী সংৰক্ষক এজনে চিকাৰ কৰিবলৈ বন্দুকটো কিয় দিছিলো! তেতিয়া অৱশ্যে সংৰক্ষণৰ ক-খহে শিকিছোঁ। অলপ পাছতে মাউতজনে গুলীয়াই এটা বৰ ধুনীয়া হাঁহ আনিলে। মুৰটোৰ পাখি সেন্দুৰ যেন ৰঙা, গাত বগা আৰু সামান্য ধোঁৱাবৰণীয়া পাখি। আজি প্ৰায় ৩৬ বছৰৰ এই সুদীৰ্ঘ কালৰ পাছতো মই হাঁহটোৰ বং পাহৰিব পৰা নাই। অদৃষ্টৰ কি পৰিহাস, সেই মানুহজনেই এতিয়া গোলাপীমুৰী হাঁহৰ বিষয়ে লিখিব লগাত পৰিছোঁ!

উত্তৰ-পূব দিশৰ অৰুণাচলৰ পাদদেশত অৱস্থিত গভীৰ অঞ্চলৰ পৰা অসমৰ দুৱাৰমৰা সংৰক্ষিত বনাঞ্চলকে ধৰি এক বিস্তৃত এলেকাজুৰি থকা গভীৰ অৰণ্যত দেওহাঁহৰ নিবাস। পশ্চিম অসমৰ কামৰূপ আৰু গোৱালপাৰা জিলাৰ জনপ্ৰাণীবিহীন গভীৰ অৰণ্যত কিছু হাঁহ পোৱা বুলি জনা যায়। গঁড়ৰ থাই ঘৰ যেনেকৈ অসমৰ কাজিৰঙা, দেওহাঁহৰ থাই ঘৰো তেনেকৈ উজনি অসমৰ ডুমডুমা অঞ্চলহে। ইহঁতৰ স্বভাৱ হ'ল চাকৈ-চকোৱা চৰাইৰ দৰে যোৰ-যোৰকৈ, অথবা সৰু-সৰু দলত বিভক্ত হৈ বিচৰণ কৰাটো। মানুহৰ জনবসতি এলেকাৰ পৰা দূৰৈত হাবিৰ মাজৰ ডাঙৰ-ডাঙৰ জলাশয়ত ইহঁতে বিচৰণ কৰি ফুৰে। ইহঁতৰ আকৃতি ঘৰচীয়া হাঁহতকৈ ডাঙৰ। মূৰ আৰু ডিঙিটোত বগা ফুটফুটীয়া দাগ। ডেউকাৰ পাখি ধোঁৱাবৰণৰ ক'লা-মুগা। ডেউকাৰ বগা পাখি স্পষ্টভাৱে দেখা পোৱা যায় আৰু ইয়েই পক্ষীবিদসকলক হাঁহটো চিনাক্ত কৰাত বিশেষভাৱে সহায় কৰে। সাধাৰণতে আমি এই হাঁহজাতক দেওহাঁহ বুলি কওঁ। কোনে কেতিয়া কেনে পৰিস্থিতিত ইয়াৰ নাম দেওহাঁহ ৰাখিলে জনা নাযায়। ইয়াত 'দেও' শব্দটো প্ৰযোজ্য হোৱাৰ কি কাৰণ বুজিব নোৱাৰি। কাছাৰবাসীয়ে এই হাঁহক 'দাওফ্লান্টু' (Daophlantu) বুলি কয়। এই হাঁহবিধ লাহে-লাহে বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছে। যিবোৰ ঠাইত এই হাঁহে বিচৰণ কৰি ফুৰিছিল সেই গভীৰ বনাঞ্চল মানুহৰ কোপদৃষ্টিত সেৰেঙা হ'ল আৰু লাহে-লাহে এই হাঁহৰ সংখ্যা টুটি আহিল। সঁচা কথা ক'বলৈ হ'লে, অসমৰ হাবিখন যেতিয়া কাঁড় মাৰিলেও নোসোমোৱা অৱস্থা এটা আছিল তেতিয়া আমাৰ থলুৱা মানুহে ক'ত কেনেকৈ কি আপুৰুগীয়া বন্যপ্ৰাণী আছিল তালৈ ভ্ৰূক্ষেপ কৰা নাছিল। স্বভাৱবশতঃ তেওঁলোকে খাদ্যৰ কাৰণে বন্যপ্ৰাণী আৰু বনপখী বধ কৰিছিল। বৃটিছৰ আগমনৰ বহু পাছত যেতিয়া চিকাৰৰ উৎপাতত হাবিত বাস কৰা বন্যপ্ৰাণীৰ সংখ্যা ভয়লগাকৈ কমি আহিল, তেতিয়াহে বন্যপ্ৰাণী প্ৰেমীসকলৰ মাজত চিন্তাৰ উদ্ৰেক হ'ল। বৃটিছসকলক চিকাৰপ্ৰিয় জাতি বুলি আমি যিমানেই নকওঁ, অসমত তথা ভাৰতত, এই বৃটিছৰ প্ৰকৃতিপ্ৰেমী আৰু বন্যপ্ৰাণীপ্ৰেমী-সকলেই যে সংৰক্ষণৰ ক্ষেত্ৰত পোনতে আগভাগ লৈছিল, সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই। সকলোৰে জনাজাত প্ৰয়াত জিম কৰবেট, ই. পী. জীৰ নাম উল্লেখযোগ্য। অৱশ্যে পক্ষীবিদ চেলিম আলিৰ নাম নললে দোষে চুব। তেতিয়াৰে পৰা গৱেষণাৰ বিস্তৃত পৰিসৰ বৃদ্ধি হৈছে।

পোনতে ইংলেণ্ডত অৱস্থিত ৱৰ্ল্ড ৱাইল্ড লাইফ ফাণ্ডৰ (World Wild life Fund) শ্লিমব্ৰিজৰ কৰ্মকৰ্তালৈ যথাযথ সংৰক্ষণ, প্ৰজনন আৰু সম্প্ৰসাৰণৰ বাবে হাঁহ পঠাইছিল ডুমডুমাৰ ওচৰৰ মেকেঞ্জি বোলা চাহবাগিচাৰ মেনেজাৰ এজনে। অসমৰ গোলাপীমুৰী হাঁহবিধ প্ৰথমতে অসমৰ আকাশ পাৰ হৈ বিলাতলৈ গৈছিল। ইয়াৰ পাছত দেওহাঁহ জাতৰ কেইটামানেও অসম তথা ভাৰতৰ আকাশ অতিক্ৰম কৰি বিদেশলৈ গ'ল। এনেকৈ বিদেশলৈ হাঁহ পঠোৱাৰ উদ্দেশ্য আছিল—তাত হাঁহৰ সংখ্যা বৃদ্ধি হ'লে, সিহঁতক আনি সিহঁতৰ আপোন ঘৰ অসমৰ হাবিত মেলি দিয়া।

এই দেওহাঁহেও শৰালিৰ দৰে (?) বাহ লয় আৰু শৰালিৰ দৰেই সাতৰ পৰা বাৰটালৈকে কণী পাৰে (?)। বহুতৰ এটা ধাৰণা আছে যে, এই হাঁহে কাঠনিৰ গছৰ খোৰোঙত ধনেশ পখীৰ দৰে বাহ লয়। দৰাচলতে উদ (wood) শব্দটোৱেই ভ্ৰান্তিমূলক। নুক্তা (Nukta) বা কম্ব ডাক (Comb Duck) বিধেহে গছৰ খোৰোঙত কণী পাৰে। মোক এগৰাকী বন বিষয়াই কৈছে যে শৰালিয়ে বাহ বন্ধাৰ দৰে বিলত ইহঁতেও ঘাঁহ-বন সংগ্ৰহ কৰি বাহ বান্ধে।

দেওহাঁহৰ প্ৰজননৰ বিষয়ে বিশেষভাৱে একো ক'ব পৰা নাযায়। বন্দিত্বৰ সময়ছোৱাত হয়তো কাচিৎহে ইহঁতৰ পোৱালি হয়। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি,—ডুমডুমাৰ বন সংমণ্ডল প্ৰাধিকাৰীয়ে ডুমডুমা সাহিত্য সভাৰ অধিবেশনলৈ যাওঁতে কৈছিল যে, বৰডুবি বাগিচাত বাগিচাৰ কৰ্তৃপক্ষই ৩০-৩২টামান দেওহাঁহ পুহি ৰাখিছে। মই পোৱালি হয় নে নহয় বুলি সোধাত তেখেতে সঠিক উত্তৰ দিব নোৱাৰিলে যদিও লগতে ক'লে, "সংখ্যা বাঢ়িছে যেতিয়া, নিশ্চয় পোৱালি দিব পায়!" দ্বিতীয়তে গুৱাহাটীৰ জাপৰিগোগ চিৰিয়াখানাত কেইটামান দেওহাঁহ আছে। মই প্ৰত্যক্ষ কৰিছোঁ। এই হাঁহে পোৱালি দিছে নে নাই জানিব পৰা হোৱা নাই। ডুমডুমাৰ সংমণ্ডল প্ৰাধিকাৰীয়ে ডুমডুমাৰ বন কাৰ্যালয়ৰ চৌহদত এটা দেওহাঁহ পুহি ৰাখিছিল। কোঠা বা সজাটো বহল তাঁৰেৰে ওপৰে আৰু চাৰিওফালে বেৰা। পানী সংৰক্ষণ কৰাৰ কাৰণে ঠাইকণ পকী কৰা। অকলশৰীয়া দেওহাঁহটোৱে লগৰী বিচাৰে নে নিবিচাৰে সঠিককৈ ক'ব পৰা হোৱা নাছিল। শ্লিমব্ৰিজ, ডুমডুমা, বৰডুবি আৰু অসমৰ চিৰিয়াখানাত এই হাঁহ আছে; কিন্তু প্ৰজননৰ কি হৈছে সেইটোহে জনা হোৱা নাই।

১৯৭২ চনৰ ৱাইল্ডলাইফ প্ৰটেকশ্যান ছিডিউল নং ১ (Wild-life Protection Schedule No. 1) অনুসৰি দেওহাঁহ হত্যা কৰাটো অপৰাধ। কিন্তু সমস্যা হৈছে, প্ৰকৃততে এই আপুৰুগীয়া হাঁহবিধক চিনাক্ত কৰা সহজ নহয়। স্থানীয় গাঁওবাসীলোকে আইন-কানুনৰ কথা বিশেষভাৱে বুজি নাপায়। গতিকে চিনাই-নিচিনাই বনৰীয়া হাঁহ মাৰিব পাৰিলেই হাঁহৰ মঙহেৰে দুগৰাহ বেছিকৈ খোৱাৰ প্ৰৱণতা এওঁলোকৰ অধিক। এনে ক্ষেত্ৰত দেওহাঁহজাত ৰক্ষা পৰে কেনেকৈ ?

# দেওহাঁহ সংৰক্ষণ ঃ চৰকাৰী আৰু বেচৰকাৰী প্ৰচেষ্টা

ৰানু বৰুৱা

বগাপাখিৰ দেওহাঁহ (White Winged Wood Duck) বৰ্তমান বিশ্বৰ বিলুপ্তপ্ৰায় বন্যপ্ৰাণীৰ ভিতৰত এটা অন্যতম প্ৰাণী। পূৰ্বে দক্ষিণ-পূব এছিয়াৰ বনাঞ্চলসমূহত পৰ্যাপ্ত পৰিমাণে দেখিবলৈ পোৱা দেওহাঁহ বৰ্তমান বিভিন্ন কাৰণত প্ৰায় লোপ পাবলগীয়া সংকটজনক পৰিস্থিতি এটাৰ দুৱাৰডলিত উপস্থিত হৈছেহি। অসমৰ বাবে সৌভাগ্যৰ কথা যে, অতি দুষ্প্ৰাপ্য হৈ পৰা এই দেওহাঁহৰ মাত্ৰ কেইটামান অসমৰ ডিব্ৰু-ছৈখোৱা অভয়াৰণ্যত প্ৰাকৃতিক বাতাৱৰণৰ মাজত এতিয়াও জীয়াই আছে।

১৯৭২ চনৰ বন্যপ্ৰাণী সংৰক্ষণ আইনৰ অধীনত দেওহাঁহক প্ৰথম অনুসূচীতেই অন্তৰ্ভুক্ত কৰা হৈছে। অৰ্থাৎ এইবিধ প্ৰাণীক অতিশয় বিপন্ন বুলি স্বীকৃতি দি চৰকাৰে ইয়াৰ যথোপযুক্ত সংৰক্ষণৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিছে। কিন্তু প্ৰকৃতাৰ্থত চৰকাৰে এই বিলুপ্তপ্ৰায় প্ৰাণীটোৰ ৰক্ষণাবেক্ষণ দিয়াৰ অৰ্থে কোনো পদক্ষেপেই গ্ৰহণ কৰা নাই। বৰং চৰকাৰে ইহঁতৰ আবাসস্থল ধ্বংস কৰাৰ অভিযানলৈহে পৃষ্ঠপোষকতা আগবঢ়াইছে। প্ৰাকৃতিক বাতাৱৰণৰ মাজত দেওহাঁহ জীয়াই থকা বিশ্বৰ একমাত্ৰ ডিব্ৰু-ছৈখোৱা অভয়াৰণ্যখনৰ অন্তৰ্গত নলনী বনাঞ্চলৰ কেইবাশও বিঘা মাটি আজি কেইবছৰমানৰ আগেয়ে চাহ বাগিচা স্থাপনৰ বাবে, আৰু শেহতীয়াকৈ ১৯৮৯ চনত এইখন অভয়াৰণ্যৰ ভিতৰতে মাছৰ মহল আবণ্টন দিয়া কাৰ্যই বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত থকা চৰকাৰৰ সদিচ্ছা কিমান তাক উদঙাই দেখুৱাইছে।

দেওহাঁহৰ অৱস্থান অসমৰ প্ৰাকৃতিক পৰিবেশত এতিয়াও একেবাৰে নিঃশেষ হৈ যোৱা নাই। অশেষ সংগ্ৰাম কৰি দুই-এখন ঠাইত কম সংখ্যক হ'লেও দেওহাঁহ এতিয়াও জীয়াই আছে। এইবিধ হাঁহৰ বংশ লোপ পোৱাৰ প্ৰধান কাৰণ কেইটা হৈছে,—ইহঁতৰ আবাসভূমিৰ বিস্তৰ ক্ষতিসাধন আৰু চিকাৰীৰ উপদ্ৰৱ। তদুপৰি ইহঁতৰ প্ৰজনন শক্তিও অতি কম।

এইকেইটা কাৰণৰ বাবেই দেওহাঁহৰ সংৰক্ষণৰ বিষয়টো বিলুপ্তপ্ৰায় বন্যপ্ৰাণীৰ আবদ্ধ প্ৰজনন আৰু পুনঃসংস্থাপন (Captive breeding and rehabilitation of endangered species of fauna) শীৰ্ষক এখন কেন্দ্ৰীয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হয়। এই আঁচনিখনৰ মুখ্য উদ্দেশ্য আছিল, ইতিমধ্যে চিনাক্ত কৰা বিলুপ্তপ্ৰায় আৰু বিপন্ন হোৱা চৰাই, স্তন্যপায়ী প্ৰাণী আৰু সৰীসৃপজাতীয় বন্যপ্ৰাণীসমূহক আবদ্ধ প্ৰজনন কেন্দ্ৰত (Captive breeding Centre) বংশ-বৃদ্ধি কৰাই পুনৰ পূৰ্বৰ বন্য পৰিবেশত সংস্থাপিত কৰা।

১৯৮৬-৮৭ চনৰ পৰা আৰম্ভ হোৱা সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাত এই আঁচনিখন কাৰ্যকৰী কৰাৰ বাবে বাজেটত মুঠ ১ কোটি ১০ লাখ টকাৰ অনুমোদনো জনোৱা হৈছিল। বিত্তীয় দিশত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ উভয়ৰে সমান অংশগ্ৰহণেৰে এইখন এখন কেন্দ্ৰীয় আঁচনি আছিল।

প্ৰকল্প আঁচনি প্ৰস্তুতৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিছুমান নিৰ্দিষ্ট নীতি-নিৰ্দেশনাও জাৰি কৰিছিল। এই নিৰ্দেশনা অনুযায়ী, এই প্ৰকল্পত জন্ম হোৱা বন্যপ্ৰাণীবিধক কোনো প্ৰদৰ্শনী বা তেনে প্ৰয়োজনৰ বাবে মুকলি কৰি দিব পৰা নাযায়। আবদ্ধ প্ৰজননৰ এই আঁচনিখন চিৰিয়াখানাত কাৰ্যকৰী কৰিব পৰা নাযাব; ইয়াৰ প্ৰজনন কেন্দ্ৰসমূহ এই প্ৰাণীবিধৰ প্ৰাকৃতিক পৰিবেশত অথবা সিহঁতক অৱশেষত যি ঠাইত মুকলি কৰি দিয়া হ'ব তেনে নিৰ্বাচিত অঞ্চলতহে স্থাপন কৰিব লাগিব। পুনঃসংস্থাপনৰ বাবে মুকলি কৰি দিয়া ঠাইডোখৰ সম্পূৰ্ণ সুৰক্ষিত এলেকা হোৱাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে।

তদুপৰি নিৰ্দিষ্ট প্ৰজাতিবিধৰ পুনঃসংস্থাপনৰ ক্ষেত্ৰতো কেইটামান চৰ্ত আৰোপ কৰা হৈছে ঃ (১) পুনঃসংস্থাপন এনে এডোখৰ ঠাইত কৰিব লাগিব য'ত প্ৰাণীবিধৰ আবাসস্থল আৰু পৰিবেশ বিনষ্ট হোৱাৰ পূৰ্বে সিহঁতৰ মূল আৰু আদি আবাসস্থল আছিল। (২) প্ৰাণীবিধৰ আবাসস্থল উপযুক্ত আৰু সম্পূৰ্ণ সন্তোষজনক হ'ব লাগিব। (৩) আঁচনিখনত সম্ভাৱনীয়তা অধ্যয়ন, প্ৰক্ৰিয়াটোৰ আৰম্ভণি, আৰু মুকলি কৰি দিয়া পৰ্যায় আৰু পুনৰীক্ষণ—এই তিনিটা পৰ্যায় থাকিব লাগিব। এই সম্পৰ্কত স্থানীয় লোকসকলৰ মনোভাবৰ ওপৰত গুৰুত্ব দিব লাগিব। (৪) আবদ্ধ প্ৰজনন আৰু পুনঃসংস্থাপনৰ বাবে নিৰ্বাচিত কৰিবলগীয়া প্ৰাণীবিধ মূল প্ৰকৃত প্ৰাণীবিধৰ বংশধৰ হ'ব লাগিব।

কেন্দ্ৰীয় চৰকাৰৰ উক্ত নীতি-নিৰ্দেশনাৰ আধাৰত এই আঁচনিখনৰ বাবে এখন বিশদ প্ৰকল্প প্ৰতিবেদন শীঘ্ৰেই যুগুতাবলৈ আসমৰ মুখ্য বন সংৰক্ষকে ১৯৮৬ চনৰ ১০ জুলাই তাৰিখৰ WL/FD/G/VIP/CS/85-86/A নং চিঠিৰ যোগে ডুমডুমাৰ বন সংমণ্ডল প্ৰাধিকাৰীক অনুৰোধ কৰিছিল। সেই অনুযায়ী ডুমডুমাৰ বন সংমণ্ডল প্ৰাধিকাৰীয়ে ১৯৮৬ চনৰ আগষ্ট মাহৰ ৭ তাৰিখে এখন চিঠিৰ যোগে দেওহাঁহৰ আবদ্ধ প্ৰজনন আৰু পুনঃসংস্থাপনৰ এখন বিশদ প্ৰকল্প প্ৰতিবেদন মুখ্য বন সংৰক্ষকৰ ওচৰত দাখিল কৰে।

ইংলেণ্ডৰ শ্লিমব্ৰিজত থকা ৱাইল্ড ফাউল ট্ৰাষ্ট আৰু ডুমডুমাৰ বৰডুবি চাহবাগিচাত থকা দেওহাঁহৰ আবদ্ধ প্ৰজনন কেন্দ্ৰৰ প্ৰকল্প প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি এই আঁচনিখন প্ৰস্তুত কৰা হৈছিল। আঁচনিখন কাৰ্যকৰী কৰিবৰ বাবে ডুমডুমাৰ পৰা ১৫ কিল'মিটাৰ নিলগৰ ডিব্ৰু বনাঞ্চলৰ দীঘলতৰং নামৰ ঠাইডোখৰ নিৰ্বাচিত কৰা হয়। উল্লেখযোগ্য যে, এই দীঘলতৰঙক কেন্দ্ৰ কৰিয়েই এইটো অঞ্চলত এতিয়াও প্ৰাকৃতিক পৰিবেশত দেওহাঁহ আছে আৰু এসময়ত ই দেওহাঁহৰ এক গুৰুত্বপূৰ্ণ আবাসস্থল আছিল।

একেৰাহে তিনিটা পৰিকল্পনা কালৰ বাবে যুগুতোৱা আঁচনিখনত মুঠ ব্যয় নিৰ্ধাৰিত কৰা হৈছিল ১ কোটি ২৫ লাখ টকা। প্ৰকল্পটো স্বয়ংসম্পূৰ্ণ আৰু ফলপ্ৰসু হ'ব পৰাকৈ ইয়াত আৰণ্যকীয় সকলো সুবিধাই সন্নিবিষ্ট কৰা হৈছিল। উদাহৰণ স্বৰূপে এখন জীপ, এখন যন্ত্ৰচালিত নাৱৰ উপৰিও ৬খন নাও, পৰীক্ষাগাৰৰ অত্যাধুনিক সা-সৰঞ্জাম, কেমেৰা, ছাউণ্ড ৰেকৰ্ডাৰ, ৰাকি টকিকে ধৰি নিৰাপত্তাৰ বাবে অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰাৰো পৰামৰ্শ দিয়া হৈছিল।

প্ৰকল্পটোৰ বাবে নিয়োগ কৰিবলগীয়া ২৬জন বিষয়া-কৰ্মচাৰীৰে দুজনক দেওহাঁহৰ আবদ্ধ প্ৰজননৰ ক্ষেত্ৰত প্ৰশিক্ষণৰ বাবে শ্লিমব্ৰিজৰ ৱাইল্ড ফাউল ট্ৰাষ্টলৈ পঠোৱাৰো পৰিকল্পনা আছিল। উল্লেখযোগ্য যে, ৱাইল্ড ফাউল ট্ৰাষ্টে নিজৰ খৰচতেই এই দুজন ব্যক্তিক উক্ত প্ৰশিক্ষণ দিবৰ বাবে প্ৰতিশ্ৰুতি দিছিল।

কিন্তু এই সকলো আঁচনি সুপৰিকল্পিতভাৱে প্ৰস্তুত কৰাৰ পাছতো ইতিমধ্যে সমাপ্ত হোৱা সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত প্ৰকল্পটোৰ কোনো কাম-কাজেই আৰম্ভ কৰা নহ'ল।

আবদ্ধ প্ৰজননৰ দ্বাৰা সংৰক্ষণ ব্যৱস্থাত যথেষ্ট দোষ-ত্ৰুটি থাকিলেও লুপ্তপ্ৰায় বন্যপ্ৰাণী সংৰক্ষণত ইয়াৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। বিশেষকৈ প্ৰায় লোপ পোৱাৰ উপক্ৰম হোৱা দেওহাঁহৰ সংৰক্ষণৰ বাবে এই আঁচনিখন সাম্প্ৰতিক সময়ত কাৰ্যকৰী কৰা অতি প্ৰয়োজনীয় আছিল। কিন্তু কিহৰ বাবে সেই কাম কৰা নহ'ল তাৰ উত্তৰ বনবিভাগৰ কোনো উচ্চপদস্থ বিষয়াই আমাক দিব নোৱাৰিলে। দেওহাঁহৰ সংৰক্ষণৰ ক্ষেত্ৰত দেখা গৈছে যে চৰকাৰী প্ৰচেষ্টা অকণো উৎসাহজনক আৰু আশাপ্ৰদ নহয়। ইয়াৰ সলনি বৰং কেইজনমান প্ৰকৃতিপ্ৰেমীৰ ব্যক্তিগত আশাশুধীয়া প্ৰচেষ্টাইহে দেওহাঁহক একেবাৰে বিলুপ্ত হোৱাৰ পৰা কথমপি ৰক্ষা কৰিলে।

দেওহাঁহৰ সংৰক্ষণৰ ক্ষেত্ৰত ইংলেণ্ডৰ শ্লিমব্ৰিজৰ ৱাইল্ড ফাউল ট্ৰাষ্টে লোৱা ভূমিকা অতি প্ৰশংসনীয়। প্ৰাণীবিধৰ অস্তিত্বৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিলৈ লক্ষ্য কৰি সেই ট্ৰাষ্টে ষাঠিৰ দশকতেই আসমৰ অৰণ্যৰ পৰাই ছয়োটা দেওহাঁহ লৈ গৈ শ্লিমব্ৰিজত আবদ্ধ প্ৰজননৰ দ্বাৰা সফলতাৰে বংশবৃদ্ধি কৰাই বৰ্তমান দেওহাঁহৰ সংখ্যা ২০০টালৈ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। তেনেদৰে ডুমডুমাৰ কাষৰ বৰডুবি চাহ বাগিচাতো বাগিচাৰ পৃষ্ঠপোষকতাত আবদ্ধ প্ৰজনন কেন্দ্ৰত দেওহাঁহৰ বংশ বৃদ্ধিৰ প্ৰকল্প এটা অতি সফলতাৰে চলি আছে।

দেওহাঁহৰ সংৰক্ষণৰ বাবে বৰ্তমানে প্ৰধান কৰ্তব্য হৈছে,—এতিয়ালৈকে বাচি থকা ইহঁতৰ প্ৰাকৃতিক আবাসস্থলসমূহক সম্পূৰ্ণৰূপে ৰক্ষণাবেক্ষণ দিয়া, ওচৰৰ জনসাধাৰণক দেওহাঁহ সংৰক্ষণৰ বিষয়ে শিক্ষা দিয়া আৰু তেওঁলোকৰ মনত সজাগতা গঢ়ি তোলা ইত্যাদি। ৰাজ্যখনৰ বন্যপ্ৰাণী বিভাগে সম্প্ৰতি প্ৰাকৃতিক বাতাৱৰণৰ মাজতে দেওহাঁহৰ সংৰক্ষণৰ বিষয়টোক অগ্ৰাধিকাৰ দি, জৰুৰীকালীন ব্যৱস্থা হিচাপে প্ৰস্তাৱিত আবদ্ধ প্ৰজনন আৰু পুনঃসংস্থাপনৰ আঁচনিখনকো কাৰ্যকৰী কৰা উচিত হ'ব।

(ছায়েন্স নিউজ নে'টৱৰ্ক)

২৪ পৃষ্ঠাৰ পিছৰ পৰা

প্ৰতিনিধিত্ব কৰা এই সংস্থাটোৰ পৰিসৰ বৃদ্ধি হোৱাৰ লগে-লগে ইয়াৰ কাম-কাজ পৰিচালনাৰ প্ৰক্ৰিয়াটো অধিক জটিল হৈ পৰিছে। বিশেষকৈ গোষ্ঠী-নিৰপেক্ষ আন্দোলনৰ মাজতো নতুন-নতুন গোষ্ঠীৰ জন্ম হোৱাৰ চিন ফুটি উঠিছে। শীতল যুদ্ধৰ প্ৰভাৱ ৰোধ কৰিবলৈ নামৰ জন্ম হ'লেও ক্ৰমশঃ শীতল যুদ্ধৰ ছাঁ এই বিশ্ব সংস্থাটোৰ মজিয়াতো দেখা পোৱা গৈছিল। সত্তৰৰ দশকৰ শেষৰ ফালে নামৰ একাংশ সদস্যই এনে এক ধাৰণাৰ সৃষ্টি কৰিছিল যে ছোভিয়েট ইউনিয়ন গোষ্ঠী-নিৰপেক্ষ তথা তৃতীয় বিশ্বৰ স্বাভাৱিক বন্ধু। স্বাভাৱিকতে এই সূত্ৰৰ বিৰোধিতা কৰা সদস্যৰ সংখ্যাও কম নহয়। হাভানা শীৰ্ষ সন্মিলনৰ (১৯৭৯) পৰাই এই প্ৰৱণতা বৃদ্ধি পাইছিল। সম্প্ৰতি বৃহৎ শক্তি হিচাপে ছোভিয়েট ইউনিয়নৰ অপসাৰণৰ পাছত এই ভাবধাৰাৰ অন্ত পৰিল বুলি ক'ব নোৱাৰি। নিসন্দেহে অন্য দিশত ইয়াৰ প্ৰতিফলন দেখা পোৱা যাব। এই কথা স্মৰণযোগ্য যে এসময়ত গোষ্ঠী-নিৰপেক্ষ আন্দোলনত প্ৰভাৱ বিস্তাৰ কৰা আৰু আলোচিত সূত্ৰৰ মূল প্ৰবক্তা কিউবাৰ প্ৰেছিডেণ্ট ফিডেল কাষ্ট্ৰোক এইবাৰ জাকাৰ্টা শীৰ্ষ সন্মিলনত দেখা নগ'ল। তেনেদৰে, পৰিবৰ্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জি-৭৭ নামৰ সংস্থাটোৰ লগত গোষ্ঠী-নিৰপেক্ষ আন্দোলন চামিল হ'ব লাগে বুলি মত পোষণ কৰা, নামৰ প্ৰতিষ্ঠাপক সদস্য ইজিপ্টৰ প্ৰেছিডেণ্ট হোছনি মোবাৰকৰ অনুপস্থিতিও সমানে তাৎপৰ্যপূৰ্ণ। আন এখন প্ৰভাৱশালী ৰাষ্ট্ৰ ইৰাকৰ প্ৰেছিডেণ্ট ছাদ্দাম হুছেইন নিজৰ অস্তিত্বৰ প্ৰতি দেখা দিয়া প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা কাৰণে ব্যস্ত। এইক্ষেত্ৰত হস্তক্ষেপৰ বাবে নামৰ হাতত কোনো সৰ্বসন্মত আঁচনি নাই। শীৰ্ষ সন্মিলনৰ আৰম্ভণিতে যুগ'শ্লাভিয়া আৰু মিয়ানমাৰৰ সদস্য পদ লৈ এক অচল অৱস্থাৰ সৃষ্টি হৈছিল। নামৰ প্ৰতিষ্ঠাপক সদস্য যুগ'শ্লাভিয়াত দেখা দিয়া গৃহযুদ্ধক কেন্দ্ৰ কৰি দেশখনৰ সদস্যপদ লৈ যথেষ্ট বাক-বিতণ্ডাৰ সৃষ্টি হৈছে। যুগ'শ্লাভিয়াৰ পৰা ফাটি যোৱা বছনিয়া-হাৰজেগ'ভিনা গণৰাজ্যৰ মুছলমানসকলৰ ওপৰত ছাৰ্ব সংখ্যাগৰিষ্ঠ ফেডাৰেল বাহিনীয়ে স্থানীয় ছাৰ্বিয়ানসকলৰ লগ লাগি উৎপীড়ন আৰম্ভ কৰাৰ অভিযোগত যুগ'শ্লাভিয়াৰ সদস্যপদ একাংশ সদস্যই বাতিল কৰাৰ দাবী জনাইছিল। নামৰ শতকৰা ৪০ ভাগ সদস্যক প্ৰতিনিধিত্ব কৰা ইছলামিক ৰাষ্ট্ৰৰ একাংশ সদস্যৰ মতে মাথোন ছাৰ্বিয়া আৰু মণ্টেনিগ্ৰোক লৈ গঠিত যুগ'শ্লাভিয়াই পূৰ্বৰ সন্মানযুক্ত আসনখন অধিকাৰ কৰি থাকিব নোৱাৰে,—যিহেতু ফাটি যোৱা গণৰাজ্য ক্ৰ'য়েছিয়াৰ দৰে সংকুচিত যুগ'শ্লাভিয়ায়ো নতুনকৈ আবেদন কৰিব লাগিব। আনকি ইছলামিক সদস্যসকলৰ মাজতে এই লৈ তীব্ৰ মতভেদ হোৱাত ৰাষ্ট্ৰসংঘৰ সিদ্ধান্তলৈ বাট চাই বিষয়টো অচল অৱস্থাতে থাকি গ'ল। কোৱা বাহুল্য যে যুগ'শ্লাভিয়া প্ৰসংগত ৰাষ্ট্ৰসংঘৰ ভূমিকাত ভালেমান নাম সদস্য অসন্তুষ্টহৈছে। আনহাতে, এসময়ত নামৰ পৰা ওলাই যোৱা পূৰ্বৰ ব্ৰহ্মদেশ আৰু এতিয়াৰ মিয়ানমাৰে ১৪ বছৰৰ পাছত পুনৰ সদস্যপদৰ বাবে আবেদন জনোৱাত ভাৰতকে ধৰি অনেক ৰাষ্ট্ৰই ইয়াৰ বিৰোধিতা কৰিছিল। অৱশেষত মিয়ানমাৰক সদস্য হিচাপে স্বীকৃতি দিলেও এই কাৰ্যই নামৰ স্বৰূপ উদঙাই দিলে। কিয়নো, শান্তিৰ নোবেল বঁটা বিজয়িনী আং চান ছু কিৰ নেতৃত্বত দেশখনত চলা গণতান্ত্ৰিক আন্দোলনক সামৰিক প্ৰশাসনে নিষ্ঠুৰভাৱে দমন কৰা অৱস্থাত মিয়ানমাৰলৈ সদস্য পদ আগবঢ়াই আচলতে জাকাৰ্টা সন্মিলনে একপ্ৰকাৰে নামৰ নীতি আৰু আদৰ্শৰ বিপৰীতে কাম কৰিলে। ঠিক তেনেদৰে সদস্য দেশসমূহৰ দ্বিপাক্ষিক-বিষয়সমূহ নামৰ মজিয়াৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰাৰ পাছতো প্ৰথম দিনতে পাকিস্তানৰ দ্বাৰা কাশ্মীৰ সমস্যা উত্থাপন আৰু ভাৰতৰ সন্মিলন কক্ষ ত্যাগৰ ঘটনাটোৱে সদস্য ৰাষ্ট্ৰসমূহৰ মাজত চলি থকা তীব্ৰ মত-পাৰ্থক্যৰ কথাকে সূচনা কৰিছে। এনেদৰে উপযুক্ত নেতৃত্ব আৰু সদস্য ৰাষ্ট্ৰসমূহৰ মাজত সদিচ্ছাৰ অভাৱ ঘটি থাকিলে গোষ্ঠী নিৰপেক্ষ আন্দোলনে ইতিমধ্যে গ্ৰহণ কৰা নীতি আৰু আদৰ্শ বাস্তৱত ৰূপায়িত কৰাটো কঠিন হৈ পৰিব, আৰু চলিত আন্তঃৰাষ্ট্ৰীয় ধাৰাত ই অপ্ৰাসংগিক হোৱাৰ সম্ভাৱনা থাকিব।





# সীমাৰ পৰিধি ভেদি

বিছ

ড. লক্ষ্মীনন্দন বৰা

পো নতে যাব লাগিব প'ৰ্টহ'প নামে ঠাইলৈ। এই ঠাই পিটাৰব'ৰো আৰু টৰণ্ট'ৰ মাজত। তাত গকুল শৰ্মাৰ হাবি এখন আছে। তাতে বনভোজ খোৱা হ'ব। পিটাৰব'ৰোৰ পৰা তালৈ ড. চক্ৰৱৰ্তী আৰু অণিমাও আহিব।

এই পৰিকল্পনা আগ দিনাই কৰা হৈছিল। ফোন যোগে। নৃত্যেন বৰুৱাৰ ঘৰতে। তেওঁ আমাক ৰাতি খাবলৈ মাতিছিল। তেওঁ থাকে মিছিছৌগা নামৰ ঠাইত। তেওঁ ৰসায়নবিদ। গ্লাক্সো কম্পেনিত কাম কৰে। তেওঁ যোৰহাটৰ মানুহ। প্ৰাক্তন এম. পি. ৰাজেন বৰুৱাৰ পুতেক। বিয়াও কৰাইছে মোৰ এগৰাকী ছাত্ৰী অৰুন্ধতী বৰুৱাক। মই কানাডাত দ্বিতীয় বাৰ ভৰি দিয়াৰ দিন ধৰি 'কেতিয়া আমাৰ তালৈ আহিব' বুলি অৰুন্ধতীয়ে বাৰে-বাৰে ফোন কৰি আছিল। তেওঁ গাৰ্হস্থ্যবিজ্ঞানৰ পুষ্টিবিজ্ঞান শাখাৰ এম. এছ. ছি.। ৰাজেন বৰুৱাৰ আৰু এজন পুতেক নৃপেন বৰুৱা আমেৰিকাৰ কনেকটিকাট ৰাজ্যৰ ব্ৰুকফিল্ডত থাকে। তেওঁ আমেৰিকাৰ এজন বিশিষ্ট আহাৰবিজ্ঞানী। তাৰ বিখ্যাত সাতজন আহাৰবিজ্ঞানীৰ ভিতৰত তেওঁৰ নাম আছে। তেওঁ 'জেনেৰেল ফুড কম্পেনি' নামৰ এটা প্ৰতিষ্ঠানত কাম কৰে।

ৰাতি অৰুন্ধতীহঁতৰ ঘৰৰ পৰা গকুল শৰ্মাৰ ঘৰলৈ আহোঁতে যথেষ্ট পলম হৈছিল। ৰাতিপুৱা মোৰ টোপনি ভগা নাছিল। কিন্তু শৰ্মাৰ ঘৰৰ সকলোৱেই প'ৰ্টহ'পলৈ যাবলৈ খদমদম লগালেই।

আমি সেই ঠাই চাৰি ঘণ্টামানৰ মূৰত পালোগৈ। প'ৰ্টহ'প উদ্যোগপ্ৰধান ঠাই। কিন্তু চৌপাশে বিস্তীৰ্ণ সেউজ পথাৰ দেখা যায়। প্ৰশস্ত পথত অন্য ঠাইৰ দৰেই লানি নিছিগা গাড়ীৰ সোঁত। গকুল শৰ্মাই কিনি লোৱা বাৰীখন স্বাভাৱিক ডাঠ হাবি এখনৰ দৰে। মাজেদি জুৰি এটাও বৈ গৈছে। সেই খৰস্ৰোতা জুৰিটোৰ তেওঁৰ মাটিত থকা অংশটো তেওঁৰেই সম্পত্তি। কোনোবা এটা ঋতুত জুৰিটোত মাছ ভৰ্তি হৈ থাকে। টোঁত জীয়ন দিয়া মাছৰ দৰে তাত হাত দুখনেৰেই মাছ ধৰিব পাৰি। কানাডাত মাছৰ এনে প্ৰাচুৰ্যৰ মূল কাৰণ হ'ল এয়ে যে কোনেও পেটত কণী থকা অৱস্থাত মাছ নামাৰে। তেতিয়া মাছ মাৰিলে আইনমতে জগৰীয়াও হয়। মানুহে দেশৰ আৰু প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ স্বাৰ্থত এই কাম কৰে।


শৰ্মাই কিনি লোৱা হাবিখন ঘাই পথটোৰ দাঁতিতে। তাত দুটা ঘৰ আছে। এটা ঘৰ সম্পূৰ্ণৰূপে আৰু আনটো ঘৰৰ এটা মহলৰ কোঠাকেইটা তেওঁ ভাৰা দিছে। তেওঁৰ হাবিখনৰ কালি প্ৰায় দৈৰ্ঘ্য বিঘামান হ'ব। তাৰে জুৰিৰ পাৰৰ আৰু ঘৰ এটাৰ ওচৰৰ এডোখৰ মুকলি ঠাইত আমাৰ বনভোজৰ ব্যৱস্থা হ'ল। পিটাৰব'ৰোৰ পৰা ড. চক্ৰৱৰ্তী আৰু অণিমা আহি পালেহি। দুয়োটা পৰিয়ালে গাড়ীত ফল্ডিং চেয়াৰ আৰু টেবুলৰ পৰা আৰম্ভ কৰি বনভোজত প্ৰয়োজন হোৱা সকলো বস্তু লৈ আহিছিল। কেছেটত গান বাজিছিল, সুখাদ্য ৰান্ধি থকাৰ ক্ষুধা বৃদ্ধিকৰ গোন্ধটোও নাকত লাগিছিল, আড্ডাও চলিছিল, মাজে-মাজে কফি আৰু চাহপানী চলিছিল, শৰ্মাৰ ছোৱালী দুজনীয়ে (দেবী আৰু দানী) শহা পছুৰ পোৱালিৰ দৰে লৰা-ঢপৰা কৰি ফুৰিছিল। ল'ৰা-ছোৱালী কেইটাত বাদে তেওঁলোক সকলোৱেই ৰন্ধা-বঢ়াত পাকৈত। মইহে শালৰ মাজত শিঙী। মই প্ৰশস্ত পথটোত মটৰ গাড়ীৰ তীব্ৰ গতি চাই ভাবত বিভোৰ। মই আমেৰিকা আৰু কানাডাৰ ভাগ্যবান মানুহবোৰৰ কথা ভাবিছিলোঁ। দুয়োখন দেশৰে ঐশ্বৰ্য-সমৃদ্ধি চমকপ্ৰদ। তাৰ বাবে প্ৰকৃতিয়েও অকৃপণ দান আগ বঢ়াইছে। তাতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ আৰু মানুহৰ প্ৰচেষ্টাৰ ঐকান্তিকতাই দেশ দুখনক সপোন ৰাজ্য কৰি ৰাখিছে। সেই দেশ, সেই প্ৰাচুৰ্যভৰা প্ৰান্তৰ মই এৰি গৈ দুদিনৰ পাছত সোমাবগৈ লাগিব নিজ দেশৰ বিশৃংখলতা আৰু সীমাহীন দাৰিদ্ৰ্যৰ মাজত। কিন্তু দুদিনৰ পাছৰ ওভতনিৰ কথা ভাবি ভালেই লাগিছিল। কাৰণ বান, বোকা, ধূলি, অভাৱ, হৈ-চৈ, দুস্তৰ জীৱন-গণ্ডী, অন্যায়-অবিচাৰ,—এইবোৰ আমাৰ মজ্জাৰ মাজত সোমাই এতিয়া জীৱনৰ এটা অংগ হৈ পৰিছে আৰু সেইটো জীৱনে বহু দূৰৰ সীমাৰ পৰিধি ভেদি মোক কুৰুলিয়াই মাতিছে। মোৰ কেলিফৰ্নিয়া, ছানফ্ৰান্সিস্কো, লছ এঞ্জেলছ, হলিউদ, ডিজনিলেণ্ড আদিৰ কথা ভাবিবলৈ মন যোৱা নাই। মোৰ দেশতনো কি নাই? মোৰ দেশক অন্ততঃ শীতৰ বৰফে ঢাকি প্ৰকৃতিক বন্দিনী কৰি নৰয়; মোৰ দেশতো বৃন্দাবন উদ্যান আছে, কাশ্মীৰ আছে, বিভিন্ন স্বাস্থ্যনিবাসকেন্দ্ৰ আছে, নৰ্থ কেৰ'লিনাৰ নিচিনা সুন্দৰ জলবায়ুৰ মহীশুৰ-বাংগালোৰ আছে। আৰু আছে বিভিন্ন পৰ্যায়ৰ দাৰিদ্ৰ্য আৰু সচ্ছলতা। দোষে-গুণে মোৰ দেশেইহে ৰম্যভূমি।...

বনভোজ উপভোগ কৰাতকৈ মই খাদ্যহে বেছি উপভোগ কৰিলোঁ। ড. ঈশ্বৰ চক্ৰৱৰ্তীয়ে অতিশয় জুতি লগা মুৰ্গীৰ ৰ'ষ্ট বনাই বনভোজৰ নায়ক হোৱাৰ যোগ্যতা অৰ্জন কৰিলে আৰু সদ্যবিবাহিতা স্ত্ৰীক ৰন্ধন-পটুতাৰে প্ৰশংসামুগ্ধা কৰিলে।

দুপৰ পাৰ হ'ল। চোকা ৰ'দ দিয়া বেলিটো লহিয়ালে। আমাৰ আনটো যাত্ৰা আৰম্ভ হ'ল।

আমি পিটাৰব'ৰো ডেৰ ঘণ্টাৰ পাছত পোৱাৰ কথা। তালৈ যাওঁতে এখন তীব্ৰবেগী

পিটাৰব'ৰোৰ এখন নদী আৰু লুইছ গেটৰ ওচৰত লেখক আৰু অণিমা চক্ৰৱৰ্তী



OKDISCD



লণ্ডনৰ নিজা ঘৰৰ পিছফালে লেখক আৰু গকুল শৰ্মা

ৰেলগাড়ী দেখিলো। কিন্তু দৃশ্যটো সাধাৰণ নাছিল। ৰেলগাড়ীখন আছিল যথেষ্ট ওখ আৰু দুমহলীয়া, অৰ্থাৎ ডবল ডে'কাৰ ট্ৰেইন। ডবল ডে'কাৰ বাছ দেখিছিলো ; এয়ে প্ৰথমবাৰ ডবল ডে'কাৰ ৰেলগাড়ী দেখিলো।

ড. ঈশ্বৰ চক্ৰবৰ্তীৰ পাৰাটোত একে ধৰণৰ ভালেমান ঘৰ। তেওঁৰ ঘৰটো নতুন। কাষত গছ পুলি ৰোৱা আৰম্ভ কৰিছেহে মাথোন। পিছ ফালে আছে এখন সযত্নপালিত মিহি ঘাঁহনি। আমাৰ ছজন আলহী ৰাখিবলৈ তেওঁৰ অকণো অসুবিধা হোৱা নাছিল।

পাছদিনা পুৱাহে পিটাৰব'ৰো এৰাৰ সময়ত ইয়াৰ আচল ৰূপটো দেখিলো। আচলতে ই বিশ্ববিদ্যালয় নগৰীহে। এখন ওখ গৰাৰ সৰু নদীৰ পাৰত ধুনীয়াকৈ পতা ট্ৰেণ্ট বিশ্ববিদ্যালয়। তাৰে চেমপ্লেন কলেজৰ গণিত বিভাগত ঈশ্বৰ চক্ৰবৰ্তী অধ্যাপক। তেতিয়া তেওঁ অধ্যক্ষও হৈ আছিল। তেওঁ অধ্যক্ষৰ আসনখন আৰু কাৰ্যালয়টো আমাক দেখুৱাই বোধকৰোঁ আনন্দ পাইছিল আৰু আমিও অসমীয়া মানুহ হিচাপে বৰ গৰ্ববোধ কৰিছিলো।

আগতেই কৈছোঁ যে কানাডা সৰোবৰৰ দেশ। আমি ঘূৰি-ঘূৰি সৰোবৰ আৰু নদী এখনৰ আচৰিত ধৰণৰ পানীৰ উচ্চতা বঢ়োৱা-কমোৱা গেইট এটা চালো। সুন্দৰ প্ৰকৃতিৰ মাজত আমাৰ ফটোও ললো। চক্ৰবৰ্তী দম্পতিক এৰি আহি আমাৰ সঁচাকৈয়ে বৰ বেয়া লাগিল।

চক্ৰবৰ্তীৰ কথা কেইটামান মোৰ কাণত বাজি থাকিল। তাত আমেৰিকাৰ দৰে শ্ৰমৰ মৰ্যাদা আছে। সেই ঠাইৰ এম. পি. এজনৰ পুতেক তেওঁ কাম কৰা কলেজখনতে প'ৰ্টাৰ অৰ্থাৎ পিয়ন। কিন্তু ডেকাজনে এজন অধ্যাপকৰ সমানেই খৰচ কৰিব পাৰে। তেওঁ পাৰ্টি দিলে অধ্যাপকসকলকো মাতে। তেওঁৰ মতে কানাডাত জাতিবিদ্বেষ সমূলি চকুত নপৰে। আৰু তাৰ মানুহে প্ৰবাসীসকলকো বেয়া চকুৰে নাচায়।

আমি উভতি আহিছিলো আন এটা বাটেৰে। ৰাইছ সৰোবৰৰ পাৰেদি। তাত মাছ মৰা আৰু পাৰৰ ধান খেতিৰ কথা শৰ্মাদম্পতিৰ মুখে মুগ্ধ হৈ শুনিছিলো। এডোখৰ উল্লেখযোগ্য ঠাই পাইছিলো। নাম ওছাৱা (Oshawa)। ইয়াত থকা নিউক্লীয় প্ৰকল্পটোৱে কানাডাৰ এটা বুজন অঞ্চলত বিজুলী শক্তিৰ যোগান ধৰে। তাতে পৃথিৱীৰ সৰ্ববৃহৎ খাদ্য বস্তুৰ বিপণিখন আছে।

বাটত আৰু দুটা বস্তুৱে মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। পথাৰৰ মাজৰ এডোখৰ ঠাইত মটৰ গাড়ীৰ জকা কিছুমান দম হৈ পৰি আছে। ইয়াত পুৰণি মটৰ গাড়ী পেলাই থোৱা হয়। ইয়ো এটা ব্যৱসায়। সেই মাটিডোখৰ যিটো মানুহৰ সি শবদেহৰ দৰে পুৰণি মটৰগাড়ী 'সৎকাৰ' কৰিবৰ বাবে গাড়ীয়ে প্ৰতি এশ ডলাৰকৈ লয়। সিফালে গাড়ীখন ভাঙি পুনৰ ব্যৱহাৰ কৰিব পৰা বস্তুখিনি বিক্ৰি কৰে।

আনটো দৃষ্টি আকৰ্ষণ কৰিব পৰা বস্তু হ'ল মটেল। ইয়াৰ অন্য নাম মটৰ ইন। ই এবিধ মটৰৰ সৈতে থাকিব পৰা হোটেল। এটা মটেলে বহু ঠাই অধিকাৰ কৰি থাকে আৰু ভালেমান মানুহ থকাৰ ব্যৱস্থাও ৰাখে। ওচৰত গেছ ষ্টেশ্যন, ছাৰ্ভিছিং ষ্টেশ্যন আদি যাত্ৰীৰ সকলো সুবিধাও থাকে। ঘাই পথৰ কাষৰ জনহীন ঠাইত থকা মটেলবোৰ দেখি মোৰ আমাৰ দেশৰ লাইন হোটেলবোৰলৈ বৰ মনত পৰিছিল।

প'ৰ্টহ'প চহৰৰ উপকণ্ঠত এটা মটেল দেখিলো। সেইটোৱেই হেনো কানাডাৰ ভিতৰত সৰ্ববৃহৎ মটেল। ইয়াৰ মালিকজন শিখ। তেওঁৰ আন কাৰবাৰো আছে। তেওঁ অঞ্চলটোৰ এজন উল্লেখযোগ্য চহকী মানুহ।

আমেৰিকাত ভৰি দিয়া দিন ধৰি শুনি আহিছিলো যে গুজৰাটীসকলে মটেলৰ ব্যৱসায়ত চাহাবহঁতক চেৰ পেলাইছে। নিউ য়ৰ্ক আৰু নিউ জাৰ্ছি ৰাজ্যৰ বেছি ভাগ মটেলেই হেনো গুজৰাটী আৰু শিখৰ। কানাডাতো একেই। মটেল ব্যৱসায়ত ভাৰতীয়সকলৰ এনে সাফল্যৰ কাৰণ নথকা নহয়। তাত মালিকৰ অঙহী-বঙহী সকলোৱেই কাম কৰে কাৰণে পৰিচালনাৰ খৰচ খুব কম হয়।

২৯ জুলাই। কানাডাত থকাৰ শেষ দিন। মই পাছ দিনা ৰাতি এঘাৰ বজাত টৰণ্ট'ৰ পৰা দিল্লীলৈ যাব লাগিব যদিও বিমানকোঠত চাৰে সাত বজাতে হাজিৰ হ'ব লাগিব বুলি এয়াৰ ইণ্ডিয়াৰ অফিছে ফোন যোগে জনালে।


শেষ দিনটো টৰণ্ট' চহৰ ভালকৈ চোৱাৰ কথা। পোনতে গাড়ীৰে তাৰে য়ৰ্কডেল ৰেলৱে ষ্টেশ্যনলৈ গ'লো। তাত গাড়ীখন থবলৈকে বহুত পৰ ঘূৰাপকা কৰিবলগীয়া হ'ল। সেই ৰেলৱে ষ্টেশ্যনটো থকা অঞ্চলটোৱেই টৰণ্ট'ৰ আটাইতকৈ ব্যস্ত অঞ্চল। মানুহৰ ভিৰ যথেষ্ট।

আচলতে আয়তনৰ ফালৰ পৰা কানাডা পৃথিৱীৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ দেশ (৯৯৭০০০০ বৰ্গ কিল'মিটাৰ) যদিও ইয়াৰ শতকৰা ৮৯ ভাগ ঠাইত মানুহে স্থায়ীভাৱে বসবাস নকৰে। স্থলভাগৰ আধা অংশত অৰণ্য। ঘন বসতি অঞ্চল মাথোন দুখন প্ৰদেশহে। অণ্টাৰিঅ' আৰু কুইবেক। ইয়াকে মধ্য কানাডা বোলে। ইয়াৰ আয়তন ২৬০৯২৭৪ বৰ্গ কিল'মিটাৰ। দেশৰ আয়তনৰ এক চতুৰ্থাংশ। ইয়াতেই কানাডাৰ জনসংখ্যা ঘনীভূত হৈছে। ইমান ডাঙৰ দেশখনৰ জনসংখ্যা মাথোন ২৫,৬২৫,০০০ অৰ্থাৎ আঢ়ৈ কোটিতকৈ অলপহে বেছি।

টৰণ্ট' অণ্টাৰিঅ' প্ৰদেশত। ইয়াৰ জনসংখ্যা ত্ৰিছ লাখ। ই কানাডাৰ ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰ। মহানগৰীখন বেচ ধুনীয়া। বহুত বহুমহলীয়া অট্টালিকাৰ ৰুচিসন্মত বিন্যাসে আৰু অণ্টাৰিঅ' সৰোবৰে মহানগৰীখনক এক মনোমোহা বৈশিষ্ট্য দান কৰিছে। তাৰ চৌদিশে পৰিচ্ছন্নতা, সমৃদ্ধি আৰু আধুনিকতাৰ চিন।

আমি যোৱাৰ কথা টৰণ্ট'ৰ আন এটা এলেকালৈ। সেই এলেকাটো হ'ল ইউনিয়ন ৰেল ষ্টেশ্যন এলেকা,—যাৰ নিচেই ওচৰতে আছে সাগৰ যেন অণ্টাৰিঅ' সৰোবৰ আৰু তাৰ মাজত এটা দ্বীপ। এই দ্বীপটো খুব ধুনীয়াকৈ ৰখা হৈছে। ই পৰ্যটকৰ প্ৰধান আকৰ্ষণৰ বস্তু হৈ পৰিছে।

আমি পাতাল ৰেলেৰে ইউনিয়ন ৰেলৱে ষ্টেশ্যন পালোগৈ। এই এলেকাটো বজাৰ-সমাৰৰ বাবে বিখ্যাত। ইয়াতে পৃথিৱীৰ সৰ্বোচ্চ স্তম্ভটো আছে। তাকে ওচৰৰ পৰা চাই নিৰ্মাণকাৰ্যৰ দক্ষতা দেখি অভিভূত হ'লো। স্তম্ভটোৰ নাম ছি. এন. টাৱাৰ (C.N. Tower) অৰ্থাৎ কানাডা নেশ্যনেল টাৱাৰ। আচলতে টাৱাৰ মানে দুৰ্গ। কিন্তু তাক দুৰ্গ যেন নেদেখি। মীনাৰ বা স্তম্ভ বোলাই ভাল। ছি. এন. টাৱাৰৰ উচ্চতা ৫৫৩ মিটাৰ। উচ্চতাৰ ফালৰ পৰা দ্বিতীয় টাৱাৰটো আছে ছোভিয়েট ৰাছিয়াত। তাৰ উচ্চতা ৫৩৭ মিটাৰ।



পিটাৰব'ৰোৰ এটা মনোমোহা পৰিবেশত লেখকৰ সৈতে ঈশ্বৰ চক্ৰবৰ্তী আৰু গকুল শৰ্মাৰ পৰিয়াল

ছি. এন. টাৱাৰৰ কাষত পঞ্চাছ-ষাঠি মহলীয়া অট্টালিকাবোৰ বাওনা যেন লাগিল। এই টাৱাৰে টৰণ্ট' মহানগৰীৰ ওপৰত আধিপত্য চলাইছে। মহানগৰীৰ সকলো ঠাইৰ পৰাই টাৱাৰটো দেখা যায়। তাৰ কাষতে বৃহৎ বজাৰবোৰ আছে। তাতে বিপণন কেন্দ্ৰ এটা দেখিলো। তাৰ তলত তিনিটা মহলা। এই অঞ্চলৰ বজাৰখনৰ (shopping centre) মুঠ কালি হ'ব হেনো প্ৰায় এঘাৰ বৰ্গমাইল।

আমি ইয়াৰ পাছত সৰোবৰৰ পাৰলৈ গ'লো। তাত বহু ধৰণৰ নাও দেখিলো। এখন বৃহৎ ফেৰিত উঠি সৰোবৰৰ মাজত সজাই-পৰাই ৰখা দ্বীপটো পালোগৈ। তাত শাৰী-শাৰী অচিন গছ আছে, বহু অচিন ফুলৰ ফুলনি আছে, ৰ'দ লোৱা ঠাই আছে। সেই দ্বীপটোৰ কি নাম আছিল জানিছিলো। এতিয়া পাহৰি গ'লো। ইয়াকে মাত্ৰ মনত আছে যে সপোনত দেখা দিয়া পৰীৰ দেশ যেন লগা সেই দ্বীপটো কানাডাৰ এটা প্ৰধান পৰ্যটক কেন্দ্ৰ। সেই দ্বীপটো এৰি ফেৰিত উঠাৰ সময়ত মোৰ মনটো বৰ বিষণ্ণ হৈ পৰিছিল।

পাছদিনা সন্ধিয়া বিমানকোঠত গকুল শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ প্ৰত্যেকেই—দীপালী, দেবী আৰু দানীয়ে—মোক শেষ বিদায় দিয়াৰ দৃশ্যটো সঁচাকৈয়ে মৰ্মস্পৰ্শী আছিল। তেওঁলোক সকলোৰে ধাৰণা হৈছিল হেনো যে মই গুচি অহাৰ পাছত পৰিয়ালটোৰ জীৱনৰ বহুত সৰস মুহূৰ্ত আৰু বিচাৰি পোৱা নাযাব।

এ-আই ১৮৪। তাতে উঠিব লাগিব। এয়াৰ ইণ্ডিয়াৰ এই বিমানখন এবাৰ 'হাইজেক' কৰা হৈছিল বাবে নিৰাপত্তাৰক্ষী মানুহে মোক আৰু বাকছ কেইটাক বহু বাৰ খানাতালাচ কৰিছিল। এই কাৰ্যই সকলো যাত্ৰীকে হাৰাশাস্তি কৰিছিল। সকলোকে 'চেকিং' কৰিবলৈ প্ৰায় আঢ়ৈ ঘণ্টা সময় লাগিছিল। সেইবাবেই চাৰে সাত বজাতে মই তাত হাজিৰ হ'বলগীয়া হৈছিল।

হঠাতে লণ্ডনৰ বিমানকোঠত অৰ্থাৎ হিথ্ৰোত দেব বৰাক পালো। তেওঁ তাৰ পৰা মোৰ লগতে অৰ্থাৎ একেখন বিমানতে দিল্লীলৈ যাব। একেলগে অসমলৈকো যাব। তিনি দিনৰ আগতে তেওঁ মাকৰ টান নৰিয়াৰ খবৰ পালে বাবে ঘৰলৈ আহিছে।

দিল্লী পাই আমি তাতে দুদিন থাকিলো। একেখন বিমানেৰে গুৱাহাটীলৈ অহাৰ পৰাই আমাৰ অঘটন ঘটা আৰম্ভ হ'বলৈ ধৰিলে আৰু ভ্ৰমণৰ অন্ত পৰিল চানমাৰি ফ্লাই অ'ভাৰৰ ওচৰত—এক স্মৰণীয় এণ্টিক্লাইমেক্সেৰে।

বাগডোগৰাত আমাৰ বিমানখন দুঘণ্টা ৰ'ল। কাৰণ বৰষুণ বেছি হোৱাৰ বাবে বিমান বৰঝাৰত নামিব নোৱাৰে। আমি দুঘণ্টা পলমকৈ বৰঝাৰ বিমানকোঠত নামিলো। মই, দেব বৰা আৰু বঙাইগাঁৱৰ শোধনাগাৰৰ (বি. আৰ. পি. এলৰ) অফিছাৰ বসন্ত দাস মালবস্তু লৈ এখন টেক্সিত উঠিলো। দেব বৰা মালবস্তু লৈ পাণ বজাৰত নামিল। মই আৰু বসন্ত দাস আহিলো পল্টন বজাৰলৈ। তাত যোৰহাটলৈ যোৱা বাছ নাপালো। দহ বজাৰ বাছখন পাঁচ মিনিটমানৰ আগতে গুচি গ'ল। বসন্ত দাস যাব ৰাধা গোবিন্দ বৰুৱা পথৰ শহুৰেকৰ ঘৰলৈ আৰু মই যাম বামুণী মৈদামৰ বাসিন্দা মোৰ ভতিজা শৰতৰ ঘৰলৈ। গতিকে ৰাধা গোবিন্দ বৰুৱা পথেদি গৈ বসন্ত দাসক শহুৰেকৰ ঘৰত নমাই থৈ মই টেক্সিখন লৈ বামুণী মৈদামলৈ যোৱাৰ কথা আছিল। কিন্তু ভবা মতে কাম নহ'ল।

সেই দিনা আছিল আগষ্টৰ তিনি তাৰিখ (১৯৯১)। অলপ আগতে গুৱাহাটীত প্ৰবল বৃষ্টি হৈছিল। তাৰ ফলত তাৰ ভালেমান ৰাস্তাত নাও চলাৰ অৱস্থা।

আমি গণেশগুৰি পাই জানিলো যে ৰাধা গোবিন্দ বৰুৱা পথত পানী, টেক্সি যাব নোৱাৰে। টেক্সি উভতিল। টেক্সি ড্ৰাইভাৰে ঘূৰাই-পকাই আমাক ৰাজগড় পথেদি কোনো মতে চানমাৰি পোৱালেহি। তাৰ পৰা অৱশ্যে বসন্ত দাসৰ শহুৰেকৰ ঘৰলৈ যাব পাৰি। কিন্তু মোৰ অৱস্থাহে সংগীন। সেই ঠাইৰ পৰা বামুণী মৈদামৰ 'অনুৰাধা'লৈকে ৰাস্তাত দোকোল-টকা পানী। সেই ফালে কোনো যানবাহন যোৱা নাই। টেক্সি ড্ৰাইভাৰে মোক ক'লে যে তাৰ পৰা মই ৰিক্সাত যোৱাই ভাল হ'ব ; ৰিক্সাই টানি-টানি লৈ যাব পাৰিব ; কিন্তু ইমান পানীৰ মাজেদি টেক্সি নচলে। ইঞ্জিনত পানী সোমালে ষ্টাৰ্ট বন্ধ হৈ যাব। গতিকে ফুটপাথত মালবস্তুৰে সৈতে মই নামিলো। ক'ৰবাৰ পৰা এখন ৰিক্সা ওলালহি। বসন্ত দাসে তাতে মোৰ মালবস্তুবোৰ ৰাখিলে। তেওঁক দঢ়াই-দঢ়াই কোৱাত তেওঁ খুব অনিচ্ছাৰে মোক এৰি একেখন টেক্সিতে গুচি গ'ল। অলপ পৰৰ পাছত ৰিক্সাৱালাটোৱে ক'লে, "বাবু, আৰু এঘণ্টা ৰ'ব লাগিব। অলপ পানী কমিলেহে ৰিক্সাখন টানি-টানি নিব পাৰিম।"

তাৰ কথা মানি ললো। মই এতিয়া প্ৰায় এঘণ্টা ফুটপাথত। কাষৰে চপচপীয়া পানীত মোৰ চাৰিটা বাকচসহ ৰিক্সাখন। মই চৌপাশে এনেয়ে চাইছোঁ। মোৰ ভাব হৈছে—কোনো এক বিশেষ জলাশয়ৰ মাজতহে যেন গুৱাহাটীৰ ঘৰ-দুৱাৰবোৰ থিয় দি আছে।

এঘণ্টালৈ দহ মিনিটমান থাকোঁতে ৰিক্সাৱালাই ক'লে, "বাবু উঠক। বাকছ এটা একাষে লওক, এটা বুকত আকোঁৱালি লওক।"

মই তেনেভাৱে আহি ভতিজা শৰত বৰাৰ ঘৰ পালোঁহি। —"তোৰ এঘণ্টা ৰবলৈ ইমান ধৈৰ্য হ'লনে ?" —বুলি সি সোধাহেঁতেন মই তেতিয়া এনেকৈ ক'লোহেঁতেন, "হাজাৰ হওক মই যোৰহাটৰ বাসিন্দা। তাত বিজুলী তাঁৰত একেৰাহে তিনি-চাৰি ঘণ্টা বিজুলী সোঁত নবলাকৈ থাকে। আমি আন্ধাৰত ডুবি থাকোঁ। পাইপতো বহু ঘণ্টা পানী নাহে। আৰু, সঘনে ঘোলা পানী আহে। ওখোৰা-মোখোৰ ৰাস্তাবোৰ এতিয়া জানো তই দেখিছ ? গাড়ী মটৰৰ কথা বাদেই, খোজকঢ়াও সহজ কাম নহয় ...।"

(অন্ত)


# নামঘৰীয়া

এজন সাধাৰণ মানুহৰ অসাধাৰণ গল্প

অতুলানন্দ গোস্বামী

বেচ ২০.০০ টকা

পৰিবেশক

**জ্যোতি প্ৰকাশন,** গুৱাহাটী—১

# সত্ৰীয়া নৃত্য ঃ ডঃ মহেশ্বৰ নেওগৰ প্ৰশ্ন আৰু আমাৰ স্পষ্টীকৰণ

পুষ্পা ভূঞা



প্ৰান্তিকৰ যোৱা ১৬।৬।৯২ তাৰিখৰ সংখ্যাত ড. মহেশ্বৰ নেওগে সত্ৰীয়া নৃত্যৰ বিষয়ে লিখা আলোচনা এটিত আমাৰ বিষয়ে আৰু বৰবায়ন টংকেশ্বৰ হাজৰিকাৰ বিষয়ে কিছুমান ভুল উক্তি দিছে। যোৱা ডেৰ মাহৰো বেছি কাল আমি কাৰ্যবশতঃ অসমৰ বাহিৰত থাকিব লগা হোৱাত সেইখিনি আমাৰ এতিয়াহে দৃষ্টিগোচৰ হৈছে। ড. নেওগলৈ আমাৰ শ্ৰদ্ধা আছে; কিন্তু এই ভুল বিৱৰণীৰ বিপক্ষে মাত নমতাকৈ থকাটো উচিত নহ'ব।

ড. নেওগে আমাক ব্যক্তিগতভাৱে আক্ৰমণ কৰি লিখিছে ঃ —"সত্ৰীয়া নৃত্যৰ গৱেষণা কৰা ভূঞা দম্পতিয়ে কথায়-কথায় গৱেষণা শব্দটো ব্যৱহাৰ কৰা দেখা পাই আমি সুধিছিলো, আমিও গৱেষণা জীৱন জোৰাকৈ কৰিলো, একুৰিৰো ওপৰ পি. এইচ. ডি ডক্তৰো উৎপাদন কৰিলো, কিন্তু আপোনালোকৰ গৱেষণাৰ পদ্ধতিবোৰ বুজি উঠিব পৰা নাই। আপোনালোকৰ গৱেষক কোন ? বিষয় কি ? ছাত্ৰ কোন ? পথ দেখুৱা শিক্ষক কোন ? Informant কোন ? পদ্ধতি বা method-methodology কোনটো অৱলম্বন কৰিছে ইত্যাদি। দুয়ো গৰাকীয়ে অলপ থতমত খালে। কিন্তু ক'লে কোনো বিষয়ত সমস্যাত পৰিলে আমি গুৰুৰ (সেই তৰুণ বায়নজনৰ) কাষ চাপোঁ, আৰু তেৱেঁ আমাৰ সন্দেহ ভঞ্জন কৰে।" —ইত্যাদি।

ড. নেওগে সত্ৰীয়া নৃত্যৰ বিষয়ে বিভিন্ন আলোচনী, কাকত আদিত প্ৰকাশ পোৱা আমাৰ লেখাবোৰ পঢ়িছে। সত্ৰীয়া বৰবায়নসকলৰ প্ৰতি আমাৰ শ্ৰদ্ধা আছে। কিন্তু সেই লেখনীবোৰত আমি এটি অপ্ৰিয় সত্য স্পষ্টকৈ লিখিব লগীয়া হৈছিল। সেইটো হৈছে, সত্ৰীয়া নৃত্যৰ হেৰাই যোৱা শাস্ত্ৰীয় লক্ষণবোৰ কেনেকৈ উদ্ধাৰ কৰিব পাৰি সেই বিষয়ে সত্ৰৰ বৰবায়নসকল সকলো পিনৰ পৰা বিজ্ঞ নহয়। তেনেস্থলত আমি 'থতমত' খাই ড. নেওগক আমি সমস্যাত পৰিলে গুৰুৰ (সেই তৰুণ বায়নজনৰ) কাষ চাপোঁ, আৰু তেৱেঁ আমাৰ সন্দেহ ভঞ্জন কৰে,—এই বুলি কোৱাৰ প্ৰশ্ন উঠিব পাৰেনে ? আকৌ চাওক, আমাক গৱেষণা পদ্ধতিৰ নিচিনা সাধাৰণ কথা এটা সুধিবলৈ ড. নেওগে আমাৰ আগত আমিও গৱেষণা জীৱন জোৰাকৈ কৰিলো ; একুৰিৰো ওপৰ পি. এইচ. ডি. ডক্তৰো উৎপাদন কৰিলো এইবুলি পাতনি মেলিলেহেঁতেননে ? দকৈ ভাবি চাওক, এইবিলাক পাতনি "after thought" হয়নে নহয়। সাধাৰণতে ড. নেওগৰ নিচিনা মানুহ এজনে কথোপকথনত তেনেকুৱা কথাৰে পাতনি মেলিবনে ? এনেধৰণৰ পাতনিবোৰ কথোপকথনত নোলায়। ওলায় কাৰোবাক কিবা কাৰণত ব্যক্তিগতভাৱে আক্ৰমণ কৰিবলৈ ভাবিগুণি প্ৰস্তুত কৰা লেখনীতহে।

"আপোনালোকৰ গৱেষক কোন ? গৱেষণাৰ ক্ষেত্ৰ কি ? বিষয় কি ?" —এই বিলাক প্ৰশ্ন ড. নেওগে আমাক কেতিয়াও কৰা নাছিল। কাৰণ তেখেতে আমাৰ লেখাবিলাক পঢ়িছে। তদুপৰি আমাৰ ৬-৭ মে'ৰ ডেমনষ্ট্ৰেশ্যনলৈ নিমন্ত্ৰণ কৰি দিয়া চিঠিৰ লগত এই প্ৰশ্নবিলাকৰ উত্তৰ থকা চমু টোকা এটা তেখেতে আমাৰ আগতেই পঢ়িছিল। গতিকে এই প্ৰশ্নকেইটাৰ উত্তৰ তেখেতে জানিছিল। আমাৰ গৱেষক মই, মোৰ স্বামী শ্ৰীনব কমল ভূঞা, বৰবায়ন টংকেশ্বৰ হাজৰিকা, আৰু চৰিত পুথিৰ বিদগ্ধ পণ্ডিত বুঢ়াভকত শ্ৰীসোণাৰাম শৰ্মা। এই গৱেষণাত সহায় কৰিছে মূল কমলাবাৰী সত্ৰৰ বেছিভাগ নটুৱে গায়ন-বায়নে আৰু ইয়াৰ নিৰ্দেশনা দিছে সত্ৰাধিকাৰ প্ৰভুৱে। গৱেষণাৰ ক্ষেত্ৰ মূল কমলাবাৰী সত্ৰ, কাৰণ এইখন সত্ৰতেই সত্ৰীয়া নৃত্যৰ বিষয়ে তথ্যবোৰ আটাইতকৈ বেছিকৈ আছে। আমি সত্ৰলৈ যোৱাৰ বাহিৰেও যোৱা দুবছৰ ধৰি মূল কমলাবাৰী সত্ৰৰ বৰবায়ন, গায়ন, বায়ন আৰু নটুৱৈৰ বাছকবনীয়া দল এটাক আমাৰ ঘৰলৈ অনা হৈছিল এই গৱেষণাত সহায় কৰিবলৈ। বিষয় আছিল "সত্ৰীয়া নাচটি"।

"ছাত্ৰ কোন ? পথ দেখুৱা শিক্ষক কোন ?" আদি প্ৰশ্নবিলাকো ড. নেওগে আমাক কেতিয়াও সোধা নাছিল। কাৰণ তেখেতে ভালকৈ জানিছিল যে আমি বিশ্ববিদ্যালয়ৰ পি. এইচ. ডি. ডিগ্ৰি লবলৈ গৱেষণা কৰা নাই। আমাৰ লক্ষ্য আছিল খালী সত্ৰীয়া নৃত্যৰ শাস্ত্ৰীয় লক্ষণবিলাক উদ্ধাৰ কৰি নৃত্যটিলৈ শাস্ত্ৰীয় স্বীকৃতি অনা।

ড. নেওগে আমাক আমাৰ methodologyৰ বিষয়ে প্ৰশ্ন কৰিছিল। আমাৰ বোধেৰে তাৰ এটি কাৰণো আছিল। আমি তেখেতক কৈছিলো যে অকল বৰবায়নসকলৰ কথা শুনি সত্ৰীয়া নৃত্যৰ বিষয়ে ব্যাকৰণ লিখিবলৈ হ'লে সত্ৰীয়া নৃত্যত থকা বা হেৰাই যোৱা শাস্ত্ৰীয় লক্ষণবিলাকৰ বিষয়ে নিমাত হৈ থাকিব লগীয়া হ'ব, নাইবা ভুল বিৱৰণ দিয়া হ'ব। উদাহৰণ স্বৰূপে তেখেতে লিখা Satriya Dances of Assam and Their Rhythms" বোলা কিতাপখনত থকা কিছুমান উক্তিৰ শুদ্ধতাৰ বিষয়ে আমাৰ সন্দেহ হোৱাৰ কথা উনুকিয়াইছিলো। তেখেতে তেতিয়া আমাৰ পদ্ধতি কি সুধিছিল। আমি তেখেতক কৈছিলো—আমাৰ এটা মূল পদ্ধতি আছিল বৰবায়নসকলৰ পৰা তথ্য লোৱাৰ আগতে আমি বিচক্ষণ নটুৱৈক নচুৱাই-নচুৱাই, নৃত্যৰত নটুৱাৰ পাদচালন, হস্ত, দৃষ্টি, ভাব, ৰস আদিৰ পৰা শাস্ত্ৰীয় বা অনাশাস্ত্ৰীয় কি সম্ভেদ পাওঁ সেইখিনি জ‌ুকিয়াই লোৱা ; অৰ্থাৎ বৰবায়নৰ পৰা শুনা তথ্যক সত্য বুলি নাভাবি নৃত্যটিৰ কাৰ্যকৰী ৰূপটোৰ পৰাহে সত্যতাখিনি ঠাৱৰ কৰা। ড. নেওগৰ তালৈ আমি কেইবাদিনো গৈছিলো। তেখেতৰ লগত বহুত কথা পাতিছিলো। এতিয়া তেখেতৰ লেখনীৰ পৰাহে বুজিলো যে আমাৰ পদ্ধতিৰ আচল ৰূপটো তেখেতে বুজি উঠিব পৰা নাই। তেখেতৰ আৰু ৰাইজৰ জ্ঞাতাৰ্থে আমি সত্ৰীয়া নৃত্যৰ বিষয়ে কৰা গৱেষণাৰ মূল পদ্ধতিবিলাকৰ বিষয়ে তলত বহলাই লিখিলো। আমাৰ গৱেষণাৰ মূল পদ্ধতিটো আছিল এনেকুৱা ঃ

(১) বৰ্তমান প্ৰচলিত সত্ৰীয়া নৃত্য লানি মূল কমলাবাৰী সত্ৰত যেনেকৈ নাচে ঠিক তেনেকৈ শিকি লোৱা। আন সত্ৰলৈ যোৱাৰ প্ৰয়োজন বোধ নকৰিলো। কাৰণ মূল কমলাবাৰী সত্ৰতেই এইখিনি আটাইতকৈ বেছিকৈ আছে। ইয়াৰ বাহিৰে এখন-দুখন সত্ৰত "অপ্সৰা" বুলি এটি নৃত্য আছে। কিন্তু সেইটো শংকৰদেৱ-মাধৱদেৱৰ দিনৰ নহয় কাৰণে এতিয়াই সেই নৃত্যটিৰ বিষয়ে গৱেষণা কৰাৰ প্ৰয়োজন বোধ নকৰিলো।

(২) মূল কমলাবাৰী সত্ৰত থকা ৬৪খন আখৰা ধুনীয়াকৈ কৰি দেখুৱাব পৰা এজন বৰবায়ন আৰু পটু নটুৱৈ বিচাৰি উলিওৱা। বৰবায়নজনৰ গাত আমি আৰু যিকেইটা গুণ বিচাৰিছিলো সেই কেইটা হৈছে ঃ (ক) তেওঁ আটাইকেইখন "ধেমালি" সুচাৰুৰূপে কৰি সত্ৰৰ গায়ন-বায়ন উঠিলে তাৰ নেতৃত্ব দিব পৰা ; (খ) নৃত্যত লগা আটাইকেইখন তালৰ গা মন, ভাঙনি, ঘাত, চোক আদি কেনেকৈ বিস্তাৰ হৈছে সেইখিনি আমাক ভালদৰে বুজাই দিব পৰা ; (গ) নিজে সকলোবিলাক নাচ নাচিব পাৰেনে নোৱাৰে, অৰ্থাৎ তেখেত নিজেও এসময়ত নটুৱা আছিল নে নাই ; তেখেতৰ নৃত্যৰ লাস্য আৰু তাণ্ডৱ দিশটো পৰিষ্কাৰ হৈ ওলাই আহে নে নাহে ; (ঘ) শাস্ত্ৰীয় লক্ষণবিলাকৰ জ্ঞান আহৰণ কৰাৰ আন্তৰিকতা ; (ঙ) আমাৰ লগত লাগি থাকিবলৈ সময় উলিয়াব পৰা আৰু (চ) স্পষ্ট অনুসন্ধানৰ সময়ত ভুল কিবা ক'ব পাৰে বুলি ভয় খাই মুখ নেমেলা দোষটোৰ পৰা দূৰৈত থকা।

(৩) তাৰ পাছত সেই বৰবায়নজনৰ সহায়ত প্ৰতিখন আখৰাৰ প্ৰতিটো চালন, হাত, ভংগী, আদি ফঁহিয়াই-ফঁহিয়াই চোৱা। কোনোবা এখন আখৰাত যদি আমি অস্পষ্টভাৱেও শাস্ত্ৰীয় হস্ত এখন থকাৰ অনুমান পাওঁ তেন্তে সেই হস্তখন তালৈ কেনেকৈ আহিল, কিয় আহিল তাৰ বিচাৰ কৰা। এনেকৈয়ে আমি নিৰ্ণয় কৰিবলৈ সক্ষম হৈছিলো—কোনবিলাক আখৰা নাট্যশাস্ত্ৰৰ "কৰণ" সদৃশ, কোনবিলাক ভাৰত নাট্যমৰ "আদাভু" সদৃশ আৰু কোনকেইটা নৃত্যৰ অনুপযোগী খালী ব্যায়াম। আমি অনুসন্ধান কৰিছিলো সত্ৰীয়া নৃত্যত "অভিনয়" কৰোঁতে এই নৃত্যৰ ঐতিহ্য ৰাখিবলৈ "কৰণ" আৰু "আদাভু"সদৃশ আখৰাবিলাককে ভেটি কৰিব পাৰিনে নোৱাৰি। আমাৰ দৃঢ় বিশ্বাস হৈছিল তেতিয়াহ'লে সত্ৰীয়া নৃত্যৰ অভিনয়বিলাক ভাৰত নাট্যম যেন নালাগিব। (কাষত দিয়া আমাৰ আৰু—বিখ্যাত নৃত্যশিল্পী যামিনী কৃষ্ণমূৰ্তিৰ ছবি খন চাওক)। আমি আমাৰ ৬-৭ মে'ৰ ডেমনষ্ট্ৰেশ্যনত খালী ৭খন আখৰাক ভেটি কৰি তাতে থকা হস্তবিলাকৰ মামৰ গুচাই তাৰ লগত ভাব ৰস যোগ দি মাধৱদেৱৰ ৰাস ঝুমুৰা নাটখন অভিনয় কৰি দেখুৱাইছিলো। ড. নেওগে সেই ডেমনষ্ট্ৰেশ্যন দেখাহেঁতেন বোধকৰোঁ আনৰ কথা শুনি মন্তব্য প্ৰকাশ নকৰিলেহেঁতেন।



পুষ্পা ভূঞাই কয় ঃ সত্ৰীয়া নৃত্যত অভিনয় সংযোগ কৰোঁতে সত্ৰীয়া নৃত্যৰ আখৰাৰ ভিত্তিত অভিনয় নকৰিলে সত্ৰীয়া নৃত্যৰ অভিনয়খিনি ভাৰত নাট্যম যেন লাগিব। ওপৰৰ চিত্ৰখনত ভাৰত নাট্যমৰ বিখ্যাত শিল্পী যামিনী কৃষ্ণমূৰ্তিয়ে "কৃষ্ণ কলৈ গ'ল" ভাৰত অভিনয় কৰি দেখুৱাইছে ভাৰত নাট্যম ভিত্তিত (ডিঙি লৰাই) আৰু সেই একেখিনিকে পুষ্পা ভূঞাই দেখুৱাইছে সত্ৰীয়া নৃত্যৰ "থিয় মুকুফা" আখৰাৰ ভিত্তিত।

(৪) সত্ৰীয়া নৃত্যত থকা প্ৰতিখন পাদচালনৰ কেনেকৈ বিস্তাৰ হৈছে পটু নটুৱৈক নচুৱাই, আমিও নিজে নাচি পুংখানুপুংখ ৰূপে ফঁহিয়াই চোৱা। তেতিয়া আমি অনুসন্ধান কৰিছিলো খোলৰ বাজনাৰ লগত পাদচালনবিলাকৰ কিমান সামঞ্জস্য আছে। সত্ৰীয়া নৃত্যত থকা দৃষ্টিকটু দোপবিলাক ক'ৰ পৰা আহিল ? বহুখিনি পাদচালন অনুশীলনৰ অভাৱত বা বয়সীয়া বৰবায়নে শিকাব নোৱৰা দোষত হেৰাই গৈছে নেকি,—ইত্যাদি।

(৫) নৃত্যৰত নটুৱাৰ পৰা হাত, দৃষ্টি, ভংগী আৰু আন অংগ-প্ৰত্যংগ আৰু উপাংগবিলাকৰ ব্যৱহাৰত শাস্ত্ৰীয় লক্ষণ কেনেকৈ সংশ্লিষ্ট হৈ আছে তাৰ অনুসন্ধান কৰা। আউনিআটি সত্ৰত আবিষ্কৃত হোৱা শুভংকৰ কবিৰ শ্ৰীহস্ত মুক্তাৱলীখনে হস্ত ক্ষেত্ৰত কিমান প্ৰভাৱ পেলাইছে সেইবিষয়ে পুংখানুপুংখ ৰূপে অনুসন্ধান কৰি চোৱা। সত্ৰীয়া নৃত্যত বৰ্তমানে প্ৰচলিত শ্ৰীকৃষ্ণক দেখুউৱা হস্তখন নাট্যশাস্ত্ৰৰ "মৃগশীৰ্ষ" হস্তৰ বা শ্ৰীহস্তমুক্তাৱলীৰ "কৃষ্ণযাৰমুখ" হস্তৰ এটা বিকৃত ৰূপ নে সত্ৰীয়া নৃত্যৰ এই হস্তখন আন কোনো নৃত্যত নথকা এটা আপুৰুগীয়া সম্পদ সেই বিষয়ে দকৈ অনুসন্ধান কৰি চোৱা। আমাৰ অনুসন্ধান মতে আমি পালোঁগৈ—তৰ্জনী উঠুৱা মৃগশীৰ্ষৰ বিকৃত ৰূপটো দুখন শাস্ত্ৰত আছেঁ। তাৰে এখন হ'ল কেৰালাৰ "হস্ত দিপীকা লক্ষনম্" আৰু আনখন হ'ল মণিপুৰৰ "গোবিন্দ সঙ্গিতঁ লিলাবিলাস"। কিন্তু এই দুয়োখন শাস্ত্ৰমতে এই বিকৃত মৃগশীৰ্ষ হস্তখন দেখুউৱাৰ পদ্ধতিবিলাক মুখৰ ওচৰত বাঁহী ৰূপত নহয়। একেবাৰে বেলেগ ; আৰু ই শ্ৰীকৃষ্ণক নুবুজায়। মণিপুৰী আৰু কথাকলি নৃত্যত কৃষ্ণ দেখুউৱা হস্ত বেলেগে আছে। গতিকে সত্ৰীয়া নৃত্যৰ তৰ্জনী উঠুৱা বিকৃত মৃগশীৰ্ষ হস্তখন অকল সত্ৰীয়া নৃত্যৰ বৈশিষ্ট্য নহয়। বেলেগ অৰ্থত এই হস্তখন আন দুটা নৃত্যতো ব্যৱহাৰ কৰা হয়। তেনেস্থলত আমি আমাৰ ৬-৭ মে'ৰ ডেমনষ্ট্ৰেশ্যনত প্ৰশ্ন কৰিছিলো—কেৰালা বা মণিপুৰৰ শাস্ত্ৰত থকা হস্ত এখনক সৰোগত কৰাতকৈ অসমীয়া ভাষাত পোৱা, আমাৰ সত্ৰ এখনৰ মাজতে আবিষ্কৃত হোৱা শ্ৰীহস্তমুক্তাৱলীৰ হস্তবিলাককে আমি অনুকৰণ নকৰোঁ কেলেই ? শ্ৰীহস্তমুক্তাৱলীৰ শুদ্ধ মৃগশীৰ্ষ হস্তখন সোণাৰাম বৰবায়নে কমলাবাৰী সত্ৰত ব্যৱহাৰ কৰা বুলি আমাক কোৱা হৈছিল। তদুপৰি কমলাবাৰী সত্ৰৰ আটাইতকৈ পুৰণি বৈকুণ্ঠ মূৰ্তিত শুদ্ধ মৃগশীৰ্ষ হস্ত খন দেখা যায়।

(৬) নৃত্যত সংশ্লিষ্ট গীতবিলাকে নৃত্যটিত কিবা প্ৰভাৱ পেলাইছেনে নাই ? যদি নাই পেলোৱা তেনেহ'লে গীতবিলাকৰ বুৰঞ্জী কি ? কিয় সেইবিলাক গীত গোৱা হয়। আচলতে আমি অনুসন্ধান কৰি পোৱা মতে কোনোটো গীতেই সংযুক্ত নৃত্যত প্ৰভাৱ পেলাব পৰা নাই। ইয়াৰ শুধৰণি আনিবৰ কাৰণে আমি ৬-৭ মে'ৰ ডেমনষ্ট্ৰেশ্যনত ঝুমুৰা নৃত্যটিৰ আৰম্ভণি "ময়ে কৃষ্ণ বুলি কৰে ভাওনা"ৰ অৰ্থ অনুসৰি অভিনয় সংযোগ কৰি গোপীৰ জলক ভঙাৰ পাছত সত্ৰত প্ৰচলিত ঝুমুৰা নৃত্যটি কৰি শেষ কৰিছিলো। আমাৰ ধাৰণা,—কোনো-কোনো সমালোচকে ইয়াৰ প্ৰকৃত মূল্য নিৰূপণ কৰিব পৰা নাই।

(৭) সত্ৰীয়া তালবিলাকৰ বিষয়ে আমি গৱেষণা কৰা নাছিলো। কিন্তু আমি নাচত ব্যৱহাৰ কৰা তালবিলাকৰ বিস্তাৰ পদ্ধতিবিলাক আৰু সেই অনুযায়ী সত্ৰীয়া নৃত্যৰ পাদচালনাৰ বিস্তাৰ পদ্ধতিবিলাক অনুসন্ধান কৰি চাইছিলো। লগতে সত্ৰীয়া নৃত্যত আৰু ভাৰত নাট্যম নৃত্যত থকা একে নামৰ (যেনে, ৰূপক তালখন) তালৰ বিস্তাৰ পদ্ধতিবিলাক আৰু তুলনামূলকভাৱে নৃত্য দুটাৰ সেই তালত পাদচালনাৰ বিস্তাৰবিলাকলৈ সাৱধানে চকু দিছিলো। এনে ধৰণৰ অনুসন্ধানে অন্ততঃ আমাক এটা কথাত বিশ্বাস জন্মাইছে। সেইটো হৈছে অনুশীলনৰ অভাৱতেই হওক বা আইন কোনো কাৰণেই হওক সত্ৰীয়া নৃত্যৰ বহুত পাদচালন যুগে-যুগে হেৰাই গৈছে। তাৰে কিছুমান থাকিব লগীয়া পাদচালন (কিন্তু এতিয়া নাই) চালি নৃত্যত ডেমনষ্ট্ৰেশ্যন কৰি দেখুৱাইছিলো। সত্ৰত স্বৰ্গীয় মুক্তিয়াৰ বায়নে কোৱা কথা এষাৰ প্ৰায় সকলোৱে জানে। মুক্তিয়াৰ বায়নে ঢুকুৱাৰ আগতে দুখ কৰি তেখেতৰ আলধৰা শ্ৰীভুগিৰাম হাজৰিকাক কৈছিল, "মোক মোৰ গুৰুৱে (ভোলা বৰবায়ন) "দেউৰ ধেমালি" খন নিশিকালে। সেইখন তেওঁৰ লগতেই গ'ল। আৰু বা কি গ'ল!"

(৮) বৰগীত বা সত্ৰীয়া নাচত জড়িত গীতবিলাকৰ বিষয়ে আমি কোনো গৱেষণা কৰা নাই। আমি খালী আমাৰ লগত নাচৰ গীতবিলাক চলাবলৈ এনেকুৱা এজন শিল্পী লবলৈ বিচাৰিছিলো যিজনক বৰগীতত পাৰ্গত বুলি গুৱাহাটীৰ শিল্পীসকলে জানে। আমি অনুসন্ধান কৰি জানিব পাৰিছিলো যে শুদ্ধ পদ্ধতিৰে শিকি ভালকৈ বৰগীত গোৱা গুৱাহাটীৰ শিল্পীসকলৰ দুজন হ'ল শ্ৰীনৰেন দাস আৰু শ্ৰীমতী ৰূপজ্যোতি ওজা চহৰীয়া। বৰগীতৰ শিল্পী আৰু কেইবাজনো থাকিব পাৰে ; কিন্তু আমাৰ ওচৰত এই দুজনাৰ নামেই বেছিকৈ লোৱা হৈছিল। সাংস্কৃতিক সঞ্চালকালয়ে অসমৰ বাহিৰৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানবিলাকত এওঁলোক দুজনাকে বৰগীত গাবলৈ সাধাৰণতে আমন্ত্ৰণ কৰিছিল। আমি দুয়োজনাকে সত্ৰীয়া নৃত্যক শাস্ত্ৰীয়কৰণৰ প্ৰচেষ্টাত আমাক সহায় কৰিবলৈ নিমন্ত্ৰণ কৰিছিলো। শ্ৰীনৰেন দাসে সময়ৰ অভাৱত আমাক সহায় কৰিব নোৱাৰিলে। শ্ৰীমতী ৰূপজ্যোতি ওজা চহৰীয়াই সম্পূৰ্ণ সহায় আগবঢ়াইছিল।

সত্ৰীয়া নৃত্যৰ বিষয়ে গৱেষণা কৰোঁতে পুষ্পা ভূঞা আৰু তেওঁৰ স্বামী শ্ৰীনব কমল ভূঞাই নিজে নৃত্য জনা শাস্ত্ৰীয় নৃত্যৰ বিদগ্ধ পণ্ডিত কেইবাজনৰো লগত আলোচনা কৰি আছে। ওপৰত শ্ৰীকপিলা বাাৎসায়ানৰ লগত পুষ্পা ভূঞা আৰু তেওঁৰ জীয়ৰী।



ওপৰত দিয়া আমাৰ গৱেষণা পদ্ধতিৰ বৰ্ণনাৰ পৰা অন্ততঃ এইখিনি স্পষ্টকৈ বুজি উঠিব পাৰি যে আমাৰ গৱেষণা পদ্ধতিৰ ৰূপ আছিল কাৰ্যমূলক আৰু বাস্তৱিক। আমাৰ কাৰ্যমূলক, বাস্তৱিক পদ্ধতিটো সত্ৰীয়া নৃত্যৰ গৱেষণাৰ কাৰ্যতে বেছি সহায়ক বুলি আমাৰ ধাৰণা। আমি জনাত এতিয়ালৈকে আন কোনেও এনে ধৰণে সত্ৰীয়া নৃত্যৰ বিষয়ে গৱেষণা কৰা নাছিল। সত্ৰীয়া তালৰ বিষয়ে অকল স্বৰ্গীয় কেশৱ চাংকাকতি আৰু তেখেতৰ পুত্ৰ শ্ৰীদিলীপ চাংকাকতিয়ে সকলো পিনৰ পৰা ফঁহিয়াই গৱেষণা কৰিছে।

ড. নেওগৰ সত্ৰীয়া নৃত্যৰ বিষয়ে লেখাবিলাকত কিছুমান contradiction পোৱা যায়। তলত তাৰ এটি নমুনা দিলো।

ড. নেওগে তেখেতৰ "Satriya Dances of Assam and their Rhythms" বোলা কিতাপখনৰ ১৫ নম্বৰ পৃষ্ঠাত লিখিছে ঃ

"dances included in dramatic representation ; jhumras and behar nach originally deriving from such representation ; and nadu bhangi."

২১ নম্বৰ পৃষ্ঠাত ঝুমুৰা নৃত্যটিৰ বিষয়ে লিখিছে ঃ

"That it is derived from drama is evident from the fact that the songs employed for dance are almost all taken from nats and jhumuras of Sankardeva and Madhavdeva. All the five songs in the Rasa-jhumra attributed to Madhavdeva are here utilised."

সেই একে পৃষ্ঠাতে ঝুমুৰাৰ বিৱৰণী দিওঁতে তেখেতে লিখিছে ঃ

"It is believed that they stand for the gopis when Krishna disappeared from their midst in the rasa circle, and they, by way of consolation, had to enact the deeds of the Boy God (mai Krishna buli kare bhavana ... )."

ওপৰত উনুকিওৱা কথাখিনি একেবাৰে ঠিক। কোনোবা নৃত্যশিল্পীয়ে সেইখিনি পঢ়িলে ভাবিব ঝুমুৰা নৃত্যটি অভিনয়েৰে ভৰা। গতিকে সত্ৰীয়া নৃত্যৰ এই নৃত্যটিৰ প্ৰতি ভাৰতৰ নামজ্বলা শিল্পীয়ে হয়তো আগ্ৰহ দেখুৱালেহেঁতেন। কিন্তু তাৰো মুদা ড. নেওগে মাৰি থৈ দিছে। ওপৰত উদ্ধৃত কথাখিনি লিখাৰ পাছত সেই একে পৃষ্ঠাতে ঝুমুৰা নৃত্যটিৰ বৰ্ণনাৰ তলত সম্পূৰ্ণ ওলোটা স্থিতি লৈ তেখেতে লিখিছে—"There is no abhinaya". আমি জনাত বৰ্তমানৰ সত্ৰত প্ৰচলিত অভিনয়বিহীন ঝুমুৰা নৃত্যটি মাধৱদেৱৰ অভিনয় অন্তৰ্ভুক্ত ঝুমুৰা নৃত্যৰ এটা বিকৃত ৰূপহে।



সত্ৰীয়া নৃত্যৰ বিষয়ে ড. নেওগৰ কিছুমান লেখা, বা এই নৃত্যৰ সম্পৰ্কত তেখেতৰ কিছুমান কাৰ্য আমিও বুজি উঠিব পৰা নাই। তাৰ উদাহৰণ কিছুমান তলত দিলো।

(১) তেখেতে তেখেতৰ সত্ৰীয়া নৃত্যৰ কিতাপখনৰ এঠাইত কৈছে,—গোপীৰ সাজপাৰৰ ভিতৰত আছে "ঘুড়ি" ; অথচ আন ঠাইত (৫২ পৃষ্ঠাত) লিখিছে,—তেওঁলোকে ছিল্কৰ শাৰী পিন্ধিছিল। আনকি যশোদাৰ ভাও লোৱা জনেও হেনো ছিল্কৰ শাৰীহে পিন্ধিছিল। শংকৰদেৱ, মাধৱদেৱৰ দিনত সত্ৰত ছিল্কৰ শাৰী দেখা মানুহ আছিল বুলি ভবাই টান। নগাঁৱত আবিষ্কৃত ১৮শ শতাব্দীৰ "চিত্ৰ ভাগৱতত" গোপী আৰু যশোদাক ঘুড়ি পিন্ধাহে দেখা যায়।

(২) তেখেতে ওপৰত উনুকিওৱা প্ৰান্তিকখনৰ ৪৭ পৃষ্ঠাত লিখিছে, "ইয়াৰ সুন্দৰ আৰু প্ৰকাশময় হাতবোৰ আছে।" অথচ তেখেতৰ সত্ৰীয়া নৃত্যৰ কিতাপখনৰ ২১ নম্বৰ পৃষ্ঠাত লিখিছে,—ঝুমুৰা আৰু নাদুভংগী নৃত্য দুটাত অৰ্থ নথকা হস্তহে (nrittahastas) আছে। (অৰ্থ থকা হস্তক নৃত্য হস্ত—nrityahasta বোলে)। ৮৪ নম্বৰ পৃষ্ঠাত লিখিছে,—চালি নাচত গীতৰ বস্তু বুজোৱা হাত অৰ্থাৎ প্ৰকাশময় হাত নাই। 'বেহাৰ' আৰু 'প্ৰবেশৰ' নাচতো তেখেতে প্ৰকাশময় হাত থকাৰ কথা উল্লেখ কৰা নাই। অৰ্থাৎ তেখেতৰ কিতাপখনত তেখেতে সত্ৰীয়া নৃত্যৰ আচল নৃত্যকেইটাত প্ৰকাশময় হাত নাই বুলিহে কৈছে। ৰাইজে মন কৰিব,—সত্ৰীয়া নৃত্যৰ প্ৰদৰ্শনীত ওজাপালি নৃত্য প্ৰায়ে অন্তৰ্ভুক্ত নহয় ; কাৰণ সত্ৰত ওজা উঠিলেও এই নৃত্যৰ আঁতিগুৰি সত্ৰৰ বাহিৰতহে। সূত্ৰধাৰী নৃত্যৰ প্ৰদৰ্শনীও বিৰল ; কাৰণ এই নৃত্যটিৰ প্ৰকৃত ব্যৱহাৰ হয় ভাওনাতহে। আমাৰ অনুসন্ধানত আমি পাইছোঁ,—চালি নাচৰ বাহিৰে সত্ৰৰ আনকেইটা মূল নৃত্যত প্ৰকাশময় হাত মামৰে ধৰা অৱস্থাত আছে।

(৩) ড. নেওগে সঠিক উপদেশেই দিছে যে হস্ত ক্ষেত্ৰত সত্ৰীয়া নৃত্যই শ্ৰীহস্তমুক্তাৱলীখনকে অনুকৰণ কৰা উচিত। ড. নেওগেই জানো তেখেতৰ সত্ৰীয়া নৃত্যৰ পুথিখনৰ ৫২ নম্বৰ পৃষ্ঠাত লিখা নাছিল,—"অসমত এটা ক্ৰনিক বেমাৰ আছে। পুৰণিটোকে বুকুত সাবটি যহোৱা, ভেম পতা। শ্ৰীহস্তমুক্তাৱলী আবিষ্কাৰ হোৱাৰ পিচতো সেই একে বেমাৰেই আমাক লগ লবলৈ হোৱা হ'লে অসমৰ নৈৰাশ্যবাদী দুখৰ বোজা আৰু শকত হ'লহেঁতেন।" আমি আমাৰ ৬-৭ মে'ৰ নৃত্যত শ্ৰীহস্তমুক্তাৱলীৰ হস্তবিলাক ব্যৱহাৰ কৰি এই হস্তবিলাক কেনেকৈ সত্ৰীয়া নৃত্যত লুকাই আছে তাক (ডেমনষ্ট্ৰেট কৰি) দেখুৱাইছিলো। আমি জনা মতে শাস্ত্ৰীয় নৃত্য শিল্পী নহ'লে নাট্যশাস্ত্ৰৰ চতুৰ্থ অধ্যায়টো আৰু অষ্টমৰ পৰা ত্ৰয়োদশ অধ্যায়ৰ ভিতৰত থকা বিৱৰণখিনি কোনো পণ্ডিতে কাৰ্যকৰী ৰূপত বুজি উঠিব নোৱাৰে। উদাহৰণস্বৰূপে কওঁ, নাট্যশাস্ত্ৰই কৈছে দুটা ভৰিৰে গতি কৰিলে "কৰণ" হয়। আচলতে "কৰণ"ৰ কাৰ্যকৰী ৰূপটো সহজ নহয়। বৰ জটিল। কাৰণ এটা "কৰণ"ত বহুবিধ অংগ আৰু প্ৰত্যংগৰ সঞ্চালন হয়। আমাৰ দৃষ্টিত ড. নেওগে সত্ৰীয়া নৃত্যৰ ক্ষেত্ৰত লোৱা স্থিতিবিলাক বলিষ্ঠ নহয় ; অথবা সেই বিলাকৰ কাৰ্যকৰী ৰূপটো আনৰ বোধগম্য নহয়। ড. নেওগে গুৱাহাটীত থকা বৰবায়ন দুজনৰ সকলো কথা শুদ্ধ বুলি সাৰোগত কৰি লয় ; অথচ তেখেতৰ কথালৈ (যেনে, শ্ৰীহস্তমুক্তাৱলীৰ ক্ষেত্ৰত) এইসকলে কাণসাৰকে নকৰে। তেখেতে এফালে লিখে পুৰণিটোকে সাবটি লৈ যহোৱা অসমীয়াৰ এটা ক্ৰনিক বেমাৰ ; আন পিনে লিখে পুৰণিৰ লৰচৰ নোহোৱাকৈ সত্ৰীয়াক শাস্ত্ৰীয় কৰিব লাগে। যিকেইজন শিল্পীয়ে ড. মহেশ্বৰ নেওগৰ সত্ৰীয়া নৃত্যৰ বিষয়ে লিখা সকলোখিনি পঢ়িছে, তেওঁলোকৰ কাৰণে তেখেতৰ এই ওলট-পালট কথাবিলাক বোধগম্য নহয়।

(৪) ড. নেওগে উক্ত প্ৰান্তিকখনৰ ৪৭ নম্বৰ পৃষ্ঠাত লিখিছে, "কমলাবাৰীতেই আটাইতকৈ সৰহ পদ নৃত্য আজিও চৰ্চাৰ বস্তু হৈ আছে।" তেখেতে এইষাৰ কথা ঠিকেই লিখিছে। কিন্তু তাৰ পাছতে লিখিছে, "কিন্তু কমলাবাৰীৰ ঐশ্বৰ্য এতিয়া বাহিৰতহে। পুৰণি কমলাবাৰীৰ বৰ্তমানে জীৱিত বৰবায়ন দুগৰাকী বৰ্তমান গুৱাহাটীবাসী।" কথাষাৰৰ তাৎপৰ্য আমি বুজা দূৰৈৰ কথা, পুৰণা কমলাবাৰী সত্ৰৰো সত্ৰাধিকাৰ প্ৰভুকে আদি কৰি বুঢ়া ভকত, গায়ন, বায়ন, নটুৱে, ভকত আদি প্ৰায় কোনেও হয়তো বুজি উঠা নাই। তেখেতসকলে আমাক দৃঢ়তাৰে জনাইছে যে মূল (পুৰণি) কমলাবাৰী সত্ৰৰ বৰ্তমানৰ বৰবায়ন হ'ল শ্ৰীটংকেশ্বৰ হাজৰিকা আৰু শ্ৰীৰামেশ্বৰ খাটনিয়াৰ। কোনো বিবাহিত পুৰণা ভকতে সত্ৰৰ বৰবায়নৰ কৰ্তৃত্ব লব নোৱাৰে। যদি ড. নেওগে শ্ৰীৰসেশ্বৰ শইকীয়া আৰু শ্ৰীঘন বৰাকে লক্ষ্য কৰি উক্ত কথাষাৰ লিখিছিল, তেনেহ'লে সত্ৰৰ তৰফৰ পৰা আমাক যি জনোৱা হৈছে, সেয়া উল্লেখ কৰাটো প্ৰয়োজনীয়। আমাক জনোৱা হৈছে যে, এওঁলোকৰ এজনে আজি ২৫ বছৰৰ আগতেই আৰু আনজনে ১৬ বছৰৰ আগতেই সত্ৰৰ লগত ঘনিষ্ঠতা এৰি দি এই কালছোৱাত সত্ৰত থকা নৃত্য, গীত, বাদ্য আদি বিষয়ত কোনো লেখত লব লগীয়া অৰিহণা যোগোৱা নাই। এওঁলোক দুয়োজন গুৰু দুজনাৰ আৰু বদলা আতাৰ কীৰ্তনৰ (সত্ৰত তিথি বুলি নকয়) সময়ত সত্ৰলৈ কেতিয়াবা গ'লে সেই সময়ত বয়সত জ্যেষ্ঠ বুলি এওঁলোকক "ধেমালি" এখন-দুখনত উঠিবলৈ দিয়া হয়। "ন কমলাবাৰী" সত্ৰত সেইকণো কৰা নহয়। "উত্তৰ কমলাবাৰী" সত্ৰই এওঁলোকক পৰমানন্দ বৰবায়নৰ সমকক্ষ বুলি নাভাবে। পৰমানন্দ বৰবায়ন ৰোগত ভুগি এতিয়া অসমৰ্থ হৈ আছে যদিও তেখেতৰ উপদেশহে উত্তৰ কমলাবাৰীৰ সকলোৱে সাৰোগত কৰি লয়। আনহাতে গুৱাহাটীত বসবাস কৰা এই বৰবায়ন দুজনাৰ এজনৰ ২৫ বছৰৰ আৰু আনজনৰ ১৬ বছৰৰ প্ৰচেষ্টাৰ মূৰত এওঁলোকে গুৱাহাটীত এজনো উল্লেখযোগ্য গুণবান সত্ৰীয়া নৃত্য শিল্পী উলিয়াব নোৱৰাৰ কাৰণ কি ? গীতৰ বিষয়ত এওঁলোকে গীতৰ ঘাত শুদ্ধকৈ বজোৱাৰ অনুশীলনৰ বাহিৰে বিস্তৃতভাৱে শিক্ষা লাভ কৰা নাছিল। গতিকে কমলাবাৰীৰ ঐশ্বৰ্য এতিয়া গুৱাহাটীতহে বুলি দিয়া ড. মহেশ্বৰ নেওগৰ মন্তব্য শুদ্ধ বুলিব নোৱাৰি।

(৫) উক্ত প্ৰান্তিকখনতে, সেই একে পৃষ্ঠাতে ড. নেওগে আকৌ লিখিছে,—"সি দুজনাক এৰাই কোমল বয়সীয়া আজিৰ গজি উঠা বৰবায়নক আগ কৰি ললে লাভ জানো হ'ব—যদি তেওঁৰ শিক্ষাই সম্পূৰ্ণ হোৱা নাই।" কথাখিনি ড. নেওগে বৰ্তমানৰ মূলকমলাবাৰী সত্ৰৰ মুখ্য নৃত্য গুৰু বৰবায়ন টংকেশ্বৰ হাজৰিকাকেই উদ্দেশ্য কৰি লিখিছে। ড. নেওগৰ এই কথাষাৰ আচৰিত হ'ব লগীয়া। কাৰণ বৰবায়ন টংকেশ্বৰ হাজৰিকাৰ শিক্ষা শেষ হৈছেনে নাই তাক বিচাৰ কৰিবলৈ তেখেত নিজে নৃত্যশিল্পী বা বায়ন নহয়। তেখেতে অলপ অনুসন্ধান কৰা হ'লেই বৰবায়ন টংকেশ্বৰ হাজৰিকাৰ বিষয়ে তলত দিয়া কথাখিনি জানিব পাৰিলেহেঁতেন ঃ

(ক) টংকেশ্বৰ হাজৰিকাৰ প্ৰাথমিক গুৰুহে ঘন বৰা। শেষৰ অৰ্থাৎ বৰবায়নৰ যোগ্য শিক্ষাখিনি টংকেশ্বৰ হাজৰিকাই স্বৰ্গীয় সোণাৰাম বৰবায়নৰ পৰাহে লোৱা। স্বৰ্গীয় মণিৰাম মুক্তিয়াৰ বায়ন আৰু স্বৰ্গীয় মণিৰাম মুক্তিয়াৰ গায়ন—এই দুয়োজনাৰ পৰা আদিৰে পৰা অন্তলৈকে সকলো বিষয়তে শিক্ষা লোৱা সোণাৰাম বৰবায়নৰ স্থান কমলাবাৰী সত্ৰত অতি উচ্চ স্তৰৰ। প্ৰায় সকলো বিদ্যাতে পাৰ্গত সোণাৰাম বৰবায়নে (তেখেত বায়ন, গায়ন, নটুৱে, অভিনেতা, ওজা আৰু পাঠক এই সকলো বিদ্যাতে বিচক্ষণ আছিল) সত্ৰৰ শ্ৰেষ্ঠ বুঢ়া ভকতৰ দায়িত্ব বহন কৰিব লগা হোৱাত ১৯৭৩ চনৰ পৰা ১৯৭৮ চনলৈকে এই পাঁচ বছৰ কাল টংকেশ্বৰ হাজৰিকাক বৰবায়নৰ সকলো শিক্ষা দি সেই দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ তেওঁক যোগ্য আৰু পাৰ্গত কৰি তুলিছিল। সেই কাৰণে আজি টংকেশ্বৰ হাজৰিকা এজন অতি উৎকৃষ্ট বায়নেই নহয়, তেওঁ এজন অতি উৎকৃষ্ট নটুৱে আৰু ওজাও।

(খ) ১৯৭৮ চনৰ পৰা আজি চৈধ্য বছৰ কাল বৰবায়ন টংকেশ্বৰ হাজৰিকা আৰু বৰবায়ন ৰামেশ্বৰ খাটনিয়াৰে মূল কমলাবাৰী সত্ৰত বায়ন, নটুৱে, ওজা আদি শিকোৱাৰ কামখিনি সুকলমে সমাধা কৰি আহিছে। মূল কমলাবাৰী সত্ৰত এই চৈধ্য বছৰে ধেমালি, নৃত্য আৰু ভাওনাৰ নেতৃত্ব দিছে এওঁলোকে দুজনেই। তেনেস্থলত টংকেশ্বৰ হাজৰিকা আজি গজি উঠা বায়ন কেনেকৈ হ'ল ? টংকেশ্বৰ হাজৰিকাৰ শিক্ষা শেষ নোহোৱাৰ কথা কেনেকৈ ওলাল ? ড. নেওগৰ অনুসন্ধান-পদ্ধতিবিলাক কলৈ গ'ল ? মই কওঁ ড. নেওগে গুৱাহাটীত থকা বৰবায়নসকলৰ লগত একেলগে বৰবায়ন টংকেশ্বৰ হাজৰিকাক মঞ্চত উঠাই চাওক ; দেখিব,—অকল ঘন বৰাইহে

টংকেশ্বৰ হাজৰিকাৰ লগত খোল বাদনত একেলগে চাপৰ দিব পাৰিছে। নৃত্যাত কোনেও হাজৰিকাৰ পাৰ নাপায়। ই মোৰ ৩০ বছৰ শাস্ত্ৰীয় নৃত্য শিল্পী হৈ থকা অভিজ্ঞতাৰ পৰা কোৱা কথা।

(গ) ড. নেওগে ঘনে-ঘনে টংকেশ্বৰ বৰবায়নৰ কথা কওঁতে "তৰুণ" শব্দটো ব্যৱহাৰ কৰিছে। হয়, যেতিয়া টংকেশ্বৰ হাজৰিকাই বৰবায়নৰ দায়িত্ব লৈছিল, তেতিয়া তেখেত ১৯ বছৰীয়া আছিল। ঘন বৰায়ো বৰবায়নৰ দায়িত্ব বহন কৰিছিল প্ৰায় ২০ বছৰ বয়সতেই। এতিয়া টংকেশ্বৰ হাজৰিকাৰ বয়স ৩৩ বছৰ। মুক্তিয়াৰ বায়নৰ মৃত্যুৰ পাছত যেতিয়া ড. নেওগে তেখেতৰ সত্ৰীয়া নৃত্যৰ কিতাপখনৰ শেষখিনি লিখিবলৈ ৰসেশ্বৰ শইকীয়া আৰু ঘন বৰাক পথ প্ৰদৰ্শক আৰু সাৰথি হিচাপে লব লগীয়া হৈছিল, তেতিয়া বাৰু তেওঁলোকৰ বয়স কিমান আছিল ? অতি দুখৰে জনাওঁ,—ড. নেওগৰ এই ধৰণৰ অনুসন্ধানবিহীন লেখনীয়ে আমাক ভাবিবলৈ বাধ্য কৰাইছে যে সত্ৰীয়া নৃত্যৰ ব্যাকৰণ লিখাৰ কাৰ্যত বা আমাৰ সত্ৰীয়া নৃত্যৰ শাস্ত্ৰীয় লক্ষণবিলাক উদ্ধাৰ কৰি এই নৃত্যৰ প্ৰতি শাস্ত্ৰীয় স্বীকৃতি অনাৰ পথত বাধা দিবলৈ ওলোৱা চক্ৰটোৰ পাকত তেখেতো কেনেবাকৈ আবদ্ধ হৈ পৰিছে। ড. নেওগেই জানো আজি দুবছৰমানৰ আগতে "প্ৰান্তিক"তেই সত্ৰীয়া নৃত্যৰ শাস্ত্ৰীয়কৰণৰ ক্ষেত্ৰত বৰবায়নসকলৰ যোগ্যতাৰ প্ৰশ্ন তোলা নাছিল ? (প্ৰান্তিক ১—১৫ জ ুন ১৯৯০)।

ড. নেওগে আমাক সুধিছে,—গুৱাহাটীত থকা বৰবায়ন দুজনক আমাৰ গৱেষণাত কেলেই লগত নললো। আমি তেখেতসকলৰ ওচৰ নচপাৰ প্ৰধান কাৰণকেইটা হ'ল ঃ (১) তেখেতসকলৰ বয়স ; যাৰ কাৰণে আমি তেখেতসকলৰ লগত গোটেইখিনি আখৰাৰ বিশ্লেষণ কৰিব নোৱাৰিলোহেঁতেন। (২) তেখেতসকলৰ সময়ৰ অভাৱ ; যাৰ কাৰণে আমাৰ গৱেষণা বহুগুণে দীৰ্ঘদিনীয়া হ'লহেঁতেন। (৩) তেখেতসকলে সকলো সময়তে নিজকে শুদ্ধ বুলি ভাবি থকাটো ; যাৰ কাৰণে তেখেতসকলৰ লগত সকলো দিশ আঁতিগুৰি মাৰি চাব নোৱাৰিলোহেঁতেন। ঘন বৰাই চাৰিখন তালৰ আবৰ্তন অকল সত্ৰীয়া নৃত্যতহে আছে বুলি কৈছে। তেখেতে হয়তো নাজানে যে দাক্ষিণাত্যৰ তালৰ ভিতৰত তেনেকুৱা ধৰণৰ তাল আছে। সকলোপিনে চকু দিব পৰা জ্ঞানী শিল্পীয়ে বহু সময়ত অলাগতিয়াল "বেছি"খিনিক বিশৃংখল বুলিহে ভাবে। ভাতখণ্ডেই হিন্দুস্থানী শাস্ত্ৰীয় সংগীতৰ ৭২টা ৰাগৰ অলাগতিয়াল "বেছি" বিলাক গুচাই মাথোঁ দহটা ৰাগহে ৰাখিছিল। জ্ঞানপীঠ বঁটা বিজয়ী, একেৰাহে শিক্ষাবিদ, নৃত্যবিদ আৰু সংগীতজ্ঞ ড. শিৱৰাম কাৰান্থৰ আগত যেতিয়া "যক্ষাগণ"ৰ এজন নাম থকা গুৰুৱে গৌৰৱেৰে সেই নৃত্যলানিত ৯০০ শটা ৰাগ আৰু ১০৮খন তালৰ নমুনা থকা বুলি কয়, তেতিয়া তেখেতে হাঁহি-হাঁহি কৈছিল,—এই নৃত্যলানিৰ শাস্ত্ৰীয় স্বীকৃতিৰ কাৰণে মোক মাথোঁ ৯টা ৰাগ আৰু ৯খন তাল দিয়ক। শৃংখলা ৰীতিৰ জৰিয়তেহে এটি নৃত্যধাৰাই শাস্ত্ৰীয় মৰ্যাদা পায়।

আনহাতে আমি টংকেশ্বৰ হাজৰিকাৰ গাত, আমি আগতে কোৱাৰ দৰে আমাৰ গৱেষণাৰ সতীৰ্থ হ'বলৈ বৰবায়নজন যিকেইটা গুণৰ অধিকাৰী হোৱা উচিত বুলি বিবেচনা কৰিছিলো, সেই আটাইকেইটা গুণ পাইছিলো।

সত্ৰীয়া নৃত্যৰ ভেটি ভাঙি দি আমি কোনো দিনেই সত্ৰীয়া নৃত্যক শাস্ত্ৰীয় কৰিবলৈ বিচৰা নাই। আমি বৰ্তমানে যিখিনি প্ৰচেষ্টা চলাই আছোঁ সেইখিনিৰ উদ্দেশ্য হৈছে সত্ৰীয়া নৃত্যত লুকাই থকা আনৰ চকুত নপৰা শাস্ত্ৰীয় লক্ষণখিনি উদ্ধাৰ কৰা। সত্ৰীয়া নৃত্যৰ আখৰাবিলাককে ভেটি কৰি সত্ৰীয়া নৃত্যৰ ঐতিহ্য ৰাখি কোনে কেতিয়া শংকৰদেৱ-মাধৱদেৱৰ নাট অভিনয় কৰি দেখুৱাইছিল ? সালসলনি সকলো শিল্পতেই অনিবাৰ্য। সালসলনি মানেই বিকৃতি নহয়। আচলতে সত্ৰীয়া নৃত্যত বিকৃতি ঘটিছে মাধৱদেৱে নৃত্য এৰাৰ পাছৰে পৰা। শ্ৰীকৃষ্ণৰ সাজপাৰৰ (পৃষ্ঠবস্ত্ৰখন ইংৰাজ নৃপতিৰ পোছাকৰ পৰা ধাৰ কৰা,—১৯শ শতাব্দীৰ শেষ ভাগত) পৰা সকলোতে। এজন বায়নৰ শিষ্যক আন এজন বায়নে একে তালত দুনাই অনুশীলন নোহোৱাকৈ নচুৱাব নোৱাৰে ; —ইয়াৰ কাৰণ তালত হোৱা বিকৃতি। একে ৰাগত বন্ধা দুখন সত্ৰৰ বৰগীতৰ সুৰবিলাক একে নহয় ; —ইয়াৰ কাৰণ গীতত হোৱা বিকৃতি। একেখন সত্ৰতে থকা দুটা দলৰ নৃত্যৰ মিল নাই ; —ইয়াৰ কাৰণ নৃত্যত হোৱা বিকৃতি। এইবিলাক নুবুজাৰ ভাও ধৰা কিবা কাৰণ আছে জানো ? আমি কোৱাৰ দৰে শাস্ত্ৰীয় শিল্পী আৰু বৰবায়ন একগোট হৈ কাম কৰা কেইবাটাও দলে এইবিলাকলৈ সংস্কাৰ আনিব লাগিব। সমজুৱাভাৱে এইবিলাকলৈ সংস্কাৰ আনিব নোৱাৰি ; সেই অভিজ্ঞতা যোৱা ত্ৰিছ বছৰে এই নৃত্যত লাগি থকা সকলোৱে পাইছে। কিহৰ স্বাৰ্থত সেইখিনি আমি সত্য বুলি স্বীকাৰ নকৰোঁ ? আনবিলাক নৃত্যৰ বুৰঞ্জীও তেনে।

শেষত আমি কওঁ যে ড. নেওগৰ প্ৰতি আমাৰ শ্ৰদ্ধা অটুট আছে। কাৰণ তেখেত সেইজন ব্যক্তি যিজনৰ লেখনীৰ পৰা সত্ৰীয়া সংস্কৃতিক বাহিৰৰ মানুহে চিনি পাইছে। তেখেতৰ চেষ্টাতে সংগীত-নাটক একাডেমিৰ বঁটা প্ৰদানৰ তালিকাত সত্ৰীয়া সংস্কৃতিয়েও ঠাই পাইছে। আমি কেৱল তেখেতে আমাৰ সত্ৰীয়া নৃত্য নেদেখাকৈ, দুজনমানৰ অযুক্তিকৰ কথা শুনি, আমালৈ আৰু বৰবায়ন টংকেশ্বৰ হাজৰিকাৰ নিচিনা এজন গুণী শিল্পীলৈ নভবা-নিচিন্তাকৈ বোকাপানী ছটিওৱাৰ কাৰণে যুক্তি দি তাৰ প্ৰতিবাদ কৰিছোঁ। সমালোচনা গঠনমূলক হ'লে সকলোৰে উপকাৰ হয়। সমালোচনা গঠনমূলক হ'বলৈ হ'লে তাত ব্যক্তিগত আওপকীয়া আক্ৰমণবিলাক থাকিব নালাগে ; চিধাচিধি কথাৰে বিজ্ঞানসন্মত যুক্তিবিলাক থাকিব লাগে।




ড° ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য্যৰ
নতুন আংগিকৰ গল্পৰ শৰাই......

# ঘৰাগাক

তৰুণ গল্পলেখক ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য্য সত্তৰৰ দশকৰ মাজভাগৰপৰাই এটা চিনাকি নাম। ভট্টাচাৰ্য্যৰ গল্পৰ প্ৰধানতম আকৰ্ষণ হৈছে টেক্‌নিক্ বিষয়বস্তুৰ নতুনত্ব আৰু চিত্ৰকল্প। বিশেষকৈ নিজস্ব টেক্‌নিক্ আৰু চিত্ৰকল্পৰ সফল প্ৰয়োগে গল্পসমূহৰ এক ধৰণৰ আধুনিকত্ব দান কৰিছে। যিবোৰ বিষয়বস্তু লৈ অন্য গল্পকাৰে গল্প নিলিখে, ড° ভট্টাচাৰ্য্যই সেই বিষয়বস্তুবোৰক প্ৰাণৱন্ত কৰি তোলে।


" ..........The Assamese story, "Crows, Crows and Crows" by Bhupendranarayan Bhattacharyya is a brilliant account of conman's operations. But unlike the usual story of village cheat, there is a psychological awareness that makes it thoroughly modern in its consciousness."— *Indian Review of Books*

"... Sensitively translated into English for the first time, the anthology includes the writtings of Assamese author Bhupendranaraynn Bhattacharyya ..... these stories have been selected and translated by a panel of distinguished writers and scholars."--*The Economic Times*

বেচ পয়ত্ৰিশ টকা

বাণী প্ৰকাশ প্ৰা. লিমিটেড
পাণবজাৰ গুৱাহাটী-১




# চেং

**হীৰেন চৌধুৰী**

আঠ



আঁকা : নৱীন বৰুৱা

এমাহৰ মূৰত নগো আকৌ আহিল। ল'ৰাহঁতৰ উন্নতি দেখি তেওঁ বৰ সন্তুষ্ট হ'ল। বাৰকুৰি চাৰিজনেই প্ৰায় সমানেই লৰি আহিল। আগ-পিছ হোৱাত হৈছে, কিন্তু এয়াতো দৌৰ প্ৰতিযোগিতা নহয় যে প্ৰথম দ্বিতীয়ৰ প্ৰশ্ন উঠে। এয়া হ'ল যুদ্ধ ক্ষেত্ৰৰ বাবে সাজু হোৱা জীৱন-মৰণৰ দৌৰ। নগোৱে কেইখনমান বাঁহৰ কাটান সজাই লৈ ল'ৰাহঁতৰ কাটান চলোৱাৰ পৰীক্ষা লৈ দেখিলে বাৰজনে বেছ ভালকৈ কাটান চলাব পাৰে। নগোৱে আৰু এসপ্তাহ থাকি কাটান চলোৱাৰ নতুন-নতুন কৌশল শিকাই দি সেই বাৰজনক বাকীবোৰক কাটান চলোৱা শিকাবলৈ ভাৰ দিলে। কাটান চলাবৰ বাবে হাতৰ মুঠিৰ ব্যায়াম, জ'াপ মৰা আৰু নানান ধৰণৰ শাৰীৰিক কচৰতবো দিহা দি তেওঁ গ'লগৈ।

নগো গৈ ঘৰ পোৱাৰ লগে-লগে নৰা ৰজা তাও-তাই পুঙে তেওঁক মাতি পঠিয়ালে। নৰা ৰজাৰ ভায়েকৰ জীয়েক এজনী আছিল। তাইৰ নাম হ'ল মাংনম। তাইক বিয়া দিছিল ব্ৰহ্মদেশৰ উত্তৰে থকা সৰু ৰাজ্য নাংখাওৰ ৰজা মিলিংগলৈ। মিলিংগৰ আগৰ জনী কুঁৱৰীৰ ফালৰ পৰা লুংচুন বোলা ল'ৰা এটাও আছিল। ল'ৰাটোৰ বয়স বিছ-একৈছমান হ'ব। সি অতি মদপী আৰু দুশ্চৰিত্ৰৰ ল'ৰা। মাংনমৰো ল'ৰা এটা আছে। নাম ইলিংগ। সি চুকাফা, চুখানফাহঁতৰ বয়সৰ ; অৰ্থাৎ তাৰ সাত-আঠ বছৰমান হৈছে। লুংচুনৰ মোমায়েক কাবাংগাও ভিনিহিয়েকৰ লগতে থাকে। কাবাংগা বিৰাট মানুহ। মল্ল যুঁজত তাৰ চীন দেশলৈকে নাম আছে। নিজ ভিনিহিয়েকৰ আসৈ আৰু বায়েক আৰু ভাগিনিয়েক লুংচুনৰ সহযোগিতাত কাবাংগাই প্ৰকৃততে ৰাজ্যখনৰ হৰ্তাকৰ্তা। ৰাজ্যৰ ডা-ডাঙৰীয়াসকলে কাবাংগাক চকু পাৰি দেখিব নোৱাৰিলেও তাৰ ভয়তে তাপ মাৰি থাকে। প্ৰজাসকলৰো একেই অৱস্থা। কাবাংগাতকৈও তাৰ উচটনি পাই ভাগিনিয়েক লুংচুনৰ অত্যাচাৰতহে ৰাজ্যৰ বোৱাৰী-জীয়ৰীৰ শ্লীলতা ৰক্ষা পোৱাটো কঠিন হৈ পৰিল।

লুংচুনৰ অত্যাচাৰৰ কথা নিতৌ পুৱা-গধূলি শুনি ৰজা মিলিংগই অতিষ্ঠ হৈ সকলো ডা-ডাঙৰীয়া সমন্বিতে বৰসভা বহুৱাই লুংচুনক ত্যাজ্যপুত্ৰ কৰি বন্দীশালত থোৱাই সৰুকুঁৱৰী মাংনমৰ নাবালক পুতেক ইলিংগক যুৱৰাজ পাতিলে। কথাটো শুনি গোটেই ৰাজ্যৰ মানুহে আনন্দ পালে। আনকি কাবাংগা আৰু বৰকুঁৱৰী বায়েকেও আনন্দ পোৱা যেন দেখুৱালে। কিন্তু সেই ৰাতিয়েই ৰজা মিলিংগ হঠাতে পেটৰ বিষ হৈ ঢুকাল। ৰাজ্যৰ সকলোৱে মিলিংগক বৰকুঁৱৰী আৰু ভায়েক কাবাংগাই মিলি বিহ খুৱাই মাৰিলে বুলি জানি গ'ল।

কাবাংগাই কিন্তু ৰজা মৰাৰ পাছতো ভাগিনিয়েক লুংচুনক বন্দীশালৰ পৰা মুকলি কৰি নিদি ডা-ডাঙৰীয়াসকলৰে সৈতে মিলি ইলিংগক ৰাজপাটত বহুৱালে। ইলিংগ ডাঙৰ নোহোৱালৈকে কাবাংগাই ইলিংগৰ অভিভাৱক হিচাপে ৰাজ্য শাসনৰ ভাৰ ললে। ডা-ডাঙৰীয়াসকলৰ তাৰ বিপক্ষে মাত মাতিবলৈ সাহ নহ'ল। কিন্তু মাত মাতিলে বায়েক অৰ্থাৎ বৰকুঁৱৰীয়ে। কিন্তু দুদিনৰ পাছতে বৰকুঁৱৰীয়ে ৰজাক বিহ খুৱাই মৰাৰ কাৰণে অনুতপ্ত হৈ বিহ খাই আত্মহত্যা কৰিলে। যিজনী লিগিৰীয়ে বৰকুঁৱৰীয়ে নিজ হাতে ৰজাক বিহ খুৱাই মৰা ঘটনাটো নিজ চকুৰে দেখা বুলি ডাঙৰীয়াসকলৰ আগত কৈছিল, তায়েই পাছত বৰকুঁৱৰীয়ে ৰজাক বিহ খুৱাই মৰা বুলি ডাঙৰীয়াসকলৰ আগত সাক্ষী নিদিলে তাইকো বৰৰাণীৰ লগত যোগ আছিল বুলি শূলত দিয়াব বুলি কাবাংগাই ভয় খুউৱাৰ কাৰণেহে তেনেকৈ কৈছিল বুলি ক'লে। সেই লিগিৰীজনী বৰ্তমান সৰুকুঁৱৰী মাংনম আৰু বুঢ়াগোহাঁইৰ সৈতে পলাই আহি বৰ্তমান নৰা ৰাজ্যতে আছে।

কাবাংগাই ভাগিনিয়েক লুংচুনক বন্দীশালতে দিনে-ৰাতিয়ে মদ খুৱাই থকাৰ ফলত এসপ্তাহৰ ভিতৰতে লুংচুনে বন্দীশালতে তেজ বতিয়াই মৰিল। কাবাংগাই ইয়াৰ পাছত চকু দিলে মাংনমৰ ওপৰত। মাংনমৰ বয়স মুঠেই একৈছ-বাইছ মানহে হ'ব। আই দেখিবলৈও অতি ৰূপৱতী। কাবাংগাই কেৱল তাইক ৰূপৰ মোহতহে যে বিয়া কৰাবলৈ ওলাইছিল সেইটো নহয় ; নাবালক ৰজা ইলিংগৰ মাকক বিয়া কৰাই লব পাৰিলে ভৱিষ্যতে ইলিংগক যুৱৰাজ কৰি নিজেই যে ৰজা হ'ব পাৰিব, সেই হাবিয়াসো তাৰ মনত আছিল।

কাবাংগাই যথা সময়ত মাংনমক বিয়াৰ প্ৰস্তাৱ দিয়াত মাংনমে অতি ঘৃণাৰে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলে। ভাল মাতেৰে কাম নিসিজা দেখি কাবাংগাই মাংনমক নানা ধৰণে ভয় খুৱাবলৈ ধৰিলে। তথাপি তাই সেও নমনা দেখি কাবাংগাই পুতেক অৰ্থাৎ পোৱালিৰজাক কৰবাত লুকুৱাই বন্দী কৰি থৈ গোটেই ৰাজ্যতে প্ৰচাৰ কৰি দিলে যে ৰজাৰ টান নৰীয়া ; গতিকে ৰাজসভালৈ তেওঁ কোনোপধ্যেই আহিব নোৱাৰে। আৰু মাংনমক ক'লে,— তাই যদি তাক বিয়া কৰাবলৈ সৈমান নহয়, তেন্তে পুতেকক আৰু দেখা নাপায়। মাংনমে বুঢ়াগোহাঁইৰ লগত আলোচনা কৰি কাবাংগাৰ লগত বিয়া হোৱাৰ কথাটো ভাবি চাবলৈ এমাহৰ সময় বিচৰাত কাবাংগাই সন্মতি দিলে ; কাৰণ পুতেকতো বন্ধকত আছেই ! মাংনমে আলোচনাৰ বাবে ইয়ালৈ আহিবলৈ অনুমতি বিচৰাত সি তাকো দিলে। তাই বুঢ়াগোহাঁই আৰু লিগিৰীজনী লৈ এইখিনি পালেহি।

গোটেই কথাখিনি শুনি নগোৱে অলপ সময় মনে-মনে থাকি ক'লে,— "ইলিংগক ক'ত বন্দী কৰি থৈছে সেইটো প্ৰথমে জানিব লাগিব। দ্বিতীয় প্ৰশ্নটো হ'ল,— ইলিংগক বন্দীশালৰ পৰা মুকলি কৰাৰ পাছত প্ৰজাই ইলিংগক ৰজা মানি লব নে নলয় ? তৃতীয় কথা,—সৈন্যবোৰ কাৰ ফালে ?"

নগোৰ প্ৰশ্নকেইটাৰ উত্তৰ দিবলৈ ৰজাই মাংনমহঁতৰ ৰাজ্যৰ বুঢ়াগোহাঁইক মতাই পঠালে। বুঢ়াগোহাঁয়ে ক'লে, "কাবাংগাই মোক তাৰ ফলীয়া বুলিয়েই জানে। সি ধ্বংস নোহোৱালৈকে ময়ো তাৰ লগত কোনো ধৰণৰ সন্দেহ কৰিবলগীয়া আচৰণ নকৰিম বুলিয়েই ঠিক কৰিছোঁ। সেইকাৰণে সি মোক তাৰ ভিতৰুৱা কথা মন গ'লে অলপ-অচৰপ হ'লেও কয়। তাৰ ঘাই বিশ্বাসৰ মানুহ হৈছে তাৰ ফলীয়া সৈন্য কেইটামান। সংখ্যাত বৰ সৰহ নহ'লেও সিহঁত যথেষ্ট শক্তিমান । বাকী সাধাৰণ সৈন্যবোৰৰ নিজস্ব মতামত নাথাকিলেও মোৰ বোধেৰে ইলিংগকেই সিহঁতে ৰজা বুলি মনে-মনে মানে।"

তাৰ পাছত নগোলৈ চাই তেওঁ ক'লে, "আপোনাৰ প্ৰশ্ন তিনিটাৰ প্ৰথমটো হ'ল— ইলিংগক ক'ত বন্দী কৰি থোৱা হৈছে ? মোৰ বোধেৰে তিনি ঠাইত কাবাংগাই ইলিংগক বন্দী কৰি থব পাৰে। এক,—কাৰেঙতেই সি ইলিংগক ৰাখিব পাৰে ; কিন্তু তেনে কৰিলে জনাজনি হৈ যোৱাৰ সম্ভাৱনা। দুই,— কাবাংগাই হয়তো ইলিংগক কাবাংগাহঁতৰ নিজৰ ৰাজ্যলৈ পঠাই দিব পাৰে। কিন্তু সেই ৰাজ্যখন বৰ সৰু হোৱাৰ বাবে কথাটো জনাজনি হৈ পৰিব পাৰে। তদুপৰি কাবাংগাৰ দেউতাক বুঢ়াৰজাজন অতি সৎ মানুহ। তেওঁ ইলিংগক ৰাজ্যত বন্দী কৰি থবলৈ মান্তি নহ'ব পাৰে। আৰু তিনি,—কাবাংগাই ইলিংগক তাপুং পাহাৰৰ ওপৰত থকা কাঠ-বাঁহৰ দুৰ্গটোত বন্দী কৰি থব পাৰে। সেইডোখৰ ঠাইৰ কথা সৰ্বজনবিদিত, কিন্তু সি দুৰ্ভেদ্য। তাপুং এটা সৰু পাহাৰ। পাহাৰটোৰ পিছফালে চালোৱান নৈ। এই নৈখন বৰ দ আৰু খৰস্ৰোতা। পাহাৰটো নদীৰ ফালে একেবাৰে থিয়। মানুহৰ বাবে বগোৱা অসম্ভৱ। পাহাৰটোৰ বাকী তিনিওফালে মস্ত গড়খাৱৈ খন্দা আছে। গড়টোলৈ গড়খাৱৈ পাৰ হৈ যাবলৈ সম্মুখৰ ফালে বাঁহৰ সেতু এখন আছে। সেইখনো কাবাংগাৰ নিজৰ মানুহে দিনে-ৰাতিয়ে পহৰা দি থাকে। গড়খাৱৈৰ তিনিফালে কাবাংগাৰ সেনাই কুকুৰ লৈ ঘূৰি ফুৰে আৰু ৰাতি পোহৰাবলৈ কেউপিনে জুই জ্বলাই থয়। মই আমাৰ ফালৰ সেনা পঠিয়াই দুৰ্গটো দখল কৰি ইলিংগক মুকলি কৰি অনাৰ কথা কেইবাবাৰো ভাবিও দুটা কাৰণে আগবাঢ়িব পৰা নাই। প্ৰথম কাৰণটো হ'ল, ইলিংগ তাত নাথাকিবও পাৰে আৰু দ্বিতীয়টো হ'ল—আমাৰ সৈন্যই আক্ৰমণ কৰাৰ লগে-লগে ইলিংগক কাবাংগাৰ নিজৰ মানুহে হত্যা কৰি চিন-চাব নোহোৱা কৰি পেলাব পাৰে।"

বুঢ়াগোহাঁয়ে শেষ কৰাৰ লগে-লগে নগোৱে সুধিলে, "আৰু প্ৰজা ?"

বুঢ়াগোহাঁয়ে উত্তৰ দিলে, "ইলিংগৰ ফালে।"

শুনি নগোৱে আকৌ সুধিলে, "লিগিৰীজনী ?"

বুঢ়াগোহাঁয়ে হুমুনিয়াহ এটা কাঢ়ি ক'লে, "তাইৰ অৱস্থাও মোৰ দৰে। তাই স্বৰূপতে এই ৰাজ্যৰে ছোৱালী ; সৰুকুঁৱৰীৰ লগতে গৈছিল। তাই অতি শুৱনী গঢ়ৰ হোৱাৰ উপৰিও অতি বুদ্ধিমতী আৰু কামিলা। তাই তাইৰ ব্যৱহাৰ-পাতিৰে কাৰেঙৰ সকলোকে মুগ্ধ কৰি পেলাইছিল। বৰকুঁৱৰীয়ে তাইৰ গুণত মুগ্ধ হৈ তাইক সৰুকুঁৱৰীৰ পৰা খুজিলৈ তাইক নিজৰ হাত-ধৰা লিগিৰী কৰি লৈছিল। বৰকুঁৱৰীক কাবাংগাই বিহ খুৱাই মৰাটো তাই দেখি আছিল। কাবাংগাই তাইক বৰৰাণীৰ লগত যোগ হৈ ৰজাক বিহ খুৱাই মাৰিছে বুলি শূলত দিয়াব, বা কাবাংগা এই ৰাজ্যৰ ৰজা হোৱাৰ পাছত তাইক কুঁৱৰী কৰি লব,—এই দুটাৰ এটা বাছি লবলৈ কোৱাত তাই প্ৰাণৰ ভয়ত দ্বিতীয়টোকে বাছি ললে। তেতিয়াৰে পৰা তাই কাবাংগাৰ মন পোৱা হ'ল। কিন্তু ইলিংগক ক'ত থৈছে সেই কথাটো তাই নানা চেষ্টা কৰিও কাবাংগাৰ পৰা আজিকোপতি উলিয়াব পৰা নাই। কাবাংগাই তাইক মোতকৈও বেছি বিশ্বাস কৰে বাবে সৰুকুঁৱৰী আৰু মোৰ ওপৰত চকু ৰাখিবলৈ তাইক পঠিয়াই দিছে।"

নগোৱে অলপ ভবা চিন্তা কৰি ক'লে, "মই তাইক অকলে লগ পাব খোজোঁ।"

নগোৱে লিগিৰীজনীৰ পৰা গম পালে যে কাবাংগাৰ নিজৰ সেনাবোৰৰ মুখিয়ালটোৰ তাইৰ প্ৰতি বৰ লোভ। মানুহটোৱে কাবাংগাৰ সকলো ভিতৰুৱা কথা জানে। গতিকে ক'ত লুকুৱাই থৈছে তাকো নিশ্চয় জানে। মানুহটো তাইক পাবলৈ উত্ৰাৱল, কিন্তু কাবাংগাৰ ভয়ত আগবাঢ়িব পৰা নাই। এই কথা শুনি নগোৱে তাইক বুদ্ধি দিলে যে তাই মনে-মনে সিহঁতৰ দেশলৈ গৈ মানুহটোক মানে নৰংগাক ফুচুলাই; মাকে পঠিওৱা কিবা এটা দিয়াৰ চলেৰে নৰংগাৰ লগত গৈ ইলিংগক চাই আহিব লাগে আৰু লগতে সেতুত আৰু গড়ৰ ঘাই দুৱাৰৰ ভিতৰত কেইটা ৰখীয়া আছে চাই আহি তাইৰ লগত যোৱা ৰবঙক জনাব লাগে। যদি তাইক নৰংগাই ইলিংগক লগ ধৰিবলৈ নিনিয়েও, তেন্তে তাই নৰংগাৰ পৰাই সকলো কথা যেনে তেনে উলিয়াই ৰবঙক খবৰটো দিব। নগোৱে ৰবঙক লিগিৰী কামিঙৰ লগত পঠোৱাৰ ঘাই কাৰণটো হ'ল,—কেনেবাকৈ নৰংগাৰ লগত তাইৰ গোপন হলিগলিৰ কথা যদি কাবাংগাই গম পায়, তেন্তে দুয়োকে মৰাই নেপেলালেও বন্দী কৰি পেলোৱাটো নিশ্চিত।

নগোৱে কামিং আৰু ৰবং দুয়োকে, খাংকুমং হাতীৰ পিঠিত তুলি দি ফংপিম মাউতেৰে সৈতে কোনেও নজনাকৈ পঠাই দিলে। কামিঙৰ হাতত তেওঁ মাকে ইলিংগলৈ পঠোৱা কাপোৰ দুসাজো দিলে।

এদিন-এৰাতিৰ মূৰত সিহঁত গৈ নাংখাও ৰাজ্যৰ সীমা পালেগৈ। ফংপিম হাতীৰে সৈতে সীমাৰ হাবিতে লুকাই থাকিল। ৰবঙে কামিঙৰ ককায়েকৰ চিনাকিৰে গৈ ৰাজধানী পালেগৈ।

সিহঁতে বাটত ইটো-সিটোক সুধি সাজ ভগাৰ লগে-লগে নৰংগাৰ ঘৰ উলিয়াই দেখে যে ঘৰ বন্ধ। উপায় নাপাই সিহঁত ঘৰৰ পিৰালিতে বহি থাকিল।

কামিং হ'ল কাৰেঙৰ লিগিৰী আৰু ৰবং আহিছে নৰা ৰাজ্যৰ পৰা ; গতিকে সিহঁতৰ এই ৰাজ্যৰ সকলো মানুহেই অচিনাকি। ৰাতি হোৱাৰ পাছতহে নৰংগা আহিল। সি সিহঁতক দেখি উচপ খাই উঠিল হয়, কিন্তু কামিঙক দেখি লোভতে তাৰ চকু তিৰবিৰাবলৈ ধৰিলে। তাই ৰবঙক তাইৰ সম্বন্ধীয়া ককায়েক,— তাইৰ ৰখীয়া হৈ অহাৰ উপৰিও সি নতুন ৰাজ্যখনো চাবলৈ আহিছে বুলি নৰংগাৰ লগত চিনাকি কৰাই দিলে। নৰংগাই ৰবঙক কটা যোৱা হাতখন আৰু নিজ চেহেৰাটো দেখি অকণো সন্দেহ নকৰিলে। সি দুৱাৰ খুলি কামিঙক ভিতৰ সুমুৱায়েই তাইক আবেগত সাবট মাৰি ধৰি সুধিলে, "মোলৈ তোৰ কেনেকৈ মনত পৰিল কচোন ! আৰু ৰাজকাৰেঙৰ পৰা ওলায়েই বা আহিলি কেনেকৈ ?"

কামিঙে মন ভুলোৱা মিচিকিয়া হাঁহিৰে তাক ক'লে,—তাইক কাবাংগাই সৰুৰাণীৰ লগত নৰা ৰাজ্যলৈ পঠোৱাৰ কথা, আৰু ইলিংগলৈ দুসাজ কাপোৰ মাকে তাইৰ হাততে দি ইয়ালৈ পঠোৱাৰ কথা। তাইৰ মনমোহিনী ৰূপ আৰু হাঁহিত নৰংগা ভোল গ'ল। তাই কৈ গ'ল, "মই সৰুৰজালৈ কাপোৰ দুসাজ মনে-মনে ইয়ালৈ লৈ অহাৰ কথা কাবাংগাই কেনেবাকৈ গম পালে মোক কটাব। তইতো নাজান কেনেকৈ তোৰ কথা মোৰ দিনে-ৰাতিয়ে মনত পৰি থাকে। তোৰ চিন্তাই কেনেকৈ মোক যাতনা দি থাকে! সেইকাৰণে মই পোনকোবেই তোৰ ওচৰলৈকে আহিছোঁ। তোক লগ ধৰাও হ'ব আৰু তোৰ লগতে মনে-

মনে সৰুৰজাৰ ওচৰলৈ গৈ কাপোৰ দুসাজ দি, দুদিনমান তোৰ লগতে কটাই যোৱাও হ'ব।''

তাইৰ কথা শুনি নৰংগাৰ স্বৰ্গত বিচৰণ কৰি ফুৰা যেন লাগিলেও ইলিংগৰ ওচৰলৈ তাইক কেনেকৈ যে লৈ যাব সেই কথা ভাবি সি জ্বৰ ঘামে ঘামিবলৈ ধৰিলে। তেনেতে তাই তাক টানি আনি বিছনাতে শুৱাই দি নিজেও তাৰ কাষতে শুই, তাক সাবট মাৰি ধৰি হঠাতে সুধি পেলালে, ''ইলিংগ ক'ত আছে ?''

তাইৰ আকস্মিক প্ৰশ্নত হতভম্ব হৈ সি নিজে ক'ব নোৱৰাকৈয়ে কৈ পেলালে, ''তাপুং পাহাৰত।''

কামিঙে তাৰ উত্তৰটোত এৰো গুৰুত্ব নিদিয়াৰ দৰে দেখুৱাই ক'লে, ''তেন্তে ইলিংগৰ ওচৰলৈ মোক লৈ যোৱাৰ বাবে তোৰ ইমান চিন্তা কৰিবৰ কিটো আছে ? কাইলৈ তই গৈ পৰহিৰ কাৰণে ৰখীয়াবোৰ সলনি কৰি তোৰ অতি বিশ্বাসী মানুহমখাক থলেই হ'ল। আমি দুয়ো মাজৰাতি কোনেও নেদেখাকৈ গৈ সৰুৰজাক লগ ধৰি গুচি আহিলেই লেঠা ছিগিব।''

কথাটো নৰংগাৰ মনে ধৰিলে। সি ক'লে, ''তোৰ ইমানটো বুধি আছে বুলি মই সপোনতো ভবা নাছিলো। এইটো বুধি লৈ তই ৰজাৰ কুঁৱৰীহে হ'ব লাগিছিল।''

তাৰ কথা শুনি কামিঙে স্বস্তিৰ উশাহ লৈ মুখ ফুটাই ক'লে, ''মই ৰজাৰ কুঁৱৰী হ'বলৈ হ'লে তই আগতে ৰজা হৈ ল।'' দুয়ো ডাঙৰ-ডাঙৰকৈ হাঁহিবলৈ ধৰিলে।

বাহিৰৰ পিৰালিতে ভাও ধৰি নাক বজাই শুই থকা ৰবঙে সকলো কথা শুনি থাকিল। পাছদিনা পুৱা নৰংগা কামলৈ ওলাই যোৱাৰ পাছত, ভাত-পানী খাই উঠি ৰবঙে নগৰ চাওঁগৈ বুলি ঘৰৰ পৰা ওলাল। বাটৰ মানুহক নৱা ৰাজ্যৰ পৰা দেশ চাবলৈ আহিছে বুলি চিনাকি দি কাৰেং ঘৰটো কোনফালে জনাৰ চলেৰে তাপুং পাহাৰটো কোনফালে সেইটোৰো বুজ লৈ সি সেইফালেই পোনাই দিলে।

তাপুং পাহাৰটো সম্মুখৰ পৰা বৰ ওখ নহয়। অনাহূত মানুহক তথা অনধিকাৰ প্ৰবেশক বাধা দিবলৈ পাহাৰটোক তিনিফালৰ পৰা বেৰি ৰখা গড়খাৱৈটোৰ পৰা বহু দূৰলৈকে হাবি-বন একেবাৰে চুচি-কাটি থোৱা আছে। ৰবঙে চাফা কৰা ঠাইডোখৰৰ পিছত থকা হাবিডৰাৰ মাজৰ পৰা গছ এজোপাৰ আঁৰ লৈ দেখে যে সেতুৰ কাষত দহোটা ৰখীয়া আছে। সিহঁতৰ সাতোটাই সেতুখনৰ ওপৰত বহি কথা-বতৰা পাতি আছে, বাকী তিনিটাই তিনিফালে মুখ কৰি অহাযোৱা কৰি আছে। সেতুখনতে আন্দাজ কৰি ৰবঙে অনুমান কৰিলে গড়খাৱৈটো যথেষ্ট বহল ; কোনো মানুহৰ পক্ষে কোনো ৰখীয়া নাথাকিলেও জাঁপ মাৰি পাৰ হোৱাটো অসম্ভৱ। সেতুৰ অলপ দূৰতে আছে ঘূৰণীয়াকৈ ভিতৰখন বেৰি ৰখা বেৰ। প্ৰকাণ্ড ওখ-ওখ, আগবোৰ জেঙীৰ আগৰ দৰে জোঙালি থোৱা খুটাখোৰ বেৰৰ গায়ে-গায়ে লাগি আছে। বেৰখন মানুহে হাতেৰে ঢুকি নোপোৱাকৈ ওখ। ভিতৰলৈ সোমাবৰ বাবে থকা দুৱাৰখন বিয়াগোম। ৰবঙে এহাতেৰে গছ বগাব নোৱাৰে। গছজোপাৰ ওখলৈ উঠি ওপৰৰ পৰা ভিতৰলৈ জুমি চোৱাৰ কোনো উপায় নথকাত সি নিৰাশ হ'ল। সি আৰু দেখিলে বেৰৰ বাহিৰত প্ৰায় দুকুৰিমান মানুহ থাকিব পৰা দীঘল-দীঘল কেতবোৰ ঘৰ। তাৰমানে তাপুং দুৰ্গৰ ৰখীয়াৰ দায়িত্বত অতি কমেও দুকুৰিমান সৈন্য আছে।

সম্মুখৰ ফালৰ পৰা চাবলৈ আৰু একো নথকাত ৰবঙে হাবিয়ে-হাবিয়ে গৈ পাহাৰটোৰ পিছফালেদি বৈ যোৱা নদীখনৰ পাৰ পালেগৈ। সেইপিনৰ অৱস্থা দেখি তাৰ মূৰ ঘূৰাই গ'ল। নদীখনৰ গৰাটো বৰ দ আৰু থিয়। ইফালে-সিফালে চাই সি কাকো নেদেখি, মৰণত শৰণ দি, থিয় গৰাটো প্ৰায় চুঁচৰি-চুঁচৰি নামি নদীৰ পাৰ পালেগৈ। আন্দাজত সেতুখনৰ একেবাৰে বিপৰীত ফালে থিয় হৈ ওপৰলৈ চাই সি একেবাৰে হতাশ হৈ পৰিল। নৈৰ পাৰৰ পৰা থিয় গৰাটোৰ দৰে পাহাৰটোও একেবাৰে থিয় ; তদুপৰি কাঠৰ ঘেৰটো একেবাৰে থিয় পাহাৰটোৰ সীমাতে লগাই পোতা। সকলো দেখি-শুনি সি অত্যন্ত দুঃখিত হ'লেও, সি বহু কষ্টৰে, যুঁজ-বাগৰ কৰি হাত-ভৰিৰ ছাল-বাকলি হেৰুৱাই গৰাটোৰ ওপৰলৈ উঠি আহিল। হাবিৰ মাজে-মাজে নৰংগাৰ ঘৰ আন্দাজ কৰি সি আগ বাঢ়িল আৰু গধূলিৰ লগে-লগে নৰংগাৰ ঘৰ পালেগৈ।

সি কামিঙৰ লগত কোনো কথা-বতৰা নহৈ তাই বাঢ়ি দিয়া ভাতখিনি খাই পিৰালিতে শুই পৰিল। ৰাতি হ'লত নৰংগা ঘৰলৈ আহিল। সি দেখে যে ৰবঙে পিৰালিতে বহি নাক বজাই শুই আছে। কামিঙে দুৱাৰ খুলি দিয়াত সি ভিতৰলৈ গৈ কামিঙৰ থুতৰিত ধৰি ক'লে, ''তোৰ ককায়েৰটোৱে বৰ শুব পাৰে।''

তাই হাঁহি-হাঁহি ক'লে, ''কি কৰিব আৰু! কাম নাইকিয়া মানুহ! পাছে কাম হ'লনে নাই ?''

সি ওফাইদাং মাৰি উত্তৰ দিলে, ''নহ'ব পাৰেনে ? নৰংগাৰ মুখৰ কথা ; তাকো যাকে-তাকে নহয়,—তোক দিয়া কথা—নৰজি পাৰেনে ?''

কামিঙে কথাটোত বৰ গুৰুত্ব দিয়া যেন নেদেখুৱাই সুধিলে, ''সিহঁতক কি বুলি বুজালি ?''

নৰংগাই উত্তৰ দিলে, ''বুজাবলৈ কিটো আছে ? মই ক'লো—'আজি ৰাতি কাৰেঙৰ পৰা মোৰ লগত মানুহ আহিব ইলিংগৰ খবৰ লবলৈ। কাবাংগাৰ নিজৰ মানুহ। বৰ গুপুতে আহিব আৰু ইলিংগক চায়েই গুচি যাবগৈ। কথাষাৰ যদি কেনেবাকৈ ওলায় তেন্তে আটাইকেইটাৰে প্ৰাণ যাব। শুনি সিহঁতৰ ভয়ত সেই পিনেই ধাতু উৰি গ'ল। গতিকে চিন্তাৰ কোনো কাৰণ নাই।''

কামিঙে মনে-মনে স্বস্তিৰ উশাহ এটা লৈ ক'লে, ''মই কি ভাবিছোঁ জান ? মই তোৰ লগত এইদৰে নগৈ মতাৰ বেশত যাম। তেতিয়া কাৰো একো সন্দেহ নহ'ব।'' কথাষাৰ শুনি নৰংগাই বাঃ বাঃ বুলি আনন্দতে জঁপিয়াই উঠি ক'লে, ''সঁচাই, তথাগতে তোক যিটো মগজ দিছে সেইটো আমাৰ কাবাংগাৰো নাই।''

কথা-বতৰা শেষ হ'লত ভাত-পানী খাই হালেই শুলে।

সিহঁতৰ গভীৰ টোপনি অহালৈ ৰৈ থাকি ৰবঙে শোৱাৰ পৰা উঠি তাপুং পাহাৰ বুলি খোজ ললে। আকাশত একাদশীৰ জোন। দূৰৈত শিয়াল-কুকুৰৰ চিঞৰ, তাৰ মাজত বাঘৰ হাঁওৰণিও শুনা গৈছে। ৰবঙে হাবিৰ মাজত নোসোমাই হাবিৰ কাণে-কাণে গছৰ আঁৰ লৈ লৈ গৈ তাপুং পাহাৰৰ কাষ পালেগৈ। দূৰৰ পৰা সি দেখে যে সমুখৰ ফালে, মানে পূবে আৰু পশ্চিমে দুকুৰাকৈ—মুঠতে চাৰিকুৰা জুই জ্বলি আছে। জুইৰ পোহৰত সি কুকুৰ লৈ ৰখীয়া দুটামানকো বহি মেল মাৰি থকা দেখিলে। উত্তৰত সেতুখনৰ কাষত ডাঙৰ জুই একুৰা ধৰা আছে আৰু কাষতে ৰখীয়াবোৰে বহি নিজৰ ভিতৰতে কথা-বতৰা পাতি আছে। তাৰ মানে কোনোবা বেলেগ প্ৰাণী যে দুৰ্গটোৰ দুশ খোজৰ ওচৰ চাপিব পাৰে সেইটো ভাবনা সিহঁতৰ মনতেই নাই। সমুখৰ ফালটো চোৱা হ'লত ৰবঙে আকৌ হাবিৰ কাণে-কাণে গৈ দক্ষিণে নৈৰ পাৰ পালেগৈ। সেইপিনে জুই আৰু ৰখীয়াৰ কোনো চিনেই নাই। ইমান থিয় ফালটোত ৰখীয়াই কিয় বান্দৰেও খোপনি পিতি থকাটো অসম্ভৱ।

এসময়ত সি ঘৰলৈ আহি শুই থাকিল।

পাছদিনা পুৱা সি কামলৈ ওলাই যোৱাৰ আগতে নৰংগাক ক'লে, ''মই আজি দিনটো ঘূৰি-পকি ঠাইখন চাই কাইলৈ ধলপুৱাতে ঘৰলৈ যামগৈ। গতিকে এতিয়াই মাতষাৰ লগালো। ৰাতি তুমি কামৰ পৰা আহোঁতে মোক ভাত ঘুমটিয়ে হেঁচা মাৰি ধৰে বাবে তোমাক লগকে নাপাওঁ। গতিকে আজিয়েই বিদায় লৈ থলো। মই গ'লেও ভনীজনী দুদিনমান থাকোঁ বুলিছে যেতিয়া তাই থাকক। মই লাগে যদি সাদিনমানৰ পাছত লৈ যামহি।''

তাৰ কথা শুনি নৰংগাই মিছাকৈ হেঁ-হেঁকৈ হাঁহি উত্তৰ দিলে, ''ছেঃ! ইমান লৰালৰিকৈ যাবৰ কিটো হ'ল ? অৱশ্যে কামৰ মানুহক ৰাখিও থব নোৱাৰোঁ। এই থাকিব খুজিছে যেতিয়া থাকক। পিছে পাৰা যদি সোনকালে আহি লৈ যাবাহি। ঘৰত অসুবিধাও হ'ব পাৰে...''

তাৰ কথাৰ ওপৰতে ধৰি কামিঙে মাত লগালে, ''মই মোৰ নিজৰ থকা-নথকাৰ কথা জানো নহয় ? আনে মাত মাতিব লাগিছে কেলেই ?''

নৰংগাই ''বাৰু বাৰু, মোৰেই ভুল হৈছে।'' —বুলি হাঁহি হাঁহি কামলৈ গ'লগৈ।

নৰংগা যোৱাৰ পাছত ৰবঙে কামিঙক বাহিৰলৈ মাতি আনি পিৰালিতে বহুৱাই ফুচফুচাই ক'বলৈ ধৰিলে, ''মই তোক থৈ যোৱাৰ কাৰণটো হ'ল, তাপুং দুৰ্গৰ ভিতৰফালটো চায়েই তই ততাতৈয়াকৈ গুচি গ'লে কিবা কাৰণত নৰংগাৰ মনত সন্দেহো উপজিব পাৰে। ফলত সি যদি ৰখীয়া বঢ়াই দিয়ে, তেন্তে ভয়ানক বিপদ হৈ যাব পাৰে। আজি ৰাতি তাৰ পৰা ঘূৰি আহি ভিতৰৰ ৰখীয়া বৰ কম ইত্যাদি বুলি কথা-বতৰা

৪৭ পৃষ্ঠাত চাওক





## কাব্যস্তম্ভ

**অনুভৱ তুলসী**

মোৰ কণ্ঠ ক্ৰমশঃ কৰ্কশ, আঙুলি অস্থিৰ, চকুকোটৰ গত,
চুলিতো ৰূপালী। বন্ধু সুৰ্য প্ৰায়বোৰেই মেলানি মাগিছে
ইতিমধ্যে। প্ৰেম নদীয়েও সলনি কৰিছে সুঁতি, পানীৰ সতে
অমৃতৰ আত্মীয়তা আজি ক'ত, ঢৌখেলা নিবিড় দিনবোৰতো
এতিয়া বালিৰ চট। জনাকীৰ্ণ সভাত হাজিৰা দিবলৈকে যেন
বাচি আছোঁ। যাতনাত ছট-ফট, পংক্তিবদ্ধ শব্দৰ সুউচ্চ স্তম্ভৰ
কোনোবা এটি স্তবকত ওলমি বাদুলিৰ দৰে বাচি আছোঁ...

এদিনাখন অন্ধ কবিক সুধিছিলো, কিজানিবা তেওঁ জানেই
নিঃসংগতাৰ খোজৰ সতে খোজ মিলাই চলাৰ খামখেয়ালি
বুদ্ধিটো। উত্তৰ হ'লে আজিকোপতি পোৱা নাই। উদফাই
ৰোগী শব্দ সমাবেশত তেওঁৰো ভীষণ শ্বাস কষ্ট। পুৰণি
পাণ্ডুলিপি ফালি নিৰন্তৰ অস্থিৰতাত দিন যাপন কৰা
মই নিজ চকুৰেই দেখিছোঁ। স্বীকাৰ কৰোঁ—তেওঁৰ স্থান
স্তম্ভৰ শীৰ্ষৰ পিনে, মোতকৈ সহস্ৰাধিক স্তবকৰ ওপৰত।

আই বোপাইৰো মোক লৈ কোনো স্বপ্ন নাছিল। ভাগ্যক্ৰমে
ভগা কাঁহৰ দ'মটোত খুচৰি নিভাঁজ সোণৰ সেই কণ্ঠস্বৰ
ঈশ্বৰে মোক নিদিয়াহেঁতেন... আই সৰস্বতী আৰু অনন্যা
সেই আঠগৰাকী বহু ভুজা দেৱীয়ে লগ লাগি স্তম্ভৰ
মোৰ নামৰ স্তবকটোত মোক গাঁঠি নিখুঁত পদ্যৰ দুৱাৰ
বাহিৰৰ পৰা বন্ধ কৰি যদি নিদিলেহেঁতেন...

মিলিলে মাটি হেৰালে সোণচপৰা—সেয়া যাদুৰ পুতলাৰ
ৰহস্য। মোৰ মাজত ক'ত সেই বিস্ময় ? গতিকে মোৰ প্ৰাপ্য
মোক দিবলৈ দ্বিধা নকৰিবা পৃথিৱী, লাগিলে কটু সমালোচনাৰ
দাবানলেই হওক। মোৰ বাটত হুল পুতিবলৈও সংকোচ
কৰাৰ কোনো দৰকাৰ নাই। আজি মোৰ বাবেই মই অচিনাকি,
নিজৰ ওচৰতে আচহুৱা। তথাপি কেতিয়াবা পোহৰ তীব্ৰ হ'লে
সাহ কৰি কোনো এক শব্দৰ খোলা খিৰিকিৰে তললৈ চাওঁ,
জানোচা তুমি আছাই ধ্বংসৰ বাটৰ তোৰণ হৈ... কিন্তু
সেই আশাও অবান্তৰ, কিয়নো তৰোৱালৰ চিকমিকনি লৈ
শব্দ স্তম্ভলৈ নাৰীৰ প্ৰবেশ সদ্যহতে নিষিদ্ধ।

তিতা-কেহা লাগি গৈছে ইয়াত, একেবাৰে। অৰ্থ সংকীৰ্ণ,
দুষ্টৰ লটপট শান্তৰ মৰণ আৰু চহকীৰ টকাৰ গৰম
দুখীয়াৰ লাজৰ ওৰণিৰ আঁৰলৈকে। বিৰাট বিচাৰ এখন
হয়তো এদিন হ'বই। হয়তো মোৰ ভৱিষ্যত-বাণী নফলিয়াব
আৰু তেতিয়া মোকতো মস্কৰা কৰিবাই, হে মহাকাল, এই
স্তম্ভলৈ উঠি বিশিষ্ট শৈলী নিবন্ধ এই শব্দ সমষ্টি
নাঙঠ কৰি নচুৱাবলৈও তুমি কুণ্ঠাবোধ নকৰিবা।

শব্দৰ সিপাৰে তুমি আছা, তাৰ মই উমান পাইছোঁ। কিন্তু,
নদীৰ বুকুৰ বিশালতা বৃদ্ধি পাইছে প্ৰতি নিয়ত। যিমানে
কাষ চাপিব খুজিছোঁ সিমানে দূৰত্ব বাঢ়ি গৈছে। জীৱনৰ
পাতনিতেই তুমি আছিলা ঈপ্সিত যদিও অপূৰ্ণ আকাংক্ষাৰ
অন্তৰায় দেই গৈ তোমাক পোৱাৰ শকতি ক'ত আৰু এতিয়া
পুৰণি কথা পেঘেনিয়াই থকাৰ প্ৰয়োজনেই বা ক'ত...

সেয়েহে বন্ধু, বিদায়। কেতিয়াবা দেখা হ'ব, সিও দুৰাকাংক্ষা ?
শব্দ শৃংখলৰ সহায়ত সিহঁতে কাইলৈকে মোক পংক্তিবদ্ধ
কৰিব। তথাপি, মোৰ কণ্ঠ অৱৰুদ্ধ কৰে কোন যতি চিহ্নৰ
সেই সাহ! প্ৰত্যাবৰ্তনৰ বহুকাল পাছতো মোৰ স্তবকত মই
থাকিম ছন্দোবদ্ধ হৈ। স্তম্ভৰ উচ্চতাৰ পৰা শব্দৰ
দ্যোতনাৰে মই নামি আহিম, পাৰ্কৰ কোনো এটি চিত্ৰকল্পৰ
ছায়াত আমাৰ মিলন অনিবাৰ্য।

## স্বাৰ্থ

**যতীন কোঁৱৰ**

সপোন নেদেখাৰ বেজাৰত
একুৰি যুবক তৰা আপোন-ঘাতী হ'ব
অলপতে

মুখ-চহকী এজোপা ইকৰাই মোক নদীৰ পাৰত
গুপুতে বাতৰিটো
দিলে।

পপীয়া তৰাৰ ডিঙি কটা তিনিটা জল্লাদ জ্যোতিষ্ক
আহি সাঁতুৰিবহি ত্ৰিবেণী সংগমত
আটলান্টিকত সাঁতুৰি নাদুৰি উভতি অহা
দহটা চেমনীয়া ডলফিনে মোক
গুপুতে বাতৰিটো
দিলে।

ৰোৱা-বৰণীয়া এজাক কিশোৰী হাইঠাই
উৰ্বশী পথাৰত নামি
বোকা-পানী খচিবহি,
যোৰ ভাঙি চাকৈ-চকোৱাৰ এটাই আহি মোক
গুপুতে বাতৰিটো
দিলে।

আৰু এটা কস্তুৰী মৃগৰ মতে—
ঈৰ্ষা নামৰ নিজৰাৰ পাৰত
জোন বুৰাৰ পৰত
তিনিজনী অপ্সৰাই আহি উদঙাই দেখুৱাবহি
সিহঁতৰ লৱণু-কোমল বৰফ-শুভ্ৰ
বুকু।

পৰ্বতৰ সতে মই চাব খোজো এই দৃশ্যাৱলী
কঠিন শিলৰ বিহ্বল বুকু ফালি
কিজানিবা নিগৰি আহে
অনন্ত যৌৱন দান কৰিব পৰা মানুহৰ
প্ৰাচীন বিশ্বাস!

## আজি ৰাতি গছবোৰ

**ধ্ৰুৱকুমাৰ তালুকদাৰ**

আজি ৰাতি গছবোৰে শিপা মেলি
স্পৰ্শ কৰিব মোক
আৰু মোৰ তেজ আলোড়িত কৰি তুলিব
আকাশৰ গানে

আজি ৰাতিয়েই গছবোৰে
মোৰ ভিতৰত আবিষ্কাৰ কৰিব
মানুহৰ সকলো ৰহস্য

প্ৰেম ঘৃণা বিদ্ৰোহ সকলোতে
উৎস বিচাৰি
গছবোৰ ৰঙা হৈ পৰিব তেজৰ দৰে




OKDISCD

# প্ৰদূষণ

(সভ্যতাৰ নামত উৎসৰ্গিত)

হেম প্ৰসাদ শৰ্মা



সুধাকৰ বৰুৱাই আজি-কালি দিনটোৰ বেছিভাগ সময় যিবোৰ কথা ভাবি থাকে, সেইবোৰক সবিস্তাৰে বৰ্ণনা কৰিবলৈ গ'লে মানুহজনৰ মানসিক বিকৃতি ঘটিছে বুলিহে সন্দেহৰ উদ্ৰেক হ'ব। আজি কিছুদিনৰ পৰা মানুহজনে হঠাতে আন মানুহৰ সৈতে কথা কোৱা, মিলা-মিছা কৰা আদি বাহ্যিক জৈৱিক ক্ৰিয়া-কলাপবোৰ চকুত পৰা ধৰণে কমাই নিছে। জীৱনৰ প্ৰায় আধাখিনি সময় অতিবাহিত কৰা তেওঁৰ সেই এমুৰীয়া কোঠা, কিতাপ-পত্ৰ-আচবাব আৰু সেইবোৰৰ লগত কটোৱা প্ৰিয় সময়,—সকলোৰে সৈতে যেন সম্পৰ্ক ছেদ কৰিছে সুধাকৰ বৰুৱাই।

বৰুৱাৰ থকা ঘৰটো কাঠৰ পুৰণা ঘৰ। দেউতাকৰ দিনতে সজোৱা ঘৰ। ঘৰটোৰ এফালৰ এমুৰীয়া কোঠাটোত বৰুৱাই আন দুজন ককায়েকৰ লগত শৈশৱ-কৈশোৰৰ দিনবোৰ অতিবাহিত কৰিছিল। তাৰ পাছত যেন লাহে-লাহে বৰুৱাৰ দুয়ো ককায়েক কোঠাটোৱে আগুৰি ৰাখিব নোৱৰা ধৰণে সমাজত উপযুক্ত হ'ল। এতিয়া বেলেগ-বেলেগকৈ দুয়োজনৰে দুঠাইত ভৰা সংসাৰ। সুধাকৰ বৰুৱাইহে পুৰণা ঘৰটো এৰিব নোৱাৰিলে। আৰু সেই এমুৰীয়া কোঠাটোৰ মোহ! কোনোবা সময়ত বৰুৱাই কোঠাটোত পুৰণা, পাতল ক'লা ৰঙৰ আলমাৰি এটা সুমুৱাইছিল। কোঠাটোৰ একোণৰ অব্যৱহৃত বিছনা এখন আঁতৰাই বৰুৱাই চকী-মেজ এযোৰৰ যোগাৰ কৰি লৈছিল। দুৱাৰখন বন্ধ কৰিবলৈ ললেই কৰ্কশভাৱে কেৰেককৈ শব্দ উঠা আলমাৰিটোত পুৰাতাত্ত্বিক সামগ্ৰীৰ দৰে বৰুৱাৰ জীৱনৰ সমস্ত ইতিহাস আছে বুলি অনুমান হয়। ইতিহাসেই হয়; —তাত বৰুৱাৰ বিগত জীৱনৰ প্ৰতিটো বছৰৰ ডায়েৰিবোৰে একাদিক্ৰমে সজাই থোৱা আছে। আৰু আছে বৰুৱাই এতিয়ালৈকে লিখা প্ৰকাশিত, অপ্ৰকাশিত বহু গল্প-প্ৰবন্ধৰ পাণ্ডুলিপি। —আজি কিছু বছৰ আগৰ পৰা সেই পুৰণা আলমাৰিটোৰ ওপৰৰ ছে'লফখনত এবাহ মৌ-মাখিয়ে বাহ বান্ধিছে। তেতিয়াৰ পৰা আলমাৰিটোৰ এখন দুৱাৰ সদায় খোলা হৈ থাকে। বৰুৱাৰ ডাঙৰ পুতেক চন্দনে মানুহ এজন মাতি সময়ে-সময়ে তাৰ বিচনী খহায়। আৰু আজি মাত্ৰ কিছুদিন আগলৈকে সেই কোঠাটোৰ উৰি ফুৰা মৌ-মাখিবোৰৰ মাজত সুধাকৰ বৰুৱাই পুৱাৰ পৰা গধূলিলৈকে,—কেতিয়াবা মাজৰাতিলৈকে ধ্যানমগ্ন যোগীৰ দৰে নিজৰ মাজতে মজি আছিল।

সেই কোঠাটোৰ লগতো আজি কিছুদিনৰ পৰা বৰুৱাৰ আত্মিক সম্বন্ধ যেন শেষ হৈ আহিছে!

বৰুৱাই লিখা-মেলা আদি সাহিত্যিক কৰ্ম-কাণ্ডৰ সৈতে কেনেকৈ জড়িত হৈ পৰিছিল তাক অনুমান কৰিবলৈ টান হয়। আচলতে বৰুৱাই যিটো পৰিবেশৰ মাজেদি ডাঙৰ-দীঘল হৈছিল তাৰ লগত এইধৰণৰ নিচাৰ সম্পৰ্ক তেনেই অসম্ভৱ যেন লাগে। —পূৰ্ব পুৰুষৰ দিনৰে পৰাই বৰুৱাইতৰ পৰিয়ালটো প্ৰতিপত্তিশালী আছিল। বৰুৱাৰ দেউতাকৰ দিনত ইয়াৰ মাত্ৰা আৰু বাঢ়িছিলহে। বৰুৱাৰ দেউতাকৰ জিলাখনতে নাম থকা এটা কাঠৰ মহল আছিল। তাৰ উপৰিও তেখেতে চখতে বনৰীয়া হাতী ধৰি ঘৰচীয়া কৰা আন এটা ব্যৱসায়ো চলাইছিল। দেউতাকৰ আৰু কিছুমান অদ্ভুত খেয়াল আছিল। সমাজত নাম থকা কাম কিছুমান কৰিবলৈ গৈ মানুহজনে সময়ে-সময়ে কিছুমান অদ্ভুত কাম কৰি পেলাইছিল। —সুধাকৰ বৰুৱাৰ আইতাক ঢুকোৱাৰ সময়ত সকাম-নিকামবোৰ ডাঙৰকৈ পাতিবলৈ গৈ এই ভৰা অঞ্চলটোৰ মানুহক মাতি খোৱা-পাতত একোটাকৈ ৰৌ মাছৰ মূৰ দিয়াৰ নিচিনা আশ্চৰ্যকৰ কাণ্ড একোটাও কৰি পেলাইছিল। —সেইবোৰ দিনত, ঘৰখনত অতবোৰ মানুহে গিজ খাই থকাৰ সময়ত, সুধাকৰ বৰুৱাই কেনেকৈ নিজকে সম্পূৰ্ণভাৱে এইবোৰৰ মাজৰ পৰা পৃথক কৰি সাহিত্য সাধনাৰ দৰে শান্ত-সমাহিত পথ এটাৰে নিজকে চালিত কৰিছিল সেয়া ভাবিবলৈ টান লগা কথা। তদুপৰি বৰুৱাৰ দুয়োজন ককায়েকৰ ফালৰ পৰাও ই যেন বিসদৃশ ঘটনা আছিল। ডাঙৰজন ককায়েক ব্যৱসায়ত লাগিছিল,—সৰুজন ৰাজনীতিত নামিছিল আৰু সময়ত তেওঁ প্ৰভাৱশালী নেতা হিচাপে স্বীকৃত হৈছিল।

স্বাভাৱিকতে বৰুৱাৰ জীৱনৰ গতিও এনে ধৰণেই নিৰ্ণীত হোৱাৰ কথা আছিল। কিন্তু বাকী দুজন ককায়েকৰ দৰে যিটো বয়সত বৰুৱাই সম্পদ, প্ৰতিপত্তি, ক্ষমতাৰ সপোন দেখিব লাগিছিল, সেই বয়সত তেওঁৰ মনৰ ভিতৰে-বাহিৰে বাহ লৈছিল একধৰণৰ বৈৰাগ্য আৰু দুখবোধে। বহুত মানুহেই নিজক বা পৃথিৱীক ভালদৰে বুজি উঠাৰ আগতেই সুখৰ প্ৰস্তাৱ দলিয়াই নিজৰ মাজতে অকাৰণতে উদ্বোধন কৰি লয় দুখ! —বয়স তেতিয়া আছিল কিমান? সেই তেতিয়াই প্ৰিয় সংগী কৰি লৈছিল কিতাপক। কিতাপৰতো জাত-পাত নাছিল একো! বয়স অনুযায়ী তাৰ কিছুমান কিতাপ অত্যন্ত গধুৰেই আছিল। —সেই দুখবোধ, কিতাপ আৰু নিসংগতাই আবৰি ৰখা কিশোৰ মনৰ মাজত লাহে-লাহে যেন কছৰত কৰি উঠি আহিছিল এটা লিখাৰ মন।

ডেকা বয়সত একধৰণৰ অদ্ভুত খেয়াল সাঁচি ৰাখিছিল সুধাকৰে। ইয়ো যেন দুখবোধৰ পৰাই উদ্ভুত আছিল। সকলোৰে পৰা নিজকে বিচ্ছিন্ন কৰি জীয়াই থকাৰ এক বাসনা! —নিৰলস জীৱন পৰিক্ৰমাত আন এজনক মিছাতে হুলস্থূল কৰিবলৈ আমন্ত্ৰণ কৰি আনি কি লাভ? তাতকৈ কিতাপ, গল্প-কবিতায়েই বহুত ভাল। অনাড়ম্বৰ সংগসুখ! এতিয়া ভাবিলে বৰুৱাৰ হাঁহি উঠি আহে। —কিযে ভবা নাছিল তেতিয়া সুধাকৰে! —বিয়া-বাৰু এইচব ঝামেলা কিহৰ? কিবা এটা সৰু-সুৰা কাম কৰিম—খাম, বচ। মন গ'লে কিতাপ পঢ়িম—লিখিম। সময়বোৰ মনটোৱে ভবাৰ দৰে নিজাববীয়াকৈ কাটি গ'লেই হ'ল। যেতিয়াই অনুভৱ কৰিম দেহটো দুৰ্বল হৈছে,—লাহে-লাহে আনৰ অৱলম্বন আশা কৰা হৈ আহিছোঁ,—সেইদিনাই ইচ্ছামৃত্যু। —কেইটামান স্লিপিং টেবলেট—অকণমান পইজন—। কাকো অশান্তি নিদিয়াকৈ, দিগদাৰ নকৰাকৈ এটা জীৱনৰ সফল সমাপ্তি! —এ চাৰ্মফুল এ'ণ্ডিং! আচৰিত কথা! এই সুধাকৰ বৰুৱাই যৌবনৰ সোণময় দিনবোৰত এনে আশ্চৰ্যকৰ আঁচনি মনত সাঁচি ক্ষয় কৰিছিল সম্ভাৱনাৰ বহু বৰ্ণময় ক্ষণ।

পিছে নহ'লগৈ সেইবোৰ। সুধাকৰ বৰুৱাই নোৱাৰিলে। পৃথিৱীত এজন মানুহে নিজকে আনৰ পৰা একান্তভাৱে বিচ্ছিন্ন কৰি অনাতো অসুবিধা আছে। এজনৰ বিষয়ে ভাবিবলৈও পৃথিৱীত ইমান মানুহ আছে! গতিকেই বৰুৱাই চাকৰি এটাৰে নিজকে শৃংখলিত কৰিব লগা হ'ল; —শৃংখলিত কৰিব লগা হ'ল যাযাবৰী মন, ইপ্সিত আকাংক্ষা; পৰিয়ালৰ বহু সৰু-বৰ অভিযোগ-অনুযোগৰ মাজত নিজৰ অজ্ঞাতেই শৃংখলিত হৈ গ'ল সুধাকৰ বৰুৱা। —কেতিয়াযে কোন আহিল! —বৰুৱাতকৈ বয়সত বহুত সৰু মণিমালা আহিল—পিতৃত্বৰ গৌৰৱেৰে বিধৌত কৰিবলৈ সময়ত চন্দন, অঞ্জু, অংকুৰ আহিল। —ডেকা বয়সৰ সেই একাকী জীৱনৰ স্বপ্ন কেতিয়াযেন গৈ সেই বন্ধ ক'লা আলমাৰিটোৰ এচুকত আবদ্ধ হৈ ৰ'ল!

কথাবোৰ ভাবিবলৈ বৰ পাকলগা নহয়। বৰুৱাই আগতে এনেবোৰ কথা ভাবি এক পাতল ৰসত মজি আছিল। পাকবোৰ নভঙাকৈ তাৰ মাজত পাতলকৈ সোমাই থকাৰ আমেজকণ বৰ উপভোগ্য আছিল। অথচ সেইটো সেইদিনাখন বিশ্ববিদ্যালয় পাৰ হোৱা চন্দন, কলেজলৈ অহা-যোৱা কৰি থকা অঞ্জু, অংকুৰ—। সুধাকৰ বৰুৱাই সেই পাতল ৰসতে ভাবি আপ্লুত হৈছিল; —সেইটো পৰিয়াল—তেওঁৰ নিজৰ পৰিয়াল! তেওঁ আদৰি অনা এইকিজন মানুহ—সুখে-দুখে আবৰি ৰাখিব পৰা এইকেইজন একান্ত তেওঁৰ মানুহ। সেইজনী মণিমালা—তেওঁৰ পত্নী—ভাবিলেই যেন অনুভৱ কৰা যায় সেই ভৰপূৰ দেহৰ কোমল উম। —তেনেবোৰ সময়ত তেওঁ মনটো ডাঠকৈ ভাবি ভাল পাইছিল—বিয়া-বাৰুৰ মাজত সোমায়ো তেওঁ একো বেয়া কাম কৰা নাই।

আধ্যাত্মিক চৰ্চাও চলি আছিল। সাহিত্যৰ চিন্তাই তেওঁৰ মনৰ এক বিশাল ক্ষেত্ৰ সদায়েই আবৰি ৰাখিছিল। কাকত-আলোচনীত নিয়মিতভাৱেই ওলাই আছিল তেওঁৰ সৃষ্টিকৰ্ম। পুৰণি ঘৰটোৰ এমুৰীয়া কোঠাটোৰ বাবে বৰ কষ্টকৈ হ'লেও দিনটোৰ কিছু সময় তেওঁ যেন আছুতীয়া কৰি ৰাখিছিল। ই যেন এক পবিত্ৰ কৰ্তব্যহে আছিল তেওঁৰ। তেওঁৰ স্বভাৱৰ সৈতে ক'ৰবাত বান্ধ খাই আছিল নষ্টালজিয়াবোধ। পুৰণা ডায়েৰিবোৰ ইমান সযতনে সংৰক্ষিত কৰাৰ ইয়েই যেন আচল কাৰণ। আলমাৰিৰ ছেলফৰ ওচৰত থিয়ৈ-থিয়ৈ তেওঁ মাজে-মাজে সেই ডায়েৰিবোৰৰ পাতবোৰ লুটিয়াই গৈছিল। ডায়েৰিৰ মাজেদি তেওঁ যেন অদৃশ্য জগতৰ মানুহ কিছুমানৰ সৈতেহে কথা পাতিছিল। তেনেবোৰ সময়ত হঠাতে মানুহটোৱে মণিমালা অথবা অঞ্জুহঁতৰ কোনোবা এজনীক মাতি আনি বিব্ৰত কৰিছিল—"চোৱাচোন, এই গোপালকাকাই—মই যেতিয়া হোষ্টেললৈ যাওঁ—মোৰ বেডিং-পত্ৰ গৰুৰ গাড়ীত লৈ গৈ দোকমোকালিতে ষ্টেছন পৌছাই দিছিল। কলৈযে গ'ল এতিয়া এইবোৰ মানুহ!" —মানুহজনে যেন এখন বেলেগ জগতত‌হে প্ৰৱেশ কৰিছিল। আত্মবিস্মৃতভাৱে তেতিয়া তেওঁ অনুচ্চ কণ্ঠেৰে যেন নিজকেই কৈছিল,—"মানুহবোৰক ইমান সোনকালে পাহৰি যাব নালাগে। এইবোৰ মানুহ—যিবোৰৰ মাজেৰে বাট বুলি জীৱনৰ একোটা স্বকীয় স্তৰত উপনীত হোৱা যায়,—সেই মানুহবোৰ কেতিয়াও অপ্ৰাসংগিক হৈ উঠিব নালাগে। —কোনোকালেই নালাগে।"

মানুহৰ নিৰ্দোষ সংগসুখ ভালপোৱা সুধাকৰ বৰুৱাৰ স্বভাৱৰ এয়া এক অনন্য ছবি আছিল।

—আৰু আজি মাত্ৰ কিছুদিনৰ আগলৈকে এই ব্যক্তিত্বৰে ভাস্বৰ সুধাকৰ বৰুৱাৰ সেই চিনাকি ছবি আজি ক'লৈ গ'ল! —ক'ত হেৰাই গ'ল তেনে বহু উপলব্ধিৰ বিনম্ৰ প্ৰকাশ!

সময় সলনি হৈ আহিছিল। বহুত কথাই পুৰণি হৈ আহিছিল। নিতৌ নতুন-নতুন ঘটনা


হোমেন বৰগোহাঞিৰ

## সুখ-দুখ

কলিকতাৰ 'টেলিগ্ৰাফ' কাকতৰ এটা বাতৰি মতে হোমেন বৰগোহাঞিৰ 'ব্যক্তিগত প্ৰবন্ধ' (Personal essay) জাতীয় ৰচনাই নতুন প্ৰজন্মৰ পাঠকসকলৰ মন বিপুলভাৱে আলোড়িত কৰিছে।

কথাটো সম্পূৰ্ণ সঁচা। হোমেন বৰগোহাঞি যদিও এই যুগৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া ঔপন্যাসিক ৰূপে স্বীকৃত হৈছে, তথাপি তেওঁৰ ব্যক্তিগত প্ৰবন্ধবোৰে যি জনপ্ৰিয়তা অৰ্জন কৰিছে সি একে আষাৰে কবলৈ গলে অভূতপূৰ্ব। এই কথাটো আনকি কলিকতাৰ 'দেশ' আলোচনীয়েও লক্ষ্য কৰিছে।

হোমেন বৰগোহাঞিৰ সৰ্বশ্ৰেষ্ঠ প্ৰবন্ধ সংকলন 'সুখ-দুখ' পাঠকসকলৰ হাতত তুলি দিবলৈ পাই আমি গৰ্ব অনুভৱ কৰিছো। এই কিতাপ মাত্ৰ এবাৰ পঢ়ি আলমাৰীত সোমোৱাই থব লগা কিতাপ নহয়। গোটেই জীৱন ধৰি বাৰম্বাৰ পঢ়িবলগীয়া কিতাপ—'সুখ-দুখ'। মূল্য ২৬.০০ টকা

ষ্টুডেণ্টছ্ ষ্ট'ৰছ্
গুৱাহাটী— ৭৮১০০১

ঘটিবলৈ আৰম্ভ কৰিছিল। নতুন ঘটনাবোৰৰ গতি, প্ৰকৃতি, তেজস্বিতাই ম্লান কৰি আনিছিল বহু পুৰণা প্ৰমূল্য। ইয়াৰ মাজত অতি ক্ষুদ্ৰ এজাক মানুহে মাথোঁ অবাক হৈ চাই ৰৈছিল সকলো।

বৰ নিষ্ঠুৰভাৱে আক্ৰান্ত হৈ আহিছিল সময়।

সুধাকৰ বৰুৱাই অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰৰ জীৱনটোক নতুনভাৱে সজাবলৈ কৰা পৰিকল্পনাৰ যেন অন্ত নাছিল। —গল্প-চল্পবোৰ অ'ত-ত'ত খেলি-মেলি হৈ পৰি আছে,—সেইবোৰক সংকলিত কৰিব লাগে, জীৱনটোত কিছুমান ভাল-ভাল কিতাপ পঢ়া হ'ল,—সেইবোৰৰ স্বাদ আন মানুহকো দিব লাগে।

চন্দনে বিশ্ববিদ্যালয়ৰ পৰা ওলাই দুবছৰ ধৰি ঘৰতে বহি আছে। কঠিন সময়ে নিৰ্বাপিত কৰি নিছে তাৰ দুচকুৰ বহুৰঙী স্বপ্ন। —কি ভাল, কি বেয়া? ভাল-বেয়াৰ মাজত কিহৰ আঁৰ-বেৰ? বৰতাকহঁতৰ বিজিনেছ, ৰাজনীতিৰ স্বাচ্ছন্দ্যময় জীৱনৰ চমক সঁচা নে দেউতাকৰ নিস্পৃহ জীৱনৰ দৰ্শন সঁচা?

কিছুদিনলৈ চন্দনে মাক-ভনীয়েকৰ আগত দিয়া অদ্ভুত যুক্তি কিছুমানেৰে গৰম হৈ উঠিছিল সুধাকৰ বৰুৱাৰ ঘৰ। —আগতে চব ধ্বংস কৰা, চব ভাঙি দিয়া—তাৰ পাছত গঢ়ি তোলা। প্ৰগতিৰ বাবে এয়েই ছৰ্ট কাট। —সুধাকৰ বৰুৱাই মাথোঁ উমানতহে গম পাইছিল—চন্দনে কিবা এটা কৰিব খুজিছে।

সময়ে-অসময়ে ঘৰখনৰ সম্মুখত বিভিন্ন যান-বাহনৰ একো-একোটা সৰু-সুৰা ভিৰ; —তাৰ পৰা নামি অহা বিচিত্ৰ ধৰণৰ মানুহ; —চন্দনৰ প্ৰায় বন্ধ কোঠাত সেই মানুহবোৰৰ চেপা গুঞ্জন; —আটাইবোৰ কথাই ঘৰখনৰ বাবে লাহে-লাহে সহজ হৈ আহিছিল। ওচৰ-চুবুৰীয়া, চিনাকি মানুহখিনিৰ চকুৰ দৃষ্টিবোৰ অন্য ধৰণৰ হৈ আহিছিল।

মাত্ৰ কিছুদিনৰ ভিতৰতে কিছুমান খবৰ ছেগা-চোৰোকাকৈ আহি সুধাকৰ বৰুৱাৰ কাণত পৰিবলৈ লৈছিল। দহ-বাৰ কি. মি. ব্যাসাৰ্ধ সাঙুৰি এই অঞ্চলটোৰ কিছুমান বিশেষ মানুহৰ বাবে ভয়ৰ কাৰণ হৈ আহিছিল চন্দন। —বৰুৱাৰ ঘৰৰ পৰা মাত্ৰ চাৰি কি. মি. নিলগৰ বৰুৱাৰ আধা-আধা চিনাকি ৰাজপত্ৰিত বিষয়া এজনক চন্দনে ধমক দিছিল—সঠিক ৰাস্তালৈ সোনকালে উভতি নাহিলে গুলীয়াই দিম। —দীঘল-দীঘল ৰাস্তাবোৰ ছৰ্ট-কাট কৰাৰ কথা; —ইয়াত সকলো কথাই অৱশ্যম্ভাৱী আছিল।

ঘৰখনৰ লগত চন্দনৰ সম্পৰ্ক প্ৰায় নোহোৱাৰ দৰেই হৈছে। চন্দনৰ প্ৰসংগত বৰুৱা যেন লাহে-লাহে নিৰ্বিকাৰ হৈ আহিছে। তাৰ স্পষ্ট মতাদৰ্শৰ কথা বৰুৱাই নাজানে। গতিকে শ্ৰদ্ধা-অশ্ৰদ্ধা, সমৰ্থন-প্ৰতিবাদৰ কোনো কথাই বৰুৱাৰ মনত দোলা দিয়া নাই। ডাঙৰ ল'ৰাটো ঘৰত নোহোৱা কথাটোৱে মণিমালাক কষ্ট দিছে। এই কষ্টই সময়ে-অসময়ে চুপে-চাপে আহি মণিমালাৰ দুচকুৰ পাৰ বান্ধি থকা হৈছে। অঞ্জুৱে সাংঘাতিক কিবা এটা ঘটি গৈছে ধৰণৰ একো চিন্তা কৰা নাই। কিন্তু ঘৰখনৰ এই চিনাকি চাৰি-পাঁচটা মানুহৰ অসহজ হৈ অহা সম্পৰ্কটোৱে তাইকো কিছু ভবাই তুলিছে। তাৰ মাজত যদি তায়ো গভীৰ চিন্তাত লাগিব লাগিল,—তেতিয়াহ'লে দেখোন ঘৰখনৰ ক'তো প্ৰাণেই নাথাকিবগৈ! তথাপি কেতিয়াবা অলপ সময় সকলোৰে অগোচৰে নিজৰ মাজতে থাকি কিবা-কিবি ভাবিবলৈ বৰ ইচ্ছা হয়! —নাই,—তাৰ অৱকাশ এতিয়া নোহোৱা হৈ আহিছে লাহে-লাহে। —অংকুৰৰ ব্যস্ততা অলপ বেলেগ। তাৰ ভাব-চিন্তাৰ জগতখনৰ অধিকাংশ গান, গিটাৰেই অধিকাৰ কৰি আছে। কলেজ আৰু ঘৰুৱা কটিনবদ্ধ পঢ়া-শুনাখিনি বাদ দি বাকী সময়খিনি সি ওচৰৰে ক্লাবটোতে সংগীত চৰ্চাৰ নামত পাৰ কৰে। এইবোৰক তল পেলাই চন্দনৰ নতুন জীৱনৰ প্ৰতি সি যেন অনিসন্ধিৎসু দৃষ্টি দিয়া নাই কেতিয়াও।

কিতাপ-পত্ৰৰ সৈতে যোগাযোগ থকা মানুহবোৰৰ মনৰ চিন্তাবোৰ একমুখী হোৱাতো কিছু অসুবিধা থাকে। ভিন্ন দৃষ্টিভংগীয়ে একোটা চিন্তাকো বহুমুখী কৰি তোলে। বহুত সময়ত মনৰ মাজত স্ব-বিৰোধে অনৰ্থক কষ্ট দিয়ে। —পৃথিৱীত ঘটি যোৱা বিপ্লৱ, পটভূমি, বিপ্লৱৰ চৰিত্ৰ, বিপ্লৱীৰ চৰিত্ৰ সম্বন্ধে বৰুৱাৰ অধ্যয়নপুষ্ট অভিজ্ঞতা আছে। বিপ্লৱীৰ চৰিত্ৰইহে বিপ্লৱক চৰিত্ৰ প্ৰদান কৰে বুলি বৰুৱাৰ এক নিজস্ব ধাৰণা আছে। —চন্দনৰ ওপৰত বৰুৱাৰ এক বিশ্বাস আছে। বিপ্লৱ একোটাৰ সফলতাত এনেবোৰ বিশ্বাসৰ দাম আছে। কিন্তু এইযে স্ববিৰোধ? বৰুৱাই দেখিছে—কিছুমানে বিপ্লৱৰ নামত সঁচা-সঁচিকৈ জীৱনৰ শ্ৰেষ্ঠতম সময়—বহু সময়ত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰিবলৈ শিকে; তেনেবোৰ আত্মাৰ বাবে বৰুৱাৰ মনত এক পবিত্ৰ স্থান আছে। কিছুমানে বিপ্লৱৰ কথা কৈ প্ৰেম কৰে, কিছুমানে বিপ্লৱৰ কথা কৈ বিজিনেছ কৰে; —ইহঁতৰ বাবে বৰুৱাৰ মনত আছে ঘৃণা—কেৱল ঘৃণা।

—চন্দনৰ প্ৰতি থকা বৰুৱাৰ মনৰ ভাব কেতিয়াও প্ৰকাশ্য হৈ উঠা নাই। অথবা হ'ব পাৰে চন্দন বৰুৱাৰ সেই বিশ্লেষণৰ মাজলৈ আহিব পৰা পৰ্যায়লৈ উঠাই নাই।

আকস্মিকভাৱে কিছু ঘটনা এই চহৰতো সংঘটিত হৈছে। মানুহবোৰ আচৰিত ধৰণে কিছু সময়লৈ থৰ হৈছে—তাৰ পাছত লাহে-লাহে সকলো কথা সহজ হৈ তেওঁলোকৰ মনৰ মাজত নিশব্দে জীন গৈছে। দুৰ্ভাগ্যজনকভাৱে বৰুৱাই মনটো ইয়াৰ সৈতে সমতুল কৰি লবলৈ অসমৰ্থ হৈছে। অহৈতুক সংশয় কিছুমানে মনটো ভৰাই ৰখা হৈছে; —সংকুচিত হৈ আহিছে মন,—মনৰ গতি। —বজাৰৰ কিতাপৰ দোকানত বহি থকাৰ পৰাই এক ফাৰ্লং আঁতৰৰ চাৰিআলিটোত প্ৰচণ্ড শব্দেৰে বিস্ফোৰণ হোৱা বোমাৰ শব্দ বৰুৱাই শুনিছে; —আতংকগ্ৰস্ত মানুহৰ চিঞঁৰ-বাখৰৰ মাজত মুহূৰ্ততে বিয়পি পৰিছে দহ-বাৰটা মানুহৰ মৃত্যুৰ খবৰ; —বৰুৱা বহি থকা কিতাপৰ দোকানৰ দুৱাৰৰ জাপ মুহূৰ্ততে বন্ধ হৈ গৈছে; —তেওঁ বজাৰৰ খালী মোনা লৈ ঢলং-পলংকৈ যেন নিৰাপদ আশ্ৰয়ৰ সন্ধানত ঘৰলৈ ঢপলিয়াই আহিছে! ৰাস্তাত লগ পোৱা প্ৰতিটো মানুহৰ মুখলৈ সন্দিগ্ধ দৃষ্টিৰে চাইছে,—কাৰ মুখ, কাৰ চকুত লাগি আছে তেজৰ হেঁপাহ!

প্ৰতিটো ঘটনাৰ পাছতে বৰুৱাৰ এনে হৈছে। হত্যাকাণ্ড একোটাৰ খবৰ শুনাৰ পাছতে নিতাল মৰা মানুহবোৰৰ মাজত ঘুৰি-পকি সেইজন মানুহক লগ পোৱাৰ বৰুৱাৰ এক তীব্ৰ হেঁপাহ হয়—যাৰ আঙুলিৰ ক্ষণিক সঞ্চালনত নিশ্চল হৈ পৰিছে এটা প্ৰাণ,—দপদপাই জ্বলিছে চিতাজুই; —তেনে মুহূৰ্তত সেই মানুহটো কিদৰে—এই মানুহবোৰৰ মাজত কেনেভাৱে আছে? —কেনেকৈ শীতল কৰি ৰাখিব পাৰিছে তাৰ ক্ষণিকৰ বিস্ফোৰিত মগজু? —বৰুৱাৰ এখন্তেকৰ বাবে হ'লেও সেই চকুৰ সম্মুখীন হ'বলৈ বৰ ইচ্ছা হয়।

বৰুৱাৰ লেখনী এটাই কাকতত যথেষ্ট বিতৰ্কৰ সৃষ্টি কৰিছে। মনৰ এটা অতি আচৰিত অৱস্থাত বৰুৱাই সেই লেখা লিখিছিল। লেখাটো কাকতত প্ৰকাশ হোৱাৰ কিছুদিনৰ পাছতে বৰুৱাৰ নিজৰ ঘৰৰ বাৰান্দাত এজাক উত্তেজিত মানুহে আহি বৰুৱাক তিৰস্কাৰ কৰি গৈছিল। —"... জীৱনটোত কিবা মহৎ সৃষ্টি হ'ল আপোনাৰ দ্বাৰা? —চব বমি। সমাজ সংস্কাৰ কৰিবলৈ আহিছে! ..."

লিখা-মেলা কৰি, সাহিত্যৰে কেৱল সমাজৰ আমূল সংস্কাৰ সাধিব পাৰিনে নোৱাৰি বৰুৱাই এইপৰ্যন্ত কোনোদিনে চিন্তা কৰা নাই। তেনে অহংকাৰ বৰুৱাই মনত ৰখাও নাই। কিন্তু এই ঘটনাটো—যিটো ঘটনা বৰুৱাৰ মনৰ


শব্দৰ খনিকৰ
হীৰেন ভট্টাচাৰ্যৰ

ল'ৰা ধেমালি

অকণ-অকণিহঁতৰ কাৰণে লেখা হীৰেন ভট্টাচাৰ্যৰ অনবদ্য পদ্যৰ সংকলন
বেণুমিশ্ৰৰ ৰং-চন্তীয়া ছবিৰে অঁকা

ষ্টুডেন্টছ্ ষ্ট'ৰছ্
গুৱাহাটী —৭৮১০০১




কোনো সুস্থ অৱস্থাত ঘটা নাছিল—সেই ঘটনাত বৰুৱা মানসিকভাৱে আহত হ'ল। —নিজৰ সেই প্ৰিয় কোঠা, কিতাপ, কলম—কাৰো প্ৰতিয়েই তেওঁৰ মনত উৎসাহবোধ নোহোৱা হ'ল; —নিশ্চুপে, নিজৰ মাজত সোমাই থকাতেই যেন আচল শান্তি!

লাহে-লাহে এই পুৰণা ঘৰটোৰ আগফালৰ বৃদ্ধ ফুলগছ কিছুমানে ঢাকি ৰখা এন্ধাৰ বাৰান্দাৰ এচুক, বেতৰ আৰামী চকী, নিশ্চুপ বৰুৱা আৰু নিসংগ দিন অথবা ৰাতিৰ দীঘলীয়া সময়বোৰ,—চব একাকাৰ হৈ আহিল।

বহুদিন ধৰি চন্দনৰ কোনো খবৰ অহা নাই। বৰুৱাই তাৰ প্ৰসংগ এবাৰৰ বাবেও অঞ্জু, মণিমালাহঁতৰ আগত নুলিওৱা হ'ল। অঞ্জুৱে কথাবোৰ ভাবিবলৈ ললে কেতিয়াবা ভুল হৈ যায়,—বিবাহোপযোগী তাইৰ কাৰণেই দেউতাকৰ ইমান চিন্তা বাঢ়িছে নে কি? সঁচাকৈ নে? নহয়, নহয়। —কিযে হৈ গ'ল গোটেই ঘৰখন!

আজৰি সময়খিনিত অঞ্জু দেউতাকৰ কাষতে বহে। তাই কাষত থাকিলে বৰুৱাই দুই-এষাৰ কথা কয়। কিন্তু বৰুৱাই কোৱা এটা কথাৰ পাক ভাঙিবলৈকে তাইৰ পাছত কেইবাঘণ্টাৰো প্ৰয়োজন হয়। মণিমালাই বৰুৱাৰ কাষলৈ আহিবলৈ ভয় কৰা হৈছে। সেই দিনাখন মণিমালাই বৰুৱাৰ কোঠাটো চাফা কৰিবলৈ লওঁতে অসাৱধানবশতঃ টেবুলৰ পৰা কাগজ-পত্ৰ পৰি যোৱা শব্দত বৰুৱাই কেনেকুৱা হুলস্থূল লগাইছিল! —"চব পেলাই দিয়া, চব জ্বলাই দিয়া। এইবোৰ আৱৰ্জনা ৰাখি কোনো লাভ নাই।" বৰুৱাৰ সেই ৰূপ মণিমালাৰ চকুত সেয়াই প্ৰথম আছিল।

কালি সন্ধিয়া অঞ্জু কাষত বহোঁতে বৰুৱাই কিছু দীঘলীয়া কথা পাতিছে। অঞ্জুৱে সৰু ছোৱালীয়ে দেউতাকৰ মুখৰ সাধু শুনাৰ দৰে শান্তভাৱে একান্ত আগ্ৰহেৰে কথাবোৰ শুনি গৈছিল। —"আচলতে মই অতদিনে যিবোৰ কামত ব্যস্ত থাকিলো, সেইবোৰ একো কৰা নহ'লগৈ। পৃথিৱীৰ চব কথাই একো-একোটা সূত্ৰত বন্ধা। তই জান নহয় সেই সূত্ৰটো—পৰিবেশৰ লগত জীৱজগত খাপ খোৱাৰ বিজ্ঞানৰ সেই প্ৰাথমিক সূত্ৰটো? যিবোৰে খাপ খাব নোৱাৰে সেইবোৰ ধ্বংস হৈ যায়, লুপ্ত হৈ যায়। ফিট নহ'লে তই ছাৰভাইভ কৰিব নোৱাৰ। সেই অধিকাৰ তোৰ নাই। ময়ো কিছুমান আনফিট বস্তুক ফিট কৰিবলৈ গৈ বহুত সময় নষ্ট কৰিলো। মানুহৰ মনৰ পৰাও কিছুমান বস্তু স্বাভাৱিক গতিত লুপ্ত হৈ আহিছে। তাক কোনোবাই আঁজুৰি-পিজুৰি ৰাখিবলৈ চেষ্টা কৰা পণ্ডশ্ৰম। তই শুনিছনে আজিকালি আমেৰিকাত প্ৰকাণ্ড-প্ৰকাণ্ড আৰ্টছ ফেকাল্টিবোৰত মাথোঁ খালী টেবুল-বেঞ্চবোৰহে থাকে,—ছাত্ৰ নাই? —তই অংকুৰক কবি, বুজাবি—সিও কিছুমান অযথা শ্ৰম কৰি আছে। সময়ত পস্তাব। —কোনো লাভ নাই। কোনো লাভ নাই। ..."

বৰুৱাই চুটি-চুটিকৈ কোৱা কথাখিনি শেষ কৰোঁতে কিছু সময় লৈছিল। অঞ্জুৱে তলমূৰকৈ কথাবোৰ শুনি গৈছিল। দেউতাক নিশ্চুপ হৈ পৰাৰ পাছত, আৰু নতুনকৈ কিবা এটা নক'ব বুলি অনুমান কৰাৰ পাছত তাই লাহে-লাহে মূৰ তুলি দেউতাকলৈ চালে। বৰুৱাই উদাসভাৱে দূৰলৈ চাই আছে—নিস্প্ৰভ দৃষ্টি। মুখমণ্ডলত ভাগৰৰ চিন। —অঞ্জুৰ প্ৰথমবাৰৰ বাবে যেন অনুভৱ হ'ল,—দেউতাক দুৰ্বল হৈছে। দেউতাকৰ বয়স হৈছে।

শেষপৰ্যন্ত সুধাকৰ বৰুৱাৰ দৰে নিৰ্দোষ, জীৱনৰ প্ৰতি নিৰ্মোহ দৃষ্টিভংগীৰ কোনো মানুহেই এই পৃথিৱীত ভৰপূৰ মানসিক সম্পদেৰে অক্ষতভাৱে বাচি থকাৰ অধিকাৰ দাবী কৰিব নোৱাৰে।

৪২ পৃষ্ঠাৰ পিছৰ পৰা

পাতিবি। আমি কিবা নজনাকৈ থকা কথা থাকিলে তাৰ মুখৰ পৰাই ওলাই আহিব।

তাইৰ পৰা বিদায় লৈ ৰবং চিধাই ফংপিম লুকাই থকা ঠাই পালেগৈ। ফংপিমক গোটেইবোৰ কথা কোৱাৰ পাছত ফংপিমে "আজিয়েই হাবিয়ে-হাবিয়ে গৈ নৈৰ পাৰলৈকে যাব পৰা বাটটো বিচাৰি থওঁ ব'ল।" —বুলি হাতীৰ পিঠিত ৰবঙক তুলি লৈ ডাঠ হাবি ভাঙি-ভাঙি উত্তৰ মুখে আগবাঢ়ি গৈ-গৈ নদীৰ পাৰ পালেগৈ। ঠাইডোখৰ ভালকৈ চাই-চিতি দুয়ো উভতি আহিল।

বাটত ৰবঙে ক'লে, "ধলপুৱাতে মই আহি ওলামহি। ভাতমুঠি সিজাই থবি। খায়েই ঘৰলৈ পোনাই দিম।"

দিনটো নানা কামত ব্যস্ত থাকি গধূলি নৰংগাই কাৰেং গৈ পায়েই শুনিলে যে কাবাংগাই সি আগদিনা আজিৰ বাবে তাপুং পাহাৰত ৰখীয়াবোৰৰ সালসলনি কৰাৰ কথা আৰু আজি ৰাতি সি কাৰেঙৰ কোনোবা এজনক লৈ ইলিংগক চাবলৈ যোৱাৰ কথাটো গম পাই গ'ল। সি বুজিলে যে আজি তাৰ নিৰ্ঘাত মৃত্যু। সি এবাৰ পলাই যোৱাৰ কথা ভাবিলে। কিন্তু যাব ক'লৈ? হঠাতে সি ঠিক কৰিলে যে কামিঙক লৈ নৰা ৰাজ্যলৈ পলাই যোৱাটোকেই সকলোতকৈ শ্ৰেয় হ'ব। তেনেতে সি মূৰ তুলি তাক খবৰ দিয়া মানুহটোলৈ মন কৰি দেখে যে সেইটো তাৰ নিজৰ মানুহেই। সি তাক ফুচফুচাই ক'লে। "মই কাবাংগাই দিয়া ডাঙৰ কাম এটা কৰিবলৈ পাহৰি আহিলো। মই এতিয়াই লৰ মাৰি কাৰেং সামৰি আহোঁগৈ। কাবাংগাই যদি ইতিমধ্যে মোৰ বিচাৰ লয়, তেন্তে মই এতিয়াও আহি পোৱা নাই বুলি কবি। বুজিলিনে?"

মানুহটোৱে শলগাৰ লগে-লগে নৰংগাই ঘৰ অভিমুখে প্ৰাণটাকি লৰ ধৰিলে।

কামিঙে দুৱাৰ খুলি নৰংগাক তেনেকৈ ঘামি-জামি উধাতু খাই লৰি অহা দেখি আচৰিত হৈ সোঁধোতে নৰংগাই কোনোমতে ফোপনি-জোপনি দমাই ক'লে, "এতিয়া ওলা, বল তইঁতৰ ৰাজ্যলৈ পলাই যাওঁ।

কামিঙে আচৰিত হৈ কাৰণটো সোধাত সি গৰগৰাই কৈ গ'ল, "মই যে কালি আজিৰ কাৰণে তাপুং পাহাৰৰ পৰীয়াবোৰ সলনি কৰি সিহঁতক কৈছিলো যে আজি মই কাৰেঙৰ মানুহ এজনক লৈ আহিম বুলি, সেই কথাবোৰ কাবাংগাই গম পাই গ'ল।

তাক শেষ কৰিবলৈ নিদি কামিঙে সুধিলে, "কাবাংগাই গম পাই গ'ল বুলি তই কেনেকৈ জানিলি?"

নৰংগাই থতমত খাই ক'লে, "নহ'লে কাবাংগাই মোক কিয় মতাই পঠাব?"

তাৰ উত্তৰত কামিঙে হাঁহি পেলালে। তাই ক'লে, "চা নৰংগা, তই কাবাংগাৰ নিজা সেনাবোৰৰ সেনাপতি। গতিকে সি তোক মতাই পঠোৱাৰ মানেতো এইটো নহয় যে কাবাংগাই তোৰ আটাইবোৰ ভিতৰুৱা কথা জানি গ'ল!"

নৰংগাই তাইৰ কথাৰ ওপৰতে ক'লে, "যদি জানিয়েই গ'ল! কেনেকৈনো জানিবি? আমাৰ প্ৰত্যেকটো মানুহৰ ওপৰত চকু ৰাখিবলৈ কাবাংগাৰ নিজা চৰীয়া আছে।"

কামিঙে গহীনাই ক'লে, "শুন, মই ধৰি ললো—কাবাংগাই সকলো কথা গম পাই তোক সোধ-পোছ কৰিবলৈ মাতি পঠিয়াইছে। ভাল কথা। তই গৈ কাবাংগাক লগ ধৰগৈ। কাবাংগাই যদি তোক তাপুং দুৰ্গৰ কথা সোধে, তেনেহ'লে তই ক'বি,—পৰীয়াবিলাকৰ এনেধৰণে পৰ দি দি আমনি লাগি যোৱাত সিহঁতে আজিকালি পৰ দিওঁতে সোৰোপালি কৰা হৈছে। সেইকাৰণে মই সিহঁতৰ মাজত পৰৰ সাল-সলনি কৰাৰ উপৰিও সিহঁতক ভয় খুৱাবলৈ কাৰেঙৰ কাৰোবাক লগত লৈ আহিম বুলি ভুৱা দি আহিছোঁ।"

পৰামৰ্শটো শুনিয়েই নৰংগাই কামিঙৰ ভৰিত পৰি ক'বলৈ ধৰিলে, "তই আজি মোৰ জীৱনটো বচালি। মই তোৰ ওচৰত চিৰদিনৰ কাৰণে কৃতজ্ঞ হৈ পৰিলো। তই যদি ইচ্ছা কৰ মই তোক বিয়া কৰাই ঘৰ-সংসাৰ কৰিম। তই মোক নেৰিবি।"

কামিঙে তাক তুলি মৰমেৰে ক'লে, "কিন্তু এটা চৰ্তত। তই মোৰ কথা কেতিয়াও পেলাব নোৱাৰিবি। মই যিটো কম, তই জীৱনটো দি হ'লেও পালিব লাগিব। ক পাৰিবিনে নোৱাৰ?"

সি লগে-লগে উত্তৰ দিলে, "পাৰিম এশবাৰ পাৰিম। মই তথাগতৰ শপত খাই কৈছোঁ মই তোৰ প্ৰতিটো কথা পালিম।"

কামিঙে তাক মৰম কৰি ক'লে, "হ'ব, মই বিশ্বাস কৰিছোঁ। তই এতিয়া যাগৈ, কাবাংগা হয়তো ৰৈ থাকিব পাৰে।"

নৰংগাই কাৰেঙলৈ বুলি উধাতু খাই লৰ ধৰিলে।

(আগলৈ)




OKDISCD

# খেলুৱৈৰ বাবে 'ৱেইট ট্ৰেইনিঙ'ৰ আৱশ্যকতা

খেলাধূলাৰ মাজেৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰাৰ অৰ্থে বিশ্বৰ বিভিন্ন দেশত প্ৰতিদ্বন্দ্বিতাৰ মনোভাবেৰে, বিজ্ঞানসম্মতভাৱে, উন্নত মানৰ খেলুৱৈ গঢ় দি উলিয়াবলৈ বিভিন্ন উপায় উদ্ভাৱনৰ প্ৰচেষ্টা অব্যাহত আছে। বিশ্বৰ বিভিন্ন দেশৰ এনে প্ৰচেষ্টাৰ সৈতে আমিও ফেৰ মাৰিব নোৱাৰিলে আমাৰ খেলুৱৈয়ে আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত দূৰৰে কথা, একেস্তৰৰ কেইখনমান দেশৰ মাজত সীমিত পৰিসৰত পতা প্ৰতিযোগিতাতেই সফল হ'ব নোৱাৰিম। সেয়েহে আমাৰ খেলুৱৈসকলেও খেলাধূলাক 'চখ' হিচাপে নলৈ 'প্ৰফেশ্যনেল' মনোভাবেৰে, বিজ্ঞানসম্মতভাৱে, অবিৰত অনুশীলন কৰি নিজকে আন্তঃৰাষ্ট্ৰীয় মানৰ সমকক্ষ কৰি গঢ়ি তুলিব লাগিব। সেই প্ৰয়োজনৰ খাতিৰতেই খেলুৱৈসকলৰ অনুশীলনৰ লগতে 'ৱেইট ট্ৰেইনিঙ'ৰ (weight training) আৱশ্যকতাৰ বিষয়ে অলপ আভাস দিব খুজিছোঁ।

ৱেইট ট্ৰেইনিং কম-বেছি পৰিমাণে সকলো খেলুৱৈৰ বাবে অতীব প্ৰয়োজনীয়। অৱশ্যে এই নিবন্ধত এথলিটসকলৰ প্ৰয়োজনীয়তাৰ বিষয়েহে কিছু ক'ব খুজিছোঁ।




অল্টাৰনেটিভ ডামবেল প্ৰেছ

আলোকচিত্ৰ : প্ৰাঞ্জল ও মঞ্জু বৰা

আমাৰ অসমৰ চেমনীয়া (junior) খেলুৱৈসকলে ভাল খেলি ভাল ফল পোৱা আমি সকলোৱে দেখি আহিছোঁ। কিন্তু সেই অনুপাতে তেওঁলোকে পুৰুষ আৰু মহিলাৰ (mens' & womens') বিভাগত ভাল ফল দেখুৱাব নোৱাৰে। কাৰণ ছিনিয়ৰ বিভাগত কৃতিত্ব প্ৰদৰ্শনৰ বাবে অকল অনুশীলনেই যথেষ্ট নহয়; তাৰ সৈতে ৱেইট ট্ৰেইনিঙৰ প্ৰয়োজনীয়তাও কম নহয়। ৱেইট ট্ৰেইনিং কৰিলেহে আমাৰ মাংসপেশীবোৰ সবল আৰু বেছি শক্তিশালী হয় আৰু তেতিয়াহে জুনিয়ৰ বিভাগৰ দৰে ছিনিয়ৰ বিভাগতো আৰু কিছু উন্নতি কৰি ভাল ফল দেখুৱাব পাৰিম।

এতিয়া এই ৱেইট ট্ৰেইনিং কেনেকৈ লব লাগে সেই বিষয়ে ক'ব খুজিছোঁ। আমি সদায় অনুশীলনৰ পূৰ্বে যেনেকৈ ৱাৰ্ম আপ কৰোঁ, ঠিক তেনেকৈ ৱেইট ট্ৰেইনিঙৰ আগতেও ৱাৰ্ম আপ কৰি লব লাগে। তাৰ পাছত লাইট ৱেইট লৈ ৱাৰ্ম আপ কৰিব লাগে। এনে লাইট ৱেইটবোৰ হ'ল—খালী প্লেট (plate), খালী বাৰ (bar), ছাইড বেণ্ডছ (Side bands) ইত্যাদি। ইয়াৰ পাছত ৱেইট ট্ৰেইনিঙৰ প্ৰধান ব্যায়ামবোৰ



স্নেচ্চ

(major exercise) কৰিব লাগে। এই ব্যায়ামবোৰ হ'ল—ক্লিন এণ্ড প্ৰেছ, অনলি প্ৰেছ, স্নেচ্চ, বেঞ্চ প্ৰেছ এণ্ড স্কুৱেটছ। এই ব্যায়ামকেইটা এটা ছে'টত দহবাৰকৈ তিনি ছে'ট কৰিব। ওজন বঢ়ালে এটা ব্যায়াম যিমানবাৰ কৰিব লাগে সিমানবাৰ কৰিব নোৱৰা হয় অৰ্থাৎ repeatation-অৰ মাত্ৰা কমি আহিব। এনে ব্যায়ামৰো আকৌ তিনিটা ভাগ আছে। খেলৰ বতৰ নোহোৱাৰ সময়ত (off season) শতকৰা ১০০ ভাগ, খেলৰ বতৰৰ মাজৰ ছোৱাত (middle season) শতকৰা ৭৫ ভাগ হিচাপত আৰু খেলৰ পূৰ্ণবতৰত (pickup month) বা প্ৰতিযোগিতাৰ সময়ত সপ্তাহত তিনিদিনকৈ ব্যায়াম কৰিব লাগে। কিন্তু জাঁপ মাৰোঁতা (jumper) আৰু দৌৰবিদসকলে (runner) মিডল ছিজন আৰু প্ৰতিযোগিতাৰ সময়ত সপ্তাহত দুদিনকৈ কৰিব লাগে।

ইয়াৰ পাছত ৱেইটৰ বিশেষ ব্যায়ামকেইটালৈ আহোঁ। বেলেগ-বেলেগ ইভেণ্টৰ খেলুৱৈৰ বাবে বেলেগ-বেলেগ বিশেষ ব্যায়াম আছে। যেনে,—দৌৰোঁতাসকলৰ (runner) বাবে ৱেইটৰে সৈতে স্পট ৰানিং (spot running), পাতল ৱেইটৰে সৈতে শ্ল' ৰানিং (slow running), আয়ৰন শ্ব' ব্যায়াম, স্প্ৰিণ্ট একশ্যন কালৰ্ছ (সোতৰ বাৰ) ইত্যাদি। একেদৰে জপিয়াওঁতাসকলৰ (jumper) বাবে ষ্টেপ আপছ (চাৰি বাৰ), স্প্লিটছ (পাঁচ বাৰ), আয়ৰন শ্ব' (ছবাৰ) আৰু লেগ ছুয়িংছ।

থ্ৰ'ৱাৰসকলৰ বাবে বিকল্প হ'ল—ডামবেল প্ৰেছ (ওঠৰ বাৰ), বাৰবেল কাৰ্লছ (উনৈছ বাৰ), বেণ্ট আৰ্ম পুল অভাৰ (ছাব্বিছ বাৰ), ফ্লায়িং এক্সাৰছাইজ (চৌত্ৰিছ বাৰ)। এইবোৰৰ উপৰিও সকলো এথলিটে আৰু কেইটামান বিশেষ ব্যায়াম কৰিব লাগে। যেনে,—ছিট আপ (বাইছ বাৰ), গুড মৰ্নিং (ষোল্ল বাৰ), ট' ৰেইজ (বাৰ বাৰ), লেগ প্ৰেছ ইত্যাদি। পিছে এই আটাইবোৰ ব্যায়াম কৰাৰ সময়ত প্ৰশিক্ষক নাইবা অভিজ্ঞ খেলুৱৈ লগত থকা উচিত।

হাফ স্কুৱেট



ৱাৰ্ম আপ হৈ যোৱাৰ পাছত প্ৰথমতে এটা ক্লিন এক্সাৰছাইজ কৰিব লাগে। নিজৰ দেহৰ শক্তি অনুযায়ী ওজন লব লাগে। এনেদৰে ওজন লব লাগে যাতে সেই ওজন সহজতে আঠ-দহ বাৰ উঠোৱা-নমোৱা কৰিব পাৰি। এইদৰে দহ বাৰকৈ এটা ছে'ট সম্পূৰ্ণ হ'লে মাজত অলপ বিশ্ৰাম লৈ দ্বিতীয় ব্যায়ামটো কৰিব লাগে। দ্বিতীয়তে বেঞ্চ প্ৰেছ বা স্নেচ্চ কৰিব পাৰি। বেঞ্চ প্ৰেছ আৰু স্নেচ্চ কৰোঁতেও দহ বাৰকৈ তিনিটা ছে'টত সম্পূৰ্ণ কৰিব লাগে। বেঞ্চ প্ৰেছ আৰু স্নেচ্চ শেষ হ'লে এটা স্কুৱেটছ কৰিব লাগে। সপ্তাহত তিনি দিন ৱেইট কৰাসকলে এদিন সম্পূৰ্ণ স্কুৱেট (full squat) আৰু বাকী দুদিন আধা স্কুৱেট (half squat) কৰিব লাগে। সকলো খেলুৱৈয়ে অনুশীলনৰ (practice) সময়ত ডায়েৰি ব্যৱহাৰ কৰাটো অতি আৱশ্যক। তাৰ ভিতৰত নিজৰ ৱেইট ট্ৰেইনিঙৰ ডায়েৰি সদায় লগত ৰাখিব লাগে। তেতিয়াহ'লে বাকী দুটা ছিজনত অনুশীলন কৰাৰ সময়ত ৱেইটৰ শতকৰা হাৰ উলিয়াব পৰা যায়। কিছুমান প্ৰশিক্ষাৰ্থীয়ে অকল ৰাতিপুৱাহে ৱেইট ট্ৰেইনিং কৰা দেখা যায়। এই ক্ষেত্ৰত ৰাতিপুৱা মেজৰ ৱেইটৰ ব্যায়ামকেইটা কৰি আবেলি বিশেষ ব্যায়ামকেইটা কৰিলে বেছি ভাল ফল পোৱা যায়। সময় নাথাকিলে অৱশ্যে ৰাতিপুৱাতে কৰিব পাৰি। ৰাতিপুৱাতে যদি ফুল ৱেইট ট্ৰেইনিং কৰা হয় তেনেহ'লে আবেলি যিকোনো এবিধ খেল খেলা ভাল আৰু পাছদিনা ৰাতিপুৱা অলপ ষ্ট্ৰেছিং ব্যায়াম কৰা ভাল।

এতিয়া আমি কোন কেইটা খেলত কোন কেইটা বিশেষ ব্যায়াম কৰিব লাগিব সেইটো জনা উচিত। এটা কথালৈ সদায় মন কৰিব লাগে ঃ ৱেইট ট্ৰেইনিং কৰোঁতে সদায় কিছু সাৱধানতা অৱলম্বন কৰিব লাগে। ৱেইট কৰোঁতে (ওজন ওঠাওঁতে) কেতিয়াবা শৰীৰত বিষ হ'ব পাৰে আৰু ইয়াৰ ফলত খেলৰ মান কমি যাবও পাৰে। এনেবোৰ কাৰণতে ভাল প্ৰশিক্ষক বা কোনো অভিজ্ঞ মানুহৰ সহায় লৈহে সদায় ৱেইট ট্ৰেইনিং কৰিব লাগে।

পৃথিৱীৰ সকলো দেশতে ৱেইট ট্ৰেইনিঙৰ অভ্যাস কৰা দেখা যায়। আমাৰ দেশৰ তুলনাত পশ্চিমীয়া দেশবোৰত ৱেইট ট্ৰেইনিঙৰ প্ৰচলন খুব বেছি। সেই বাবেই সেইবোৰ দেশৰ একোজন খেলুৱৈয়ে ফুটবল, ভলিবল, ক্ৰিকেট, এথলেটিকছ, লন টেনিছ, টেবল টেনিছ, বেডমিণ্টন আদি যি খেলেই নেখেলক, ৱেইট ট্ৰেইনিঙৰ পৰা যথেষ্ট উপকৃত হোৱা দেখা যায়।

ৱেইট ট্ৰেইনিঙৰ পৰা যিকোনো খেলুৱৈয়েই উপকৃত হ'ব পাৰে, যদিহে তেওঁ ইয়াৰ নিয়মবোৰ মানি চলি নিয়মিতভাৱে অনুশীলন কৰে।

**তৈয়বুন নিছা**

## ভাৰতৰ ব্যৰ্থতাত হায়-হায় কৰাৰ যুক্তি আছে নে ?

সম্প্ৰতি অনুষ্ঠিত অলিম্পিকত ভাৰতৰ ব্যৰ্থতাৰ বাবে যেনে হুলস্থূল লাগিছে সেইটো মন কৰিব লগীয়া। এনেহেন লাগিছে যেন অতীতত আমি মুঠিয়ে-মুঠিয়ে সোণৰ পদক আনিছিলো, এইবাৰহে যেন শুদা হাতেৰে ঘূৰি আহিছোঁ। কাৰ্যক্ষেত্ৰত দেখা যায় যে, চৰকাৰীভাৱে ১৯২৮ চনৰ পৰা অলিম্পিকত ভাগলোৱা ভাৰতে হকিৰ বাহিৰে মাথোঁ এটাহে ব্ৰ'ঞ্জৰ পদক (১৯৫২ চনত মল্লযুদ্ধত কে. ডি যাদৱে) লাভ কৰিছে। গতিকে এইবাৰৰ ব্যৰ্থতা একো নতুন কথা নহয়। অলিম্পিক হকিৰ ভাৰতৰ স্বৰ্ণযুগত ইউৰোপৰ দেশসমূহে হকি খেল 'ছিৰিয়াছলি' লোৱা নাছিল। যেতিয়াৰ পৰা ইউৰোপৰ দেশসমূহে হকিৰ ওপৰত যথোচিত গুৰুত্ব দিলে, তেতিয়াৰ পৰাই ভাৰতৰ পতন আৰম্ভ হ'ল। ইয়াৰ অন্যতম কাৰণ হৈছে হকি এতিয়াও আমাৰ ৰাষ্ট্ৰীয় খেল হৈ উঠা নাই। এটা সময়ত ভূপাল, উত্তৰ প্ৰদেশ আদিৰ পৰা প্ৰচুৰ ভাল খেলুৱৈ হকিৰ ক্ষেত্ৰলৈ আহিছিল ; কিন্তু বৰ্তমানে পঞ্জাব, ছাৰ্ভিছেছ আৰু এয়াৰ ইণ্ডিয়াৰ বাহিৰে ক'তো হকিৰ ছিৰিয়াছ চৰ্চা নাই। ষ্টিকৰ যাদু নাইবা ড্ৰিবলিঙৰ মনোমোহা শক্তিৰে যি হকি পূৰ্বৰ ভাৰতীয় খেলুৱৈসকলে খেলিছিল, এতিয়া ইউৰোপৰ পাৱাৰ আৰু টোটেল'হকিৰ সৈতে সি ফেৰ মাৰিবলৈ ব্যৰ্থ হৈছে। মাত্ৰ কেইবছৰমানৰ ভিতৰতে জাৰ্মেনি, অষ্ট্ৰেলিয়া, হলেণ্ড ইত্যাদি দেশে এনে তীব্ৰতাৰে অগ্ৰগতি লাভ কৰিছে যে ভৱিষ্যতে ভাৰতীয় হকিয়ে যদি সাফল্য লাভ কৰিবলৈ বিচাৰে, তেনেহ'লে এই বিষয়ে নতুনকৈ চিন্তা-ভাৱনা কৰাৰ প্ৰয়োজন হ'ব।

চাৰিবাৰ অলিম্পিকৰ মূল প্ৰতিযোগিতাত ভাগ লোৱা ভাৰতীয় ফুটবলৰ বৰ্তমান কৰুণ অৱস্থাৰ বাবে সম্পূৰ্ণ দায়ী ভাৰতীয় ফুটবল ফেডাৰেশ্যন। আজিলৈকে ৰাষ্ট্ৰীয় লিগৰ ব্যৱস্থা কৰা হোৱা নাই। অলিম্পিকত ফুটবল খেলুৱৈৰ বয়স ২৩ বছৰ স্থিৰ কৰি দিয়াৰ পাছতো নতুন খেলুৱৈ উলিয়াবলৈ কিবা ব্যৱস্থা লোৱা হৈছে নে ? মিলোভোন বা গেলিৰ দৰে অভিজ্ঞ বিদেশী প্ৰশিক্ষকসকলে যেতিয়া ভাৰতীয় ফুটবলক নতুন ৰূপ দিবলৈ বিচাৰিছিল সেই সময়ত সংকীৰ্ণ ৰাজনীতিয়ে তেওঁলোকক কাম সম্পূৰ্ণ কৰিবলৈ নিদিলে।

এথলেটিকছত অলিম্পিকত অতীতত ভাৰতৰ ভূমিকা বাৰু কেনে ? এতিয়ালৈকে মিলখা সিং, গুৰুবচন সিং, শ্ৰীৰাম সিং, পি. টি. উষা আৰু ছাইনি আব্ৰাহামে ফাইনেলত প্ৰবেশ কৰিছে ; —ইয়াৰ বাহিৰে উল্লেখযোগ্য আৰু একো নাই। ১৯৬০ চনৰ ৰোম অলিম্পিকত পূৰ্বৰ অলিম্পিক ৰেকৰ্ড ভংগ কৰি মিলখা সিঙে চতুৰ্থ স্থান লাভ কৰা নাইবা লছ এঞ্জেলছত পি. টি. উষাই চতুৰ্থ স্থান লাভ কৰা ঘটনাই আমাৰ স্মৃতিক সমৃদ্ধ কৰিব সঁচা ; কিন্তু ভৱিষ্যতে এথলেটিকছত আমি কেতিয়াও কোনো পদক লাভ কৰিব নোৱাৰিম ; কাৰণ তেনে কোনো সম্ভাৱনাময় এথলিট আমাৰ চকুত পৰা নাই। আৰু য'ত এছিয়াতে আমাৰ দুখ লগা অৱস্থা, সেই ক্ষেত্ৰত আমেৰিকা, জাৰ্মেনি, ৰাছিয়া, কেনিয়া আদিৰ লগত তুলনা নকৰাটোৱেই ভাল।

এনে অৱস্থাত প্ৰশ্ন হৈছে, ভৱিষ্যতে ভাৰতে অলিম্পিকত ভাগ লোৱা উচিত নে অনুচিত ? নিশ্চয় ভাগ লোৱা উচিত,—কিন্তু কেইটামান নিৰ্দিষ্ট প্ৰতিযোগিতাত ; যেনে—আৰ্চাৰি, মল্লযুদ্ধ, বক্সিং, বেডমিণ্টন আৰু হকিত। এথলেটিকছত যোগদান যিহেতু বাধ্যতামূলক, সেইকাৰণে মধ্যম দূৰত্বৰ দৌৰৰ কাৰণে দীৰ্ঘম্যাদী পৰিকল্পনা লোৱা উচিত।

শিক্ষানুষ্ঠানত খেলাধূলা বাধ্যতামূলক কৰাটো অসম্ভৱ কথা। হাজাৰ-হাজাৰ ল'ৰা-ছোৱালীৰ বাবে খেলপথাৰ, খেলৰ সা-সঁজুলি দিয়াটো বাস্তৱক্ষেত্ৰত সম্ভৱনে ? পাঠ্যপুথিৰ প্ৰবল হেঁচাত পঢ়া-শুনা আৰু খেলা-ধূলা সমানে কৰাটো সম্ভৱ নে ? আন্তৰ্জাতিক মানৰ খেলুৱৈ আৰু বিশ্ববিদ্যালয়ৰ উচ্চশিক্ষা আহৰণ, এই দুটা কাম সাধাৰণতে একেলগে হ'ব নোৱাৰে।

আমাৰ বোধেৰে বিভিন্ন ৰাজ্যত স্প'ৰ্টছ একাডেমি প্ৰতিষ্ঠা কৰাটো প্ৰয়োজনীয়। এই একাডেমিৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ দায়-দায়িত্ব লব লাগিব চৰকাৰে। বিভিন্ন বেচৰকাৰী উদ্যোগ যাতে খেলা-ধূলাৰ উন্নতিৰ বাবে আগবাঢ়ি আহে সেইটো নিশ্চিত কৰিব লাগে। বৰ্তমানে টাটা বা মেগৰে যেনেকৈ ফুটবলক লৈছে, তেনেকৈ আন ব্যৱসায়ী প্ৰতিষ্ঠানক দিয়া হওক মল্লযুদ্ধ, এথলেটিকছ আৰু হকিৰ দায়িত্ব। চৰকাৰৰ ৪০ কোটি টকাৰে কোনো পৰিকল্পনাক বাস্তৱত ৰূপদান কৰাটো অসম্ভৱ। ৰাষ্ট্ৰীয় ফেডাৰেশ্যন আৰু ভাৰতীয় অলিম্পিক সংস্থাই পৰিকল্পনা অনুযায়ী এতিয়াৰ পৰাই উন্নতমানৰ প্ৰশিক্ষণ, নতুন খেলুৱৈৰ সন্ধানৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে অদূৰ ভৱিষ্যতে আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতে সাফল্য লাভ কৰিব। সংসদত অযথা চিঞৰিলে নাইবা খেলক লৈ ৰাজনীতি কৰিলে দেশৰ খেলাধূলাৰ উন্নতি হ'ব নোৱাৰে। দুখলগা কথা যে, ক্ৰীড়ানীতি নাই, ক্ৰীড়াচৰ্চা নাই, নাই ক্ৰীড়াৰ পৰিবেশ ; এনে অৱস্থাত আলাদিনৰ চাকিৰে বিশ্বক্ৰীড়াংগনৰ পৰা আমাৰ খেলুৱৈসকলে মুঠিয়ে-মুঠিয়ে পদক আনিব,—এনে 'দিবাস্বপ্ন' দেখাৰ কিবা যুক্তি আছে নে ?

**পুলক লাহিড়ী**

# ভাষাৰ গতি

আলোচনী, বাতৰি-কাকত আদিত পাঠক-পাঠিকালৈ কেনেকুৱা সমল আগ বঢ়াব লাগে, সেই সম্পৰ্কীয় দৃষ্টি-ভংগীৰ সদ্যহতে লক্ষণীয় পৰিবৰ্তন ঘটিছে। আলোচনী, বাতৰি-কাকত আদিৰ সংখ্যা বাঢ়িছে ; কোনে কিমান নতুন ধৰণৰ বস্তু পাঠক-পাঠিকালৈ আগ বঢ়াব পাৰে তাৰ বাবে এক ধৰণৰ ব্যৱসায়িক প্ৰতিযোগিতা চলিছে,—আৰু সেইকাৰণে এই পৰিবৰ্তনটো ঘটিছে বুলি এটা ব্যাখ্যা দিয়া হয় যদিও, আচলতে সাধাৰণ মানুহক জনাব লগীয়া কথাৰ পৰিমাণ যে দিনে-দিনে বাঢ়ি আহিছে, আৰু সাধাৰণ মানুহক সেই কথাৰ যিমান বেছি পৰা যায় জনোৱাটো দায়িত্ব আৰু কৰ্তব্য বুলি এচাম আলোচনী, বাতৰি-কাকতে যে উপলব্ধি কৰিছে, সেইটোকহে পৰিবৰ্তনটোৰ ঘাই কাৰণ বুলি গ্ৰহণ কৰাটো অধিক যুক্তিযুক্ত। এই পৰিবৰ্তনৰ প্ৰতি প্ৰভূত পৰিমাণে অৰিহণা যোগাইছে ছপাশালৰ নানা ধৰণৰ নতুন-নতুন কলাকৌশলে।

এই পৰিবৰ্তন অসমতো ঘটিছে আৰু অসমৰ ছপাশালো দিনক-দিনে এই পৰিবৰ্তনৰ লগত খাপ খাব পৰাকৈ উন্নত হৈ আহিছে। অসমৰ পৰা প্ৰকাশ পোৱা ইংৰাজী কাকতৰ এটা নিৰ্দিষ্ট মানৰ ওচৰ চাপিবলৈ কেইবাটাও দিশত অসমীয়া ভাষাৰ আলোচনী-কাকতৰ তুলনাত সুবিধা বেছি। অন্ততঃ লেখক-লেখিকাৰ ক্ষেত্ৰত ইংৰাজী কাকতে—এক প্ৰকাৰে চাবলৈ গ'লে—সমগ্ৰ পৃথিৱীৰ সহায়ৰ ওপৰত ভাৰসা কৰিব পাৰে। অসমীয়া ভাষাৰ আলোচনী-কাকতৰ পৰিবৰ্তন আৰু উন্নতিৰ যান্ত্ৰিক দিশটো ছপাশালে মোটামুটিভাৱে এটা পৰ্যায়লৈকে চম্ভালিব, কিন্তু সেইবোৰত ছপা হোৱা কথাবোৰৰ মানৰ দায়িত্ব অসমীয়া মানুহৰ আৰু অসমীয়া ভাষা জনা মানুহৰ। গতিকে বৰ্তমানৰ অসমীয়া আলোচনী, বাতৰি-কাকত আদিৰ পৰিবৰ্তনৰ লগত এই ভাষাটোৰ অৱস্থাটোলৈ লক্ষ্য ৰখাটো প্ৰয়োজনীয় কাম। গল্প, কবিতা, উপন্যাস, আৰু সাহিত্য, সমাজ, ৰাজনীতি, কলা-সংস্কৃতি আদি কিছুমান বিষয়ৰ প্ৰবন্ধ-পাতিৰ ক্ষেত্ৰত আমাৰ সমস্যাটো বৰ জটিল নহয়। এনে ধৰণৰ ৰচনাৰ জৰিয়তে আৰু এনে ধৰণৰ ৰচনাৰ বাবে ভাষাটোৱে বহু দিন ধৰি শক্তি আহৰণ কৰি আহিছে। আজি যদি কোনোবা গল্প বা সাহিত্য সম্পৰ্কীয় প্ৰবন্ধলেখকে ভাষাটো শুদ্ধকৈ আৰু ভালকৈ লিখিব পৰা নাই, তেনেহ'লে সেইটো তেখেতসকলৰ ব্যক্তিগত দোষ বা দুৰ্বলতা। কিন্তু সম্প্ৰতি বিজ্ঞান, প্ৰযুক্তিবিদ্যা, ব্যৱসায়, অৰ্থনীতি আদিৰ জ্ঞানৰ দ্ৰুত গতিত বিকাশ ঘটিছে, আৰু এইবোৰৰ শেহতীয়া অৱস্থাৰ লগত যদি আমি আমাৰ পাঠকসমাজক সাধাৰণভাৱেও পৰিচিত কৰি ৰাখিব খোজোঁ, তেনেহ'লে ভাষাৰ ক্ষেত্ৰত আমি কিছুমান নতুন সমস্যাৰ সম্মুখীন হ'মেই।

আলোচনাৰ বাবে বিজ্ঞানৰ কথাকে ধৰোঁ। পঞ্চল্লিছ বছৰৰ আগতে অসমীয়া ভাষাত আমি বিজ্ঞানৰ কি পঢ়িবলৈ পাইছিলো ? আলোচনীত ছপা হোৱা কিছুসংখ্যক বিজ্ঞানৰ জনপ্ৰিয় প্ৰবন্ধৰ বাহিৰে বিশেষ একো পোৱা নাছিলো। প্ৰবেশিকা পৰীক্ষাৰ পাঠ্যক্ৰমৰ বাবে যুগুত কৰা বিজ্ঞানৰ পাঠ্যপুথিখনকেই বিজ্ঞানৰ সূত্ৰ-তথ্য আদি আলোচনা কৰা একমাত্ৰ অসমীয়া কিতাপ বুলি ধৰিছিলো। কিন্তু সেইখন কিতাপৰ গুৰুত্বপূৰ্ণ দিশটো আছিল,—বিজ্ঞানৰ বাবে ব্যৱহাৰ কৰোঁতেও অসমীয়া ভাষাটোক অতি সুন্দৰ, সাৱলীলভাৱে ব্যৱহাৰ কৰা হৈছিল। উদজান, অম্লজান, এঙাৰ গেছ, হৰিৎকণা আদি কিছুমান শব্দৰ বাহিৰে অইন একোৱে ভাষাৰ ক্ষেত্ৰত আমনি নকৰিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল—তেতিয়া বিজ্ঞানৰ কথা অসমীয়াতে লিখা লোকসকলে অসমীয়া ভাষাটোও, অন্ততঃ এটা সীমাৰ ভিতৰত হ'লেও, ভালকৈ জানিছিল। বিজ্ঞানৰ ফাললৈ গলোগৈ কাৰণে নিজৰ ভাষাটো ভালকৈ আৰু শুদ্ধকৈ নাজানো,—এইটো অৱস্থাই সেই কালত গা কৰি উঠা নাছিল। তদুপৰি সাধাৰণ পাঠক-পাঠিকাৰ বাবে বিজ্ঞানৰ প্ৰবন্ধ-পাতিৰ যি চাহিদা আছিল, সেই চাহিদা পূৰাবলৈ বিষয়বস্তু আৰু ভাষা—এই দুয়োটাৰে ওপৰত দখল থকা যিমান মানুহৰ প্ৰয়োজন, সিমান মানুহ আছিল। ভাষা নজনাকৈ কেৱল ভাবৰ জোৰত, বা প্ৰয়োজন পূৰাবলৈ কিবা লিখি ছপা কৰোৱাৰ সাহস ভাষাৰ প্ৰতি শ্ৰদ্ধাশীল লোকে সহজে নকৰিছিল।

এই অৱস্থাটোৰ এটা ডাঙৰ পৰিবৰ্তন ঘটিল সত্তৰৰ দশকত,—কলেজৰ পঢ়া-শুনাৰ কাম অসমীয়া ভাষাৰে কৰিব পৰাৰ ব্যৱস্থা প্ৰবৰ্তিত হোৱাত। অসমীয়া ভাষাত প্ৰবেশিকা পৰ্যায়ৰ বীজগণিত, জ্যামিতি, বিজ্ঞান আদিৰ কেইখনমান কিতাপৰ ঠাইত প্ৰয়োজন হ'ল কলেজ-পৰ্যায়ৰ বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ সকলো বিষয়ৰে প্ৰায় দুশখন কিতাপৰ। অতি কম সময়ৰ ভিতৰতে অসমীয়া ভাষাভাষীসকলৰ মাজত পদাৰ্থ বিজ্ঞানৰ তাপ, শব্দ, বিদ্যুৎ, গতিবিজ্ঞানৰ পৰা বাণিজ্য বিভাগৰ সচিব প্ৰকৰণলৈকে পাঠ্যপুথি লিখিব পৰা কেইবাশও লোক। ইতিমধ্যে প্ৰশাসনৰ ক্ষেত্ৰতো অসমীয়া ভাষাৰ প্ৰচলনৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল। উপায়ুক্ত, অধীক্ষক আদিয়ে ডি. ছি, এছ. পি আদিক "আমনি" কৰিবলৈ লৈছিল। কিন্তু কলেজ পৰ্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ প্ৰচলন হোৱাৰ লগে-লগে ভাষাৰ ৰূপ সলনি হোৱাৰ প্ৰক্ৰিয়াটো ব্যাপক হৈ পৰিল। এই প্ৰক্ৰিয়াৰ মাজত দেখা দিয়া সমস্যাবোৰৰ কেইটামান আছিল এনে ধৰণৰ ঃ আগতে যদি বিষয়বস্তু, ভাষা আৰু প্ৰকাশভংগী—এই সকলোৰে ওপৰত মোটামুটিভাৱে দখল থকা মানুহেহে কিতাপ লিখিছিল, এতিয়া কেৱল মোটামুটিভাৱে বিষয়বস্তু জনা মানুহেও বাকী দুটা বস্তু লৰালৰিকৈ দখললৈ আনিব লগীয়া হ'ল। ("ইমান দিনৰ ভিতৰত আপুনি ভূবিজ্ঞানৰ জীৱাশ্ম শাখাৰ কিতাপখন লিখি দিবই লাগিব।") এই কামটো সহজ নাছিল। দ্বিতীয়তে, পাৰিভাষিক শব্দবোৰ যে সৃষ্টি কৰি লোৱা হৈছিল, সেইবোৰৰ কিছুমান কঠিন আৰু দুৰ্বোধ্য আছিল ; কিন্তু ভাষাটোৰ ওপৰত যিমান দখল থাকিলে এই শব্দবোৰক চল্লিছৰ দশকৰ উদজান, অম্লজান আদিৰ দৰে কম আমনি কৰা শব্দলৈ ৰূপান্তৰিত কৰিব পৰা যায়, সিমান দখল বহুতৰে নাছিল। কিন্তু এনেকৈয়ে ভাষাটোৰ এক ধৰণৰ উন্নতি নিশ্চয় হ'ল ; কেৱল উন্নতিৰ পাছত ভাষাটো সকলো দিশতে যিমান নিমজ হ'ব লাগিছিল, সিমান নহ'ল। এই কামৰ বাবে সংখ্যা আৰু প্ৰতিভাৰ সুসমন্বয় ঘটাৰ প্ৰয়োজন। গতিকে এতিয়াও আমি প্ৰক্ৰিয়াটোৰ মাজতে আছোঁ ; —প্ৰতিভাবান লোকৰ অৰিহণাৰ আশাত আছোঁ।

কিন্তু উল্লেখযোগ্য কথা হৈছে, পাঠ্যপুথি আৰু প্ৰশাসনৰ এই ভাষাই স্বাভাৱিকতে আলোচনী-বাতৰি-কাকতৰ বুকুতো ঠাই পাইছে আৰু যিসকলে আজিৰ জগতৰ নানান দিশৰ প্ৰয়োজনীয় বিষয়বস্তুৰ কথা লিখি তেখেতসকলৰ জ্ঞানৰ ভাগ সাধাৰণ পাঠক-পাঠিকাক দিব খোজে, তেখেতসকলৰ বহুতে এই আলোচনী-বাতৰি-কাকতৰ ভাষাৰ পৰাই ভাষাৰ জ্ঞান আহৰণ কৰি লৈছে। একালৰ লেখকসকলৰ অসমীয়া ভাষাটোৰ ওপৰত যি স্বাভাৱিক দখল আছিল, সেই দখল এখেতসকলৰ বহুতৰে নাই। যোৱা পঁচিছ-ত্ৰিছ বছৰত সকৰে পৰা অসমীয়া ভাষাটোৰ লগত প্ৰয়োজনীয় সম্পৰ্ক ৰক্ষা কৰাৰ ব্যৱস্থাটো শিথিল হৈ পৰাটো এনে অৱস্থাৰ এটা প্ৰধান কাৰণ।

তথাপি, আজিৰ অসমীয়া আলোচনী-বাতৰি-কাকতে সকলো ধৰণৰ বিষয়ৰ জ্ঞানেৰে পাঠক-পাঠিকাৰ সেৱা কৰিব খোজে ; কৰা উচিত। লগতে আমি আশা কৰা উচিত, সত্তৰৰ দশকত পাঠ্যপুথি বা প্ৰশাসনে ভাষাৰ যি ক্ষেত্ৰ তৈয়াৰ কৰিলে, আজিৰ আলোচনী-বাতৰি-কাকতৰ ভাষাই তাক নিমজ আৰু সুন্দৰ কৰক। একোটা বিশেষ বিষয়ত জ্ঞান অৰ্জন কৰা একোজন লোকে কেৱল ভাষাৰ দৈন্যৰ কাৰণেই যাতে পাঠক-পাঠিকাক তেখেতৰ জ্ঞানৰ ভাগৰ পৰা বঞ্চিত কৰিব লগীয়া নহয়, তাৰ বাবে, এতিয়া আমাৰ জ্ঞান-শক্তি-সামৰ্থ্যৰে আমি তেখেতক সহায় কৰিছোঁ ; —সেইটো আমাৰ পবিত্ৰ কৰ্তব্য বুলি ভাবিছোঁ ; —কিন্তু ভয় হয়,—ইয়াৰ পাছৰ পুৰুষৰ যদি এই কৰ্তব্য কৰাৰো শক্তি নাথাকে ? ভাষাটো ব্যৱহাৰ কৰা বহুতৰে এনে কিছুমান দুৰ্বলতা চকুত পৰিছে, সামগ্ৰিকভাৱে ভাষাটোৰ ক্ষেত্ৰত এনে কিছুমান লক্ষণ দেখা গৈছে,—যাৰ ফলত শংকা হয়,—এসময়ত হয়তো লেখোঁতা আৰু উক্ত পবিত্ৰ কৰ্তব্য পালন কৰোঁতা—সকলো একাকাৰ হৈ যাব !

এই শংকা আঁতৰ কৰাৰ বাবে আটাইতকৈ ডাঙৰ কৰ্তব্যটো হ'ল আমাৰ প্ৰত্যেকটো শিশুকে কিতাপ হাতত দিয়াৰ দিনৰ পৰাই ভাষাটোৰ প্ৰতি আগ্ৰহী আৰু শ্ৰদ্ধাশীল কৰি তুলিবলৈ চেষ্টা কৰা।

১২।৯।৯২




চুলিৰ বাবেই সমস্যা ?
চুলি সৰা ? অকালপক্কতা ? বা উফি ?

ডাঃ সৰকাৰে কয়—
চুলিৰ কোনো ৰেমাৰেই নহয়, বেমাৰৰ উপসৰ্গহে মাত্ৰ। সেয়ে অকল মূৰত ঔষধ লগালেই নহব, লগতে ঔষধো খাব লাগিব।
উফি বিহীন, ঘন, ক'লা, মিহি চুলি যদি বিচাৰে আৰ্ণিকাপ্লাছ লাগওক আৰু ট্ৰায়োফাৰ খাওক। এই দুয়োটাই চুলি সৰা বন্ধ কৰে, চুলিত পুষ্টি যোগান ধৰে, অকালপক্কতা ৰোধ কৰে, মূৰৰ উফি নোহোৱা কৰে। মূৰ ঠাণ্ডা ৰাখে, পেটৰ গোলমাল নোহোৱা কৰে, চুলিৰ উপাদান বঢ়ায়, সেয়ে নতুন চুলি গজে। ৰূপ হয় অপৰূপ হোমিওপেথিকৰ স্পৰ্শত, আৰু সুফলৰ বাহিৰে কুফল নহয়।






বিশ্বত সৰ্বপ্ৰথম
কেশ সমস্যা সমাধানত
ডাঃ সৰকাৰৰ এটি ফলপ্ৰসু আৱিষ্কাৰ (চি, চি, আই-পুৰস্কৃত) ট্ৰায়োফাৰ খোৱাৰ লগতে আৰ্ণিকাপ্লাছ লগোৱা ঔষধ।

ব্যৱহাৰৰ নিয়ম ঃ
আৰ্ণিকাপ্লাছ-হেয়াৰ ভাইটেলাইজাৰ গা ধোবাৰ পিছতে আৰু ৰাতি শোৱাৰ আগতে চুলিৰ গুৰিত লগাওক, লগতে ট্ৰায়োফাৰ-হেয়াৰ টনিকটোও- খাওক ৰাতিপুৱা আৰু ৰাতি, যিমান দিনলৈ চুলিৰ সমস্যা সমাধান নহয়।

আৰ্ণিকাপ্লাছ-ট্ৰায়োফাৰ
ট্ৰিপল এক্সন হেয়াৰ ভাইটেলাইজাৰ
কেশ সমস্যা সমাধানত পৰীক্ষিত আৰু প্ৰমাণিত হোমিও ঔষধ।

বিপণন সংস্থা ঃ ফোন-৫৯-৪০৫১
allen's
এলেন্স ইণ্ডিয়া মাৰ্কেটিং প্ৰাঃ লিঃ
আৰ্ণিকাপ্লাছ এপাৰ্টমেন্ট, শিয়ালদহ
৩৫, এ, পি, চি, ৰোড, কলিকতা-৯

Allen
প্ৰস্তুতকাৰক ঃ ফোন ৩৫-২৯৬১
এলেন লেবৰেটৰিজ প্ৰাঃ লিঃ
এলেন হাউচ ঃ ২২৪/এইচ, মানিকতলা মেন ৰোড, কলি-৫৪
যি সকলৰ যত্নতেই আপোনাৰ আৰোগ্য আৰু আস্থা।

Jupiter Emars Allen
Allopathic, Ayurvedic & Homoeopathic Medicine Manufacturers.
Bringing Science To Life
Dr. SARKAR Group
Allen's Ad. India